ASSAM LEGISLATIVE ASSEMBLY DEBATES



OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF INDIA.

BUDGET SESSION

No. 18

The 5th April, 2013

Price Rs. : 317.00

DEBATES OF THE

ASSAM LEGISLATIVE ASSEMBLY

Friday, the 5th April, 2013.

The House met at 9-00 A.M. of the Clock in the Assembly Chamber at Dispur with

Shri Pranab Kumar Gogoi, Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker: Now, starred question No.321, Hon'ble Member, Shri Bismita Gogoi:

বিষয় ঃ মাটি বেদখল।

শ্রীমতী বিস্মিতা গগৈয়ে সুধিছে ঃ

✱ ৩২১। মাননীয় ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) খুমটাই সমষ্টিৰ অন্তৰ্গত গোলাঘাট জিলাৰ শেনছোৱা চোমনি কিমান বিঘা মাটিৰে গঠিত?

(খ) বৰ্ত্তমান তাত মাটি বেদখল হোৱাৰ সম্পৰ্কে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, ইয়াক বাধা দিবলৈ বা সংৰক্ষণ কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে?

শ্রীমতী প্রণতি ফুকন (হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী)যে উত্তৰ দিছে ঃ

(ক) গোলাঘাট জিলাৰ শেনছোৱা চোমনিৰ মাটি কালিৰ পৰিমাণ ৩৮৭ বিঘা ২ কঠা ৮ লেচা।

(খ) অৱগত।

(গ) উক্ত বিষয় সন্দর্ভত বেদখল মুক্ত কৰিবৰ কাৰণে গোলাঘাট জিলাত থকা ৰেচম বিভাগৰ অধীক্ষকে জিলা প্রশাসনৰ লগত যোগাযোগ কৰি বিহীতব্যৱস্থা লোৱাৰ কাৰণে পদক্ষেপ গ্রহণ কৰিছে।

---

* Speech not corrected

*শ্রীমতী বিস্মিতা গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম এখন শিল্প প্রধান দেশ এই কথাটো আমি সকলোৱে জানো। শেনছোৱা চোমনিৰ ৩৮৭ বিঘা ২ কঠা ৮ লেচা মাটি আছিল। তাত কিন্তু দেখা যায় ৫০ বিঘাৰো কম মাটি হে আছে। আমি জনাৰ পৰা ২৫/৩০ বছৰ হ'ল তাত এতিয়া মানুহৰ ঘৰ আৰু অনান্য উদ্যোগ পতিবলৈ লোৱা হৈছে। আজি ২৫/৩০ বছৰে বেদখল মুক্ত কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে মই মন্ত্রী মহোদয়াৰ পৰা জানিব বিচাৰিছো।

শ্রীমতী প্রণতি ফুকন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো প্রশ্ন উত্থাপন কৰিছে ময়ো তাত একমত। এতিয়া প্রশ্নটো আহিছে যে চোমনিখন বেদখল মুক্ত কৰিব লাগে। এই গোটেই প্রক্রিয়াটো ৰাজহ বিভাগৰ অধীনত। কেৱল শেনছোৱা চোমনিয়েই নহয় অন্যান্য ঠাইতো ২০১২ চনতে এখন নোটিচ জাৰি কৰা হৈছিল। কিন্তু ৫৪ জন মানুহে হাই কোর্টৰ ওচৰ চাপে। আৰু হাই কোর্টৰ জাজমেণ্টটো

* Speech not corrected

ক্লীয়েৰ নোহোৱা পৰ্য্যন্ত আমি একো কৰিব নোৱাৰো। ৩৪২ খন ফাৰ্ম আছে, ৩২৮৮.৪১ হেক্টৰ মাটি আছিল এতিয়া তাত ২২৯ হেক্টৰ মাটি বেদখল হৈছে। এই কেচটো ৰাজহ বিভাগৰ অধীনত আছে। শেনচোৱা চোমনি যেতিয়ালৈকে হাই কোৰ্টৰ জাজমেণ্ট নহয় তেতিয়ালৈকে আমি একো কৰিব নোৱাৰো। এইবাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই টকা দিছে আমি শেনচোৱা চোমনি আৰু অন্যান্যঠাইৰ কাৰণে দি আছো। চোমনিৰ উন্নয়নৰ কাৰণে টকা ধাৰ্য্য কৰিছে।

*শ্ৰীমতী বিস্মিতা গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, হাই কোৰ্টৰ ৰায় অহাৰ পিচতো একো কৰা নহ'ল। গতিকে আমি দেখিবলৈ পাওঁ যে এই শেনছোৱা চোমনিখন সংৰক্ষণৰ কাৰণে কি কৰা হৈছে, সেই কথাটো মই মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰো।

শ্ৰীমতী প্ৰণতি ফুকন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, হাই কোৰ্টে ৫৪ঘৰ মানুহৰ ওপৰত ষ্টেট অৰ্ডাৰ দিছে। গতিকে, আমি

* Speech not corrected

একো কৰিব পৰা নাই। আৰু আমাৰ টকা খুব কম, সেই কাৰণে আমি কামত আগবাঢ়িব পৰা নাই । আমি এতিয়া প্লেণ্টেচন কৰিব পৰা নাই। মই জানো যে এই প্ৰক্ৰিয়াটো পূৰ্বৰ পৰাই চলি আহিছে। সেইকাৰণে প্লেণ্টেচন কৰিব পৰা নাহশ্ৰীযুত ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে

উত্তৰ দিছে ঃ

(ক) (১) ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট, বজাৰ, বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্ৰহ হোৱা নাই ।

(২) ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ বৰপেটা জিলা পৰিষদৰ তৰফৰ পৰা হাট-বজাৰ বিল পট্টন দিয়া ব্যক্তিৰ তালিকা Annexure-A ত দেখুওৱা হ'ল

২০০৮-০৯ — Annexure-A-1

লগত ৰেভিনিউ বিভাগ জড়িত নহয়। মাটি পর্য্যাপ্ত পৰিমাণে থাকি যায় কাৰণে মানুহে বে-দখল কৰে। এইবাৰ আমি ভাবিছো, ওচৰ চুবুৰীয়া মানুহক লৈ বে-দখলৰ পৰা সম্পূর্ণভাৱে ৰক্ষণা-বেক্ষণ দিয়া ব্যৱস্থা কৰাৰ কাৰণে চেষ্টা কৰা হ'ব।

* শ্রী মনোৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াৰ পৰা ৰক্ষণা-বেক্ষণ দিয়া ব্যৱস্থা কৰিব জনালে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ প্রশ্নৰ উত্তৰ আগতেই দিছে।

Mr. Speaker : Now, Starred Question No. 322 Hon'ble Member, Sri Sherman Ali Ahmed.

বিষয় ঃ - হাট-ঘাটৰ বন্দোৱস্তিকৰণ।

শ্রী শ্বেৰমান আলী আহমেদে সুধিছেঃ

*৩২২। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগত মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

* Speech not corrected

(ক) ২০০১-০২ ৰ পৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ বৰপেটা জিলা পৰিষদৰ অধীনত, কোন কোন হাট-ঘাট, বজাৰ, বিল আদি কাৰ কাৰ নামত কিমান টকাত আৱন্টন দিয়া হৈছে? (বিত্তীয় বৰ্ষ আৰু ব্লক ভিত্তিত পৃথক তালিকা দিব)

(খ) উপৰোক্ত সময়ছোৱাৰ ভিতৰত প্ৰতিটো হাট-ঘাটৰ বছৰি আবন্টন দিয়াৰ ক্ষেত্ৰত কোনে কোনে নিবিদা দাখিল কৰিছিল আৰু কি যোগ্যতা আৰু চৰ্ত্তাৱলীৰ ভিত্তিত আৱন্টন দিয়া হৈছে?

(গ) উক্ত সময়ছোৱাত কিমান শতাংশ ধন আগতীয়াকৈ লৈ হাট-ঘাট, বজাৰ, বিল আদি আবন্টন দিয়া হৈছে? (প্ৰতিটো হাট-ঘাট, বজাৰ, বিল আদিৰ ক্ষেত্ৰত আদায় লোৱা আগধন সম্পৰ্কে বিত্তীয় বৰ্ষ অনুযায়ী ব্লক ভিত্তিত পৃথকে পৃথকে তালিকা দাখিল কৰিব)

(ঘ) উক্ত বিত্তীয় বৰ্ষ কেইটাত হাট-ঘাট, বজাৰ, বিল আদিৰ নামত মুঠতে কিমান টকা সংগৃহীত হ'ল? (বিত্তীয় বৰ্ষ আৰু ব্লক ভিত্তত পৃথক তালিকা দিব)

(ঙ) সংগৃহীত টকাৰ আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তে পাব লগা অংশ কিমান? ইয়াৰে কিমান টকা আঞ্চলিক পঞ্চায়ত আৰু গাওঁ সমূহে পাইছে আৰু কিমান টকা পাবলৈ বাকী আছে? (বিত্তীয় বর্ষ আৰু ব্লক ভিত্তিত পৃথক তালিকা তাখিল কৰিব)

(চ) যদি আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহে পাবলগীয়া অংশখিনি পোৱা নাই, তেন্তে এই বকেয়া টকাখিনি কিমান দিনৰ ভিতৰত আদায় দিয়া হ'ব?

(ছ) মন্দিয়া আঞ্চলিক পঞ্চায়তৰ অর্ন্তগত বাঘবৰ হাট ১৯৯৯-২০০০বর্ষৰ পৰা ২০০৮-০৯ বিত্তীয় বর্ষলৈ কাৰ নামত কিমান টকাত আবন্টন দিয়া হৈছিল আৰু কিমান টকা সংগৃহীত হৈছিল?

(জ) উক্ত হাট কিমান চনলৈ নিবিদা যোগে পট্টন দিয়া হৈছিল আৰু তাৰ পিছত কিয় নিবিদা অবিহনে পট্টন হৈছিল?

(ঝ) ২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা উক্ত হাট কিয় পট্টন দিয়া নাই?

শ্রীযুত ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) (১) ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট, বজাৰ, বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই ।

(২) ২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা ২০১২-১৩ বর্ষলৈ বৰপেটা জিলা পৰিষদৰ তৰফৰ পৰা হাট-বজাৰ বিল পট্টন দিয়া ব্যক্তিৰ তালিকা Annexure-A ত দেখুওৱা হ'ল

২০০৮-০৯ — Annexure-A-1
২০০৯-১০ — Annexure-A-2
২০১০-১১ — Annexure-A-3
২০১১-১২ — Annexure-A-4
২০১২-১৩ — Annexure-A-5

} (See Annexure-I)

(খ) (১) ২০০১-০২ ইং ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট,

বজাৰ, বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই।

(২) ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ হাট-ঘাটৰ আবন্টন দিয়াৰ ক্ষেত্রত নিবিদা দাখিল কৰা ব্যক্তিৰ তালিকা Annexure-B ত দেখুওৱা হ'ল।

২০০৮-০৯ — Annexure-B-1
২০০৯-১০ — Annexure-B-2
২০১০-১১ — Annexure-B-3
২০১১-১২ — Annexure-B-4
২০১২-১৩ — Annexure-B-5

} (See Annexure-II)

হাট-ঘাট পট্টনৰ ক্ষেত্রত সর্ব্বোচ্চ বৈধ নিবিদাকাৰীক জিলা পৰিষদ অথবা সংশ্লিষ্ট আঞ্চলিকৰ স্থায়ী সমিতিৰ সিদ্ধান্ত ৩ অসম পঞ্চায়ত আইন ১৯৯৪ ইং ৰ চতৰ্থলীৰ ভিত্তিত

হাট-ঘাটৰ আবন্টন দিয়া হৈছিল।

(গ) (১) ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট, বজাৰ, বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই।

(২) বাচনিভুক্ত বৈধ নিবিদাকাৰীৰ নিবিদা নিৰিখৰ পৰা আমানত ধন ৩০%+ কিস্তিত ধন ২৫%=মুঠ ৫৫% আগতীয়াকৈ লৈ হাট-ঘাট, বিল আদি আবন্টন দিয়া হয়।

২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা ২০১২-১৩ বর্ষলৈ আদায়কৃত ধনৰ তালিকা 'ক'-(২) উত্তৰত দেখুওৱা আছে।

(ঘ) (১) ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট, বজাৰ, বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই।

(২) ২০০৮-০৯ ইং চনৰ পৰা ২০১২-১৩ ইং চনলৈকে সংগৃহীত ধনৰ পৰিমান 'ক' (২) উত্তৰত দেখুওৱা আছে।

(ঙ) (১) ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট,বজাৰ,বিল আদিৰ আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই।

(২) ২০০৮-০৯ ইং চনৰ পৰা ২০১২-১৩ ইং বিত্তীয় বর্ষলৈ আঞ্চলিক পঞ্চায়ত/গাওঁ/পঞ্চায়তে সংগৃহীত ধনৰ পৰা পাবলগীয়া আৰু পোৱা আৰু বাকী থকা ধনৰ হিচাব Annexure-C হিচাপে দেখুওৱা হ'ল।

২০০৮-০৯ — Annexure-C-1
২০০৯-১০ — Annexure-C-2
২০১০-১১ — Annexure-C-3
২০১১-১২ — Annexure-C-4
২০১২-১৩ — Annexure-C-5

} (See Annexure-III)

(চ) বিভিন্ন আঞ্চলিক পঞ্চায়তৰ পৰা যিবোৰ হাট/ ঘাট/বজাৰ আদি বন্দোবস্তী দিয়ে তাৰ অংশ হিচাপে ২০ শতাংশ

বৰপেটা জিলা পৰিষদে পাব লাগে। আঞ্চলিক পঞ্চায়তে জিলা পৰিষদৰ অংশ পাবলগীয়া আছে। সেইদৰে জিলা পৰিষদেও আঞ্চলিক পঞ্চায়তৰ পৰা পাব লগীয়া আছে। কিন্তু সংশ্লিষ্ট আঞ্চলিক পঞ্চায়ত সমূহে ২০০১-০২ ইং ৰ পৰা বৰ্ত্তমান লৈকে সংগ্রহ কৰা ধনৰ পৰা পৰিষদত দিবলগীয়া অংশৰ ধন ওপৰোক্ত বৰ্ষ কেইটাত আঞ্চলিক পঞ্চায়তে খৰচ কৰি দিয়াত পৰিষদক দিবলগীয়া পর্য্যাপ্ত ধন সেই আঞ্চলিক পঞ্চায়তত মজুত নাই। সেয়ে জিলা পৰিষদে দিবলগীয়া আঞ্চলিক পঞ্চায়তে দিবলগীয়া Adjustment সম্ভৱ হৈ উঠা নাই।

এই পাবলগীয়া ধন আদায় দিবলৈ সময় নির্দ্ধাৰণ কৰাটো নির্ভৰ কৰিব পৰৱর্ত্তী বৰ্ষ কেইটাত সংগৃহীত ধনৰ পৰিমাণৰ ওপৰত।

(ছ) ১৯৯৯-২০০০ ইং চনৰ পৰা ২০০২-০৩ চনলৈকে মন্দিয়া অঞ্চলিক পঞ্চায়তৰ অধীনত থকা হাট-ঘাটৰ ৰাজহৰ তথ্য

আৰু সংগৃহীত ধনৰ পৰিমাণ আৰু তদানীন্তন ৰোকপাল (cashier) ৰবিন দাসৰ জিম্মাত আছিল। তেখেতে চাকৰি কৰি থকা সময়তে নিৰুদ্দেশ হোৱাত সংশ্লিষ্ট নথি পত্ৰ সমূহ কোনো কাৰ্য্যলয়ৰ সহায়কক হস্তান্তৰ নকৰাত উক্ত তথ্যখিনি কৰ্য্যালয়ত বিচাৰি পোৱা নগ'ল। ২০০৩-০৪ ইং চনৰ পৰা ২০০৮-০৯ ইং লৈকে মন্দিয়া আঞ্চলিক পঞ্চায়তৰ বাঘবৰ হাটৰ ৰাজহ সংগ্ৰহ তালিকা তলত দিয়া ধৰণে দেখুওৱা হৈছে-

ক্রমিক নং	বর্ষ	আঃ পঃ	হাট নাম	মহাজনাবব নাম	সংগৃহীত ধনব পবিমাণ	মন্তব্য
১	২০০৩-০৪	মন্দিমা	বাঘবব হাট	শ্রী জুবান আলী পিঃ মৃত-দানেশ আলী গাওঁ-নিজ বাঘবব ডাক-বাঘবব	১,২০,১০০	পত্তনব নিদেশ-Dy.Secy., P&R.D Deptt. Govt. of Assam vide letter No PDA 127/2000/4 ব জবিয়তে পোষা হৈছিল।
২	২০০৪-০৫	ঐ	ঐ	ঐ	১,৩২,১১০	ঐ
৩	২০০৫-০৬	ঐ	ঐ	ঐ	৬০,০০০	ঐ
৪	২০০৬-০৭	ঐ	ঐ	ঐ	———	ঐ
৫	২০০৭-০৮	ঐ	ঐ	ঐ	১,০১,০০০	ঐ
৬	২০০৮-০৯	ঐ	ঐ	ঐ	১,১১,১০০	ঐ

(জ) ১৯৯৯-২০০০ ইং চনৰ বাবে বাঘবৰ হাটৰ পট্টনৰ বাবে নিবিদা আহ্বান কৰা হৈছিল যদিও কার্য্যালয়ত এই সম্পর্কীয় কোনো তথ্য পোৱা নগ'ল। ১৯৯৯ ইং চনৰ পৰা ২০০২-০৩ ইং চনলৈ 'হাট-ঘাট আদিৰ বন্দোৱস্তীৰ তথ্যপাতি তদানীন্তন ৰোকপাল ৰবিন দাসৰ জিম্মাত আছিল। তেখেতে চাকৰি কৰি থকা অৱস্থাত নিৰুদেশ হোৱাত আৰু তথ্যপাতি কার্য্যালয়ত চমজাই নিদিয়াত তথ্যপাতি বিচাৰি পোৱা নগ'ল। পৰৱর্ত্তী পর্য্যায়ত মঁহামান্য গৌহাটী উচ্চ ন্যায়ালয়ৰ বিভিন্ন গোচৰৰ ৰায়দানৰ ভিত্তিত নিবিদা বন্ধ ৰখা হয়। পিছলৈ গৌহাটী উচ্চ ন্যায়ালয়ত তৰা গোচৰ নং WP [C] No ৩৮২৮/২০০৯ dtd ৩১/৩/২০০৯ ৰ আদেশ মর্মে ব্যক্তিগত মাটিত থকা হাটৰ নিবিদা আহ্বান কার্য্য বন্ধ ৰখা হয়।

(ঝ) মন্দিয়া আঞ্চলিক পঞ্চায়তৰ সচিবৰ নামত বাঘবৰ পথাৰ

গাওঁত ৭ বিঘা ১ কঠা ১২ লেচা মাটি নামজাৰি আছে। ২০০৮-০৯ ইং চনলৈকে উক্ত মন্দিয়া আঞ্চলিক পঞ্চায়তৰ সচিবৰ নামত থকা মাটিত বজাৰ খন পট্টন দিয়া হৈছিল। উক্ত আঞ্চলিক পঞ্চায়তৰ সচিবৰ নামত থকা মাটিৰ এজমালি পট্টাৰ মাটি আছিল। উক্ত মাটিৰ অন্য পট্টাদাৰ সকলে মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ত বিভিন্ন গোচৰ তৰাত মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ৰ হুকুম মর্মে আঞ্চলিক পঞ্চায়তৰ পৰা উক্ত বজাৰৰ পট্টনৰ নিবিদা বন্ধ ৰখা হয়।

*শ্রী শ্বেৰমান আলী আহমেদঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০১-০২ ৰ পৰা ২০১২-১৩ বিত্তীয় বর্ষলৈ বৰপেটা জিলা পৰিষদৰ অধীনত কোন কোন হাট-ঘাট, বজাৰ, বিল আদি কাৰ কাৰ নামত কিমান টকা আবন্টন দিয়া হৈছে? মোৰ প্রশ্নটোৰ উত্তৰ মাননীয় মন্ত্রী মহোদয়ে এনেদৰে দিছে যে ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে হাট-ঘাট, বজাৰ, বিল

* Speech not corrected

আদিৰ আবন্টন দিয়া তালিকাসমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ হোৱা নাই, এতিয়া কথা হ'ল মাননীয় অধ্যক্ষ মহোদয়, প্রথমে প্রশ্নটো কৰিলো ২০১২ চনৰ জুলাই চেচনত। তেতিয়া উত্তৰটো অলপ নৰম আছিলে। ২০০১-০২ চনৰ পৰা ২০০৭-০৮ চনলৈকে তালিকাসমূহ দাখিল কৰিব পৰা নাই। ৯ মাহে তালিকা দাখিল কৰিব পৰা নগ'ল। তাৰ পিচত ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ বৰপেটা জিলা পৰিষদৰ তালিকা সংগ্রহ কৰিলে।

মাননীয় অধ্যক্ষ মহাদয়, জিলা পৰিষদে ৪০শতাংশ আৰু গাওঁ পঞ্চায়তে ২০ শতাংশ পাব লাগে। ২০০৮ বৰ্ষৰ পৰা ২০১৩ বৰ্ষলৈ বৰপেটা জিলা পৰিষদে কিমান সংগ্রহ কৰিলে, কিমান টকা আঞ্চলিক পঞ্চায়তক দিলে আৰু কিমান টকা গাওঁ পঞ্চায়তক দিয়া হ'ব। মোৰ প্রশ্নটো হ'ল, ২০০১-০২ চনৰ পৰা ২০০৭-০৮ চনলৈকে তালিকা সংগ্রহ কৰিব পৰা নাই। সংগ্রহ কৰিব পাৰিলে কৰিব পৰা যাব।

২০১২ চনৰ ৩০ মাৰ্চত এক বছৰ পাৰ হৈ গ'ল। ২০০৮-০৯ চনৰ পৰা ২০১২-১৩ চনলৈ উত্তৰটো আছিলে বিভিন্ন আঞ্চলিক পঞ্চায়তৰ পৰা যিবোৰ হাট-বজাৰক দিয়ে তাৰ ২০ শতাংশ বৰপেটা জিলাই পাব লাগে। আঞ্চলিক পঞ্চায়তে জিলা পৰিষদৰ অংশ পাব লাগে। এই ক্ষেত্রত জিলা পৰিষদে বিবেচনা কৰিব পাৰে। ২০১২-১৩ বৰ্ষত যিখিনি আঞ্চলিক পৰিষদে পাবলগীয়া আছে সেইখিনি দিয়া হব। কিন্তু এইবাৰ উত্তৰটো বেলেগ ধৰণে,আহিল।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য এগৰাকীয়ে গুৰুত্বপূর্ণ প্রশ্ন কৰি আছে, আপোনালোকে কথাটো নুশুনি (কেইজনমান মাননীয় মন্ত্রীৰ মুখলৈ চাই) দেৰি কৰিছে কিয়?

***শ্রী শ্বেৰমান আলী আহমেদঃ** চাৰ, এইবাৰ উত্তৰটো বেলেগ। আঞ্চলিক পঞ্চায়তে পাবলগীয়াখিনি এডযাষ্ট কৰি দিলে। আঞ্চলিকত যিবোৰ পাবলগীয়া আছে সেইবোৰ জিলা পৰিষদতে খৰছ কৰি দিলে। জিলা পৰিষদে ভৱিষ্যতে যুজঁ অনাই দিয়ক।

---

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, মোৰ আন এটা প্ৰশ্ন হ'ল,- — As per Agenda Act under Section 1056.....should be deposited. There is no question of any fund in the Zilla Parishad. Under Section 1056 A&B 40% should be received by Anchalik Panchayat and Gaon Panchayat. এই পজিচন থকা সত্বেও জিলা পৰিষদে যোৱা ১০-১২ টা বছৰে কেইবা কোটি টকা জিলা পৰিষদক দি কিয় আইন ভংগ কৰি দিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল, ৪০ শতাংশ আঞ্চলিক পঞ্চায়তে পাব লাগে আৰু ২০ শতাংশ গাওঁ পঞ্চায়তে পাব লাগে। এই টকা গাওঁ পঞ্চায়তক কিয় দিয়া হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ আপোনৰ প্ৰশ্নকেইটা কোৱা হ'ল। এতিয়া নেক্স কোৱেচনলৈ আঁহো।

*শ্ৰী শ্বেৰমান আলী আহমেদঃ মাননীয় অধক্ষ্য মহোদয়, (টকাৰ ফিগাৰ পঢ়িদিয়ে) যিখিনি টকা পাইছে জমা হ'ব লাগিছিল। আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তক কিয় ভায়লেট কৰিছে, কিয় দিয়া হোৱা নাই মাননীয় মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাব লাগে।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় মন্ত্রীয়ে উত্তৰ দিব।

*শ্ৰী ৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে গুৰুত্বপূর্ণ কথা সুধিছে। উত্তৰটো দিবৰ কাৰণে মই নিজে সময় লৈছো। উত্তৰটো প্রস্তুত কৰাৰ আগতে মই সংশ্লিষ্ট বিষয়াসকলক মাতি পঠিয়াইছিলো আৰু গুৰুত্বপূর্ণ বিষয়বোৰ যুগুত কৰি লৈছিলো। আমি বিধায়ক হিচাবে জানো ৰাজ্যখনত দুটা পঞ্চায়ত আছে, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত। ২০০১-০২ ৰ পৰা ২০০৭-০৮ ইং লৈকে আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা সংগ্রহ কৰা হোৱা নাই বুলি কৈ আছে।

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, এন,আৰ,চিৰ ক্ষেত্রতো নাই বুলি কৈছে। মই এইটো এনেকুৱা কৰিম। কোনোবা মন্ত্রী বা বিষয়াই লুকুৱাই ৰখাৰ কাৰণ থাকিব নোৱাৰে। ইচ্ছাকৃত ভাৱে যদি কোনোৱা বিষয়া জড়িত থাকে তেন্তে আমি এনকুৱাৰী কৰি একচন লম। মাননীয় অধ্যক্ষ মহোদয়, ২০ শতাংশ জিলা পৰিষদ ৪০ শতাংশ আঞ্চলিক পঞ্চায়তক দিয়া হয়। পিছত অংশখিনি ঘূৰাই দিব লাগে। সেই অংশ বিলাক ঘূৰাই নিদিয়ে পিছত ঘূৰাই দিম বুলি কয়। এই সংক্রান্তত মই এটা এনকুৱাৰী কৰিম। সেইমতে ব্যৱস্থা গ্রহণ কৰিম।

মাননীয় অধ্যক্ষ ঃ তেখেতে মানি লৈছে। এনকুৱাৰী কৰি ব্যৱস্থা গ্রহণ কৰিম বুলি কৈছে। মই আপোনালোকক অনুৰোধ কৰিছো। আপোনালোকে যে সদনৰ মর্য্যদা অক্ষুন্ন ৰাখে। মাননীয় মন্ত্রী মহোদয়ে যিহেতু এনকুৱাৰী কৰি তাৰ ভিত্তিত ব্যৱস্থা গ্রহণ কৰিম বুলি কৈছে, গতিকে এই কথাটো দীঘলীয়া কৰি লাভ নাই।

---

* Speech not corrected

✱শ্রী শ্বেৰমান আলী আহমেদঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। মই আৰু মাত্ৰ এটা বস্তু মাননীয় মন্ত্রীৰ দৃষ্টিগোচৰ কৰিব বিছাৰিছো। মোক মন্ত্রী মহোদয়ৰ পৰা উত্তৰ নালাগে মাত্ৰ দৃষ্টি গোচৰ হে কৰিম।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্রী মহোদয়ে, এনকুৱাৰী কৰিম বুলি কৈছে, তেনে স্থলত আপোনাক আৰু কি লাগে।

Mr. Speaker : Now, Starred Question No. 323, Hon'ble Member, Sri Aminul Islam .

বিষয় ঃ পশু পালন আৰু দুগ্ধ উন্নয়ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

✱ ৩২৩। মাননীয় পশু পালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত চৰকাৰী ভাৱে গাখীৰ সংগ্রহ আৰু প্রক্রিয়াকৰণৰ কি ব্যৱস্থা কৰা হৈছে? প্রক্রিয়াকৰণ কেনেকৈ কৰা হয় আৰু এনে গাখীৰৰ মান কেইদিনলৈ অক্ষুন্ন থাকে?

(খ) এইদৰে গড়ে কিমান গাখীৰ সংগ্রহ আৰু প্রক্রিয়াকৰণ কৰা হয়? ক'ত কেনকৈ এই প্রক্রিয়াকৰণ কৰা হয় আৰু কি মূল্য হাৰত গ্রহকক যোগান ধৰা হয়?

(গ) নগাওঁ জিলাক দুগ্ধ ৰাহি হোৱা জিলা হিচাপে পৰীক্ষামূলক ভাৱে চৰকাৰে গ্রহণ কৰিছিনে?

(ঘ) যদি কৰিছে, তেনেহ'লে জিলাখনত কি কি আঁচনি ৰূপায়ন বা নতুন পদক্ষেপ লোৱা হ'ব আৰু তাৰ কাৰণে কিমান পুঁজি আবন্টন কৰা হ'ব? দুগ্ধ পালক সকলক সক্ষমতা বৃদ্ধিৰ বাবে কি ব্যৱস্থা লোৱা হ'ব?

(ঙ) নগাওঁ জিলাৰ দুমদুমীয়া বালিসত্রত পশুপালন বিভাগৰ কিমান মাটি আছে? তাত পশু খাদ্য (ঘাঁহ) উৎপাদন কৰাৰ কাৰণে

যোৱা ৫ বছৰত কিমান টকা খৰচ কৰা হ'ল আৰু কিমান ঘাঁহ উৎপাদন কৰা হ'ল বর্ষ ভিত্তিক তথ্য সদনত দাখিল কৰিব?

(চ) কিমান সংখ্যক পশুধন বা কিমান এলেকা সামৰি এটা পশু চিকিৎসালয় আৰু এটা স্বাস্থ্য উপকেন্দ্র নিমার্ণ কৰা হয়?

(ছ) ধিং সমষ্টিত কেইটা পশু চিকিৎসালয় আৰু উপকেন্দ্র আছে আৰু নতুনকৈ কেইখন নিমার্ণ কৰা হ'ব?

শ্রীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমত চৰকাৰী ভাৱে গাখীৰ সংগ্রহ আৰু প্রক্রিয়াকৰণ দুগ্ধ উন্নয়ন খণ্ড অসমৰ জৰিয়তে ৰাজ্যৰ বিভিন্ন অঞ্চলত দুগ্ধ উৎপাদক সমবায় সমিতি, অন্য গাখীৰ উৎপাদকৰ পৰা সংগ্রহ কৰি বিভাগৰ বিভিন্ন অঞ্চলত থকা শীতলীকৰণ সংযন্ত্র আৰু গাখীৰ প্রক্রিয়াকৰণ সংযন্ত্রত প্রক্রিয়াকৰণৰ ব্যৱস্থা কৰা হৈছে। এনেকৈ প্রক্রিয়াকৰণ কৰা গাখীৰৰ মান অতি বেছি ২৪ ঘন্টাৰ পৰা ৪৮ ঘন্টালৈ অক্ষুন্ন থাকে।

(খ) দুগ্ধ উন্নয়ন খণ্ড অসমৰ বিভিন্ন স্থানত গড়ে ৫০০ ৰ পৰা ২০০০ লিটাৰ গাখীৰ সংগ্রহ আৰু প্রক্রিয়াকৰণ কৰা হয়। গুৱাহাটী, নগাওঁ, বোকাখাত, যোৰহাট, ডিব্রুগড়, উত্তৰ লক্ষীমপুৰ, তেজপুৰ, শিলচৰ আৰু মাঞ্জা আদি স্থানত এই প্রক্রিয়াকৰণ ব্যৱস্থা আছে। বৃহত্তৰ গুৱাহাটী নগৰত বিভাগৰ নগৰ গাখীৰ যোগান আঁচনিৰ জৰিয়তে ৩৬.০০ টকা মূল্যত গ্রাহকক যোগান ধৰা হয় আৰু ৰাজ্যৰ অঞ্চলভেদে গাখীৰৰ মূল্যৰ কিছু তাৰতম্য আছে।

(গ) নগাঁও জিলাক দুগ্ধ ৰাহি জিলা হিচাপে পৰীক্ষামূলক ভাবে চৰকাৰে গ্রহণ কৰিছে।

(ঘ) পশুপালন খণ্ডত জিলাখনত বিশ্ববেংকৰ অর্থ সাহার্য্যত অসম কৃষি সামর্থবদ্ধক প্রকল্পৰ অধীনত কৃত্রিম প্রজননৰ যোগেদি গাখীৰৰ উৎপাদন বৃদ্ধিৰ বাবে ১৫০ টা নতুন কৃত্রিম প্রজনন কেন্দ্র স্থাপন কৰি অহা ৩ বছৰত বাহিৰৰ বিশেষজ্ঞ উৎসৰ যোগেদি কৃত্রিম প্রজননৰ ব্যৱস্থা লোৱা হ'ব। ইয়াৰ ফলত

বর্তমান থকা ৯৫ টা কৃত্রিম প্রজনন কেন্দ্রক ধৰি মুঠ কেন্দ্রৰ সংখ্যা ২৪৫ টালৈ বৃদ্ধি কৰা হ'ব। প্রত্যেক কেন্দ্রই ১০০০ জনী প্রজননক্ষম গাই গৰু সামৰি লব। এই প্রকল্পৰ ৩ বছৰৰ পিছত পুনৰ ম্যাদ বৃদ্ধি কৰা হব। আশা কৰা হৈছে অহা ১৫ বছৰৰ শেষত এই প্রকল্পই নগাঁও জিলাক দুগ্ধ ৰাহি হোৱা জিলা হিচাপে পৰিগনিত কৰিব।

অসম কৃষি সামর্থবদ্ধক প্রকল্প আঁচনিৰ অধীনত ইয়াৰ ৩ বছৰত ৫:৫৩ বাবে কোটি টকা ধার্য্য কৰা হৈছে, লগতে পশুধনৰ স্বাস্থ্যৰ বাবে ৪৫ লাখ টকা ঘাঁহ খেতিৰ বাবে ৩১.৫ লাখ, ছিটাকৰণৰ বাবে ৪.৫ লাখ আৰু দুগ্ধ পালকৰ সক্ষমতা বৃদ্ধিৰ বাবে ৬৫ লাখ টকা এই তিনি বছৰৰ বাবে ধার্য্য কৰা হৈছে। দুগ্ধ উন্নয়ন খণ্ডত নতুন পদক্ষেপ হিচাপে এই প্রকল্পৰ অধীনত ২০১২-১৩ ৰ পৰা ২০১৪-১৫ লৈ নগাঁও জিলাত ৬১ খন "দুগ্ধ উৎপাদক প্রতিষ্ঠান" গঠন কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে নগাওঁ জিলাত ৬১

খনৰ ভিতৰত ৩৬ খন দুগ্ধ প্ৰতিষ্ঠান গঠন কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। এই প্ৰতিষ্ঠান সমূহক যাৱতীয় আহিলা-পাতিৰ যোগান আৰু প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰকল্পৰ বাবে প্ৰায় ৩৮২.৬১ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(ঙ) নগাওঁ জিলাৰ দুমদুমীয়া বালিসত্ৰত পশুপালন আৰু পশুচিকিৎসা বিভাগৰ ৩০২ বিঘা মাটি আছে। তাত পশুখাদ্য (ঘাঁহ) উৎপাদন কৰাৰ কাৰণে যোৱা ৫ বছৰৰ ২০১১-১২ বৰ্ষত মুঠ ৫,৭৫,৫৯৭.০০ টকা খৰচ কৰা হৈছে।

ঘাঁহ উৎপাদন

২০১১-১২ বৰ্ষত- ৰীনা ঘাঁহ - ৩০০ কুইণ্টল

ওট ঘাঁহ - ৫০ কুইণ্টল

মুঠ — ৩৫০ কুইণ্টল

২০১২-১৩ বর্ষত - ৰীনা ঘাঁহ - ৩২০ কুইণ্টল

ওউ ঘাঁহ - ৫৫ কুইণ্টল

৩৭৫ কুইণ্টল

(চ) National Commision for Agriculture (NCA) ৰ উপদেষ্টা মণ্ডলীৰ পৰামৰ্শমতে ৫০০০ পশুধনৰ বিপৰীতে এখন পশু-চিকিৎসালয় থাকিব লাগে। উপকেন্দ্ৰ সম্বন্ধে তেনে কোনো guideline নাই।

(ছ) ধিং সমষ্টিত ৪ খন পশুচিকিৎসালয় আৰু ৪ টা উপকেন্দ্ৰ আছে। নতুনকৈ পশুচিকিৎসালয় আৰু উপকেন্দ্ৰ নিৰ্মাণৰ আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

শ্ৰী আমিনুল ইছলামঃ মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ দুমদুমীয়া বালিসত্ৰত পশুপালন আৰু পশুচিকিৎসা বিভাগৰ ৩০২ বিঘা মাটি আছে। এই ৩০২ বিঘা মাটিত পশুখাদ্য উৎপাদন কৰাৰ কাৰনে যোৱা পাচঁ

বছৰৰ ২০১১-২০১২ বর্ষত মুঠ ৫,৭৫,৫৯৭.০০ টকা খৰছ কৰা হৈছে প্রায় ৬ লাখ টকা খৰচ কৰা হ'ল অথচ কোনো কামত নাহিল। দুমদুমীয়া বালিসত্রত পশু-পালন আৰু পশু চিকিৎসালয়ৰ মাটি কিছু স্থানীয় লোক আৰু ছালফাৰ দ্বাৰা বেদখল হৈছে। এই কথাটো মাননীয় মন্ত্রী মহোদয়ৰ অৱগত নে? যদি অৱগত ইয়াৰ কিবা বিহিত ব্যৱস্থা গ্রহণ কৰা হৈছে নেকি?

*শ্রীখৰছিং ইংতি (মন্ত্রী) ঃমাননীয় অধ্যক্ষ মহোদয়, মই তালৈ নিজে গৈছিলো, তাত বেদখল হোৱা কথাটো সত্য। তাত বেদখল হৈছে। আমি তাত খেতি কৰাইছিলো, তাত পানী যোগান আচঁনি হাতত লোৱা হৈছে। গৃহ নির্মাণৰ আঁচনি লোৱা হৈছে। চাৰিসীমাৰ বাউণ্ডাৰী ওৱাল দিয়াৰ ব্যৱস্থা গ্রহণ কৰা হৈছে। বীজ সংৰক্ষণৰ কাৰণে ভঁৰাল নিমার্ণ কৰাৰ প্রচেষ্টা হাতত লোৱা হৈছে।

*শ্রী আমিনুল ইছলামঃ মাননীয় অধ্যক্ষ মহোদয়, ৩০২ বিঘা মাটি

* Speech not corrected

আটাইকেইটা মাটি কামত অহা নাই। ইয়াত নেচনেল কমিচন ফৰ এগ্রিকালচাৰ (এন,, চি, এ) ৰ উপদেষ্টা মণ্ডলীৰ পৰামৰ্শমতে ৫০০০ পশু ধনৰ বিপৰীতে এখন চিকিৎসালয় থাকিব লাগে। ধিং সমষ্টিত ৪ খন পশুচিকিৎসালয় আৰু ৪ টা উপকেন্দ্ৰ আছে। আচলতে ২০ খন হব লাগে। নতুনকৈ সমষ্টি সমূহত পশুচিকিৎসালয় নিৰ্মাণৰ আঁচনি আছে নেকি?

*শ্রীখৰছিং ইংতি (মন্ত্রী) ঃমাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো পৰামৰ্শ দিয়া আছে সেই মতে চৰকাৰৰ হাতত আঁচনি নাই। মাটি বেদখল মুক্ত কৰিবৰ কাৰনে প্রচেষ্টা লোৱা হৈছে। এনকুৱাৰী চলি আছে এনকুৱাৰী ৰিপোৰ্ট আহি পাব। National Commission For Agriculture ৫০০০ হাজাৰ পশু ধনৰ বিপৰীতে এটা চিকিৎসালয় লাগে বুলি কৈছে। এই ক্ষেত্রত আমি নিশ্চয় চিন্তা কৰিম।

*শ্রী প্রশান্ত ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি গাখীৰৰ ক্ষেত্রত

* Speech not corrected

এটা ডাঙৰ সমস্যা হৈছে। এই ক্ষেত্রত আমাৰ ডিব্রুগড় আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত শুধা বেণ্ডৰ যি গাখীৰ আছে সেইটোৰ যথেষ্ট চাহিদা আছে। লাহোৱালত যিটো উদ্যোগ আছে সেইটো উন্নত কৰাৰ বাবে আমাৰ ৰাজহ মন্ত্রী শ্রী পৃথিবী মাঝি ডাঙৰীয়াই অহৰহ চেষ্টা কৰি আছে আৰু ময়ো সহায় কৰিছো। কিন্তু তাত যিটো মেচিন আছে সেইটো অতি পুৰণি আৰু গাখীৰ আহৰণ কৰাৰ বাবে তাত গাড়ী নাই। গতিকে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তাত এটা নতুন মেচিন বহুৱাই আৰু কেইখনমান গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

***শ্রী খৰছিং ইংতি (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে এই বিষয়ে ব্যৱস্থা লৈছো।

***শ্রী আব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত যিবিলাক এক্সজিষ্টটিং উপ স্বাস্থ্য কেন্দ্র আছে সেইবিলাকত

---

* Speech not corrected

ডাক্তৰ আৰু ক্ষেত্ৰ সহায়ক বহাৰ বাবে কাৰ্য্যালয় নাই। গতিকে তেওঁলোক বহাৰ বাবে কাৰ্য্যালয় গৃহ নিৰ্মাণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*শ্ৰী খৰছিং ইংতি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি বিভাগীয় পুঁজি সাপেক্ষে এইবোৰ পৰ্যায়ক্ৰমে কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।

*শ্ৰীমতী গুল আখতাৰা বেগম ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'চ' প্ৰশ্নৰ উত্তৰত কৈছে যে নেচলে কমিচন ফৰ এগ্ৰিকালচাৰৰ উপদেষ্টা মণ্ডলীৰ পৰামৰ্শমতে ৫০০০ পশুধনৰ বিপৰীতে এখন পশু চিকিৎসালয় থাকিব লাগে। আজি আমি এই কথাটো শুনি যিমান সুখী হৈছো ঠিক তেনেকৈ জীৱ জন্তু সকলেও যদি এই কথাটো শুনিব পাৰিলেহেঁতেন সিহতেও ভাল পালেহেতেন। সেই হিচাপে ৫ হাজাৰ পশুধনৰ বিপৰীতে এখন চিকিৎসালয়ৰ প্ৰয়োজন।

* Speech not corrected

কিন্তু মোৰ সমষ্টিত ৯০ শতাংশ পশুধন থকাৰ পিছতো মাত্ৰ তিনিখন পশু চিকিৎসালয় আছে আৰু চাব চেণ্টাৰ যথেষ্ট কম। আজি বানপানীৰ সময়ত মানুহৰ যি দুৰৱস্থা হয় তাৰ বাবে আমি ধৰ্ণা কাৰ্য্যসূচীকে আদি কৰি বিভান্ন কাৰ্য্যসূচী গ্ৰহণ কৰো, কিন্তু যদি এই জীৱ-জন্তু বিলাকেও মাত মাতিব

পাৰিলেহেতেন সিহতেও এনেধৰণে ধৰ্ণা কাৰ্য্যসূচী ললেহেতেন। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গৌল্টেই অসমতে ৫ হাজাৰ পশু ধনৰ বিপৰীতে একোখনকৈ পশু চিকিৎসালয় নিমাৰ্ণৰ ব্যৱস্থা কৰিব নেকি?

*শ্ৰী খৰছিং ইংতি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি পৰ্য্যায়ক্ৰমে পুঁজি সাপেক্ষে কৰাৰ বাবে চিন্তা-চৰ্চ্চা কৰি আছো।

Mr. Speaker : Now, Starred Question No. 324, Hon'ble Member, Shri Jadav Deka .

---

* Speech not corrected

বিষয় ঃ গড় হত্যা প্রতিৰোধ।

শ্রীযাদৱ চন্দ্র ডেকা সুধিছে ঃ

* ৩২৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত চোৰাং চিকাৰীয়ে প্রথমটো গঁড় কিমান তাৰিখে হত্যা কৰিছিল আৰু শেহতীয়া ভাৱে কিমান তাৰিখে চোৰাং চিকাৰীযে গঁড় হত্যা কৰিছিল?

(খ) ৰাজ্যখনত মুঠতে কিমানটা গঁড় হত্যা কৰা হ'ল?

(গ) বর্ত্তমান অসমত কিমানটা গঁড় আছে?

(ঘ) গঁড় হত্যাৰ ফলত ৰাজ্যখনত তোলপাৰ লগোৱাৰ পৰিপ্রেক্ষিত ত ৰাজ্য চৰকাৰে প্রতিৰোধৰ বাবে বিভিন্ন ব্যৱস্থা লোৱাৰ পিছতো ইয়াক ৰোধ কৰিবৰ নোৱাৰাৰ কাৰণ কি?

(ঙ) শেহতীয়া গঁড় হত্যাৰ পিছত চৰকাৰে নতুন কিবা কার্যকৰী ব্যৱস্থা লৈছে নেকি?

---

* Speech not corrected

(চ) এই গোটেই বিষয়টো চিবিআইৰ দ্বাৰা অনুসন্ধান কৰি প্ৰকৃত কাৰণ উৎঘাটনেৰে ৰাজ্যখনৰ আপুৰুগীয়া সম্পদ গঁড় হত্যা যজ্ঞ বন্ধৰ ব্যৱস্থা কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত প্ৰথমটো গঁড় হত্যা কৰাৰ কোনো তথ্য বন বিভাগৰ হাতত নাই। শেহতীয়াভাৱে ০৩.০৪.২০১৩ তাৰিখে মানাহ ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে এটা গঁড় হত্যা কৰি খৰ্গ কাটি লৈ যায়।

(খ) ৰাজ্যখনত যোৱা ১০ বছৰত হত্যা হোৱা গঁড়ৰ সংখ্যাৰ তালিকা সংলগ্ন-(ক) ত দিয়া হ'ল।

(See Annexure-IV)

(গ) বৰ্তমান অসমৰ বিভিন্ন সংৰক্ষিত অঞ্চলত থকা গঁড়ৰ সংখ্যা ২৫৪৫ টা।

(ঘ) ৰাজ্য চৰকাৰৰ বনবিভাগে গঁড় সুৰক্ষাৰ বাবে সকলোধৰণৰ

ব্যৱস্থা কৰিছে। তাৰ ভিতৰত আন্তঃগাঠনি সমূহ আধুনিক প্রযুক্তিৰে উন্নতিকৰণ, পর্য্যাপ্ত পৰিমাণে অত্যাধুনিক অস্ত্র-সস্ত্রৰে সুসজিত বনসুৰক্ষা বাহিনী, অস্ত্রধাৰী গৃহৰক্ষী আৰু বনকর্মী মোতায়েন উল্লেখনীয় । ইয়াৰ বাহিৰেও দাতিকাষৰীয়া ৰাইজ ও বিভিন্ন দলসংগঠন, বিভিন্ন সংশ্লিষ্ট বিভাগ সমূহওে অসমৰ এশিঙীয়া গঁড় ৰক্ষা কৰাত আন্তৰিকতাৰে পূর্ণ সহযোগ আগবঢ়াই আহিছে । এইসকলোবোৰ ব্যৱস্থা লোৱাৰ পিছত এশিঙীয়া গঁড় যথেষ্ট সুৰক্ষিত হৈছে যদিও নিম্ন উল্লেখিত কাৰণ সমূহৰ বাবে সম্পুর্ণৰূপে গঁড় হত্যা প্রতিৰোধ কৰিব পৰা নাই।

১. যোৱা দহ বছৰত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱা আৰু আনুপাতিক ভাৱে আৱাসস্থলী আৰু বিচৰণ ভূমি বৃদ্ধি নোহোৱাৰ বাবে।

২. আন্তঃৰাষ্ট্রীয় বজাৰত গঁড়ৰ খর্গৰ চাহিদা বৃদ্ধি হোৱা বুলি জানিব পৰা গৈছে।

৩. উগ্রপন্থী জড়িত হোৱা বাবে আৰু অত্যাধুনিক অস্ত্র-শস্ত্র চোৰাং চিকাৰীয়ে ব্যৱহাৰ কৰাৰ বাবে।

৪. গঁড়ৰ আৱাসস্থলীৰ চাৰিওপিনে বিশাল সছিদ্ৰ সীমা থকা হেতুকে।

(ঙ) শেহতীয়া ভাৱে গঁড় হত্যা ৰোধ কৰিবলৈ অসম চৰকাৰে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। এই বিষয়ে চৰকাৰৰ ব্যৱস্থা সমূহ হ'লঃ

১. আন্তঃগাঠনি সমূহ উন্নতকৰণ

২. অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ সংযোজন

৩. অত্যাধুনিক প্ৰযুক্তিকৰণ

৪. বনকৰ্ম্মী বৃদ্ধি, অতিৰিক্ত ভাৱে বন সুৰক্ষা বাহিনী আৰু অস্ত্ৰধাৰী গৃহৰক্ষী বাহিনী মোতায়েন।

ইয়াৰ উপৰিও ইলেকট্ৰনিক আই, মানৱ বিহীন বিমান ও ৰাতি দেখা দূৰবীণ যন্ত্ৰৰ সংযোজনৰ বাবে প্ৰস্তাৱ দাখিল কৰা হৈছে।

(চ) চিবিআইৰ দ্বাৰা অনুসন্ধানৰ বিষয়টো ৰাজ্য চৰকাৰৰ বন বিভাগৰ আওতাত নপৰে যদিও অসম চৰকাৰৰ গৃহ বিভাগে

ইতিমধ্যে কেন্দ্রীয় চৰকাৰক চিবিআইৰ দ্বাৰা অনুসন্ধান কৰাৰ বাবে চিঠি প্রেৰণ কৰিছে আৰু ইয়াৰ দ্বাৰা প্রকৃত কোৰণ উৎঘাটন কৰি অসমৰ এশিঙিয়া গঁড়ৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে।

*শ্রীযাদৱ চন্দ্র ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ যি আপুৰুগীয়া এশিঙীয়া গঁড় হত্যা হৈ আছে, এই বিষয়টো লৈ গোটেই পৃথিৱীৰে বন্য প্রাণীসকলৰ বাবে উদ্বেগৰ বিষয় হৈপৰিছে। আজি ইয়াত যিটো গঁড় হত্যাৰ সংখ্যা দিয়া হৈছে ২০০৪ চনৰ পৰা ২০১৩ চনলৈকে ১২৬ টা গঁড় হত্যা হৈছে। এই ১২৬টাৰ ভিতৰত ২০১৩ চনৰ মার্চ মাহলৈকে ১৬ টা গঁড় হত্যা কৰা হৈছে। এই গঁড় হত্যা সর্ন্দভত মন্ত্রী মহোদয়ে কৈছে যে অত্যাধুনিক অস্ত্র-শস্ত্রৰে সুসজিত বনকর্মী বাহিনী গঠন কৰা হৈছে। কিন্তু ইমানখিনি কৰাৰ পিছতো যোৱা তিনিটা মাহত ১৬ টাকৈ গঁড় হত্যা কৰা হৈছে। এই বিষয়ে মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দ্বিতীয়তে, বিচৰণ ভূমি বৃদ্ধি নোহোৱাৰ বাবে গঁড় হত্যা বন্ধ

* Speech not corrected

কৰাত অসুবিধা হৈছে বুলি কোৱা হৈছে। আজি কাজিৰঙাৰ ভূমি বেদখল হৈছে। গতিকে বেদখল ভূমি মুক্ত কৰি গঁড়ৰ বিচৰণ ভূমি বৃদ্ধি কৰিব নেকি? তৃতীয়তে, গঁড় হত্যা ৰোধ কৰাত চৰকাৰ ব্যর্থ হৈছে। গঁড় হত্যাত উগ্রপন্থী জড়িত আছে বুলি কোৱা হৈছে। গতিকে গঁড় হত্যা ৰোধ কৰাৰ বাবে সেনা বাহিনীক দায়িত্ব অপর্ণ কৰিব নেকি?

*শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূর্ণ প্রশ্ন আমাৰ মাননীয় সদস্য যাদৱ ডেকা ডাঙৰীয়াই উত্থাপন কৰিছে। অধ্যক্ষ মহোদয়, গড়ৰ বিচৰণ ভূমিৰ কথাটো মই আগতেই উল্লেখ কৰিছিলো। আজি আমাৰ কাজিৰঙাৰ মুঠ মাটিকালি হৈছে ৪৩০ কিলোমিটাৰ। জীৱ-জন্তু বিচৰণৰ বাবে বন বিভাগক যিখিনি মাটি লাগে সেইমতে আমি বনবিভাগে মাটি পোৱা নাই। সেই কাৰণে বনবিভাগে বিভিন্ন সংযোজনেৰে মাটি পাবৰ কাৰণে চৰকাৰলৈ প্রস্তাৱ পঠোৱা হৈছে। ৰাজহ বিভাগে এই বিষয়ে চাই চিতি যদি তাত

* Speech not corrected

চৰকাৰী মাটি আছে সেইখিনি দিয়াৰ ব্যৱস্থা কৰে আৰু যদি তাত পট্টাৰ মাটি আছে, আপোনালোকে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰক। সেইমতে আমি ১,২,৩,৪,৫,৬ সংযোজন কৰি চৰকাৰলৈ মাটি বিচাৰি প্ৰস্তাৱ প্ৰেৰণ কৰিছিলো। আমি ইতিমধ্যে প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ সংযোজনৰ মাটি পাইছো। তৃতীয়, পঞ্চায়তৰ আৰু ষষ্ঠ সংযোজনৰ মাটি এতিয়াও পোৱা নাই। আজি কাজিৰঙাৰ মাটি যি বেদখল হোৱা বুলি কৈছে সেইখিনি আমাৰ বন বিভাগৰ মাটি নহয়। মাটি বেদখল লৈ বিভিন্ন সময়ত বিভিন্ন আন্দোলন হৈছে। আমি এই ক্ষেত্ৰত আলাপ আলোচনাৰ মাধ্যমেৰে গোটেই বিষয়টো সমাধান কৰাৰ বাবে চেষ্টা চলাই আহিছো। যাতে আমি মাটিখিনি আনিব পাৰো। এতিয়াও আমাৰ অসমৰ বিভিন্ন ঠাইত গঁড় হত্যা হৈ আছে। গঁড় হত্যা ৰোধ কৰাৰ কাৰণে আমি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছো আৰু আমি সুফলো পাইছো। মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত আমাৰ মানাহত ৮৯ টা গঁড় আছিলে। আজি নাইকীয়া হৈ গৈছে। মানাহ আমাৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ।

* Speech not corrected

ৰাষ্ট্ৰ সংঘৰ সমীক্ষা মতে ভাৰতবৰ্ষত ১৪ খন বিলুপ্ত হবলৈ ধৰা ঐতিহ্য ক্ষেত্ৰ আছে, এই কেইখন এনডেঞ্জাৰ্ড বুলি ৰাষ্ট্ৰসংঘৰ পেৰিছত হোৱা বৈঠকত ঘোষণা কৰা হৈছিল। কিন্তু তাত আমাৰ মানাহক উঠাই লোৱা হৈছে। কিন্তু আজি সেই মানাহতে গঁড় হত্যা আৰম্ভ হৈছে।আজি আমাৰ মানুহৰ মাজত সজাগতা বাঢ়িছে, সেয়ে আপোনালোক কলোকে মই অনুৰোধ কৰিম যাতে আমাৰ ইয়াৰ পৰা চোৰাং চিকাৰীলৈ এটা সকীয়নি যায়। আমি ওচৰ চুবুৰীয়াৰ সহায় বিচাৰিছো আৰু যথেষ্ট পাইছোও। কি কি কাৰণত গঁড় হত্যাটো বাঢ়ি গৈ আছে সেইটো নির্ণয় কৰিবলৈ আমি চেষ্টা কৰি আছো। আৰ্ন্তজাতিক বজাৰত যেতিয়া গঁড়ৰ খৰ্গৰ মূল্য বহুত বৃদ্ধি হ'ল, তেতিয়াই গঁড় হত্যা বাঢ়িবলৈ ধৰিলে। চাইনাত ২০১২ চনত ১২৮ টা গঁড় নিধন হৈছে। এই গঁড় হ ত্যা প্ৰতিৰোধ কৰিবৰ বাবে বন বিভাগৰ তৰফৰ পৰা বিভিন্ন ব্যৱস্থা লোৱা হৈছে। বনভূমিত সুৰক্ষা দিবলৈ যিবিলাক বন-কর্মীয়ে দিনে ৰাতিয়ে কাম কৰি আছে

* Speech not corrected

তেওঁলোকৰ অৱস্থা আমি ইয়াত বহি বা নেশ্যনেল হাইৱেৰ পৰাই বুজিব নোৱাৰো। মই প্ৰথম বন বিভাগৰ দায়িতৰ লৈ এই বনকৰ্মী সকলৰ লগ কৰিছিলো আৰু তেওঁলোকক শুধিছিলো যে কিয় এই বিলাক ৰোধ কৰিব পৰা নাই। তেওঁলোকে কৈছিল আমি পু�ৰণি অস্ত্ৰকে লৈ থাকিবলগীয়া হৈছে। তেওঁলোকে কৈছিল ৮/৩১৫ এইটো প্ৰহিবিটেড নহয়। যি কোনো মানুহে লব পাৰে। কিন্তু বন বিভাগৰ্ কৰ্মীক আইনগত ভাৱে এইটো ল'বলৈ দিয়া হোৱা নাই। গৃহ বিভাগৰফালৰ পৰা পুলিচে ব্যৱহাৰ কৰিব পাৰে। পিছত আমি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ সহায়ত প্ৰাৱাৰ টু ইউজ আৰ্ম গৃহ বিভাগৰ পৰা বন বিভাগৰ কৰ্মী সকলক দিয়াৰ বাবে প্ৰচেষ্টা হাতত ললো। আনহাতেদি চোৰাং চিকাৰী সকলক মাৰিবলৈ গলে পুলিছে বনকৰ্মী সকলৰ পৰত কেছ কৰে। এনেকুৱাও উদাহৰণ আছে যে বনকৰ্মীৰ চাকৰি পৰ্য্যন্ত যাবলগীয়া হৈছে । পুলিছে আইন ৰক্ষাৰ বাবে মাৰিলে মেজিষ্টেট ইনকুৱাৰীৰ বাহিৰে কেছ নহয়।

কিন্তু বনকর্মীৰ ক্ষেত্ৰত এইটো নহয়। আজি আপোনালোকে দেখিছে থ্ৰি নট থ্ৰি আগতে ব্যৱহাৰ কৰিব পৰা নাছিল। এতিয়া পাৰিছে। আপোনালোকে চি,বি,আই ইন-কুৱাৰী বিছাৰিছিলে, তেতিয়া সকলো ধৰা পৰিব। ইয়াত যি-হেতু উগ্রপন্থীৰ কথাটো জৰিত হৈ আছে, নেশ্বনেল পার্কৰ বাহিৰত পুলিছৰ সহায় লৰ লাগে। এইবাৰ জোৰা মাৰিবলৈ আমি বিভাগৰ ফালৰ পৰা বহুতো ব্যৱস্থা হাতত লৈছো।এতিয়া ইলেক্ট্রনিক আইৰ ব্যৱস্থা সুবিধাজনক হব বুলি ভাবিছো।মানৰ বিহীন বিমানৰ ব্যৱস্থা কৰিব খুজিছে। আমাক বিভিন্ন ধৰণে সমালোচনা কৰে। কৰক। আজি কাজিৰঙা অসমৰ গৌৰব। গৌৰৱ অক্ষুন্ন ৰাখিবই লাগিব। আজি যেনেকৈ কিছুমান অভয়াৰণ্যৰ পৰা বাঘৰ সংখ্যা নোহোৱা হৈ গৈছে। কিন্তু আমি গঁড় ৰক্ষা কৰিবই লাগিব তাৰ বাবে আমি প্রচেষ্টা হাতত লৈছো। আজি আমি বন বিভাগত চাৰিটা বিভাজন কৰিব বিছাৰিছো। চাৰিজন ডি, এফ, ও তাত ৰাখিব খুজিছো যি ধৰনে বন্য প্রাণী এক্সপার্টে পৰামর্শ দিছে, আমি ঠিক

তেনেধৰণে গবাঢ়িছো।১৯৮৬ ত আই, ইউ, চি, এন, এ যিবিলাক বন্য প্ৰাণী নোহোৱা হৈ গৈছে, সেইবিলাকক ক্ৰমান্বয়ে চাৰিটা ভাগতভাগ কৰিছে। প্ৰথমে গঁড়টো এনডেঞ্জাৰ আছিল, ক্ৰমাৎ ইয়াৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে এইটো ভালনাৰেবোললৈ উন্নীত হ'ল। এইৰোৰ পজিটিভ ষ্টেপ। এই ক্ষেত্ৰত আমাক সকলোৰে সহায় সহযোগিতা কামনা কৰিছো। এতিয়া মানাহত গঁড় হত্যা হৈছে। আমি বি, টি, এ, ডি প্ৰশাসনৰ লগত আলোচনা কৰিছো, আমি এটা ভিচন্ ৰাখিছো। ৰাইন'ভিচন। ২০২০ ৰ ভিতৰত ৩ হেজাৰ গঁড়ৰ বৃদ্ধিৰ লক্ষ্য আমি ৰাখিছো। আপোনালোকৰ সহায় সহযোগিতা আমি বিচাৰিছো।

*শ্ৰীপ্ৰশান্ত ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ তৰফৰ পৰা কাজিৰঙা নেশ্যনেল হাইৱেৰ ছাইডটোত ফেন্সিং দিয়াৰ ব্যৱস্থা কৰিছিলে। বাৰিষা উঠাই দিব আৰু খৰালি ফেন্সিং দিব। যাতে বানপানী হ'লে কাৰ্বি পাহাৰৰ ফালে জীৱ-জন্তু বোৰ

* Speech not corrected

যাব পাৰে। যোৱাবাৰো বিধান সভাত মন্ত্রী মহোদয়ে কৈছিলে। আৰ, বি, টি ৰ যিটো বৈদ্যুতিক তাৰ সেইটো লগোৱাৰ বৰ্ব্যস্থা কৰিব নেকি? ব্রেইজ প্লেটফৰ্মৰ যিটো ব্যৱস্থা লোৱাৰ কথা আছিল সেইটো কৰিব নেকি? এই কেইটা মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*শ্রীৰকিবুল হুছেইন (বন ইত্যাদি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পজিটিভ কথা কৈছে। তাৰ কাৰণে মই তেখেতক আদৰ্ৱণি জনাইছো। ওৱাইল্ড লাইফৰ এক্সপার্ট সকলো গঁড়ৰ বিচৰণ ভূমি এক্লটেণ্ট কৰাৰ কথা কৈছে। তেওঁলোকে এই বিলাক যে কৰবাত কৰবাত যায় সেইটো বাধা দিয়া নাই। ক'তক'ত ফেনচিং দিব পৰা যায় সেইটো চাই চিতি দিয়াৰ ব্যৱস্থা কৰা হব। ফেনচিং দিলে গঁড় বিলাকৰ চলা ফুৰাত বাধা আহিব পৰিব। ইয়াত চোলাৰ ফেনচিংৰ কথা কোৱা হৈছে। এম জি অ, ওৱাইল্ড লাইফ তেওঁলোকেও এই ক্ষেত্রত কি কৰিব লাগে কি কৰিব নালাগে

* Speech not corrected

সেইটো চাব। তথাপি আমি এই ক্ষেত্রত কিছু ব্যৱস্থা লব লাগিব। এতিয়া গঁড়ৰ সংখ্যা বাঢ়ি গৈছে। পবিতৰাটো গঁড় বেচি আছে। এতিয়া আমি কিছু গঁড় মানাহলৈ আনিছো। ইয়াত মাননীয় সদস্য গৰাকীয়ে ফেনচিং দিয়াৰ যিটো কথাকৈছে সেইটো এন জি অ আৰু বিষয়া সকলৰ লগত আলোচনা কৰি কৰাৰ ব্যৱস্থা কৰিম। আমাৰ কজিৰঙা খন বহুতো ক্ষেত্রত বিখ্যাত। ঘাঁহ খিনিৰ কাৰণে আমাৰ কাজিৰঙা খন বিখ্যাত। ফ্রণ্ট লাইন ষ্ট্রফৰ লগত কথা খিনি পাতিলে এইটো গম পোৱা যাব। কেইদিনমান আগতেবাতৰি কাকতত এটা বাতৰি ওলাইছিল যে এটা গঁড় সন্মুখৰ ফালে ওলাই আহিছে। কিন্তু তাত বন বিভাগৰ কোনো মানুহ নাই, মই নিজেও তাত গৈ কোনো মানুহ দেখা পোৱা নাছিলো। কিন্তু মই যেতিয়া খবৰ কৰিছিলো তেতিয়া জঙগলৰ ভিতৰৰ পৰা এজন ৰেঞ্জাৰ আৰু এজন বন কর্মী ওলাই আহি ছে। এনেদৰে তেওঁলোকে জংঘলৰ মাজত সোমাই থাকি বন্য প্রাণী ৰক্ষা কৰে। আপোনালোকে মোক সমালোচনা কৰক

কিন্তু বন বিভাগৰ সেই বিষয়া কর্মচাৰী সকলক সমালোচনা কৰি তেওঁলোকৰ মনোবল ভাঙি নিদিব। আপোনালোকে তেওঁলোকৰ মনোবল বঢ়াওক।

Mr. Speaker : Now, Starred Question No. 325, Hon'ble Member, Shri Keshab Mahanta

বিষয় ঃ গড় ৰ সংখ্যা।

শ্রীকেশৰ মহন্তই সুধিছে ঃ

✱ ৩২৫। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কাজিৰঙা অভয়াৰণ্যত বৰ্ত্তমান কিমান গঁড় আছে? (২০০১চনৰ পৰা বর্ষ ভিত্তিত গণনা কৰা হিচাপ দাখিল কৰিব)

(খ) বর্ত্তমান হাৰত গঁড়ৰ মৃত্যু হ'লে গঁড় নিচিহ্ন হ'বৰ বাবে কিমান বছৰ লাগিব?

(গ) গঁড় হত্যা ৰোধ কৰিব নোৱাৰা কাৰণ সমূহ অনুগ্রহ কৰি বিতং কৈ জনাব?

(ঘ) ২০১৩ চনৰ ১ জানুৱাৰীৰ পৰা প্রশ্নৰ উত্তৰ দিয়া দিনালৈকে কোন কোন তাৰিখে গঁড় হত্যা হৈছে সংখ্যা সহ উল্লেখ কৰিব?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কজিৰঙা ৰাষ্ট্রীয় উদ্যানত গঁড়ৰ সংখ্যা ২০০১ চনৰ পৰা ২০১৩ চনলৈ তলত দাখিল কৰা হ'ল।

চন	গঁড়ৰ সংখ্যা
২০০১ চনৰ পৰা ২০০৫ চনলৈ	গণনা কৰা হোৱা নাই।
২০০৬ চন	১৮৫৫ টা
২০০৭ চন	গণনা কৰা হোৱা নাই।
২০০৮ চন	ঐ
২০০৯ চন	২০৪৮ টা

২০১০ চন	গণনা কৰা হোৱা নাই।
২০১১ চন	ঐ
২০১২ চন	২২৯০ টা
২০১৩ চন	২৩২৯ টা

(খ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এশিঙিয়া গঁড়ৰ সুৰক্ষা বিভিন্ন ৰণ কৌশলেৰে সুনিশ্চিত কৰা হৈছে। গতিকে একশিঙিয়া গঁড় নিচিহ্ন হোৱাৰ শংকা থকাৰ কোনো থল নাই।

(গ) ইতিমধ্যে গঁড় হত্যা ৰোধ কৰিবলৈ বিভিন্ন কৌশলেৰে উপযুক্ত কার্যপন্থা হাতত লোৱা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া ঠাই সমূহত আশ্রয় লৈ থকা গঁড়ৰ চোৰাং চিকাৰী সকলক অস্ত্র-শস্ত্র সহ গ্রেপ্তাৰ কৰি বন্যপ্রাণী (সুৰক্ষা) আইন ১৯৭২ চনৰ (সংশোধনী) বিভিন্ন ধাৰাসমূহত দোষী সাব্যস্ত কৰি মহামান্য আদালতলৈ প্রেৰণ

কৰি আইনী ব্যৱস্থা সমূহ লোৱা হৈছে। কিন্তু নিম্ন উল্লেখিত কাৰণ সমূহৰ কাৰণে সম্পূর্ণ ৰূপে গঁড় হত্যা ৰোধ কৰাত বাধা সৃষ্টি হোৱা বুলি পৰিগণিত হৈছে।

১। যোৱা দহ বছৰত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱা আৰু আনুপাতিক ভাৱে আবাসস্থল ও বিচৰণস্থলী বৃদ্ধি নোহোৱাৰ বাবে।

২। আন্তঃৰাষ্ট্রীয় বজাৰত গঁড়ৰ খৰ্গৰ চাহিদা বৃদ্ধি হোৱা বুলি জানিব পৰা গৈছে।

৩। উগ্রপন্থী জড়িত হোৱা বাবে ও চোৰাং চিকাৰীৰ দ্বাৰা অত্যাধুনিক অস্ত্র ব্যৱহাৰৰ কাৰণে।

৪। বিশাল সছিদ্র সীমা হেতুকে।

(ঘ) অসমত ২০১৩ চনৰ ১ জানুৱাৰীৰ পৰা ৩ এপ্রিলৈ চোৰাং চিকাৰীয়ে হত্যা কৰা গঁড়ৰ সংখ্যা তাৰিখ সহ তলত দাখিল কৰা হ'ল।

তারিখ	সংখ্যা
০৭/০১/২০১৩	১ টা
০৯/০১/২০১৩	১ টা
১১/০১/২০১৩	১ টা
১৪/০১/২০১৩	১ টা
২৮/০১/২০১৩	১ টা
৩১/০১/২০১৩	১ টা
০২/০২/২০১৩	১ টা
০৩/০২/২০১৩	১ টা
১৭/০২/২০১৩	১ টা
২৫/০২/২০১৩	১ টা

০১/০৩/২০১৩	১ টা
২৩/০৩/২০১৩	১ টা
২৫/০৩/২০১৩	১ টা
২৬/০৩/২০১৩	১ টা
০৩/০৪/২০১৩	১ টা
মুঠ	১৬ টা

*শ্রীকেশৱ মহন্তঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়ে বিস্তৃত আলোচনা কৰিছো আৰু আজিও মাননীয় মন্ত্রী ডাঙৰীয়াই বহুখিনি কথা কৈছে। তাৰ লগতে মই আৰু কেইটামান কথা সুধিব বিচাৰিছো। ২০১৩ চনৰ ৭ জানুৱাৰী তাৰিখৰ পৰা ২০১৩ চনৰ ৩ এপিল তাৰিখলৈ ১৬ টা গঁড় হত্যা কৰা হৈছে। গঁড় হিচাপত ৬ দিনত এটাকৈ গঁড় নিধন হোৱা

* Speech not corrected

কথাটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। এই গঁড় নিধন ৰোধ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কি উপায় উদ্ভাৱন কৰিছে। এই বিষয়ে মাননীয় মন্ত্রী ডাঙৰীয়াই সচৰাচৰ যিটো সিদ্ধান্ত লৈছে সেইখিনি কথাকে কৈছে। এনেকুৱা ধৰণৰ যিবিলাক ঘটনা সংঘটিত হৈ আছে সেই বিলাক ৰোধ কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে আমি জনা নাই। মাননীয় মন্ত্রী মহোদয়ে উত্তৰত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱা আৰু আনুপাতিক ভাবে আবাস স্থল ও বিচৰণস্থলীবৃদ্ধি নোহোৱাৰ কথা কৈছে। সেই কাৰণে গঁড় মৰিছে বুলি কোৱা হৈছে। অনুপাতিক ভাবে আবাসস্থল আৰু বিচৰণ স্থলী বন বিভাগৰ ফালৰ পৰা সম্প্রসাৰণ কৰাত আমাৰ আপত্তি নাই। ইতিমধ্যে তাৰ কাৰণে কলিয়াবৰৰ ৫০০ বিঘা মাটি বেচিকৈ লোৱা হৈছে। গতিকে এৰিয়া বৃদ্ধি কৰা হৈছে। বিশাল সছিদ্র সীমা থকাৰ কাৰণেও গঁড় হত্যা ৰোধ কৰিব পৰা নাই বুলি কৈছে। গতিকে এই কথাটোৰ ক্ষেত্রত সচেতন হব লাগে। ৬ দিনৰ মূৰে মূৰে এটাকৈ যদি গঁড় হত্যা কৰা হয় তেতিয়া হলে এইটো কেনেকুৱা

ধৰণৰ কথা হব। গঁড় হত্যা কেনেকৈ ৰোধ কৰিব বিভাগৰ ফালৰ পৰা সেই কথাখিনি কোৱা হোৱা নাই। মই সদনত এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো।

*শ্ৰীৰকিবুল হুছেইন (বন ইত্যাদি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক সচৰাচৰ হৈ থকা কথা বুলি মাননীয় সদস্য গৰাকীয়ে কৈছে। মই অকল সচৰাচৰ হৈ থকা কথাকেই কৈ থকা নাই। এইক্ষেত্ৰত মই চোলাৰ ফেনচিং একে ফৰটি চেভেন, নতুন বেটেলিয়ান আদি গঠন কৰাৰ কথাও কৈছো। আমি আসাম পুলিচ ফৰেষ্ট প্ৰট্ৰেকচন ফোৰ্চ এটা গঠন কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক এই ফোৰ্চটো গঠন কৰিবলৈ দিছে। কাজিৰঙাৰ আশে পাশে বন্য প্ৰাণী সুৰক্ষাৰ কাৰণে এই ফোৰ্চটো তাত গঠন কৰা হৈছে। এই প্ৰটেকচন ফোৰ্চটো গঠন কৰাৰ কাৰণে যেতিয়া আধাৰশিলা স্থাপন কৰিবলৈ গৈছিল তেতিয়া তাত বাধা দিয়া হৈছিল।

* Speech not corrected

কিয় বাধা দিছিল মই আজি সদনত সেই কথা নকও। কলীয়াবৰৰ এখন বাগিচা লৈ তাত আসাম পুলিচ প্ৰটেকচন ফোৰ্চৰ চেকেণ্ড বেটেলিয়ান এটা গঠন কৰা হৈছে। আগৰসেই জেগাখিনিত যদি এই ফোৰ্চটো গঠন কৰিব পৰা গলহেতেঁন তেতিয়া গঁড় হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত বেচি সুবিধা হ'লহেতেন। কোনে কোনে তাত ফোৰ্চটো গঠন কৰাত বাধা দিছিল, সেইটো মই নকলেও আপোনালোকে জানিব পাৰিব। প্ৰথমতে ঠিক কৰা ঠাই ডোখৰত আধাৰশিলা স্থাপন কৰিবলৈ নিদিয়াৰ কাৰণে আমি ঘূৰি আহিব লগীয়া হৈছিলো। তাৰ পিচত আমি বেলেগে এখন জেগাত আধাৰশিলা স্থাপন কৰিছিলো। এই ক্ষেত্ৰত আমিআপোনালোকে সকলোৰে পৰা সহায় সহযোগিতা বিচাৰিছো। আপানালোক চোৰাং চিকাৰীৰ প্ৰতিমূৰ্ত্তি দাহ কৰক। জাতি ধৰ্ম্ম, দল নিৰ্ব্বিশেষে আমি সকলোৱে একেলগ হৈ এই গঁড় হত্যা ৰোধকৰাৰ কাৰণে প্ৰচেষ্টা চলাব লাগে। গঁড় হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত আজি আমাৰ বন বিষয়া আৰু কৰ্ম্মী সকলৰ লগতে বহুতো

সংগঠনে বহুতো কাম কৰিছে। এই ক্ষেত্ৰত যি সকললোকে কাম কৰি আছে আমি তেওঁলোকৰ মনোবল ভাঙি দিয়াৰ চষ্টা কৰিব নালাগে। আমি যাতে এই ক্ষেত্ৰত তেঁওলোকৰ মনোবল বঢ়াব পাৰো তাৰ কাৰণেহে চেষ্টা কৰিব লাগে। শেষত মই কব বিচাৰিছো যে গড় যাতে হত্যা কৰিব নোৱাৰে তাৰ কাৰণে আমি সকলোৱে ঐক্যবদ্ধ হব লাগে।

(প্ৰশ্নোত্তৰ কাল শেষ)

(Starred Question No.326 to 339could not be takenup for disposal as the Question Hour wasover, However, The said questions deemed to have been laid on the table of the House with replies thereto,)

বিষয় ঃ পশু পালন বিভাগৰ মাষ্টাৰ ৰোল শ্ৰমিকৰ নিয়মীয়াকৰণ।

শ্ৰীহাফিজ বাছিৰ আহমেদে, সুধিছে ঃ

---

* Speech not corrected

✱ ৩২৬। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পশুপালন আৰু পশুচিকিৎসা বিভাগৰ অধীনস্থ বিভিন্ন কাৰ্য্য লয় আৰু ফাৰ্মত একাংশ মাষ্টাৰৰোল শ্ৰমিকক নিয়োজিত কৰাৰ বিষয়টো সন্দৰ্ভত চৰকাৰ অৱগত নে? যদি অৱগত হয় ১৯৮৫ ৰ পৰৱৰ্ত্তী কালত কিমানজন মাষ্টাৰ ৰোল শ্ৰমিকক নিযুক্তি প্ৰদান কৰা হৈছে? (উত্তৰ তথ্য ভিত্তিক দিব)

(খ) উক্ত মাষ্টাৰ ৰোল শ্ৰমিক সকলৰ ভিতৰত কিমানজন শ্ৰমিক বৰ্ত্তমানে কৰ্মত নিয়োজিত হৈ আছে আৰু কিমানজন কৰ্মচ্যুত্য কৰা হৈছে? (উত্তৰ তথ্য ভিত্তিক দিব)

(গ) মাষ্টাৰ ৰোল শ্ৰমিক সকলক স্থায়ী ভাৱে কৰ্মত নিয়োজিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিবনে?

(ঘ) যদি হয়, উক্ত মাষ্টাৰ ৰোল শ্ৰমিক সকলক কিমান দিনৰ ভিতৰত স্থায়ী ভিত্তিত কৰ্মত নিয়োজিত কৰা হব?

শ্রীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়।

পশুপালন আৰু পশুচিকিৎসা খণ্ডত ১৯৮৫ চনৰ পিচত ১৯৯৫ জন মাষ্টাৰ ৰোল শ্রমিকক নিযুক্তি প্রদান কৰা হৈছিল আৰু দুগ্ধ উন্নয়ন খণ্ডত ২০৩ জন মাষ্টাৰ ৰোল শ্রমিকক নিযুক্তি দিয়া হৈছিল।

(খ) পশুপালন আৰু পশুচিকিৎসা খণ্ডত ৯২৩ জন মাষ্টাৰ ৰোল শ্রমিকক নিয়মীয়া-কৰণ কৰা হৈছিল যদিও ইয়াৰে ৮৬২ জন মাষ্টাৰৰোল শ্রমিক কর্মৰত হৈ আছে। ২৭ জনৰ মৃত্যু হৈছে আৰু ৩৪ জনে অৱসৰ গ্রহণ কৰিছে। দুগ্ধ উন্নয়ন খণ্ডত ২০৩ জন মাষ্টাৰ ৰোল শ্রমিকক নিয়মীয়া কৰা হৈছে। পশু পালন আৰু পশুচিকিৎসা খণ্ডত ৯৭২ জন শ্রমিক কর্মচ্যুত কৰা হৈছে, আৰু দুগ্ধ উন্নয়ন খণ্ডত কোনো শ্রমিক কর্মচ্যুত

কৰা হোৱা নাই।

(গ) বিষয়টো উচ্চ ন্যায়লয়ৰ দ্বাৰা বাধা আৰোপিত হৈ আছে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ বিভিন্ন প্রকল্পের তালিকা।

মওলানা আতাউর রহমান মাঝার ভূইয়া জিজ্ঞাসা করেছেনঃ

✷ ৩২৭। মাননীয় পঞ্চায়ত আরু গ্রামোন্নয় বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

কাছাৰ জেলার কাটিগড়া ও কালাইন উন্নয়ন ব্লকে ২০১০-১১, ২০১১-১২, ২০১২-১৩ আর্থিক তিনটি বৎ সরে SGSY, MGNREGA, BRGF, DDP, Annual Plan, TFC প্রকল্পেগৃহীত স্কীম সমূহের তালিকা, বরদ্ধকৃত টাকার পরিমান, রিলীজ করা টাকার পরিমান, কাজের অগ্রগতি এবং প্রকল্পর দায়িত্বে থাকা সরকাৰী আধিকাৰীরে নামসহ তালিকা সদনে পেশ করবেন?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

কাছাৰ জেলাৰ কাটিগড়া ও কালাইন ব্লকে ২০১০-১১, ২০১১ ১২, ২০১২-১৩ আর্থিক তিনটি বৎসৰে SGSY, MGNREGA, BRGF, DDP, Annual Plan, TFC প্রকল্পে গৃহীত স্কীম সমূহৰ তালিকা, বরদ্ধকৃত টাকার পরিমান, রিলীজ করা টাকার পরিমান, কাজের অগ্রগতি এবং প্রকল্পর দায়িত্বে থাকা সরকারী অধিকারীকের নাম ক্রমে Annexure-I,II,III,IV এ সদনে পেশ কৰা হৈয়েছে। (See Annexure – V)

বিষয় ঃ ৰাবাৰ গছ কটা।

শ্রীশিৰ চৰণ বসুমতাৰীয়ে সুধিছে ঃ

* ৩২৮। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গোৱালপাৰা জিলাৰ বহু ঠাইত বৃহৎ এলেকাত অতি দুখ

কষ্টৰে থলুৱা নিবনুৱা যুৱক সকলে কৰা ৭ (সাত) বছৰীয়া ৰাবাৰ বাগান বিলাকৰ বিস্তৰ ক্ষয় -ক্ষতি এনে ধৰণে হয়-

১) "গোৱালপাৰা জনজাতি বহুমুখি চছাইটি" স্থান বগুলামাৰী, গোৱালপাৰা ক্ষতি —২০০ ডাল ৰাবাৰ গছ

২) "লেমপাৰা বহুমুখি চছাইটি" স্থান-লেমপাৰা, গোৱালপাৰা, ক্ষতি —১৭০০ ডাল।

৩) "কৃষ্ণাই বৰজুলি চছাইটি" স্থান-লেমপাৰা, গোৱালপাৰা ক্ষতি —১০০০ ডাল।

৪) " দাদন ৰাবাৰ চছাইটি" স্থান মৰিয়ম নগৰ, গোৱালপাৰা, ক্ষতি — ২০০০ ডাল।

(খ) উল্লেখিত ঠাই বিলাকত দুস্কৃতিকাৰীয়ে কৰা ক্ষয়-ক্ষতিৰ বাবে ক্ষতিপূৰণৰ অর্থে চৰকাৰে দায়িত্ব লবনে আৰু ভৱিষ্যতে তেনে অপকাৰ নোহোৱাৰ বাবে কিবা ব্যৱস্থা লবনে?

(গ) চৰকাৰ জ্ঞাতনে যোৱা ২০১০ চনত গোৱালপাৰা ফৰেষ্ট

ডিপাটমেণ্টৰ ডি এফ অ'ৰ নিৰ্দেশত ৫ (পাঁচ) বছৰীয়া ৰাবাৰ গছ নলঙ্গা পাহাৰ গোৱালপাৰাত কাটি ধ্বংস কৰা হৈছিল?

(ঘ) যদি জ্ঞাত, তেন্তে থলুৱা নিবনুৱা সকলে ঋণলৈ কৰা ৰাবাৰ বাগান খন কিয় কটা হৈছিল?

(ঙ) চৰকাৰী ভাৱে বাগানখন কাটিবলৈ কিবা নির্দেশনা আছিল নেকি? (তথ্য সহকাৰে জনাব)

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাক্ষসিনী প্রস্তাৱিত সংৰক্ষিত বনাঞ্চল এলেকাৰ বাহিৰে গোৱালপাৰা জিলাৰ অন্য ঠাইত ৰবৰ গছ দুস্কৃতিকাৰীয়ে কটা সম্পর্কত বনবিভাগৰ হাতত কোনো তথ্য নাই।

(খ) দায়িত্ব লোৱাৰ প্রশ্নই নুঠে যিহেতু বনাঞ্চল এলেকাত ৰবৰ খেতি কৰাটো ১৯৮০ চনৰ বন সংৰক্ষণ আইনমতে নীতি বিৰুদ্ধ।

(গ) ইং ২০১০ চনত গোৱালপাৰা জিলাত কোনো ধৰণৰ ৰবৰ খেতিৰ উচ্ছেদ কার্য্য ডি.এফ.অ ৰ নির্দ্দেশত সম্পাদন কৰা হোৱা নাছিল।

(ঘ) জ্ঞাত নহয়।

(ঙ) নলঙ্গা পাহাৰৰ ৰবৰ বাগানখন কাটিবলৈ চৰকাৰী ভাবে কোনো নির্দেশনা নাছিল।

বিষয় ঃ ইন্দিৰা আৱাস যোজনাৰ গৃহ।

শ্রীঘনশ্যাম কলিতাই সুধিছে ঃ

✱ ৩২৯। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) এইটো সঁচানে ৰঙিয়া সমষ্টিৰ অর্ন্তগত ৰঙিয়া উন্নয়ণ খণ্ডত ২০১১-১২ বর্ষৰ বাবে ইন্দিৰা আবাস যোজনাৰ অধীনত নির্বাচিত হিতাধিকাৰী সকলক নির্দ্ধাৰিত ধনৰ প্রথম কিস্তি

প্রদান কৰা হয়, কিন্তু দ্বিতীয় কিস্তিৰ ধন তেওঁলোকক এতিয়াও মুকলি কৰি দিয়া হোৱা নাই?

(খ) যদি এয়া সঁচা হয়, তেন্তে হিতাধিকাৰী সকলক দ্বিতীয় কিস্তিৰ এই ধন কেতিয়া মুকলি কৰি দিয়া হ'ব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) আগন্তুক দিনত ২০১১-১২ ইং বিত্তীয় বৰ্ষৰ বাবে ইন্দিৰা আৱাস যোজনাৰ ২ য় কিস্তি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিলে ৰঙিয়া উন্নয়ণ খণ্ডৰ নিৰ্ব্বাচিত হিতাধিকাৰী সকলক মুকলি কৰি দিয়া হ'ব।

Sub : Social Audit.

Shri Monowar Hussain Asked:

✱ 330. Will the Minister of Panchayat & Rural Development be pleased to state:

(a) Whether Social Audit has been done in respect of execution of "MGNREGA" schemes in the year, 2010-11 & 2011-12 in 21 G.Ps of 37 Goalpara East LAC?

(b) If so, submit the copies of proceedings and Audit Reports of he aforesaid period?

(c) How many persons are there in the aforesaid 21 G.Ps working as "GRS" ? Is There any proposal to engage persons in G.P. as GRS? If so, state their number and date of appointment, if any?

Sri Rakibul Hussain (Minister of Panchayat & Rural Development) replied:

a) Social Audit had been done in all the 20GPs falling under Goalpara East LAC in execution of schemes under MGNREGA for the year 2010-11 & 2011-2012.

b) Block-wise and year-wise copies of proceedings and Audit Reports are given at Annexure-A; except Kalyanpur GP of Balijana Dev. Block,which had been destroyed during recent violence.

c) Out of 20 GPs, there are 14 Nos. of GRS have been working in 14 GPs.

Yes, 6 Nos. of vacant posts of GRS will be filled-up very soon.

বিষয় ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় হত্যা।

শ্রীউৎপল দত্তই সুধিছে ঃ

* ৩৩১। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰ্ত্তমান কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত কিমান সংখ্যক গঁড় আছে? এই বন্য জীৱ-জন্তু সুৰক্ষাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্রহণ কৰিছে?

(খ) যোৱা ১/১/২০১৩ তাৰিখৰ পৰা আজিৰ তাৰিখলৈ এই উদ্যানৰ কিমান সংখ্যক গঁড় দুস্কৃতিকাৰীয়ে হত্যা কৰিলে? (তাৰিখ, স্থান সহ জনাব)

(গ) গঁড় হত্যাৰ প্রতিৰোধৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ লগত কোনো যোগাযোগ কৰিছে নেকি? যদি কৰিছে, কি পর্য্যায়ত আছে?

(ঘ) ৰাষ্ট্রীয় উদ্যানখনৰ বন্য পশু পক্ষীৰ সুৰক্ষাৰ বাবে কিমান সংখ্যক বন বিষয়া আৰু কর্মী নিয়োজিত হৈ আছে? (বিষয়া

সকলৰ নাম ও পদবী সহ জনাব)

(ঙ) উক্ত বিষয়া আৰু বন কর্মীৰ দ্বাৰা বন্য জীৱ জন্তু যিহেতু সুৰক্ষিত হোৱা নাই, এই সকলক বদলি কৰি অন্য ঠাইৰ পৰা বচা বচা দক্ষ বিষয়া ও কর্মী আনি আপুৰুগীয়া সম্পদ গঁড়ৰ জীৱন ৰক্ষা কৰিবনে?

(চ) এই গঁড় হত্যাত কোনো বন বিষয়া-কর্মী, আৰক্ষী বিষয়া বা অন্য কোনো প্ৰভাৱশালী ব্যক্তি জড়িত আছে নেকি? যদি আছে, তেঁওলোকক চিনাক্ত কৰি বিহিত ব্যৱস্থা লোৱা হৈছেনে?

(ছ) বৰ্ত্তমানলৈ কিমানজন গঁড় হত্যাকাৰীক চিনাক্ত কৰা হ'ল আৰু কিমানজনক গ্ৰেপ্তাৰ তথা শাস্তি বিহা হৈছে? (নাম ঠিকনা সহ জনাব)

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সদ্য সমাপ্ত ২০১৩ চনৰ গননা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয

উদ্যানত ঘঁড়ৰ সংখ্যা হল ২৩২৯ টা (দুই হেজাৰ তিনিশ উনত্রিশ) টা।

অসম চৰকাৰে বন্য জীৱ-জন্তু সুৰক্ষাৰ বাবে তলত উল্লেখিত ব্যৱস্থা সমূহ গ্রহণ কৰিছে।

১। আন্তঃগাঠনি সমূহ উন্নতকৰণ।

২। সবলিকৰণৰ বাবে অতিৰিক্ত বনসুৰক্ষা বাহিনী, গৃহৰক্ষী ও বনকর্মী মোতায়ন কৰা।

৩। অতিৰিক্ত ভাবে অত্যাধুনিক আগ্নেয়াস্ত্র যোগান ধৰা।

৪। জড়িত সকলো সংশ্লিষ্ট বিভাগ সমূহক ঐক্যবদ্ধ ও সুসংহতকৰণ।

৫। বুদ্ধিমত্ত তথ্য আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰী সমূহক আশ্রয়স্থলী সমূহৰ পৰা কৰায়ত্ব কৰি আইনী ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্রাণী (সুৰক্ষা) আইন ১৯৭২, সংশোধন

কৰি বন্যপ্ৰাণী (সুৰক্ষা) অসম সংশোধিত ২০০৯ আইন প্ৰণয়ন কৰি শাস্তি সমুহ গুৰু কৰা হৈছে। ইয়াৰ উপৰিও চি. আৰ. পি.চি (CrPC) ১৯৭ ধাৰাৰ অধীনত আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity) বন বিষয়া সকলক প্ৰদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

৬। দাঁতি কাষৰীয়া গাঁও সমূহৰ ৰাইজৰ আৰ্থিক উন্নয়ণ কৰাৰ বাবে কাৰ্য্য ব্যৱস্থা গ্ৰহণ ও ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত আৰু চৰক্ৰাৰৰ উদ্যোগত বন্যপ্ৰাণী ভিত্তিক পৰিবেশৰ প্ৰতি সজাগ ও দায়িত্বশীল পৰ্য্যটন ব্যৱস্থা গ্ৰহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গঁড় সুৰক্ষাৰ ব্যৱস্থা কটকটীয়া কৰা হৈছে।

৭। সুৰক্ষা অধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকা সমূহৰ পুনৰ গঠন কৰি ৪ টা নতুন বন্যপ্ৰাণী সংমণ্ডল গঠন কৰাৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছে।

৮। তদুপৰি দুষ্কতিকাৰীৰ গতিবিধিৰ ওপৰত প্ৰভাৱশালী

দৃষ্টি ৰাখিবৰ বাবে ইলেক্ট্রনিক আই, ৰাতি দেখা দুৰবীন, মানৱ বিহীন উৰাজাহাজ আদিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্রস্তাৱ দাখিল কৰা হৈছে।

৯। ইয়াৰ উপৰিও বৈদ্যুতিক তাঁৰযুক্ত জেওঁৰা ও বান পানীৰ সময়ত আশ্রয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে যাতে গঁড় ও অন্যান্য জীৱ-জন্তু সমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

১০। ৰাষ্ট্রীয় উদ্যানৰ গাতে লাগি থকা কার্বি আংলং জিলাৰ উগ্রপন্থী অধ্যুষিত অঞ্চল সমুহৰ পৰা অবৈধ ভাৱে ৰখা অত্যাধুনিক আগ্নেয়াস্ত্র সমূহ বাজেয়াপ্ত কৰি দুস্কৃতিকাৰী সকলক বিতাৰিত কৰিবৰ বাবে বিহিত ব্যৱস্থা গ্রহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমুহক অনুৰোধ জনোৱা হৈছে।

(খ) যোৱা ০১-০১-২০১৩ তাৰিখৰ পৰা আজিৰ তাৰিখলৈ কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত দুস্কৃতিকাৰীয়ে হত্যা কৰা তাৰিখ, স্থানসহ তথ্য তলত দাখিল কৰা হ'ল।

তাৰিখ	স্থান	বনাঞ্চল
২৮-০১-২০১৩	ফুলগুৰি (কুকুৰাকাটা সংৰক্ষিত বনাঞ্চল)	বুঢ়াপাহাৰ বনাঞ্চল
০২-০২-২০১৩	চানদাংগা (কুকুৰাকাটা সংৰক্ষিত বনাঞ্চল)	ঐ
০৩-০২-২০১৩	উত্তৰ বালিডুবি লহৰনী	কাজিৰঙা উত্তৰ বনাঞ্চল, বিশ্বনাথ ঘাট
১৭-০২-২০১৩	কাৰৈমাৰী	বাগৰি বনাঞ্চল
২৫-০২-২০১৩	ৰৰালিমৰা বিল	অগৰাতলি বনাঞ্চল
০১-০৩-২০১৩	আৰিকাটি বিল	অগৰাতলি বনাঞ্চল
২৩-০৩-২০১৩	ৰৰহলা	বুঢ়াপাহাৰ বনাঞ্চল
২৫-০৩-২০১৩	গটঙা	বাগৰি বনাঞ্চল
২৬-০৩-২০১৩	বাঘেটাপু	অগৰাতলি বনাঞ্চল (৬ষ্ঠ সংযোজন)

(গ) গঁড় হত্যা প্রতিৰোধৰ বাবে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যৌথভাৱে সকলো ধৰণৰ যাৱতীয় ব্যৱস্থা গ্রহণ কৰা হৈছে। ইয়াৰ ভিতৰত আন্তঃগাঁঠনি সমূহৰ অত্যাধুনিক প্রযুক্তিকৰণ, অস্ত্র-শস্ত্রৰ আধুনিকৰণ আৰু পর্য্যাপ্ত পৰিমাণৰ আর্থ সাহার্য্যৰ অনুৰোধ আদি উল্লেখনীয়। এই সকলোবোৰ পর্য্যায়ক্রমে সফলতাৰে সম্পন্ন কৰা হৈছে। ইয়াৰ উপৰিও ইলেক্ট্রনিক আই, মানব বিহীন বিমান আৰু অত্যাধুনিক অস্ত্র ক্রয়ৰ কাৰণে অনুমতি কেন্দ্রীয় চৰকাৰৰ পৰা বিচৰা হৈছে।

(ঘ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ বন্য পশুপক্ষীৰ সুৰক্ষাৰ বাবে মুঠ ১৪ জন বন বিষয়া, ৪৫৭ জন বন কর্মী, অসম বন সুৰক্ষা বাহিনী ৪৭৩ জন, সশস্ত্র গৃহৰক্ষী ১৩৬ জন সাময়িক বন কর্মী ১১৯ জন কর্মৰত অৱস্থাত আছে।

(ঙ) ইতিমধ্যে প্রশ্নোত্তৰ (ঘ)ত উল্লেখ কৰা বচা বচা দক্ষ বিষয়া কর্মী সকলক বিভিন্ন দায়িত্ব অপর্ণ কৰি কাজিৰঙা ৰাষ্ট্রীয

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত বিষয়াৰ নামঃ	পদবী
১। শ্ৰী এন.কে বাসু (ভাৰতীয় বন সেৱা)	মুখ্য বন সংৰক্ষক ও সঞ্চালক
২। শ্ৰী এছ. কে. ববা (ভাৰতীয় বন সেৱা)	বন সংৰক্ষক
৩। শ্ৰী এছ. কে. শীল শৰ্মা (অসম বন সেৱা)	পূৱ অসম বন্য প্ৰাণী বন সংমণ্ডল বিষয়া
৪। শ্ৰী পংকজ শৰ্মা (অসম বন সেৱা)	সহকাৰী বন সংৰক্ষক
৫। শ্ৰী আৰ . দাস (অসম বন সেৱা)	সহকাৰী বন সংৰক্ষক
৬। শ্ৰী ছেলিম আহমেদ (অসম বন সেৱা)	বনাঞ্চলিক বিষয়া (পূৱ), অগৰাতলী
৭। শ্ৰী এম. তামুলী (অসম বন সেৱা)	বনাঞ্চলিক বিষয়া (মধ্য) কাজিৰঙা, কহঁৰা

কাজিৰণ্ডা ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত বিষয়াৰ নামঃ	পদবী
৮। শ্ৰী পি. বৰুৱা (অসম বন সেৱা)	ভাৰপ্ৰাপ্ত বিষয়া, বনাঞ্চল (পশ্চিম), বাগৰি
৯। শ্ৰী জে. আৰ. বৰদলৈ (অসম বন সেৱা)	বনাঞ্চলিক বিষয়া, বুঢ়া পাহাৰ
১০। শ্ৰী বি. কাকতী (অসম বন সেৱা)	বনাঞ্চলিক বিষয়া (উত্তৰ), বিশ্বনাথ ঘাট
১১। শ্ৰী বি. বৈশ্য (অসম বন সেৱা)	বনাঞ্চলিক বিষয়া, মুখ্য কাৰ্য্যালয়
১২। শ্ৰী আৰ শৰ্মা	গৱেষণা বিষয়া
১৩। ডঃ ডি. শইকীয়া	বন পশু চিকিৎসক
১৪। শ্ৰী জে. আৰ. দাস (অসম বন সেৱা)	সহকাৰী বন সংৰক্ষক

উদ্যানৰ বাবে নিয়োজিত কৰা হৈছে।

(চ) গঁড় হত্যাত যদিও এতিয়ালৈকে কোনো বন বিষয়া, কর্মী, আৰক্ষী বিষয়া বা অন্য কোনো প্রভাৱশালী ব্যক্তি জড়িত থকাৰ প্রমাণ পোৱা হোৱা নাই, কিন্তু কার্বি আংলং পুব সংমণ্ডলৰ দুজন সাময়িক কর্মী- শ্রী মেণ্ডলচন টেৰন আৰু ৰেচলি হানছে জড়িত থকাৰ প্রমাণ পোৱা হেতুকে উক্ত দুইজনৰ ওপৰত আইনী ব্যৱস্থা গ্রহণ কৰা হৈছে।

(ছ) বর্ত্তমান চিনাক্ত ও গ্রেপ্তাৰ কৰা গঁড় হত্যাকাৰী সকলৰ নাম ও ঠিকনা সমূহৰ তালিকা সংলগ্ন-(ক)ত গাঁঠি দিয়া হ'ল।

(See Annexure-VI)

বিষয় ঃ গীর্জা সংৰক্ষণ ।

শ্রীইমানুৱেল মুছাহাৰীয়ে সুধিছে ঃ

✱ ৩৩২। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত থকা ১০০ বছৰ বা তাতোকৈ পুৰণি ঐতিহ্যমণ্ডিত গীৰ্জা সমুহৰ সংৰক্ষণ আৰু উন্নয়নৰ কাৰণে চৰকাৰে কিবা আঁচনিৰ পৰিকল্পনা লৈছে নেকি?

(খ) এনে ধৰণৰ ১০০ বছৰৰ অধিক পুৰণি গীৰ্জা ঘৰ অসমত কিমানটা আছে জনাবনে? (নাম আৰু ঠিকনা সংলগ্ন কৰিব)

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত থকা পুৰণি ঐতিহ্যমণ্ডিত গীৰ্জা সমূহ সংৰক্ষণৰ ক্ষেত্ৰত এই বিভাগৰ দ্বাৰা কোনো আঁচনিৰ পৰিকল্পনা কৰা হোৱা নাই।

(খ) এই তথ্য বৰ্ত্তমান এই বিভাগৰ হাতত নাই।

Shri Anamul Haque Asked:

Sub: New Development Block

* 333. Will the Minister of Panchayat & Rural Development be pleased to state:

(a) Is it a fact that Sonai LAC consists of 25 Nos. of G.P's which are included under 5 Nos. of Development Blocks?

(b) Is it also a fact that due for geographical reason the blocks requires re-organisation for the benefit of the rural people?

(c) Whether the Govt. will look into the matter as it is committed for all round development of the rural people?

(d) If so, whether the proposal will mature during 2013-14?

Sri Rakibul Hussain (Minister of Panchayat & Rural Development) replied:

(a) Yes.

(b) (c) & (d): The Government has asked Deputy Commissioners and Principal Secretaries of Autonomous Councils to submit detailed proposal, if any, for re-organisation of Development Blocks. Government will look into the matter on receipt of detailed proposals.

বিষয়ঃ মীন বিভাগৰ আঁচনি।

শ্রী গোপী নাথ দাসে সুধিছে ঃ

* ৩৩৪। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ চনৰ বিত্তীয় বৰ্ষবোৰত চৰকাৰে কামৰূপ জিলাত কি কি আঁচনিৰ বাবে কিমান টকা মঞ্জুৰ কৰিছে জনাবনে?

(আঁচনিৰ নাম, মঞ্জুৰী দিয়া টকাৰ পৰিমাণ আৰু এতিয়ালৈ কিমান টকা খৰচ কৰা হ'ল বিতং জনাব)

(খ) যদি আঁচনি সমূহ ৰূপায়ন কৰিব পৰা নাই তেন্তে কিয় কৰিব পৰা নাই জনাবনে?

শ্রীবসন্ত দাস (মীন বিভাগৰ (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বৰ্ষবোৰত কামৰূপ জিলাত বিভিন্ন আঁচনিৰ বিপৰীতে চৰকাৰৰ দ্বাৰা মঞ্জুৰীকৃত ধন আৰু খৰচৰ বিবৰণ পৰিশিষ্ট 'ক' ৰ পৰা 'গ' লৈ সংলগ্ন কৰা হ'ল। (See Annexure – VII)

(খ) ৰাজ্যিক পৰিকল্পনা শিতানৰ ধন মাৰ্চলৈ মোকলাই দিয়াৰ বাবে পিছত বছৰৰ খৰালি মাহত মাটি খন্দাৰ কাম কৰিব পৰা যায়। কিছু হিতাধিকাৰীয়ে বিভাগীয় নীতি নিৰ্দেশনা অনুযায়ী আঁচনিৰ কাম ৰূপায়ন নকৰাৰ বাবে নতুন হিতাধিকাৰী বাছনিকৰিব লগা হোৱাৰ বাবে পলম হয়। তাৰোপৰি উপযুক্ত

তথা সুচল মাটিৰ অভাৱৰ বাবেও কেতিয়াবা আঁচনি ৰূপায়ণত বাধাৰ সৃষ্টি হয়। বর্তমান পর্য্যায় ক্রমে আঁচনি সমূহ ৰূপায়ন কৰি থকা হৈছে।

মীন পালন উন্নয়ন সস্থাৰ জৰিয়তে ৰূপায়ণ কৰা আঁচনি সমূহ বেংকৰ পৰা মঞ্জুৰী পোৱাৰ পিছত বিভাগৰ ফালৰ পৰা বিত্তীয় সাহার্য্য প্রদান কৰা হয়। বেংকৰ পৰা আঁচনি সমূহ মঞ্জুৰী পোৱাত পলম হোৱা বাবে বিত্তীয় সাহায্যৰ বাবে ধার্য্য কৰা ধন মোকোলাই দিয়াত পলম হৈছে।

২০১২-১৩ বিত্তীয় বর্ষৰ মুঠ ২৭৯.৭৩ লাখ টকা কামৰূপ জিলাৰ বাবে আবন্টন দিয়া হৈছে। জিলাই অনতিপলমে আঁচনি সমূহৰ ৰূপায়ন সম্পূর্ণ কৰিব।

বিষয়ঃ কাজিৰঙা ৰাষ্ট্রীয় উদ্যান সর্ন্দভত।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

* ৩৩৫। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি

জনাবনেঃ

(ক) কাজিৰঙা আৰু মানাহ অভয়াৰণ্য ৰাষ্ট্ৰীয় উদ্যান দুখনৰ মাটি কালি কিমান?

(খ) উক্ত ৰাষ্ট্ৰীয় উদ্যান দুখনত কিমান প্ৰকাৰৰ কি কি বন্যপ্ৰাণী কিমান সংখ্যা কৈ আছে? (পৃথকে পৃথকে তালিকা সদনত দাখিল কৰিব)

(গ) উক্ত ৰাষ্ট্ৰীয় উদ্যানত ১৯৯৬ চনৰ পৰা কিমানটা গঁড় হত্যা কৰা হৈছে? (বিত্তীয় বৰ্ষ অনুযায়ী পৃথকে পৃথকে তালিকা সদনত দাখিল কৰিব)

(ঘ) উক্ত ৰাষ্ট্ৰীয় উদ্যানত ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈকে কিমানটা গঁড় হত্যা কৰা হৈছে? (বৰ্ষ অনুযায়ী তালিকা সদনত দাখিল কৰিব)

(ঙ) ১৯৯৬ চনৰ পৰা বৰ্ত্তমান সময়লৈকে চৰকাৰে কিমান জন গঁড় হত্যাকাৰীক কৰায়ত্ব কৰিছে? (নাম ঠিকনাৰে তালিকা

সদনত দাখিল কৰিব)

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰ চুবুৰীয়া মানুহখিনিৰ গঁড় হত্যা সম্বন্ধে চৰকাৰৰ কিবা সন্দেহ আছে নেকি?

(ছ) যদি আছে, চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(জ) যদি সেই মানুহ খিনি ভাৰতীয় নাগৰিক তেনেহ'লে বাৰে বাৰে তেওঁলোকক বংলাদেশীৰ নামত অপবাদ দিয়াৰ কাৰণ কি?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (১) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মুল মাটিকালি-মুল অংশ- ৪২৯.৯৩ বর্গ. কি.মি.

সংযোজন সমূহৰ মাটিকালি-

(ক) ১ ম সংযোজন-০৪৩.৭৯ বর্গ কি.মি.(বন বিভাগক সম্পূর্ণৰূপে হস্তান্তৰ কৰা হৈছে)

(খ) ২য় সংযোজন-০০৬.৪৭ বর্গ কি.মি. (বন বিভাগত মাত্র ২৩৯৯ বিঘা, ৩ কঠা, ৬ লেচা হস্তান্তৰ কৰা হৈছে)

(গ) ৪র্থ সংযোজন- ০০০.৮৯ বর্গ কি.মি. (বন বিভাগক সম্পূর্ণৰূপে হস্তান্তাৰ কৰা হৈছে)

প্রস্তাৱিত সংযোজন সমূহৰ মাটিকালি-

(ঘ) ৩য় সংযোজন-০০০.৬৯ বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(ঙ) ৫ম সংযোজন-০০১.১৫ বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(চ) ৬ষ্ঠ সংযোজন-৩৭৬.৫০বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(২) মানাহ ৰাষ্ট্রীয় উদ্যানৰ মুঠ মাটিকলি-৫০০ বর্গ কি.মি.

(খ) উক্ত ৰাষ্ট্রীয় উদ্যান দুখনত বহু প্রজাতিৰ আপুৰুগীয়া বন্য জীৱ-জন্তু পোৱা যায়। তাৰ ভিতৰত-

(i) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পোৱা আপুৰুগীয়া জীৱজন্তু সমূহৰ ভিতৰত ৩৮ বিধ প্ৰজাতিৰ স্তন্যপায়ী বনৰীয়া জীৱ জন্তু পোৱা যায়। ইয়াৰে ১৫ বিধ প্ৰজাতি অনুসুচী-১ (এক) Schedule-1 ৰ অৰ্ন্তভুক্ত (বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ চন)। ইয়াৰ বাহিৰেও ৫৫৩ বিধ প্ৰজাতিৰ পক্ষী, ২৪ বিধ প্ৰজাতিৰ উভচৰ প্ৰাণী, ৩৫ বিধ সৰ্প, ২৯ বিধ জেঠী-জাতীয় আৰু ১৭ বিধ প্ৰজাতিৰ কাছ পোৱা যায়।

(ii) মানাহ ৰাষ্ট্ৰীয় উদ্যানত মুঠ ৬০ বিধ স্তন্যপায়ী, ৪০ বিধ পক্ষী, - বিধ সৰীসৃপ, ২৫০ বিধ মাছ আৰু ৮ বিধ উভচৰ প্ৰাণী পোৱা যায়।

বিশেষকৈ তলত দিয়া জীৱজন্তু সমূহৰ সংখ্যা গণনা কৰা হয়। সেই অনুযায়ী সংখ্যাসমূহ তলত দিয়া হ'ল-

জীৱজন্তু	কাজিৰঙা	মানাহ
১) গঁড়	২২৯০ টা (২০১২ চনৰ গণনা) ২৩২৯ টা (২০১৩ চনৰ গণনা)	২৩ টা(স্থানান্তৰিত পৰিতৰা আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা)
২) হাতী	১১৬৩ টা (২০১১ চনৰ গণনা)	৯৪৫ টা (২০১১ চনৰ গণনা)
৩) বাঘ	১০৬ টা (২০১০ চনৰ গণনা)	৯ টা (২০১০ চনৰ)
৪) ম'হ	১৯৩৭ টা (২০১১ চনৰ গণনা)	২১৫ টা (২০১১ চনৰ গণনা)
৫) দল হৰিণা	১১৬৫ টা (২০১১ চনৰ গণনা)	গণনা কৰা হোৱা নাই
৬) সোনালী বান্দৰ	নাই	২১৪ টা (২০০৯ চনৰ গণনা)

(গ) কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানত ১৯৯৬ ৰ পৰা বৰ্ত্তমান লৈ হত্যা কৰা গঁড়ৰ সংখ্যাৰ তালিকা (বিত্তীয় বৰ্ষ অনুযায়ী) সংলগ্ন কৰি দিয়া হ'ল। সংলগ্ন - (ক)

(See Annexure-VIII)

(ঘ) কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানত ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈ হত্যা কৰা গঁড়ৰ সংখ্যাৰ তালিকা (বৰ্ষ অনুযায়ী) সংলগ্ন কৰি দিয়া হ'ল। সংলগ্ন - (খ)

(See Annexure-IX)

(ঙ) ১৯৯৬ চনৰ পৰা বৰ্ত্তমান সময়লৈকে অসম চৰকাৰে কৰায়ত্ত কৰা গঁড় হত্যাকাৰী, চোৰাং চিকাৰীৰ নাম ও ঠিকনাৰ তালিকা সদনত দাখিল কৰা হ'ল। সংলগ্ন - (গ)

(See Annexure-X)

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰ চুবুৰীয়া মানুহখিনি সামগ্ৰিক

ভাবে গঁড় সংৰক্ষণত সহায় কৰি আহিছে। অৱশ্যে কেতিয়াবা দুই এজন ব্যক্তি গঁড় হত্যাত জড়িত থকা তথ্য পোহৰলৈ আহিছে।

(ছ) উক্ত সন্দেহজনক ব্যক্তিসমূহক কৰায়ত্ব কৰি আইনি ভাৱে বিহীত ব্যৱস্থা লৈ বিভিন্ন মাননীয় আদালতত গোচৰ ৰুজু কৰা হৈছে। ইয়াৰ উপৰিও সন্দেহযুক্ত ব্যক্তিসকলৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে।

(জ) উক্ত বিষয় সম্পর্কত বন বিভাগ জ্ঞাত নহয়।

Sub: New Schemes.

Shri Monowar Hussain asked.

* 336. Will the Minister of Fisheries be pleased to state:

Out of Rs. 43.04 crores, how much amount of money granted against how many schemes in Goalpara District during plan period

of 2011-12? (Give name of schemes with amount and beneficiaries if any)

Sri Basanta Das (Minister of Fisheries (Independent) replied:

Out of Rs. 43.04 cores of total fund received by the Fishery Department, Assam Guwahati Rs. 66.16 Lakh sanctioned to the Goalpara District during the year 2011-12.

The name of the schemes along with beneficiaries list with fund allocation are furnished separately in Annexure-I (See Annexure-XI)

বিষয় ঃ বনগাওঁৰ ৰাস্তা ঘাট।

শ্রীগোপী নাথ দাসে সুধিছে ঃ

*. ৩৩৭। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বনগাঁও সমূহৰ ৰাস্তাঘাটৰ উন্নয়ন আৰু বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰৰ কোনো আঁচনি আছেনে?

(খ) যদি আছে, তেন্তে উক্ত আঁচনিৰ অধীনত ২০১১-১২ আৰু ২০১২-১৩ চনত পশ্চিম কামৰূপ বন সংমণ্ডলত কিমান টকাৰ মঞ্জুৰী দিয়া হৈছে জনাবনে?

(গ) উক্ত মঞ্জুৰী দিয়া টকাৰে কি কি কাম কৰা হৈছে জনাবনে? (আঁচনি সমূহৰ নাম ঠিকনা দিব টকাৰ পৰিমাণ সহ)

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান বনগাঁও সমূহৰ ৰাস্তাঘাট উন্নয়ন আৰু বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা অসম চৰকাৰৰ আঁচনিত নাই।

(খ) প্রযোজ্য নহয়।

(গ) প্রযোজ্য নহয়।

বিষয় ঃ কাজিৰঙা ৰাষ্ট্রীয় উদ্যান আৰু **Tiger Reserve** এলেকা।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

✱ ৩৩৮। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কাজিৰঙা ৰাষ্ট্রীয় উদ্যান খন Tiger Reserve হিচাপে চৰকাৰে ঘোষণা কৰিছে নেকি?

(খ) যদি কৰিছে, Gazette Notification ৰ প্রতিলিপি সদনত দাখিল কৰিব?

(গ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ সম্পূর্ণ মাটি কালি কিমান?

(ঘ) উক্ত উদ্যানৰ কিমান অংশ মাটি কালি Tiger Reserve এলেকা হিচাপে/Core area হিচাপে Notification কৰা হৈছে।

(ঙ) ৰাজ্য চৰকাৰে Tiger Reserve Notification কৰাৰ আগতে Tiger Conservation Authority ৰ পৰা অনুমোদন লাভ কৰিছিলনে?

(চ) যদি কৰিছিল তাৰ যাৱতীয় নথি পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব?

(ছ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ Schedule with the map MOU মাটিকালি Notification No. তাৰিখ আদিৰ প্ৰতিলিপি সহ যাৱতীয় তথ্য সদনত দাখিল কৰিব?

(জ) Tiger Reserve or Core area পৰ্য্যটকৰ কাৰণে ব্যৱহাৰ হয়নে?

(ঝ) কাজিৰঙা Wild Life sanctuary আৰু Tiger Poject ত কেন্দ্ৰীয় চৰকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থা সমূহৰ পৰা কিমান পুঁজি কোন কোন সময়ত লাভ কৰিছে? (বিতং তালিকা সদনত দাখিল কৰিব)

(ঞ) উক্ত পুঁজিৰ পৰা কি কি আঁচনি গ্ৰহণ কৰি কোন কোন শিতানত কিমান পুঁজি ব্যয় কৰিছে? (আঁচনিৰ নাম, পুঁজিৰ পৰিমান উল্লেখ কৰি খৰচৰ বিতং তালিকা সদনত দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) হয়, অধিসূচনা নং-এফ. আৰ. ডব্লিউ- ৬/২০০৭/২৩, তাং- ০৩/০৮/২০০৭ সংলগ্ন-(ক) ত সদনত দাখিল কৰা হ'ল।

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মুল মাটিকালি-মূল অংশ- ৪২৯.৯৩ বর্গ কি.মি.

সংযোজন সমূহৰ মাটিকালি-

(ক) ১ ম সংযোজন-০৪৩.৭৯ বর্গ কি.মি.(বন বিভাগক সম্পূর্ণৰূপে হস্তান্তৰ কৰা হৈছে)

(খ) ২য় সংযোজন-০০৬.৪৭ বর্গ কি.মি. (বন বিভাগত মাত্র ২৩৯৯ বিঘা, ৩ কঠা, ৬ লেচা হস্তান্তৰ কৰা হৈছে)

(গ) ৪র্থ সংযোজন- ০০০.৮৯ বর্গ কি.মি. (বন বিভাগক সম্পূর্ণৰূপে হস্তান্তৰ কৰা হৈছে)

প্রস্তাৱিত সংযোজন সমূহৰ মাটিকালি-

(ঘ) ৩য় সংযোজন-০০০.৬৯ বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(ঙ) ৫ম সংযোজন-০০১.১৫ বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(চ) ৬ষ্ঠ সংযোজন-৩৭৬.৫০বর্গ কি.মি. (বন বিভাগক এই পর্য্যন্ত হস্তান্তৰ কৰা হোৱা নাই)

(ঘ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ মুঠ ৮৫৯.৪২ বর্গ কি. মি. (মূল, সংযোজন আৰু প্রস্তাৱিত সংযোজন) ৰ মাটিকালি ৪৮২ বর্গ

কি. মি. Tiger Reserve Core Area হিচাপে অধিসূচনা জাৰি ৰকা হৈছে (সংলগ্ন-'ক' ত মাটিকালি বিৱৰণ দিয়া আছে) ।

(ঙ) হয়, কৰিছিল।

(চ) হয়, সদনত সংলগ্ন-'খ' ত দাখিল কৰা হ'ল।

(See Annexure – XIII)

(ছ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধিসূচনা নং- FOR/WL/722/68, dated 11.02.1974 ৰ মতে Schedule সহ মাটি কালিৰ মেপ সদনত দাখিল কৰা হ'ল। (সংলগ্ন 'গ' তউল্লেখিত অধিসূচনাৰ প্ৰতিলিপি আৰু সংলগ্ন-'গ-১' ত মেপৰ প্ৰতিলিপি দাখিল কৰা হ'ল।) (See Annexure – XIV)

(জ) হয়।

(ঝ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান (National Park) আৰু Tiger Project ত কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা পুঁজি

তলত উল্লেখ কৰা হ'ল-

বর্ষ	মুঠ পুঁজি
২০০৮-০৯	১,০৭,৬৫,৯০০.০০ টকা
২০০৯-১০	১,৩৩,১০,৭৪৫.০০ টকা
	১,১৯,৭৫,০০০.০০ টকা (২য় কিস্তি)
২০১০-১১	২,৭২,৭২,০০০.০০ টকা (১ম কিস্তি)
	৭,১৩,৫০,০০০.০০টকা (২য় কিস্তি)
২০১১-১২	৩,১৬,২৭,০০০.০০ টকা
২০১২-১৩	২,৬৫,২০,৬০০.০০ টকা

(ঞ) আঁচনি সমূহৰ নাম, শিতান সমূহৰ ৰিতং তথ্য সংলগ্ন-'ঘ' ত দেখুওৱা হ'ল। (See Annexure – XV)

বিষয় ঃ পশু ও পশু চিকিৎসালয়।

শ্রীমনোৰাৰ হুছেইনে সুধিছে ঃ

✷ ৩৩৯। মাননীয় পশু ও পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৩৭ নং গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত মুঠ পশুধনৰ (গৰু,মহ ইত্যাদিৰ) সংখ্যা কিমান?

(খ) এই সমষ্টিত কিমান পশুচিকিৎসালয়, কিমান পশুচিকিৎসক কর্মচাৰী আছে?

(গ) ২০১০-১১ আৰু ২০১১-১২ চনত এই সমষ্টিত বিভাগৱ পৰা মুঠ কিমান টকা কি কি শিতানত ব্যয় কৰা হ'ল? (বিতং তথ্য দাখিল কৰিব)

শ্রীখৰছিং ইংতি (পশু পালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৩৭ নং গোৱালপাৰা পূৱ বিধান সভা সমষ্টিত মুঠ পশুধনৰ সংখ্যা হ'ল- ৭৬,৫৬০ টা।

(খ) এই সমষ্টিত ৪ খন পশু চিকিৎসালয় আৰু ৩ খন পশু চিকিৎসা উপ-কেন্দ্ৰ আছে।

উক্ত সমষ্টিত নিয়োজিত পশু চিকিৎসক কৰ্মচাৰীৰ সংখ্যা হ'ল-

পশু চিকিৎসক-	৪ জন
পশু চিকিৎসা ক্ষেত্ৰ সহায়ক-	৭ জন
৪ র্থ শ্ৰেণীৰ কৰ্মচাৰী-	৫ জন

(গ) ৩৭ নং গোৱালপাৰা পূৱ সমষ্টিত পশুপালন ৰূপায়িত খণ্ডত আঁচনি সমূহ হ'ল-

বিত্তীয় বর্ষ	শিতান অনুযায়ী আৱণ্টিত ধনৰ পৰিমাণ	ৰূপায়িত আঁচনি
২০১০-১১	১৬,০০০.০০ টকা (Centrally Sponsored Scheme)	৪ টা প্রতিষেধক শিবিৰ পাতি ৩৫৫০ টা পোহনীয়া জন্তুক প্রতিষেধক দিয়া হৈছে।
২০১১-১২	১৬,০০০.০০ টকা (Centrally Sponsored Scheme)	৪ টা প্রতিষেধক শিবিৰ পাতি ৪১৫০ টা পোহনীয়া জন্তুক প্রতিষেধক দিয়া হৈছে।
২০১১-১২	৫,০০,০০০.০০ টকা (ঘাঁহ উৎপাদন আঁচনি) (Centrally Sponsored Scheme)	ৰাক্ষসিনী ঘাঁহ উৎপাদন কেন্দ্রত, ৭৫ বিঘা মাটিত ঘাঁহ উৎপাদন কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰি আঁচনি ৰূপায়ন কৰি থকা হৈছে।
২০১১-১২	১,৯২,০০০.০০ (বিনামূলীয়া কুঁকুৰা পোৱালি বিতৰণ)	এই আঁচনিৰ জৰিয়তে দৰিদ্র সীমাৰেখাৰ তলৰ ১২৪ জন হিতধিকাৰীক ২০ টাকৈ কুকুৰা পোৱালি আৰু প্রতিটোকে ৭৫০.০০ টকাকৈ দিয়া হৈছে।

দুগ্ধ উন্নয়ন খণ্ডত ৰূপায়িত আঁচনি সমূহ হ'ল—

২০১০-১১ ৩.৫০ লাখ টকা

(ক) গাখীৰ সংগ্রহ কেন্দ্র, নেপালীখুটি

১০.০০ লাখ টকা

(খ) গাখীৰ গাঁও আঁচনি (মৰনৈ)সৈনিকস্কুল

২০১১-১২ ১০.০০ লাখ টকা

(ক) গাখীৰ গাঁও আঁচনি, দুৱাৰপাৰা (SCSP)

৯৪,৪৭২.৫০ টকা

(খ) ৫০ গৰাকী দুগ্ধ উৎপাদককাৰীক দানা

বিতৰণ, (দৈনিক এক কেজিকৈ ১৫৫ দিনৰ বাবে)

UNSTARRED

QUESTIONS AND ANSWERS

বিষয় ঃ অসম্পূর্ণ আঁচনি সম্পূর্ণকৰণ।

শ্রীভূপেন ৰায়ে সুধিছে ঃ

৫৮০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও DRDA ত যোৱা ২০০৬-০৭ চনত তলত উল্লেখ কৰা আঁচনি দুটা নির্মাণৰ বাবে ধার্য্য কৰিছিলনে?

(1) Construction of Rural Community Old Wheler Road from Ambari Bazar to Barghala P.W.D. road Near Parghat Kachari Peti P.I.P., II sand gravelling and cross drains under MGNREGA.

(2) Anti errosson of River Manash from Bangla Para to Uttar Nambar Para P.III under MGNREGA, 2006-07.

(খ) যদি কৰিছিল, ধাৰ্য্য কৰা ধনৰ পৰিমাণ উল্লেখ কৰিব?
(আঁচনি অনুযায়ী)

(গ) উক্ত ধন সম্পূৰ্ণৰূপে মোকোলাই দিয়া হৈছেনে? যদি হৈছে জনাব?

(ঘ) উক্ত আঁচনিৰ এটা অংশত যোৱা বানপানীয়ে চিঙি দিয়াটো চৰকাৰ অৱগতনে? (১ নং আঁচনি)

(ঙ) যদি অৱগত, উক্ত চিঙি য়োৱা অংশ নিমাৰ্ণৰ বাবে পুনৰ্ প্ৰয়োজনীয় ধন মঞ্জুৰী দিবনে?

(চ) ২ নং আঁচনিখনৰ বাবে নৈ (Protection ৰ বাবে) কিছু বল্ডাৰ (Bolder) যোগানৰ ব্যৱস্থা আছিল নেকি?

(ছ) যদি আছিল, উক্ত বল্ডাৰ যোগান ধৰা হৈছিলনে?

(জ) যদি হৈছিল, বৰ্তমান উক্ত বল্ডাৰখিনি কি পৰ্য্যায়ত আছে অনুগ্ৰহ কৰি জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, বঙাইগাঁও DRDA ৰ অধীনত সৃজনগ্রাম খণ্ড উন্নয়নৰ যোগেদি ২০০৬-০৭ বিত্তীয় বৰ্ষত MGNREGA ৰ অধীনত তলত উল্লেখ থকা আঁচনি ধার্য্য কৰা হৈছিল।

(1) Construction of Rural Connectivity all weather road from Ambari Bazar to Barghala P.W.D near Parghat Kachari Peti P.I. & P.II with necessary cross drainage.

(2) Anti erosion of River Manash from Bangla Para to Uttar Nambar Para P.III under MGNREGA, 2006-07

(খ) ধার্য্য কৰা ধনৰ পৰিমান তলত দিয়া হ'ল।

Name of Scheme	Amount sanction	Fund re-leased	Fund Utilised(Rs. in Lakh)
1) Construction of Rural Connectivity all weather road from Ambari Bazar to Barghala P.W.D. Road near Parghat Kachari Peti Ph. -I & Ph-II with necessary cross drain	329.47	210.00	209.81
2) Anti errosson of river Manash from Bangla Para to Uttar Nambar Para Ph-III under MGNREGA	336.80	314.50	314.48

(গ) মোকলাই দিয়া ধনৰ সবিশেষ প্ৰশ্নোত্তৰ 'খ'ত দেখুওৱা হৈছে। (ইং ২০-০৩-১৩ লৈ) বাকী মোকলাই দিব লগীয়া ধন কামৰ অগ্ৰগতি আৰু চাহিদাৰ ওপৰত নিৰ্ভৰ কৰি মোকোলাই দিয়া হব।

(ঘ) হয়, অৱগত।

(ঙ) হয়, চিঙিযোৱা অংশ নিৰ্মাণৰ বাবে ইতিমধ্যে প্ৰাক্কলন প্ৰস্তুত কৰি Block Plan ত উঠাবৰ বাবে নিৰ্দেশ দিয়া হৈছে।

(চ) হয়, boulder যোগান ধৰাৰ ব্যৱস্থা আছিল।

(ছ) হয়, boulder যোগান ধৰা হৈছিল।

(জ) উক্ত হয়, boulder খিনিৰ কিছু শল্য বান্ধ (Sausage) বনোৱা হৈছিল আৰু কিছু boulder সংৰক্ষিত হৈ আছে।

বিষয় ঃ আঁচনি আৰু আঁচনি ৰূপায়ণ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

১। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০১১-১২ আৰু ২০১২-১৩ বছৰ দুটাত মীন বিভাগত কিমান টকা মোকলাই দিয়া হৈছে আৰু সেই টকাৰে এতিয়া লৈকে কি কি কাম কৰা হৈছে ?

(জিলা ভিত্তিক খৰচৰ পৰিমাণ সদনত দাখিল কৰিব)

(খ) উক্ত বিত্তীয় বর্ষ দুটাত ধুবুৰী জিলাত মুঠ কিমান টকা আৱণ্টিত কৰা হৈছে আৰু কোন কোন আঁচনিত কিমান

পুঁজি ধার্য্য কৰা হৈছে?

(বিতং তালিকা সদনত দাখিল কৰিব)

(গ) বিলাসীপাৰা পূৰ সমষ্টিত উক্ত বৰ্ষ দুটাত অনুমোদিত আঁচনি সমূহৰ নাম, ঠিকনাৰ আবণ্টিত পুঁজি আৰু হিতাধিকাৰীৰ নামৰ সৈতে বিতং তালিকা দাখিল কৰিব?

(ঘ) হিতাধিকাৰী সমূহ নিৰ্বাচনৰ ক্ষেত্ৰত থকা নীতি-নিৰ্দেশাৱলী সদনত দাখিল কৰিব?

(ঙ) মৎস্যপালকৰ ঋণ প্ৰদানৰ ব্যৱস্থা আছে নেকি? যদি আছে, বিলাসীপাৰা পূৰ সমষ্টিত কিমানজনে কিমান পৰিমাণৰ ঋণ লাভ কৰিছে? (নাম, ঠিকনা, লাভ কৰা ঋণৰ পৰিমাণ পৰিশোধ কৰা ধনৰ পৰিমাণ সহ বিতং তথ্য সদনত দাখিল কৰিব)

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ)) উত্তৰ দিছে ঃ

(ক) মীন বিভাগক ২০১১-১২ বর্ষত ৩১৮১.৩৫ লাখ টকা আৰু ২০১২-১৩ বর্ষত ৪৮৩০.৫৭ লাখ টকা মোকলাই দিয়া হৈছে। উক্ত টকাৰে ২০১১-১২ বর্ষত কৰা কামৰ খতিয়ান তলত উল্লেখ কৰা হ'ল।

আঁচনিৰ নাম	কামৰ খতিয়ান
বাজিক পৰিকল্পনা ভুক্ত আঁচনি	
১. মুখ্য মন্ত্রীৰ আমাৰ পুখুৰী আঁচনি (নতুন পুখুৰী খনন আৰু মীন পালন)	১৮২ হেঃ
২. পৰিত্যক্ত জলাশয় মীন পালনৰ বাবে পৰ্যবসন (মুখ্য মন্ত্রীৰ স্ব-নিয়োজন আঁচনি)	৩৩০হেঃ
৩. মুখ্য মন্ত্রী ৰ মৎস্য মিত্র আঁচনি (মাছ মৰীয়া লোক লৈ এক কালিন সাহার্য্য)	১৯৫০ পৰিয়াল

আঁচনিৰ নাম	কামৰ খতিয়ান
বাজ্যিক পৰিকল্পনা ভূক্ত আঁচনি	
৪. আবদ্ধ জলাশয় উন্নয়ন	-
৫. মীনপালক উন্নয়ন সন্থাৰ জৰিয়তে পুখুৰী খনন আৰু উন্নয়ন)	২৮৩ হেঃ
৬. সমন্বিত গাহৰি আৰু মাছ পালন	১৫ হেঃ
৭. মুখ্য মন্ত্রীৰ মৎস্য গন্ধা আঁচনি (বিল আৰু মুক্ত জলাশয় উন্নয়ন)	১১৪ হেঃ
৮. মৎস্যজীৰি লোকৰ বাবে গৃহ নির্মাণ	৭২ গৃহ
৯. সঞ্চয় আৰু সাহায্য আঁচনি	১০০০ মৎস্যজীৰি

আঁচনিৰ নাম	কামৰ খতিয়ান
ৰাজ্যিক কৃষি বিকাশ যোজনা	
১. দ জলাশয় উন্নয়ন	২০৩ হেঃ
২. নতুন পুখুৰী খনন	২০৩ হেঃ
৩. মিঠা মাছ পালন	২৩.৪৮ হেঃ

২০১১-১২ বর্ষৰ জিলা ভিত্তিত খৰচৰ পৰিমাণৰ তালিকা পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হৈছে। (See Annexure – XVI)

২০১২-১৩ বর্ষৰ টকা জিলা সমূহলৈ ইতিমধ্যে মোকলাই দিয়া হৈছে। জিলা ভিত্তিত তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হৈছে। (See Annexure – XVII)

(খ) উক্ত বিত্তীয় বর্ষ ধুবুৰী জিলাত ২০১১-১২ বর্ষত সর্ব্ব মুঠ ১০২.৬৩ লাখ টকা আৰু ২০১২-১৩ বর্ষত ৫৬.৬৮ লাখ টকা আৱণ্টিত কৰা হৈছে। আঁচনি অনুযায়ী ধার্য্য কৰা ধনৰ

পৰিমানৰ তালিকা পৰিশিষ্ট 'গ' ত সংলগ্ন কৰা হৈছে।(See Annexure – XVIII)

(গ) বিতং তালিকা পৰিশিষ্ট 'ঘ' ত সংলগ্ন কৰা হৈছে।(See Annexure – XIX)

(ঘ) নীতি-নির্দেশনাৱলী পৰিশিষ্ট 'ঙ' ত সংলগ্ন কৰা হৈছে। (See Annexure – XX)

(ঙ) মীন বিভাগৰ ফালৰ পৰা পালক সকললৈ প্রত্যক্ষ ভাবে ঋণ প্রদান কৰাৰ ব্যৱস্থা নাই যদিও মীন পালন উন্নয়ন সন্থাৰ জৰিয়তে বেংক ঋণৰ বিপৰীতে ৰাজসাহায্য প্রদান কৰাৰ ব্যৱস্থা আছে। ২০১১-১২ আৰু ২০১২-১৩ বর্ষত উক্ত আঁচনিৰ অধীনত বেংক ঋণৰ বাবে হিতাধিকাৰী তালিকা চূড়ান্ত কৰা হোৱা নাই।

বষয় ঃ আঁচনি ৰূপায়ণ।

বিধায়ক ঃ শ্রীজাহান উদ্দিনে সুধিছে ঃ

৫৮২। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) যোৱা বিত্তীয় বর্ষ ২০১১-১২ আৰু ২০১২-১৩ ত সমগ্র অসমত বিভাগটোৱে কোন কোন শিতানত কিমান টকা আঁচনি ৰূপায়ণৰ বাবে মঞ্জুৰী লাভ কৰিছিল? (জিলা ভিত্তীত পৃথকে পৃথকে তালিকা দিব)

(খ) বিত্তীয় ২০১১-১২ আৰু ২০১২-১৩ বর্ষত ধুবুৰী জিলাত বিভাগটোৱে মঞ্জুৰীকৃত টকাৰে কোন কোন শিতানত কি কি আঁচনি ৰূপায়ন কৰিছিল? (সমষ্টি ভিত্তিত পৃথকে পৃথকে কামৰ অগ্রগতিৰ বিতং খতিয়ান দিব)

(গ) বিত্তীয় ২০১১-১২ আৰু ২০১২-১৩ বর্ষত ধুবুৰী জিলাত কোন কোন শিতানত কিমানজন হিতাধিকাৰী লাভান্বিত হৈছে? (সমষ্টি ভিত্তিত পৃথকে পৃথকে তালিকা দিব)

(ঘ) ধুবুৰী সমষ্টিত কোন জনপ্রতিনিধিৰ পৰামর্শমতে আঁচনি তথা হিতাধিকাৰী বাছনি কৰা হৈছিল? (জনপ্রতিনিধিৰ কাম আৰু

তেখেতে দিয়া পৰামৰ্শ/Recommendation পত্ৰৰ প্ৰতিলিপি দিব)

(ঙ) ধুবুৰী সমষ্টিত বিভিন্ন শিতানৰ আঁচনি তথা হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত Director of Fisheies, Assam ত চিঠি নং AF(P)224/2011-12/4339-58 dated 25 August, 2011 ক গুৰুত্ব প্ৰদানেৰে স্থানীয় বিধায়ক জনৰ লগত আলোচনা তথা পৰামৰ্শ গ্ৰহণ নকৰাৰ আঁৰত কিবা ৰহস্য লুকাই আছে নেকি?

(চ) যদি নাই, তেন্তে কি কাৰণত বিধায়কজনক উপেক্ষিত কৰা হ'ল জনাবনে?

(ছ) ধুবুৰী চহৰত আধুনিক আৰু বিজ্ঞানসম্মত মাছ বজাৰ নিৰ্মাণৰ ক্ষেত্ৰত বিভাগটোৱে পত্ৰ নং AFDD-249/NFDB/2011-12/1806, dtd. 2nd Februay, 2012 ৰ প্ৰাসংগিকতা থকা বুলি অনুভৱ কৰেনে?

(জ) যদি কৰে, তেন্তে এই ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰিছে, জনাবনেকি? (পত্ৰ প্ৰসংগ নং সহ সংশিষ্ট প্ৰতিলিপিসমূহ দিব)

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ))য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষ ২০১১-১২ আৰু ২০১২-১৩ ত সমগ্ৰ অসমত বিভিন্ন শিতানত মঞ্জুৰীকৃত ধনৰ বিৱৰণ পৰিশিষ্ট(ক) আৰু (খ) ত সংলগ্ন কৰা হ'ল। (See Annexure-XXI)

(খ) বিত্তীয় ২০১১-১২ ত ধুবুৰী জিলাত বিভাগটোৱে মঞ্জুৰীকৃত ধনৰ বিপৰীতে ৰূপায়ন কৰা আঁচনি সমূহ সমষ্টি ভিত্তিত কামৰ অগ্ৰগতি বিতং তথ্য পৰিশিষ্ট- 'গ'ত সংলগ্ন কৰা হৈছে। ২০১২-১৩ বৰ্ষৰ পুঁজি জিলা সমূহলৈ ইতিমধ্যে মোকলাই দিয়া হৈছে। (See Annexure-XXII)

(গ) বিত্তীয় ২০১১-১২ ধুবুৰী জিলাত বিভিন্ন শিতানত ১৬০ জন হিতাধিকাৰী লাভান্বিত হৈছে। সমষ্টি ভিত্তিত পৃথকে

পৃথকে তালিকা পৰিশিষ্ট-ঘ সংলগ্ন কৰা হ'ল। ২০১২-১৩ বিত্তীয় বর্ষত বিভিন্ন শিতানত মঞ্জুৰীকৃত ধনৰ খৰছ অতি শিঘ্রে আঁচনিত ব্যৱহাৰ কৰিবলৈ হাতত লোৱা হৈছে। (See Annexure- XXIII)

(ঘ) ধুবুৰী সমষ্টিত আঁচনি ৰূপায়নৰ ক্ষেত্রত বিভিন্ন সময়ত ধুবুৰী সমষ্টিৰ মাননীয় বিধায়ক আৰু সভাপতি, জিলা পৰিষদ ধুবুৰী (ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা) পৰামর্শ মতেহে বাছনি কৰা হয়। Recommendation প্রতিলিপি পৰিশিষ্ট (ঙ) ৰ পৰা (চ) সংলগ্ন কৰা হ'ল। (See Annexure- XXIV)

(ঙ) বিভিন্ন কামৰ বাবে স্থানীয় বিধায়কৰ সৈতে আলোচনা মর্মে হিতাধিকাৰী নির্ব্বাচন কৰা হয়।

(চ) মাননীয় বিধায়কক উপেক্ষিত কৰাৰ প্রশ্নই নুঠে।

(ছ) ধুবুৰী চহৰত আধুনিক তথা বিজ্ঞান সন্মত মাছ বজাৰ নির্মাণৰ পত্র নং AFDD-249/NFDB/2011-12/1806, dtd. 2nd February, 2012 ৰ প্রাসংগিকতা আছে।

(জ) ইতিমধ্যে পত্র নং এ.ফ.ডি.ডি/২৪৯/কে.এফ. ভি বি/২০১১-১২/১৮৩৬ তাং ০২-০২-২০১২ পত্রব আধাবে মীন বিভাগে National Fisheries Development Board (NFDB) ব দৰকাৰী পুঁজি আৱণ্টনৰ বাবে যোগাযোগ কৰি থকা হৈছে। অনুমোদন পালেই পদক্ষেপ লোৱা হব। ইতি মধ্যে ধুবুৰীস্থ বৌ বজাৰত মাটিৰ গুনগত মানৰ পৰীক্ষা সম্পন্ন কৰা হৈছে। প্ৰতিলিপি পৰিশিষ্ট (ছ) ৰ পৰা (ঝ) সংলগ্ন কৰা হৈছে। (See Annexure - XXV)

বিষয়ঃ স্থায়ী পঞ্চায়ত কার্যালয় স্থাপন, Tax Collecter, IV সম্পর্কে।

আব্দুৰ ৰহিম খানে সুধিছে ঃ

মাননীয় পঞ্চায়ত আৰু সামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যৰ কিমান খন গাঁও পঞ্চায়তৰ স্থায়ী কার্য্যালয় নাই? (জিলা ভিত্তিক তালিকা সদনত দাখিল কৰিব)

(খ) কিমানখন গাঁও পঞ্চায়তত চতুর্থ শ্রেণীৰ কর্মচাৰী আৰু Tax Collector নাই? (গাঁও পঞ্চায়তৰ নাম ঠিকনাৰ জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(গ) উক্ত পদত কর্মচাৰী নথকাৰ কাৰণে কার্য্যলয়ৰ কাম-কাজৰ লগতে বিভিন্ন আঁচনি সমূহ ৰূপায়ণ কৰাৰ ক্ষেত্রত যথেষ্ট অসুবিধা হোৱা নাইনে?

(ঘ) যদি হৈছে, উক্ত খালি পদ সমূহ পূৰণ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছেনে?

(ঙ) 'ঘ' প্রশ্নৰ উত্তৰত ইতিমধ্যে কৰা হৈছে।

বিষয় ঃ লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়।

শ্রীউৎপল দত্তই সুধিছে ঃ

৫৮৪। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ বাবদ সর্বমুঠ কিমান টকাৰ আঁচনি প্রস্তুত কৰা হ'ল?

(খ) উক্ত আঁচনিৰ বাবদ বৰ্তমান কিমান টকা বিভাগৰ পৰা মোকলাই দিয়া হ'ল আৰু কিমান শতাংশ কাম হৈছে?

(গ) উক্ত মহাবিদ্যালয়ত কেতিয়াৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম মুকলি হ'ব?

(ঘ) বৰ্তমান মহাবিদ্যালয়ত থকা 'ডীন'জন পূৰ্ণাংগ পৰ্য্যায়ত নিযুক্তি প্ৰাপ্তনে?

(ঙ) পুৰ্বৰ প্ৰাক্তন 'ডীন'জনে বৰ্তমানেও উক্ত মহাবিদ্যালয়ত কি পদত অধিষ্ঠিত হৈ আছে?

শ্ৰীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ বাবদ সৰ্বমুঠ ৩৬০০.০০ লাখ টকাৰ আঁচনি প্ৰস্তুত কৰা হৈছে।

(খ) উক্ত আঁচনিৰ বাবদ ২০১০-১১ বৰ্ষত মুঠ ২৫০.০০ লাখ টকা মোকলাই দিয়া হৈছে আৰু ইয়াৰে ১০০ শতাংশ ধন

পশু চিকিৎসা মহাবিদ্যালয় উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হৈছে।

(গ) উক্ত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে Veterinary Council of India (VCI) ক অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰা হৈছে আৰু VCI ৰ পৰা পত্ৰ পোৱাৰ পিছত পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা যাব।

(ঘ) নহয়।

(ঙ) প্ৰাক্তন 'ডীন' অৱসৰপ্ৰাপ্ত ডাঃ বি.কে. গোস্বামীয়ে "Guest faculty" হিচাপে অধিষ্ঠিত হৈ আছে।

বিষয় ঃ আঁচনি গ্ৰহণ।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৫৮৫। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সত্ৰ, মঠ-মন্দিৰ, দেৱালয় আদিত শোভা বৰ্ধন আৰু যাত্ৰীৰ

আকর্ষণৰ বাবে আন্তঃগাঁথনিৰ নামত আর্থিক অনুদান দিয়াৰ ব্যৱস্থা আছে নেকি?

(খ) যদি আছে, তেন্তে ৰাজ্যখনত ২০০৬ চনৰ পৰা বর্ত্তমানলৈ এনে কিমান অনুষ্ঠানলৈ আর্থিক অনুদান আগবঢ়োৱা হৈছে? (জিলা ভিত্তিত তালিকা সদনত দিব)

(গ) এই ক্ষেত্রত কিবা অগ্রাধিকাৰ ভিত্তিত আঁচনি নির্বাচন কৰা হয় নেকি?

(ঘ) কমলপুৰ সমষ্টিৰ অনুষ্ঠানসমূহৰ ক্ষেত্রত অগ্রাধিকাৰ ভিত্তিত আঁচনি গ্রহণ কৰিবনে?

শ্রীমতী প্রণতি ফুকন (সংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে

(ক) আছে, যদিও অনুদান নহয়, আঁচনিৰ জৰিয়তে উন্নয়নৰ কাম কৰা হয়।

(খ) অসম চৰকাৰৰ অসম প্রত্ত ত সঞ্চালকালয়ৰ দ্বাৰা ২০০৬

চনৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যিক পৰিকল্পনা শিতান, অসম বিকাশ যোজনা (AVY)আৰু অতিৰিক্ত কেন্দ্রীয় সাহায্য (ACA) শিতানৰ অধীনত মুঠতে ২১৯ খন্ সত্রলৈ জিলা উপায়ুক্তৰ জৰিয়তে আর্থিক অনুদান আগবঢ়োৱা হৈছে। জিলা ভিত্তিক তালিকা পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল।

(See Annexure – XXVII)

তদুপৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা এনে অনুষ্ঠানক অসম বিকাশ যোজনাৰ অন্তর্গত ২০০৮-০৯ বর্ষত ২৫,০০,০০০/- টকা, ২০০৯-১০ বর্ষত ৫০,০০,০০০/- টকা, অনুদান হিচাপে দিয়া হয়। জিলা ভিত্তিত দিয়া অনুদানৰ পৰিমাণ পৰিশিষ্ট'খ'ত দিয়া হ'ল।

(See Annexure – XXVIII)

(গ) সত্র সংৰক্ষণ সমিতিৰ অনুমোদন সাপেক্ষে সত্র সমূহৰ বর্ত্তমান্লৈকে নির্বাচন কৰা হৈছে। ঐতিহাসিক ভাবে প্রসিদ্ধ আৰু প্রত্নতাত্বিক দিশত গুৰুত্ব থকা অনুষ্ঠানবোৰক সাধাৰণতে

অগ্রাধিকাৰ দিয়া হয়।

(ঘ) এই ক্ষেত্ৰত সমষ্টি সমূহৰ অগ্রাধিকাৰৰ ভিত্তিত আঁচনি গ্রহণ কৰা নহয় যদিও ঐতিহাসিক ভাৱে প্রসিদ্ধ ঠাই থাকিলে নিশ্চয় বিবেচনা কৰা হব।

বিষয় ঃ হাট-ঘাট বন্দোৱস্তিকৰণ।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৫৮৬। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলা পৰিষদৰ অন্তর্গত হাট-ঘাট, বজাৰ, বিল আদি আৱণ্টনৰ ক্ষেত্ৰত 'অসম পঞ্চায়ত আইন ১৯৯৪' মতে চুক্তি পত্র হৈছে নেকি?

(যদি হৈছে, ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বর্ষত বর্ষত বৰপেটা জিলা পৰিষদৰ অন্তর্গত হাট-ঘাট, বজাৰ, বিল আদি আবণ্টনৰ ক্ষেত্ৰত বৰপটা জিলা পৰিষদ আৰু

নিবিদা কাৰীৰ মাজত সম্পাদিত চুক্তিপত্ৰ সমূহৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(খ) যদি হোৱা নাই, চুক্তিপত্ৰ নকৰাকৈ হাট-ঘাট, বজাৰ-বিল আদিৰ আবন্টন দিয়া কাৰ্য্য 'অসম পঞ্চায়ত আইন ১৯৯৪' উলংঘন নহয়নে?

(গ) যদি হয়, কিয় এই আইন উলংঘন কৰা হৈছে, ইয়াৰে বাবে দায়ী কোন আৰু দায়ী ব্যক্তি সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'বনে?

(ঘ) যদি লয়, কেতিয়া ল'ব আৰু যদি নলয় কিয় নলয়?

(ঙ) ২০০১-০২ ৰ পৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ বৰপেটা জিলা পৰিষদৰ অধীনত হাট-ঘাট, বজাৰ-বিল আদি আৱন্টনৰ ক্ষেত্ৰত বৰপেটা জিলা পৰিষদে আঞ্চলিক পঞ্চায়তৰ পৰা পাবলগা অংশখিনি পাইছেনে?

(চ) যদি পোৱা নাই, কোন আঞ্চলিক পঞ্চায়তৰ পৰা কিমান ধন পাবলৈ বাকী আছে? (বিত্তীয় বর্ষ আৰু ব্লক ভিত্তিত পৃথকে পৃথকে তালিকা দিব)

(ছ) ২০০২ ইং চনৰ পৰা মন্দিয়া আঞ্চলিক পঞ্চায়তৰ অন্তর্গত বাঘবৰ হাট নিবিদা যোগে আৱন্টন নিদিয়াৰ ফলত চৰকাৰে কিমান ৰাজহ হেৰুৱাব লগা হ'ল আৰু ইয়াৰ বাবে দায়ী কোন?

(জ) ২০০১-০২ পৰা ২০১২-১৩ বিত্তীয় বর্ষলৈ জিলা পৰিষদৰ অন্তর্গত হাট-ঘাট, বজাৰ-বিল আদিৰ আৱন্টনৰ ক্ষেত্রত জিলা পৰিষদত মুঠতে কিমান টকা সংগৃহীত হ'ল? (বিত্তীয় বর্ষ অনুযায়ী তালিকা দাখিল কৰিব)

(ঝ) জিলা পৰিষদৰ অংশৰ টকাখিনি ক'ত ক'ত খৰচ কৰা হ'ল?

(আঁচনিৰ নাম, টকাৰ পৰিমাণ, কামৰ বিৱৰণ, অগ্রগতি, কাম সম্পূর্ণ হোৱাৰ ব্যৱহাৰিক প্রমাণপত্রৰ প্রতিলিপিসহ বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰৰপেটা জিলাত ২০১১-১২ ইং বিত্তীয় বর্ষত হাট-ঘাট, বজাৰ বিল আদি আবন্টনৰ ক্ষেত্রত অসম পঞ্চায়ত আইন ১৯৯৪ মতে চুক্তিপত্র হোৱা নাই। ২০১২-১৩ ইং বিত্তীয় বর্ষত লাংলা হাটৰ মহলদাৰৰ লগত জিলা পৰিষদৰ পৰা চুক্তিপত্র কৰা হৈছে। (প্রতিলিপি Annexure-A-1 ত দিয়া হ'ল। (See Annexure – XXIX)

(খ) হয়, ৰৰপেটা জিলা পৰিষদে জনোৱা মতে চুক্তি সমপাদন কৰাৰ ক্ষেত্রত জিলা পৰিষদৰ আৰু আঞ্চলিক পঞ্চায়তৰ পৰা প্রয়োজনীয় উদ্যোগ লৈ থকা হৈছে।

(গ) বিষয়টো পৰীক্ষা কৰা হব।

(ঘ) ————ঐ————

(ঙ) সম্পূর্ণ পোৱা নাই।

(চ) জিলা পৰিষদৰ পৰা তথ্য বিছাৰি থকা হৈছে।

(ছ) ২০০২ ইং চনৰ পৰা মন্দিৰা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বাঘবৰ হাট মহামান্য গৌহাটী উচ্চ ন্যায়লয়ত তৰা গোচৰ নং W.P (c) No.3626 তাং ১১/০৬/২০০২ মৰ্মে নিবিদা যোগে আবন্টন দিব নোৱাৰিলেও চৰকাৰৰ নিদেৰ্শ মতে ২০০৮-০৯ ইং চনলৈকে আবন্টন দিয়া হৈছিল। সেয়ে ৰাজহ হেৰুৱাবলগীয়া কথাটো পৰীক্ষা কৰি ছোৱা হব।

বাঘবৰ হাটৰ মাটি ব্যক্তি পট্টাদাৰৰ নামত থকাৰ কাৰনে পট্টাদাৰ সকলে মহামান্য উচ্চ ন্যায়ালয়ৰ হুকুম মৰ্মে বাঘবৰ হাট পট্টন দিয়াৰ কৰ্তৃত্ব ২০০৯-১০ ইং ৰ পৰা আঞ্চলিক পঞ্চায়তৰ পৰা কৰ্তন কৰা হৈছে। সেয়ে ২০০৯-১০ ইং ৰ পৰা বাঘবৰ হাটৰ কোনো নিবিদা আহ্বান কৰা নোৱাৰি।

(জ) ২০০১-০২ ইং ৰ পৰা ২০০৭-০৮ ইং চনলৈ হাট-ঘাট আবন্টন দিয়া তালিকা সমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ পৰা এতিয়ালৈকে সম্পূর্ণ সংগ্রহ হোৱা নাই।

২০০৮-০৯ ৰ পৰা ২০১২-১৩ ইং চনলৈ জিলা পৰিষদৰ পৰা আবন্টন দিয়া হাট-ঘাটৰ সংগৃহীত ধনৰ তালিকা Annexure-B ত দেখুওৱা হ'ল।

২০০৮-০৯ — Annexure-B-1
২০০৯-১০ — Annexure-B-2
২০১১-১২ — Annexure-B-5
২০১০-১১ — Annexure-B-3
২০১১-১২ — Annexure-B-4

(See Annexure – XXX)

(ঝ) জিলা পৰিষদৰ অংশৰ ধনৰ পৰা কোনো আঁচনিৰ নামত ধন খৰচ কৰা হোৱা নাই। বৰপেটা জিলা পৰিষদৰ হাট-ঘাট, বজাৰ আদিৰ বাহিৰে আয়ৰ অন্য কোনো উৎস নাই। সেয়ে জিলা পৰিষদৰ সদস্য/সদস্যাৰ মাহিলী পাৰিতোষিক দিয়া, বিজুলী বাতিৰ বিলৰ খৰচ, টেলিফোন সেৱাৰ খৰচ, জিলা পৰিষদৰ M/R হিচাপে লোৱা Casual Worker ৰ মাহিলী পাৰিতোষিক, জিলা পৰিষদৰ গাড়ী মেৰামতি, মনো-হাৰী সামগ্ৰী আদিৰ খৰচ এই অংশৰ পৰাই দিবলগীয়া হৈছে।

বিষয় ঃ হাট-ঘাট বন্দোৱস্তিকৰণ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৮৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৮-০৯ ৰ পৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ ধুবুৰী জিলা পৰিষদৰ অধিনত কোন কোন হাট-ঘাট, বজাৰ, বিল

আদি কাৰ কাৰ নামত কিমান টকাত আৱন্টন দিয়া হৈছে? (বিত্তীয় বর্ষ আৰু ব্লক ভিত্তিত পৃথক তালিকা দিব)

(খ) উপযুক্ত সময়ছোৱাৰ ভিতৰত প্রতিটো হাট-ঘাটৰ আৱন্টন দিয়াৰ ক্ষেত্রত কোনে কোনে নিবিদা দাখিল কৰিছিল আৰু কি যোগ্যতা আৰু আৰু চর্ত্তাৱলীৰ ভিত্তিত আৱন্টন দিয়া হৈছিল?

(গ) অসম পঞ্চায়ত আইন ১৯৯৪ মতে চুক্তিপত্র হৈছে নেকি আৰু নিয়ম নীতি মতে কিস্তিৰ টকা আদায় হৈছে নেকি?

(ঘ) যদি হৈছে. তেন্তে উক্ত সময়ছোৱাত কিমান শতাংশ ধন আগতীয়াকৈলৈ হাট-ঘাট, বজাৰ, বিল আদি আৱন্টন দিয়া হৈছে আৰু দ্বিতীয়, তৃতীয় আৰু চতুর্থ কিস্তিৰ ধন কোন তাৰিখে কিমান টকা আদায় হৈছে? (প্রতিটো হাট-ঘাট, বজাৰ, বিল আদিৰ ক্ষেত্রত আদায় লোৱা আগধন দ্বিতীয়, তৃতীয় আৰু চতুর্থ কিস্তিৰ ধন সম্পর্কে বিত্তীয় বর্ষ অনুযায়ী ব্লক ভিত্তিত পৃথকে পৃথকে তালিকা দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-০৯ ৰ পৰা ২০১২-১৩ বিত্তীয় বর্ষলৈ ধুবুৰী জিলা পৰিষদৰ অধিনত কোন কোন হাট-ঘাট, বজাৰ, বিল আদি কাৰ কাৰ নামত কিমান টকাত আৱন্টন দিয়া হৈছে তাৰ বিতং তথ্য প্র-পত্র (ক) ত সদ্রনত মেজত দাখিল কৰা হ'ল।

(খ) উপৰোক্ত সময়ছোৱাৰ ভিতৰত প্রতিটো হাট-ঘাটৰ আৱন্টন দিয়াৰ কোনে কোনে নিবিদা দাখিল কৰিছিল তাৰ তালিকা প্র-পত্র (ক) ত সদনৰ মেজত দাখিল কৰা হ'ল আৰু সর্ব উচ্চ আৰু বৈধ নিবিদা দাতাক জিলা পৰিষদৰ সাধাৰন স্থায়ী সমিতিৰ অনুমোদন সাপেক্ষে আৱন্টন দিয়া হৈছিল।

(গ) অসম পঞ্চায়ত আইন ১৯৯৪ মতে চুক্তিপত্র হৈছে আৰু নিয়ম নীতি মতে কিস্তিৰ টকা আদায় লোৱা হৈছে।

(ঘ) প্রতিটো হাট-ঘাট, বজাৰ, বিল আদিৰ ক্ষেত্রত প্রথম কিস্তি হিচাপে ৭০ শতাংশ আগধন আদায়লৈ দিয়া হৈছে আৰু বাকী কিস্তি সমানে দুভাগ কৰি দ্বিতীয় আৰু তৃতীয় কিস্তিৰ ধন যথাক্রমে ৩১ ডিচেম্বৰ আৰু ৩১ মাৰ্চ মাহৰ ভিতৰত আদায় লোৱা হৈছে।

বিষয় ঃ সূতা বিতৰণ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৫৮৮। মাননীয় হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গ্রাম্য মহিলাসকলক সূতা কি উদ্দেশ্যে দিয়া হয়? তাঁতশাল বা কাপোৰ বোৱাৰ কোনো ব্যৱস্থা নথকা মহিলাসকলক সূতা দিলে তেওঁলোকে কাপোৰ তৈয়াৰ কৰিব পাৰিবনে?

(খ) কোনো বাচ-বিচাৰ নকৰাকৈ সূতা প্রদান নকৰি উৎপাদনক্ষম শিপিনীৰ গোট গঠন কৰি গোট সমূহক সূতা বিতৰণ কৰাৰ ব্যৱস্থা ল'ব নোৱাৰিনে?

(গ) ধিং, সমষ্টিত কেইটা শিপিনীৰ গোট আছে আৰু সেইবোৰ কি কি ?

(ঘ) প্ৰতিখন গাঁও পঞ্চায়তত একোটাকৈ শিপিনীৰ গোট গঠন কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঙ) তাৰ কাৰনে কি কি চর্ত আৰু নিয়মাৱলী আছে?

শ্ৰীমতী প্ৰণতি ফুকন (বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) গ্ৰাম্য দুখীয়া মহিলাসকলক বয়ন ক্ষেত্ৰত প্ৰাৰম্ভিক মূলধন হিচাবে আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে সময়ে সময়ে সূতা দিয়া হয়। কোনো দুখীয়া মহিলাৰ তাঁতশাল নেথাকিলে সেই মহিলাই সূতা পালে তাঁতশাল থকা মহিলাৰ লগত বুজা বুজি কৰিও কাপোৰ তৈয়াৰ কৰিব পাৰে। গ্ৰাম্য অঞ্চলত কেতিয়াবা এখন তাঁত শালত এজুতি কাপোৰত দুই তিনিজনী শিপিনী লগহে কাপোৰ বোৱাৰ দৃষ্টান্ত আছে।

(খ) উৎপাদনক্ষম শিপিনীৰ গোট সমূহৰ কিছুমানক বিভিন্ন

আঁচনিৰ জৰিয়তে সূতা বিতৰণ কৰা হৈছে।

(গ) প্ৰাপ্ত তথ্য অনুযায়ী ধিং সমষ্টিত ৮ টা শিপিনীৰ গোট আছে। গোটবোৰৰ নাম তলত দিয়া হ'ল ঃ-

(১) ৩ নং ৱাৰ্ড ৰূপজ্যোতি আত্মসহায়ক গোট।

(২) অৰুণোদয় আত্মসহায়ক গোট।

(৩) মিলিজুলি আত্মসহায়ক গোট।

(৪) বিজয়া আত্মসহায়ক গোট।

(৫) ন-সুৰুজ আত্মসহায়ক গোট।

(৬) সুৰুজমুখী আত্মসহায়ক গোট।

(৭) প্ৰগতি আত্মসহায়ক গোট।

(৮) ভোগালী আত্মসহায়ক গোট।

(ঘ) শিপিনীৰ গোট গঠণ প্ৰক্ৰিয়াটো হস্ততাঁত শিল্পৰ অধীনত

নহয়। ইচ্ছুক ব্যক্তি তথা শিপিনী সকলে নিজ নিজ এলেকাত একো একোটা গোট গঠন কৰিব পাৰে।

(ঙ) গোট গঠন কৰিবৰ বাবে হস্ততাঁত বস্ত্র বিভাগৰ বিশেষ, চর্ত বা নিয়মাৱলী নাই যদিও সার্বজনীন নিয়ম হিচাবে ইচ্ছুক ব্যক্তি তথা শিপিনী সকলে একগোট হৈ সভা সমিতিৰ জৰিয়তে প্রস্তাৱ গ্রহণ কৰি কর্ম পদ্ধতি/কর্ম নিদ্ধাৰণ, বেংক একাউণ্ট আদি খুলি এটা গোট গঠণ কৰিব পাৰে।

বিষয় ঃ প্রার্থীৰ সংখ্যা।

শ্রীকেশৰ মহন্তই সুধিছে ঃ

৫৮৯। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) সদ্যসমাপ্ত পঞ্চায়ত নির্বাচনত পঞ্চায়তৰ বিভিন্ন স্তৰত কিমান সংখ্যক প্রার্থীয়ে (ৰাজনৈতিক দলসহ) প্রতিদ্বন্দ্বিতা কৰিলে, অনুগ্রহ কৰি জিলা আৰু মহকুমা ভিত্তিত উল্লখ কৰিব?

(খ) এই প্ৰাৰ্থীসকলৰ ভিতৰত কিমানজন প্ৰাৰ্থীয়ে টিপ চহী কৰিছে অনুগ্ৰহ কৰি উল্লেখ কৰিব?

(গ) কোন কোন ঠাইত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নহ'ল, সেই ঠাইসমূহ উল্লেখ কৰিব?

(ঘ) নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছত বৰ্তমানো ক'ত ক'ত ভোট গণনা কৰা হোৱা নাই উল্লেখ কৰিব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈকে পোৱা তথ্যৰ আধাৰত জিলা আৰু মহকুমা ভিত্তিত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ সংখ্যা প্ৰ-পত্ৰ 'ক' আৰু 'খ' ত দেখুওৱা হ'ল। (See Annexure – XXXI)

(খ) বৰ্তমানলৈকে পোৱা তথ্যৰ আধাৰত প্ৰ-পত্ৰ 'গ'ত দেখুওৱা হ'ল। (See Annexure – XXXII)

(গ) বৰ্তমানলৈকে পোৱা তথ্যৰ আধাৰত প্ৰ-পত্ৰ 'ঘ'ত দেখুওৱা হ'ল।(See Annexure – XXXIV)

(ঘ) বৰ্তমানলৈকে পোৱা তথ্যৰ আধাৰত প্ৰ-পত্ৰ 'ঙ'ত দেখুওৱা হ'ল।(See Annexure – XXXIII)

বিষয় ঃ Eco-Hatchary আৰু Waiting Shed.

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৫৯০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত DRDAৰ পৰা Eco-Hatchary আৰু Waiting Shed দিয়াৰ ব্যৱস্থা আছেনে?

(খ) যদি আছে, কোন কোন শিতানৰ পৰা?

(গ) বিগত ১০ টা বছৰত ৰৰপেটা জিলাত DRDA ৰ পৰা Eco-Hatchary আৰু Waiting Shed কিমানকৈ পূঁজি আবণ্টন দি কোন কোন ঠাইত সম্পূৰ্ণ কৰা হৈছে?

(বিতং তথ্য আৰু তালিকা সদনত দাখিল কৰিব)

(ঘ) বৰ্তমান বিত্তীয় বৰ্ষত এই আঁচনি চলি আছেনে?

(ঙ) যদি চলি আছে, ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বৰ্ষত এই আঁচনি বাবদ কিমান পুঁজি আবন্টন দিয়া হৈছে?

(চ) কোন কোন ঠাইত এই আঁচনিৰ কাম চলি আছে? (প্ৰতিটো আঁচনিৰ পুঁজিৰ পৰিমাণ উল্লেখ কৰি বিতং তথ্য সদনত দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান ৰাজ্যখনত DRDA ৰ পৰা Eco-Hatchary আৰু Waiting Shed দিয়াৰ ব্যৱস্থা নাই।

(খ) প্ৰশ্ন নাহে।

(গ) বিগত দহ বছৰত বৰপেটা জিলাত DRDA বৰপেটাই

SGSY (PI) Progrmmed Infrastrucure আঁচনিৰ অধীনত ১৬ টা Eco-Hatchary নিমাৰ্ণ কৰিছে। বিগত দহ বছৰত DRDA বৰপেটাই কোনো Waiting Shed নিমাৰ্ণ কৰা নাই। Eco-Hatchary ৰ বাবে আবন্টন পূঁজিৰ পৰিমান আৰু ঠিকনা সহ Annexure-A ত সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) বিত্তীয় বৰ্ষ ২০১০-১১ আৰু ২০১১-১২ বৰ্ষৰ SGSY (PI) ৰ আঁচনিৰ অধীনত অসম্পূৰ্ণ আঁচনিৰ কাম সমূহ চলিত বিত্তীয় বৰ্ষত চলি আছে।

(ঙ) ২০১১-১২ বৰ্ষৰ বাবে SGSY(PI) আঁচনিৰ বিপৰীতে ১,৫০,১৮,২৫০.০০ টকা আবন্টিত হোৱা নাই।

(চ) চলিত বিত্তীয় বৰ্ষত Eco-Hatchary আৰু Waiting Shed কাম চলোৱা হোৱা নাই। কিন্তু SGSY(PI) আঁচনিৰ ২০১১-১২ বৰ্ষৰ অসম্পূৰ্ণ কাম চলিত বৰ্ষত সম্পূৰ্ণ কৰা হৈছে বা নিৰ্ম্মিয়মান অৱস্থাত আছে তাৰ তালিকা

Annexure -B ত সদনত মেজত দাখিল কৰা হ'ল।

(See Annexure – XXXVI)

Sub : Bamboo Mat Industry BRGF etc.

Shri Sherman Ali Ahmed Asked:

* 591. Will the Minister of Panchayat and Rural Development be pleased to state:

(a) In reply to unstarred Q.No.329(a),(b),(c),(d)& (e) dtd.22-03-2013, it was informed that the in-formation is being collected. Whether the information has been collected by now? If yes please submit in details?

(b) In reply to unstrred Q. No.341 (b) dtd.22-3-2013, it was informed that Commissioner,P.& R.D., Assam was requested to cause and

enquiry vide Letter No. R.D.D.488/2011/28, dtd. 28-06-2012, Would the Government be pleased to submit a copy of the said letter No. R.D.D, .488/2011/28,dtd.28-06-2012,on the floo of the House?

(c) In reply to unstarred Q.No. 341(c) dtd. 22-3-2013 it was informed that a Joint Diector of CPRD, Assam's Office conducted an enquiry in this egard. Would the Govt. be pleased to submit a copy of the enquiry report of the said Joint Diector?

(d) In reply to unstarred Q.No.341(c) dtd. 22-3-2013 it was further informed that the Govt. had ordered a comprehensive enquiry. When the enquiry was ordeed? (Please submit a copy of the said order)

Shri Rakibul Hussain (Minister of Panchayat & Rural Development) replied:

(a) For the unstarred Question No. 329 dtd.22/3/2013 the information collected are as follows,

Q.No.329(a)- Information is given at Annexure-I (See Annexure-XXXVII)

Q.No.329(b)- No.

Q.No.329(c)- No industrial activity has been taken up due to non availability of sufficient fund.

Q.No.329(d)- It is not true and the woks have been done as per approved plan and estimate.

Q.No.329(e)- It is not true.

(b) Copy of the letter No.RDD488/2011/ 28 dtd.28/6/2012 is given at Annexure-II (See Annexure-XXXIX)

(c) A joint Director of CPRD, Assam's office conducted an urgent enquiry in this regard. The Govt. has ordeed a comprehensive enquiry to be conducted by concerned Deputy Commissioner.

(d) Copy of the letter No. RDD 488/2011/ 71 dtd. 21/03/2013 is given at Annexure-III (See Annexure-XL)

বিষয় ঃ মীন পালকৰ সামৰ্থ্যবৰ্দ্ধন।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৫৯২। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) মীন পালকৰ প্ৰশিক্ষণ আৰু সামৰ্থ্যবৰ্দ্ধনৰ বাবে চৰকাৰে কি কি আঁচনি কাৰ্য্যকাৰী কৰি আছে আৰু কিকি নতুন আঁচনিৰ প্ৰস্তাৱ লোৱা হৈছে?

(খ) ৰহা মীন মহাবিদ্যালয়ৰ পৰা এতিয়ালৈকে কিমান ছাত্ৰ-ছাত্ৰী স্নাতক ডিগ্ৰী লাভ কৰিছে আৰু তেওঁলোকে ক'ত ক'ত কি পদৰ বিপৰীতে সংস্থাপন লাভ কৰিছে?

(গ) সুলভ মূল্যত অধিক পুষ্টিকৰ মাছৰ আহাৰ প্ৰস্তুত কৰাৰ বাবে অসমত চৰকাৰী খণ্ডত কিবা উদ্যোগ আছেনে? যদি আছে, ক'ত আছে আৰু তাত কেনেধৰণৰ মাছৰ খাদ্য প্ৰস্তুত কৰা হয়?

(ঘ) যদি নাই, তেনেহ'লে মাছৰ উন্নত খাদ্য প্ৰস্তুত কৰাৰ বাবে চৰকাৰী উদ্যোগত কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ)) য়ে উত্তৰ দিছে ঃ

(ক) মীন পালকৰ প্ৰশিক্ষণ আৰু সামৰ্থ্যবৰ্দ্ধনৰ বাবে তলত দিয়া

আঁচনি সমূহ বর্ত্তমানে কার্যকৰী কৰি আছে ঃ

(১) মীন পালকৰ প্ৰশিক্ষণ

(ক) হিতাধীকাৰীৰ বাবে আৰু

(খ) অহিতাধীকাৰীৰ বাবে

(২) সজাগতা শিবিৰ (Awareness Camp)

(৩) কৃষকৰ শিক্ষামূলক ভ্ৰমণ (Exposure visit of Farmers)

(৪) ক্ষেত্ৰীয় চেমিনাৰ (Zonal Seminar)

ইয়াৰোপৰি অহা বছৰত মৎস্য মহোৎসৱ (Fish Festival)অনুষ্ঠিত কৰাৰ বাবে হাতত প্ৰস্তাৱ লোৱা হৈছে।

(খ) ৰহা মীন মহাবিদ্যালয়ৰ পৰা এতিয়ালৈকে (২০১২ চন পৰ্য্যন্ত) ২৯৮ জন ছাত্ৰ-ছাত্ৰী মীন স্নাতক ডিগ্ৰী লাভ কৰিছে। মীন স্নাতকৰ সৰহ সংখ্যকে অসম চৰকাৰৰ মীন

বিভাগ আৰু গ্ৰামোন্নয়ন বিভাগত (P&RD) মীন সম্প্ৰসাৰণ বিষয়া (ৰাজপ্ৰত্ৰিত) হিচাপে সংস্থাপন লাভ কৰিছে। মহা-বিদ্যালয়ৰ তথ্য মতে তলত উল্লেখ কৰা মতে মীন স্নাতক সকলে সংস্থাপন লাভ কৰা পদৰ বিপৰীতে সম্পূৰ্ণ তালিকা তলত উল্লেখ কৰা হ'ল।

বিভাগ	সংখ্যা
(১) মীন বিভাগ, গ্ৰামোন্নয়ন বিভাগ-	৯৫ জন
(২) অন্যান্য ৰাজ্যিক বিভাগত-	১৮ জন
(৩) কৃষি বিজ্ঞান কেন্দ্ৰত-	১৫ জন
(৪) ভাৰতীয় কৃষি গৱেষণা পৰিষদ (বিজ্ঞানী)-	৯ জন
(৫) ৰাজ্যিক কৃষি বিদ্যালয় সহকাৰী অধ্যাপক-	৩ জন
(৬) কেন্দ্ৰীয় কৃষি বিদ্যালয়ত সহকাৰী অধ্যাপক-	২ জন
(৭) ৰাষ্ট্ৰীয় মীন উন্নয়ন বোৰ্ডত (বিষয়া)	৩ জন

(৮) ফিচকোফেড (বিষয়া)- ১ জন

(৯) স্কুল শিক্ষক- ২ জন

(১০)সাধাৰণ মহাবিদ্যালয়ত (সঃঅধ্যাপক)- ২ জন

(১১)বেকিং বিভাগত (মার্কেটিং বিষয়া)- ৩৪ জন

(১২) চি. আৰ. পি. এফ. (কাৰিকৰী শাখা)- ১ জন

(১৩) স্ব-নির্ভৰশাল (মীন ব্যৱসায়)- ৩ জন

(১৪) ব্যক্তিগত অনুষ্ঠান প্রশিক্ষণ- ৯ জন

(১৫) উচ্চ শিক্ষা (পিজি, পি এইচ ডি)- ২৯ জন

(১৬) নিবনুৱা হৈ থকা মীন স্নাতক- ৭২ জন

কিছু সংখ্যক স্নাতক নিজৰ উদ্যোগত

বিভিন্ন কামত নিয়োজিত হৈ আছে

মুঠ ২৯৮ জন

(গ) সুলভ মূল্যত অধিক পুষ্টিকৰ মাছৰ আহাৰ প্ৰস্তুত কৰাৰ বাবে অসমত চৰকাৰী খণ্ডত এতিয়ালৈ উদ্যোগ খোলা হোৱা নাই। কিন্তু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ (RKVY) অধীনত মাছৰ খাদ্য প্ৰস্তুত কৰাৰ উদ্যোগ এটা অসম মীন উন্নয়ন নিগমে (Assam Fisheries Development Corporation Ltd.) মৰিগাঁৱত অৱস্থিত চাৰণ বিলৰ পাৰত অলপতে স্থাপন কৰিছে।

উদ্যোগটোৰ পৰা মাছৰ আহাৰৰ গুটি দানা (Pellet) আৰু গুড়ি খাদ্য (Mash) প্ৰস্তুত কৰা হয়।

(ঘ) এই বিষয়ে বিবেচনা কৰা হ'ব।

বিষয় ঃ কাঠৰ মিল, শিলৰ কুৱেৰী আৰু বালিৰ মহল।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৫৯৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কামৰূপ (মেট্রো আৰু গ্রাম্য) জিলাত কিমানটা কাঠ ফলা সৰু-ডাঙৰ মিল, শিলৰ কুৱেৰী আৰু বালিৰ মহল আছে?

(খ) ইয়াৰে কিমানটা বৈধ আৰু কিমানটা অবৈধ ভাৱে চলি আছে?

(মালিকৰ নাম-ঠিকনা সহ বৈধ আৰু অবৈধৰ বিতং তালিকা সমষ্টি ভিত্তিত সদনৰ মেজত দিব)

(গ) অবৈধভাৱে চলি থকা কাঠ ফলা মিল, শিলৰ কুৱেৰি আৰু বালিৰ মহলৰ পৰা ৰাজহ লোকচান হোৱাৰ বিষয়ে জ্ঞাতনে?

(ঘ) এই ক্ষেত্রত চৰকাৰে বিহিত ব্যৱস্থা ল'বনে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কামৰূপ (মেট্রো/গ্রাম্য) জিলাত মুঠ কাঠ ফলা মিল ৩০ টা, শিলৰ কুৱেৰি ৩৪ টা আৰু বালিৰ মহল ৩৯ টা আছে।

(খ) ওপৰোক্ত কাঠ ফলা মিল, শিলৰ কুৱেৰি মহল সমূহ বৈধ। কোনো অবৈধ কাঠ ফলা মিল, শিলৰ কুৱেৰি আৰু বালিৰ

মহলৰ কোনো তথ্য নাই। বৈধ কাঠ ফলা মিল, শিলৰ কুৱেৰি আৰু বালি মহলৰ বিতং তথ্য ক্রমান্বয়ে সংলগ্ন-১ সংলগ্ন-২ আৰু সংলগ্ন-৩ ত দেখুওৱা হ'ল। (See Annexure – XL-I)

(গ) আৰু (ঘ) সংমণ্ডল এলেকাত কোনা অবৈধ কার্য্য দৃষ্টিগোচৰ হলে শীঘ্রে আইনমতে ব্যৱস্থা গ্রহণ কৰি উক্ত কার্য্য বন্ধ কৰা হয়। গতিকে ৰাজহ লোকচান হোৱাৰ কোনো প্রশ্ন নুঠে।বনবিভাগৰ অন্তর্গত এলেকাত বে-আইনী কার্য্য ৰোধ কৰিবলৈ অহনির্শে তহলদাৰীৰ ব্যৱস্থা কৰি থকা হৈছে আৰু বনাঞ্চল বনজাত সামগ্রীৰ ৰক্ষণাবেক্ষণ দি থকা হৈছে।

বিষয় ঃ হাৰিয়ালি, ডি.ডি.পি, টি এফ চি, বি আৰ জি এফ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৫৯৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) হাৰিয়ালি, ডি. ডি. পি, টি এফ চি আৰু চি আৰু বি আৰ জি এফ আঁচনিসমূহ ৰূপায়নৰ নীতি-নিয়ম বা গাইডলাইন কি? (সদনত প্ৰতিলিপি দিব)

(খ) যোৱা পাঁচ বছৰত মৰিগাঁও জিলাত বি আৰ জি এফ, ডি ডি পি আৰু টি এফ চি শিতানত ক'ত ক'ত কি কাম কৰা হ'ল? (খৰচৰ পৰিমাণসহ তথ্য দিব)

(গ) নগাঁও জিলাত যোৱা পাঁচ বছৰত হাৰিয়ালি, ডি ডি পি আৰু টি এফ চি শিতানত মুঠ কিমান টকা ক'ত ক'ত খৰচ কৰা হ'ল কামৰ বিৱৰণ, খৰচৰ পৰিমাণ ব্যৱহাৰিক প্ৰমাণ পত্ৰ সহ বিতং তথ্য সদনত দাখিল কৰিব?

(ঘ) মৰিগাঁও জিলাত নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত MGNREGS ৰ অধীনত কি কি কাম কৰা হৈছে? (খৰচৰ বিৱৰণ সহ তথ্য দিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হাৰিয়ালি, ডি ডি পি, টি এফ চি আৰু বি আৰ জি এ ফ আঁচনিসমূহৰ নীতি-নিয়ম বা গাইডলাইন Annexue-I ত সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) যোৱা পাঁচ বছৰত মৰিগাঁও জিলাত বি আৰ জি এফ, ডি ডি পি আৰু টি এফ চি শিতানত খৰছ হোৱাৰ তথ্য Annexure-II ত সদনত মেজত দাখিল কৰা হ'ল।(See Annexure – XL-II)

(গ) নগাঁও জিলাত যোৱা পাঁচ বছৰত হাৰিয়ালি, ডি ডি পি আৰু টি এফ চি শিতানত মুঠ খৰচ কৰা টকাৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰসহ Annexure- III ত সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure – XL-III)

(ঘ) মৰিগাঁও জিলাত নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত MGNREGS ৰ অধীনত কৰা কাম সমূহৰ খৰছৰ বিৱৰণ সহ Annexure-IV ত সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure – XL-IV)

বিষয় ঃ **FBS** আঁচনি

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

৫৯৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্য চৰকাৰে অসমত FBS আঁচনিখন কিমান চনৰ পৰা প্রচলন কৰিছিল?

(খ) আঁচনিখন প্রচলন কৰাৰ বর্তমানলৈ অসমত কিমান গৰাকী বিধৱাক এককালীন সাহায্য প্রদান কৰিলে জনাব?

(গ) উক্ত আঁচনিৰ অধীনত কমলপুৰ সমষ্টিত বিধৱাক এককালীন সাহায্য প্রদান কৰা হৈছে? (হিতাধিকাৰীৰ নাম-ঠিকনা পঞ্চায়ত ভিত্তিত দিব)

(ঘ) বর্তমানেও আঁচনিখনে সামৰি ল'বলৈ বাকী থকা সমষ্টিটোৰ সংখ্যা কিমান? (নাম ঠিকনা সহ পঞ্চায়ত ভিত্তিত তালিকা সদনত দিব)

(ঙ) তেওঁলোকৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্য চৰকাৰে অসমত NFBS আঁচনিখন ১৯৯৬-৯৭ বর্ষৰ পৰা ৰূপায়ন কৰিছিল। সেই বর্ষৰ পৰা ২০০২ বর্ষৰ চেপ্তেম্বৰ মাহলৈকে Social Welfare Department যে ৰূপায়ন কৰিছিল আৰু ২০০২ বর্ষৰ চেপ্তেম্বৰ মাহৰ পৰা বর্তমান চলিত বর্ষলৈ পঞ্চায়ত আৰু গ্রমোন্নয়ণ বিভাগে ৰূপায়ন কৰি আছে।

(খ) Social Welfare Department য়ে ৰূপায়ন কৰা বর্ষ কেইটাৰ NFBS ৰ অধীনত এককালীন সাহার্য্য লাভ কৰা হিতাধিকাৰীৰ সংখ্যা সংগ্রহ কৰি থকা হৈছে আৰু পঞ্চায়ত আৰু গ্রামোন্নয়ণ বিভাগে ৰূপায়ন কৰি থকা বর্ষ কেইটাৰ সংখ্যা তলত দিয়া হ'ল ঃ-

বর্ষ	হিতাধিকাৰীৰ সংখ্যা
২০০২-২০০৩	১৭২৭ গৰাকী
২০০৩-২০০৪	১১৪৭৩ গৰাকী
২০০৪-২০০৫	২১৫৫২ গৰাকী
২০০৫-২০০৬	১৪৭৩৭ গৰাকী
২০০৬-২০০৭	৭৫১৪ গৰাকী
২০০৭-২০০৮	৯৬৩৬ গৰাকী
২০০৮-২০০৯	২২১৪৩ গৰাকী
২০০৯-২০১০	২২১৮৮ গৰাকী
২০১০-২০১১	২৫২৯৯ গৰাকী
২০১১-২০১২	৮৮৩০ গৰাকী
২০১২-২০১৩	১২০০০ গৰাকী
মুঠ	**১,৫৭,০৯৯ গৰাকী**

(গ) Annexure 'A' ত দিয়া হ'ল।

(ঘ) Annexure 'B' ত দিয়া হ'ল।

(ঙ) যিবোৰ বিধৰাই NFBS আঁচনিৰ অধীনত এককালীন সাহায্য লাভ কৰা নাই, তেওঁলোকক IGNWPS আঁচনিৰ অধীনত প্ৰতি মাহে ৩০০/- টকাকৈ বিধৰা পেঞ্চন দি থকা হৈছে।

বিষয় ঃ জৈৱ বিবিধতা সংৰক্ষণ চুক্তি, গঁড় আৰু উদ্ভিদ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৫৯৬। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰ আৰু ফ্ৰান্স উন্নয়নী সংস্থাৰ মাজত স্বাক্ষৰিত চুক্তিখনত কি কি কথা সন্নিৱিষ্ট আছিল?

(খ) যোৱা ২৫ বছৰত লাওখোৱা আৰু অন্যান্য অভয়াৰণ্যত চোৰাং বেপাৰীয়ে গছ কাটি নিয়াৰ ফলত কিমান পৰিমাণৰ ভুমি উদং হৈ পৰিল? এই মাটিত বৃক্ষৰোপণৰ জৰিয়তে

পুনৰ সেউজ সমৃদ্ধ কৰি তুলিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ২০১৩ বৰ্ষৰ ১ জানুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ অসমত মুঠ কিমান গঁড় চোৰাং চিকাৰীৰ হাতত নিহত হ'ল? এতিয়া অসমত মুঠ কিমান সংখ্যক গঁড় আছে? কোন অভয়াৰণ্যত মুঠ কিমান গঁড় আছে?

(ঘ) জৈৱ বিবিধতা পৰিচালনা সমিতি (LBMC) সমূহ কেতিয়া আৰু কি প্ৰক্ৰিয়াৰে গঠন কৰা হৈছে? সমিতি সমূহৰ কৰ্তব্য আৰু দায়িত্ব কি কি ? ইয়াৰে বাবে মুঠ কিমান পুঁজিৰ প্ৰয়োজন হ'ব?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিৱেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত জৈৱ বৈচিত্ৰ সংৰক্ষণ শীৰ্ষক প্ৰকল্প ৰূপায়ন কৰাৰ বাবে অসম চৰকাৰ আৰু ফ্ৰান্স উন্নয়ণ সংস্থাই ভাৰত চৰকাৰৰ জৰিয়তে স্বাক্ষৰিত চুক্তি মতে প্ৰকল্পটোত হব লগা ব্যয়ৰ

৯০ শতাংশ ফ্রান্স উন্নয়ন সংস্থাই আৰু বাকী ১০ শতাংশ অসম চৰকাৰে বহণ কৰিব। ফ্রান্স উন্নয়ন সংস্থাই বহন কৰিব লগীয়া পুঁজিৰ পৰিমান ৩২৯.৪ কোটি টকা আৰু অসম চৰকাৰে বহন কৰিব লগীয়া পূঁজিৰ পৰিমান হ'ল ৩৬.৬ কোটি টকা। অসম চৰকাৰে বহন কৰিবলগীয়া ১০ শতাংশ খৰছৰ ভিতৰত কৰ্মচাৰী দৰমহা আৰু ভেটৰ (VAT) টকাও সন্নৰিষ্ট হৈ আছে।

বিশেষ তালিকাত থকা প্রদেশ বিলাকৰ বাবে প্রস্তুত কৰা নিয়মাৱলী মতে ভাৰত চৰকাৰে এই ঋণৰ পুঁজি বিতৰণ কৰিব আৰু ব্যয় হোৱা টকাৰ বিনিময়ত জমা হ'ব। এই ঋণৰ পুঁজিখিনি অসম জৈৰ বৈচিত্র সংৰক্ষণ শীর্ষক প্রকল্প ৰূপায়ন চোচাইটি (Society) ৰ যোগেদি অনুমোদিত কাম সমুহ অসমত প্রচলিত বিত্তীয় নিয়মাৱলী, কার্যবাহী নিয়মাৱলী আৰু আৰু নির্দ্দেশাৱলীৰ লগত সামঞ্জস্য থকা চোচাইটি (Society) স্মাৰক, উপনিয়ম আৰু কার্য্যপ্রণালী অনুযায়ী ব্যৱহাৰ কৰা হব।

ভাৰত চৰকাৰ আৰু ফ্ৰান্স উন্নয়ন সংস্থাৰ দ্বাৰা স্বাক্ষৰিত চুক্তিমতে এই ঋণৰ পূঁজি ২০১৭ চনৰ পৰা ক্রেডিট ফেচিলিটি এগ্রিমেন্ট অনুযায়ী পৰিশোধৰ কাম আৰম্ভ কৰা হ'ব।

(খ) যোৱা ২৫ বছৰত লাওঁখোৱা আৰু অন্যান্য অভয়াৰণ্যত চোৰাং বেপাৰীয়ে গছ কাটি নিয়াৰ ফলত নিম্ন উল্লেখিত আনুমানিক এলেকাৰ ভূমি উদং ও বেদখল হোৱা পৰিলক্ষিত হৈছে। বাকী উল্লেখ নকৰা অভয়াৰণ্য সমূহ বৰ্ত্তমানলৈকে বেদখলমুক্ত হৈ আছে।

অভয়াৰণ্যৰ নাম	আনুমানিক এলেকা (বর্গ কি.মি.)
১) লাওঁখোৱা	৩.৩৫
২) বুঢ়াচাপৰি	১২.২৮
৩) বৰনদি	৬.০০
৪) পবিতৰা	২.০০

অভয়াৰণ্যৰ নাম	আনুমানিক এলেকা (বর্গ কি.মি.)
৫) আমচাং	৩.৭২
৬) সোণাই ৰূপাই	৮৫.০০

অৰক্ষয় হোৱা বনভূমিত হস্তী প্রকল্পৰ অধীনত হস্তী খাদ্য আঁচনিত বৃক্ষৰোপন কৰি অহা হৈছে। লগতে সময়ে সময়ে ভূমি বেদখলমুক্ত কৰিবলৈ উচ্ছেদ অভিযান চলাই থকা হৈছে। নতুন বেদখল ৰোধ আৰু গছ কটা বন্ধ কৰিবলৈ কট্‌কটীয়া ব্যৱস্থা কৰি থকা হৈছে।

(গ) ২০১৩ বর্ষৰ ১ জনুৱাৰীৰ পৰা ৩১ মার্চলৈ মুঠ ১৫ টা গঁড় চোৰাং চিকাৰীৰ হাতত নিহত হৈছে। এতিয়া অসমত সর্ব্বমুঠ ২৫৮৫ টা গঁড় আছে। ৰাষ্ট্রীয় উদ্যান আৰু অভয়াৰণ্য অনুযায়ী মুঠ গঁড়ৰ সংখ্যা তলত দিয়া হ'ল ঃ

১) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান - ২৩২৯ টা

২) ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান- ১০০ টা

৩) মানাহ্ ৰাষ্ট্ৰীয় উদ্যান- ২৩ টা

৪) পবিতৰা অভয়াৰণ্য- ৯৩ টা

(ঘ) ২০১২-১৩ বৰ্ষত আঞ্চলিক পঞ্চায়ত পৰ্য্যায়ত স্থানীয় ভাৱে ৫৭ খন জৈৱ বৈচিত্ৰতা পৰিচালনা সমিটি ২০১০ চনৰ জৈৱ বৈচিত্ৰতা নিয়মৰ আধাৰত গঠন কৰা হৈছে। অসমৰ জৈৱ বৈচিত্ৰ বোৰ্ডে এই সমিটি সমূহ গঠন কৰাত অগ্ৰনী ভূমিকা গ্ৰহণ কৰিছে। প্ৰত্যেক পঞ্চায়তৰ পৰা ৭ জন সদস্য আৰু তাৰে এক তৃতীয়াংশ মহিলা হ'ব লাগিব। চৰকাৰী বিভাগ যেনে বন, কৃষি, পশুপালন, স্বাস্থ্য, মীন আৰু শিক্ষা বিভাগৰ ৬ জনকৈ বিশেষ আমন্ত্ৰিত সদস্য থাকিব।এই সমিতিৰ চেয়াৰ পাৰশ্বন (Chair Person) জন জৈৱ বৈচিত্ৰ সমিতিৰ সদস্য ভিতৰৰ পৰা হব

লাগিব। সদ্যহতে হৈ যোৱা পঞ্চায়ত নিৰ্বাচনৰ পিছত জৈৰ বৈচিত্ৰ সমিতি সমূহ পুনৰগঠন কৰা হব।

এই জৈৰ বৈচিত্ৰ সমিটি সমূহৰ মুখ্য কাম হৈছে জৈৰ সামগ্ৰীসমূহৰ সংৰক্ষন আৰু ইয়াৰ পৰিচালনা। জৈৰ বৈচিত্ৰ সমিতি সমূহৰ কামৰ ভিতৰত জৈৰ সামগ্ৰী সমূহৰ গৱেষনাৰ কামত সহায় কৰা আৰু ইয়াক বাণিজ্যক দিশত আগবঢ়াই নিয়া। ইয়াৰ কাৰণে এই সমিতি সমূহে জৈৰ বৈচিত্ৰ পঞ্জিকা তৈয়াৰ কৰি লব। জৈৰ বৈচিত্ৰ সমিতি সমূহে ইয়াৰ জৈৰ সামগ্ৰী বোৰৰ বাণিজ্যিক সৰবৰাহৰ ক্ষেত্ৰত মাচুল প্ৰৱৰ্ত্তন কৰিব পাৰি।

এই সংক্ৰান্তত এন. বি. এ ৰ নিদেৰ্শনা মতে জৈৰ বৈচিত্ৰতা পৰিচালনা কমিতি গঠন কৰাৰ বাবে ১৮৯ জৈৰ বৈচিত্ৰতা পৰিচালনা সমিতিৰ বাবে ৬০,০০০ টকাকৈ মুঠ ১,১৩,৪০,০০০/- পূঁজিৰ প্ৰয়োজন হব।

Mr. Speaker : Now, Short Notice Question No. 15. Hon'ble Member, Sri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১৫। মাননীয় সাধাৰণ প্ৰশাসন (GAD) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম সচিবালয়ত GAD ত মুঠ বিষয়া কৰ্মচাৰীৰ সংখ্যা কিমান? (নাম ঠিকনাৰে পদবীৰ সৈতে তালিকা সদনত দাখিল কৰিব)

(খ) GAD ৰ অধিনত কিমানটা চৰকাৰী আৱাস গৃহ আছে?

(গ) কোন কোন আৱাসগৃহ কোন কোন বিষয়া কৰ্মচাৰীৰ নামত আৱন্টন দিয়া হৈছে? (আৱাস গৃহৰ ক্ৰং নং উল্লেখ কৰি বিষয়া কৰ্মচাৰীৰ নাম আৰু পদবীৰ সৈতে বিতং তালিকা সদনত দাখিল কৰিব)

(ঘ) উক্ত আৱাসগৃহ সমূহ আৱন্টন নো পোৱা কোনো ব্যক্তিয়ে ব্যৱহাৰ কৰি আছে নেকি?

(ঙ) যদি আছে (ব্যক্তিৰ নাম ঠিকনাৰ সৈতে) বিতং তালিকা সদনত দাখিল কৰিবনে?

(চ) এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীৰকিবুল হুছেইন (সাধাৰণ প্ৰশাসন বিভাগৰ হৈ বন তথা পঞ্চায়ত আৰু গ্ৰামোন্নয় ইত্যাদিৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম সচিবালয়ত GAD ত মুঠ ৬৩ জন বিষয়া কৰ্মচাৰী আছে। নাম ঠিকনাৰে পদবীৰ সৈতে তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure – XL-VI)

(খ) GAD ৰ অধীনত ১৪৫১ টা চৰকাৰী আবাস গৃহ আছে।

(গ) উত্তৰ অনুবদ্ধ 'খ' ত দিয়া হ'ল। (See Annexure – XL-VII)

(ঘ) হয়।

(ঙ) নাম ঠিকনাৰ সৈতে তালিকা অনুবদ্ধ 'গ' ত দিয়া হল। (See Annexure – XL-VIII)

(চ) এই ক্ষেত্রত অবৈধভাৱে ৰাস কৰি থকা ব্যক্তি সকলক চৰকাৰী আৱাস গৃহ বোৰ ৭ ৰ পৰা ১০ দিনৰ ভিতৰত খালী কৰি দিবলৈ বিভাগৰ ফালৰ পৰা আদেশ দিয়া হয়। চৰকাৰী আৱাসগৃহ সমূহ সময়ে সময়ে পৰিদর্শনৰ বাবে এখন পৰিদর্শনৰ কমিটি আছে।

Mr. Speaker : Now, Short Notice Question No. 16. Hon'ble Member, Sri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ নিম্ন-প্রাথমিক বিদ্যালয়ৰ চৰকাৰী অনুমতি,স্বীকৃতি প্রাপ্তি, সকলো শিক্ষানুষ্ঠানলৈকে প্রাদেশীকৰণৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

(খ) শিক্ষানুষ্ঠানসমূহ প্রাদেশীকৰণ নোহোৱালৈকে চৰকাৰে বিত্তীয় সাহায্য প্রদান কৰি থাকিবনে?

(গ) উক্ত বিদ্যালয় সমূহৰ কর্মৰত সকলো শিক্ষক/শিক্ষয়ত্রীৰ পদ সমূহ প্রদেশীকৰণৰ ব্যৱস্থা কৰিবনে?

(ঘ) ইতিমধ্যে প্রকাশিত তালিকাত বিভিন্ন কাৰণত not eligible not recommended, disqualified আদি চর্ত সমূহ কর্মৰত শিক্ষক সকলৰ ক্ষেত্রত বিবেচনা কৰিবনে?

(ঙ) ইতিপূর্বে বহুবছৰ বিনা বেতনে অৱসৰ গ্রহণ কৰা আৰু মৃত্যু বৰণ কৰ শিক্ষক সকলৰ পৰিয়াল বর্গলৈ এককালিন সাহায্য দিয়াৰ ব্যৱস্থা চৰকাৰে বিবেচনা কৰিব নে?

(চ) DISE-2009-10 নথকা বহুতো বিদ্যালয় ইতিমধ্যে, প্রাদেশীকৰণৰ তালিকাভুক্ত হৈছে যদিও কিছু সংখ্যক DISE নথকা বিদ্যালয় বাদ পেলোৱা হৈছে, এইটো বৈষম্য হোৱা নাইনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ আগতে স্থাপন হোৱা আৰু স্বীকৃতি পোৱা লগতে প্রাদেশীকৰণৰ চর্ত্ত পূৰণ সাপেক্ষে ব্যবস্থা সকলো বিদ্যালয়কে প্রাদেশীকৰণ কৰিবলৈ পর্য্যায়ক্রমে ব্যৱস্থা গ্রহণ কৰা হৈছে।

(খ) পূঁজি সাপেক্ষে আৰু এই সন্দর্ভত চৰকাৰে সময়ে সময়ে জাৰি কৰা নির্দ্দেশনা তথা চর্ত্ত সমূহ পূৰণ সাপেক্ষে ব্যৱস্থা লোৱা হব।

(গ) The Assam Venture Educational Institution (Provincialisation of service) Act'2011, amended 2012 ৰ Schedule ত উল্লেখ কৰা Staff pattern মতে পদ সমূহ প্রাদেশীকৰণৰ কৰা হব।

(ঘ) Web-site ত প্রকাশ কৰা 'B' তালিকাভুক্ত শিক্ষানুষ্ঠান সমূহৰ বিপৰিতে দেখুওৱা কাৰণ সমূহৰ যথাযোগ্যতা প্রমান কৰিবৰ বাবে উপযুক্ত নথি-সহ আবেদন পালে পৰীক্ষা কৰি পুনৰ বিবেচনা কৰা হব।

(ঙ) চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

(চ) DISE Code নথকা কোনো বিদ্যালয়ক প্ৰাদেশীকৰণত অন্তভুক্ত কৰা হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 17. Hon'ble Member, Sri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ হাইস্কুল, হাইমাদ্ৰাছা (অপ্ৰাদেশীকৃত) আইন মতে Enrolment-25 আৰু উত্তীৰ্ণৰ হাৰ ৩০% কিন্তু পৰীক্ষাত অৱতীৰ্ণ কমেও ২৫ জন হব লাগে বুলি উল্লেখ নথকাতো ২৫ জনকৈ প্ৰতি বছৰে অৱতীৰ্ণ নোহোৱাত scrutiny committee য়ে Not recommended বুলি উল্লেখ কৰি বিদ্যালয় সমূহক বাদ পেলোৱা হোৱা নাই নে?

(খ) এই ক্ষেত্রত অৱতীর্ণৰ সংখ্যা ২০ জনলৈ ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰেনে?

(গ) ইতিমধ্যে উচ্চ প্রাথমিক বিদ্যালয়/ME/MEM বিদ্যালয় সমূহক science Teacher ৰ ক্ষেত্রত H.S Science/ B.sc. Act ৰ schedule ত থকাৰ পিছতো ১-১-২০০৬ চনৰ আগত স্বীকৃতি প্রাপ্ত তালিকাভূক্ত বিদ্যালয়ৰ ১-১-২০০১ৰ পিছত যোগদান কৰা H.S. Science Teacher সকলক post vacant বুলি তালিকাত দেখুৱা হৈছে। আকৌ কিছুমানত একেই অর্হতা থকা আনকি কিছুমান বিদ্যালয়ৰ ক্ষেত্রত OK recommended কৰা হৈছে?

(ঘ) এইটো বৈষ্যম কৰা হোৱা নাই নে?

(ঙ) যদি হৈছে, বৈষম্য হোৱা বিদ্যালয় সমূহক OK কৰাৰ ব্যৱস্থা কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institutions(Pro-vincialisation of services) (Ammendment) Act'2012 ৰ দফা 3 (i) Provision (ii) মতে সংশ্লিষ্ট বিদ্যালয়ত সর্বমুঠ ২৫ জন ছাত্র-ছাত্রী থাকিব লাগিব যদিহে স্কুলখন Lower primary নাইবা Upper primary হয়। দশম শ্রেণীত ২৫ জন ছাত্র-ছাত্রী থাকিব লাগিব যদিহে হাইস্কুল হয়। ২৫ জন ছাত্র-ছাত্রী দ্বাদশ শ্রেণীত থাকিব লাগিব যদিহে স্কুলখন উচ্চতৰ মাধ্যমিক হয়। আকৌ উক্ত আইনৰ 3 (i)(iii) মতে ২৫ জন ছাত্র-ছাত্রী ২০০৬ চনৰ পৰা যিকোনো তিনি বছৰত হাইস্কুল শেষান্ত পৰীক্ষাত অৱতীর্ণ হব লাগিব আৰু এই ২৫ জনৰ ৩০ শতাংশ পাছ কৰাটো দেখুৱাব লাগিব।

(খ) আইনত ৰেহাইৰ ব্যৱস্থা নাই।

(গ) বিজ্ঞান শিক্ষকৰ ক্ষেত্ৰত ২০০০ চনৰ আগলৈকে H.S. (Science) পাছ কৰা প্ৰাৰ্থীয়ে——

(ঘ) বিজ্ঞান শিক্ষক হিচাপে নিযুক্তিত লাভ কৰিব পাৰিছিল। ২০০০চনৰ পাচত নিযুক্ত।

(ঙ) বিজ্ঞান শিক্ষক সকল স্নাতক (বিজ্ঞান) পৰ্য্যায়ৰ হব লাগিব। যদিহে web-site ত recommend কৰা বিদ্যালয়ৰ ক্ষেত্ৰত সঁচাকৈয়ে কোনো আসোঁৱাহ থাকি গৈছে, সেই সমূহ পৰীক্ষা কৰি যথা বিহীত ব্যৱস্থা লোৱা হব।

Mr.Speaker : Now, Short Notice question No 18, Hon'ble Member Shri Abdur Rahim Khan

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ:

১৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰে ইতিমধ্যে DISE Code নথকা বিদ্যালয় প্ৰাদেশীকৰণৰ তালিকাত অন্তর্ভূক্ত কৰিছে, সেই ক্ষেত্ৰত আকৌ কোনোবা জিলাত DISE Code নথকা বহু বিদ্যালয় প্ৰাদেশীকৰণৰ তালিকাত অন্তর্ভূক্ত নথকাৰ কাৰণ কি? এইটো বৈষম্য নহয় নে? এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লব?

(খ) এই ক্ষেত্ৰত ২০০৯-১০ DISE Code বাধ্যতামূলকৰ পৰিবৰ্তে DISE Code ২০১১-১২ নাম থকা শিক্ষক সকলৰ অভিজ্ঞতাৰ ভিত্তিত DISE Code ৰেহাই কৰি বিদ্যালয় সমূহ প্ৰাদেশীকৰণ ও শিক্ষক সকলৰ চাকৰি প্ৰাদেশীকৰণৰ ব্যৱস্থা চৰকাৰে বিবেচনা কৰিব নেকি?

(গ) নিম্ন প্ৰথমিক বিদ্যালয়ৰ দ্বিতীয় আৰু তৃতীয় সহকাৰী শিক্ষকৰ পদ প্ৰাদেশীকৰণৰ আওঁতালৈ অনাৰ ব্যৱস্থা কৰিব নে?

(ঘ) জ্যেষ্ঠতাৰ ভিত্তিত ১-১-২০০৬ চনৰ আগত স্থাপিত আৰু ১-১-২০০৬ চনৰ পিছত স্বীকৃতিপ্ৰাপ্ত সকলো ৰিদ্যালয়

পর্য্যায়ক্রমে প্রাদেশীকৰণ কৰাৰ লগতে বিত্তীয় সাহায্য প্রদান কৰি থকাৰ ব্যৱস্থা চৰকাৰে বিবেচনা কৰিব নে?

(ঙ) এই সকলো বিদ্যালয়ত বিনামূলীয়া পাঠ্য পুথি, মধ্যাহ্ন ভোজন আৰু ছাত্র-ছাত্রীৰ সাচ-পোচাক যোগান ধৰা ব্যৱস্থা চৰকাৰে কৰিব নে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) DISE নথকা কোনো বিদ্যালয় প্রাদেশীকৰণত অন্তর্ভূক্ত কৰা হোৱা নাই।

(খ) প্রাদেশীকৰণ আইনত ৰেহাই নতুবা অভিজ্ঞতাৰ ভিত্তিত চাকৰি প্রাদেশীকৰণ কৰাৰ ব্যৱস্থা নাই।

(গ) প্রাদেশীকৰণ আইনত প্রতিজন নিম্ন প্রাথমিক বিদ্যালয়ত দুজনকৈহে শিক্ষকৰ প্রাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) ১-১-২০০৬ চনৰ পিছত স্বীকৃতিপ্রাপ্ত কোনো বিদ্যালয়কে

প্রাদেশীকৰণৰ আওঁতালৈ অনাৰ কোনো ব্যৱস্থা প্রাদেশীকৰণ আইনত নাই। বিত্তীয় সাহার্য্যৰ ক্ষেত্রত চৰকাৰে সময়ে সময়ে জাৰি কৰা নির্দ্দেশনাৰ চর্ত্ত পূৰণ তথা পূজি সাপেক্ষে বিবেচনা কৰা হব।

(ঙ) বিত্তীয় সাহার্য্যপ্রাপ্ত আৰু প্রাদেশীকৃত তথা চৰকাৰী সমূহ বিদ্যালয়কে বিনামূলীয়া পাঠ্যপুথি আৰু মধ্যাহ্ন ভোজন দি থকা হৈছে। সাজ-পোছাক কেৱল চৰকাৰী আৰু প্রাদেশীকৃত বিদ্যালয়ৰ ছাত্র-ছাত্রী সকললৈহে যোগান ধৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আব্দুৰ ৰহিম খানে সুধিছে ঃ

Mr.Speaker : Now, Short Notice question No 19, Hon'ble Member, Shri Abdur Rahim Khan :

১৯। মাননীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) NRHM ৰ জৰিয়তে নিয়োগ কৰা আন আন কর্মচাৰীৰ দৰে আশা কর্মী সকলাৰো নিয়মীয়া নিযুক্তি কৰণৰ ব্যৱস্থা কৰিবনে?

(খ) Linker আশাকর্মী সকলক গাৱলীয়া আশা কর্মীসকলৰ লগত পার্থক্য নাৰাখি একেই ব্যৱস্থা কৰিবনে?

(গ) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানত জননী সুৰক্ষা যোজনাৰ আঁচনি মর্মে আশা কর্মী সকলক নীতিগত ভাৱে পাব লগা মাননী প্রতি মাহে আদায় দি থকা হৈছে নে?

(ঘ) যদি হোৱা নাই, কেতিয়া আদায় দিব?

(ঙ) আশা কর্মীৰ তত্তাৱধানত প্রসূতি মাতৃৰ ঘৰতেই জন্ম হওক বা চিকিৎসালয়ত জন্ম হওঁক সকলোৰে ক্ষেত্রত একেই ব্যৱস্থা লোৱা হবনে?

(চ) আশা কর্মী আৰু Linker আশা কর্মী সকলৰ চাকৰি অনতি পলমে নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্তমানলৈ সিদ্ধান্ত লোৱা নাই।

(খ) ভাৰত চৰকাৰৰ নির্দেশনা পালে কৰা হ'ব।

(গ) দিয়া হৈ আছে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) নহ'ব।

(চ) 'ক' উত্তৰ দ্রষ্টব্য।

Mr.Speaker : Now, Short Notice question No 20, Hon'ble Member, Shri Abdur Rahim Khan :

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আব্দুৰ ৰহিম খানে সুধিছে ঃ

20. Will the Minister Education be pleased to State -

(a) The Assam Venture Educational Institutionn (Provincialisation of Service) Act 2011 মতে প্ৰথমতে Schedule ত 2(two) nos. of classical teachers (One for each Classical language) কিন্তু আকৌ Amendment Bill - 2012 1(One) nos. of Classical teacher and 1 (one) Nos..of language teacher i.e. two post for Non-Assamese Medium School দিয়াৰ বাবে বৰাক উপত্যকাৰ হাইস্কুল, হাই মাদ্ৰছা সমূহত Govt. Notification Memo No. ASE.565/2012/ 218-A dtd. Dispur the 12th Dec/2012 মৰ্মে স্পষ্ট ভাবে থকা যত 2(two) nos.of Classical Teachers (Arabic & Sanskrit)

কাম কৰি থকা এজন এৰাবিক নাইবা সংস্কৃত শিক্ষক বাদ নপৰিবনে?

(b) এই ক্ষেত্রত চৰকাৰৰ উক্ত Notification মর্মে Arabic আৰু Sanskrit ৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) প্রয়োজন সাপেক্ষে পৰীক্ষা কৰি প্রাদেশীকৰণ আইনখন সংশোধনৰ বাবে বিবেচনা কৰা হ'ব।

(খ) - ঐ-

Mr.Speaker : Now, Short Notice question No 21, Hon'ble Member, Shri Abdur Rahim Khan :

Sub : SHORT NOTICE QUESTION.

SHRI ABDUR RAHIM KHAN ASKED:

21. Will the Minister Health & Family Welfare

be pleased to State -

(a) MAC CAse No. 2290/2008 (Smti. Monima Talukdar & Others Vs Commissioner & Secretary Health & Family Welfare Deptt. Assam আৰু MAC Case No. 2291/2008 (Smti Pranita Talukdar & Others Vs Commissioner & Secretary Health & Family Welfare Department Assam এই দুটা গোচৰৰ MAC Tribunal ত 11/10/2010 ত ৰায়দান হোৱা মর্মে চৰকাৰে বিত্ত বিভাগৰ পৰা Proposal দি Sanction কৰাৰ ব্যৱস্থা কৰিছেনে?

(খ) যদি কৰিছে, Sanction Order ৰ প্রতিলিপি সদনত দাখিল কৰিবনে?

(গ) যদি কৰা নাই, আজি প্ৰায় বেহুবা বছৰ পাৰ হোৱা স্বত্তেও আদালতৰ ৰায় কিয় Comply কৰা হোৱা নাই?

(ঘ) এইটো জনস্বাৰ্থৰ বিপৰীতে হাৰাশাস্তি কৰা হোৱা নাই নে? (সদনত জনাব)।

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(a) MAC Case Nos 2290/2008 আৰু 2291/08 ৰ সন্দৰ্ভত মহামান্য Court of Motor Accident Claims Tribunal, Kamrup, Guwahati ৰ ১১-১০-২০১০ তাৰিখৰ আদেশটো ০৯-০৮-২০১২ তাৰিখেহে পোৱা হয়, আৰু আদেশ পোৱা মাত্ৰকে স্বাস্থ্য সেৱা সঞ্চালকক মঞ্জুৰীৰ বাবে প্ৰস্তাৱ দিবলৈ কোৱা হয়।

(b) স্বাস্থ্য সেৱা সঞ্চালকৰ পৰা এতিয়ালৈকে মঞ্জুৰীৰ প্ৰস্তাৱ পোৱা নাই।

(গ) প্রশ্নোত্তৰ 'B' ত উল্লেখ কৰা হ'ল।

(ঘ) মঞ্জুৰীৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

২২। মাননীয় পশুচিকিৎসা ও পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ অন্তৰ্গত আলি টাঙনি পশুচিকিৎসা উপকেন্দ্ৰটো যোৱা বছৰ ধুমুহাৰ ফলত ক্ষতিগ্ৰস্ত হোৱা সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) উক্ত উপকেন্দ্ৰটো মেৰামতি কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) জুৰীয়া ব্লক ভেটেৰীনাৰী ডিছপেঞ্চাৰীৰ স্থায়ী গৃহ আজিলৈকে নোহোৱাৰ কাৰণ কি?

শ্রী খৰছিং ইংতি (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত।

(খ) উক্ত উপকেন্দ্রটো ২০১২-১৩ বিত্তীয় বর্ষত ৰাষ্টীয় কৃষি বিকাশ যোজনা (RKVY) ৰ অধীনত মেৰামতি কৰিবলৈ অন্তর্ভূক্ত কৰা হৈছে আৰু অতি সোনকালেই ইয়াৰ কাম আৰম্ভ কৰা হব।

(গ) জুৰীয়া ব্লক ভেটেৰীনাৰী ডিছপেনচাৰীৰ কাম কাজ জুৰীয়া ৰাজ্যিক পশুচিকিৎসালয়ৰ পৰা সম্পন্ন কৰা হয়। জুৰীয়া ৰাজ্যিক পশুচিকিৎসালয়ৰ গৃহ পুনৰ নির্মানৰ কাম ২০১২-১৩ চনত ESVHD আঁচনিৰ অধীনত তালিকাভূক্ত কৰা হৈছে আৰু এই সম্পর্কত গড়কাপ্তানী বিভাগে এই কামৰ নিবিদা আহ্বান কৰিছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

২৩। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি অনুসৰি সীমান্ত অঞ্চল উন্নয়ন বাবে এতিয়ালৈকে কি কি ব্যৱস্থা লোৱা হৈছে?

(খ) সীমান্তৰ কিমান অংশ চীল কৰা হ'ল, সীমান্তৰ জলভাগ কিমান আৰু মুঠ কিমান অংশ মুক্ত হৈ আছে?

(গ) সীমান্তৰ জলভাগত সুৰক্ষাৰ বাবে কোনো কমিটী গঠন কৰা হৈছিল নেকি?

(ঘ) যদি হৈছিল, কমিটী খনত কোন কোন ব্যক্তি আছে আৰু কেতিয়া গঠন কৰা হৈছিল?

(ঙ) কমিটী খনে অধ্যয়ন কৰি কোনো প্ৰতিবেদন দাখিল কৰিছে নেকি? (যদি প্ৰতিবেদন দাখিল কৰিছে, তাৰ প্ৰতিলিপি সদনত দাখিল কৰিব)।

(চ) অসম বিধান সভাৰ এটা সজাতী দলে ভাৰত-পাকিস্তান সীমান্তৰ সুৰক্ষাৰ বিষয়ে বুজ লবলৈ যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, তেন্তে তেওঁলোকে কিবা প্ৰতিবেদন দিছে নেকি? (প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিব)

(ছ) বিধান সভা কমিটীয়ে দিয়া প্ৰতিবেদনৰ পৰামৰ্শ সমূহৰ মতে বাংলাদেশ সীমান্তৰ সুৰক্ষাৰ বাবে কি কি ব্যৱস্থা লোৱা হ'ল আৰু কি কি ব্যৱস্থা লেৱা নহ'ল?

ডঃ হিমন্ত বিশ্ব শৰ্মা (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সীমান্ত অঞ্চল উন্নয়নৰ বাবে অসম গড়কাপ্তানী (সীমান্ত পথ) বিভাগে সীমান্ত অঞ্চলত পথ আৰু কাঁইটীয়া তাঁৰৰ বেৰাৰ কাম প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত প্ৰায় সম্পূৰ্ণ কৰিছে। কেৱল ৫.৭০ কিঃ মিঃ কাঁটা তাঁৰৰ বেৰাৰ কাম নদীৰ বহনীয়া আৰু আন্তঃৰাষ্ট্ৰীয় সীমা বিবাদৰ বাবে অসম্পূৰ্ণ হৈ আছে।

তাৰোপৰি গুৱাহাটী আৰু শিলচৰক সামৰি কেন্দ্রীয় গড় কাপ্তানী বিভাগে ২১৩.৭৬ কিঃ মিঃ দৈর্ঘ্যৰ ফ্লাডলাইটিঙৰ কাম আৰম্ভ কৰিছে আৰু ২০১৪ চনৰ ভিতৰত সম্পূর্ণ হোৱাৰ সম্ভৱনা আছে।

(খ) সীমান্তৰ মুঠ ৯৮ অংশ চীল কৰা হৈছে। সীমান্তৰ জলভাগ ৪৪.৫৮৯ কিঃ মিঃ আৰু মুঠ ২% (৫.৭০ কিঃ মিঃ) অংশ মুক্ত হৈ আছে।

(গ) হয়।

(ঘ) কমিটীখন ১২-৯-২০১১ তাৰিখত গঠন কৰা হৈছিল। কমিটী গঠনৰ অধিসুচনাৰ প্রতিলিপি সংলগ্ন 'ক' ত গাঁঠি দিয়া হ'ল। (See Annexure-XL-IX)

(ঙ) হয়। প্রতিবেদনখন বর্ত্তমান চৰকাৰৰ বিবেচনাধীন।

(চ) অৱগত। বর্ত্তমান অসম চুক্তি ৰূপায়ণ বিভাগত কোনো প্রতিবেদন পোৱা হোৱা নাই।

(ছ) প্রশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী উৎপল দত্তই সুধিছে ঃ

২৪। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰে সাংবাদিক সকলক 'লেপটপ' দিয়াৰ কোনোআঁচনি এই পর্য্যন্ত কার্যকৰী কৰিছে নেকি? যদি কৰিছে, কেতিয়া কৰিলে আৰু কিমান গৰাকী সাংবাদিকক চৰকাৰে বিনামূলীয়া 'লেপটপ' দিলে? বিতং নাম, তালিকা কোন সংবাদ প্রতিষ্ঠানত কর্মৰত সাংবাদিক (নামসহ) বিতং তালিকা সদনত দাখিল কৰিবনে?

(খ) সাংবাদিকক 'লেপটপ' দিয়াৰ বাবদ কিমান টকা ব্যয় হ'ল? ইয়াৰ বাবে চৰকাৰে কিমানটা 'লেপটপ' কোন কোম্পানীৰ পৰা ক্রয় কৰিলে?

(গ) সাংবাদিক নোহোৱা কোনো লোকেও চৰকাৰৰ এই বিনামূলীয়া 'লেপটপ' লাভ কৰিবলৈ সক্ষম হৈছে নেকি? কি নীতিৰ আধাৰত 'লেপটপ' বিতৰণৰ বাবে সাংবাদিক সকলক বাচনি কৰা হৈছিল, সেই বিষয়ে সদনত সবিশেষ জনাবনে?

(ঘ) পুনৰ সাংবাদিকৰ বাবে 'লেপটপ' বিতৰণৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি? যদি কৰে, কেতিয়া কৰিব?

শ্রী বসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ ৰাজ্যিক মন্ত্রী(স্বতন্ত্র)) য়ে উত্তৰ দিছে।

(ক) অসম চৰকাৰে সাংবাদিক সকলক 'লেপটপ' দিয়াৰ আঁচনি ২০১০-১১ চনত কার্যকৰী কৰিছিল। লেপটপ প্রদান কৰাৰ বাবে মুঠ ২৬২ গৰাকী সাংবাদিকৰ নামৰ তালিকা প্রস্তুত কৰা হৈছিল। ইয়াৰ ভিতৰত এই পর্যন্ত ২৩০ গৰাকী সাংবাদিকে 'লেপটপ' সংগ্রহ কৰিছে।

নির্বাচিত সাংবাদিকৰ তালিকা "Annexure – A" ত আৰু

'লেপটপ' সংগ্রহ কৰা সাংবাদিকসকলৰ নাম আৰু সংশ্লিষ্ট সংবাদ প্রতিষ্ঠানৰ নামৰ তালিকা "Annexure – B" ত সংলগ্ন কৰা হ'ল। (See Annexure –L)

(খ) সাংবাদিকক 'লেপটপ' দিয়াৰ বাবদ সর্বমুঠ ৯৭,২৩,৯১০ টকা ব্যয় কৰা হৈছে। ইয়াৰ বাবে চৰকাৰে Assam Electronics Development Corporation Ltd. (AMTRON) ৰ পৰা ৩০১ টা লেপটপ ক্রয় কৰিছিল।

(গ) সাংবাদিক নোহোৱা কোনো লোকে এই বিনামূলীয়া 'লেপটপ' লাভ কৰিবলৈ সক্ষম হোৱা নাই।

মাননীয় মুখ্যমন্ত্রীৰ পৌৰোহিত্যত ২৫ জানুৱাৰী, ২০১১ তাৰিখে অনুষ্ঠিত সভাত এক্রেডিটেড, ৰিকগনাইজড সংবাদিক আৰু সাংবাদিকতা বৃত্তিত ১০ বছৰ পূর্ণ কৰা সাংবাদিকসকলক লেপটপ প্রদান কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হৈছিল। ইয়াৰে প্রথম পর্যায়ৰ বাবে গুৱাহাটীস্থ ছপা আৰু

বৈদ্যুতিন মাধ্যমৰ সংবাদ প্ৰতিষ্ঠানসমূহে দাখিলকৰা তালিকাৰ পৰা মুখ্য সম্পাদক, সম্পাদক, কাৰ্যবাহী সম্পাদক, কনচাল্টিং এডিটৰ, সহকাৰী সম্পাদক, ব্যুৰ'চীফ, বাৰ্তা সম্পাদক, উপ বাৰ্তা সম্পাদক, বিশেষ সংবাদদাতা, ষ্টাফ বিপ'ৰ্টাৰ, ক্ৰীড়া সাংবাদিক, কাৰ্টুনিষ্ট আৰু ফটো সাংবাদিকৰ নাম বিবেচনা কৰা হয়। ইয়াৰোপৰি জনসংযোগ বিভাগৰ 'এডিটৰ কাৰ্ড' লাভ কৰা সম্পাদকসকলৰ লগতে গুৱাহাটীৰ কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকৰ নামো লেপটপ প্ৰদানৰ বাবে বাচনি কৰা হয়।

(ঘ) বৰ্তমান লেপটপ বিতৰণৰ কোনো ব্যৱস্থা কৰা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

২৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত গোট্‌খা তথা ধঁপাত জাতীয় সামগ্রী নিষিদ্ধ কৰিবলৈ কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সৈতে যোগাযোগ কৰিছে নেকি? এই সন্দর্ভত কেন্দ্রীয় চৰকাৰে যোৱা ২৭ আগষ্ট (২০১২)ত অসমত মুখ্য সচিবলৈ এখন পত্র প্রেৰণ কৰাটো সত্য নে? যদি সত্য, এই পত্রৰ প্রতিলিপি সদনত দাখিল কৰিব

(খ) কেন্দ্রীয়চৰকাৰৰ পৰা এই পত্র মুখ্য সচিবলৈ অহাৰ পাছত এই সন্দর্ভত কি তাৎক্ষনিক ব্যৱস্থা লোৱা হ'ল? গোট্‌খা - ধপাত জাতীয় সামগ্রী নিষিদ্ধকৰণৰ বিষয়ক কেন্দ্রৰ এই পত্র খনৰ বিষয়ে মুখ্যমন্ত্রী আৰু স্বাস্থ্য মন্ত্রী কোন কোন তাৰিখত অৱগত হয়?

(গ) গোট্‌খা ধঁপাত জাতীয় সামগ্রী নিষিদ্ধকৰণৰ বাবে কোন আইনৰ অধীনত ব্যৱস্থা ল'ব লাগে, সেই কথা অসম চৰকাৰক জনাইছিল নেকি?

যদি জনাইছিল, তেন্তে সেই মতে অসম চৰকাৰে তাৎক্ষনিক কি ব্যৱস্থা গ্রহণ কৰিলে? গোট্‌খা নিষিদ্ধ কৰণৰ বিধান সভা ত বিধেয়ক উত্থাপনত বিলম্ব ঘটাৰ কাৰণ কি? স্পষ্টকৈ কাৰণ উল্লেখ কৰিব?

(ঘ) গোট্‌খা নিষিদ্ধকৰণ কৰিলে অসম চৰকাৰে ৰাজহ লোকচান হ'ব পৰে বুলি স্বাস্থ্য বিভাগৰ ফালৰ পৰা মুখ্যমন্ত্রীক কোনো আশংকা অৱগত কৰা হৈছিল নেকি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) হয়, যোগাযোগ কৰিছিল। প্রতিলিপি পৰিশিষ্ট (ক) ত দাখিল কৰা হ'ল। কিন্তু এই পত্রখনত কেৱল গোট্‌খা আৰু ধঁপাত তথা নিকোটিনযুক্ত পান মছলা নিষিদ্ধকৰণৰ পৰামর্শহে দিয়া হৈছিল। শুদ্ধ ধঁপাত বা আন ধোঁৱামুক্ত ধঁপাত জাতীয় সামগ্রী নিষিদ্ধকৰণৰ পৰামর্শ এই পত্রত নাছিল।

(খ) একে বিষয়ত কেন্দ্রীয় চৰকাৰে DO No. P. 16013/12/2011-PH-I তাং ৮-৫-২০১২ মর্মে একে বিষয়ে এখন

পত্র প্রেৰণ কৰিছিল। নথি উক্ত পত্র খনৰ বাবে বিবেচনাধীন হৈ আছিল। সেয়েহে একে বিষয়ৰ হোৱা বাবে ২৭ আগষ্ট ২০১২ ৰ চিঠিখন পৃথকে উপস্থাপন কৰা হোৱা নাছিল।

(গ) উত্তৰ (ক)ত জনোৱাৰ দৰে কেৱল গোট্‌খা আৰু ধঁপাত তথা নিকোটিনযুক্ত পান মছলা নিষিদ্ধকৰণৰ পৰামর্শহে দিয়া হৈছিল। সেয়েহে অসম চৰকাৰে গোট্‌খাকে ধৰি সকলো ধোঁৱামুক্ত ধঁপাত সামগ্রীৰ ক্রয়-বিক্রী আৰু প্রস্তুতকৰণ নিষিদ্ধ কৰি এখন পূণাঙ্গ আইন প্রস্তুত কৰি উলিয়াই। আনহাতে সমান্তৰাল ভাৱে HLA672/2007/Pt.-II/ 71তাং ৮-৩-২০১৩ জাননী মর্মে কেৱল গোট্‌খা তথা ধঁপাত আৰু নিকোটিনযুক্ত পান মছলা এক বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰে। ৰাজ্য চৰকাৰে প্রস্তুত কৰা সকলো ধৰণৰ ধোঁৱামুক্ত ধঁপাত, পান মছলা, জর্দা আদিৰ ক্রয়-বিক্রী আৰু প্রস্তুতকৰণ আদি নিষিদ্ধকৰণ আইনখন মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ অনুমো দন লৈ কেবিনেটৰ অনুমোদনৰ

বাবে প্রেৰণ কৰা হৈছে। মুখ্যমন্ত্রী মহোদয়ৰ অনুমো দন লৈ কেবিনেটৰ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছে।

(ঘ) গোট্‌খা নিষিদ্ধকৰণ কৰিলে, অসম চৰকাৰৰ ৰাজহ ক্ষতি হ'ব বুলি স্বাস্থ্য মন্ত্রীৰ টোকাত কোনো উল্লেখ নাছিল। বৰং গোট্‌খাকে ধৰি সকলো ধোঁৱামুক্ত ধঁপাত নিষিদ্ধকৰণৰ বাবে অনুমোদনহে বিচৰা হৈছিল। স্বাস্থ্য মন্ত্রীৰ প্রস্তাৱটি মাননীয় মুখ্যমন্ত্রী মহোদয়ে ইং ০৭-০২-২০১৩ তাৰিখে অনুমোদন জনাইছিল।

২০-০১-২০১৩ চনত স্বাস্থ্য মন্ত্রীৰ টোকাটি হুবহু তলত উল্লেখ কৰা হ'ল।

"Your order at Flag "A".

Health & Family Welfare Department is thinking of banning of Gutks in the State for quite some time. Gutka is a kind of smokeles

tobacco product which is basically a mixure of pan masala and pure tobacco.

However, for some reason Government of India is so far not banning pure smokeless tobacco which is more dangerous to the health and the primary responsible factor for the spreading of cancer, So in Assam we should ban all kinds of smokeless tobacco. As such our proposal is that we should ban all kinds of smokeless tobacco including Gutka through an Act in the next Assembly Session.

However, there will be some problem in enforcing the ban as the ststes like West Bengal and other North Eastern States (Except Mizoram) as they have not banned any kind of

smokeless tobacco. Unless a uniform banned is imopsed in West Bengal and other North Eastern States,ther will be no possitive result of banning in our State. There will the revenue losses and at the same time people will continue to have access to Gutka through grey market. In my view, we should take it up the DoNER and other North Eastern States for imposing ban on Gutka and if possible all other kind of smokeless tobaccom from a uniform date.

Your approval is solicated now for the following :-

1. To allow Health & Family Welfare Department to prepare a legislation for banning of all kind of smokeless tobacco including Gutka and pure tobacco in the State of Assam.

2. Request Ministry of DoNER to discuss with other North Eastern States to ban Gutka and other smokeless tobacco so as to given an effect of such ban from a uniform date.

For your approval.

Sd/-

Minister, Health & F.W.

20-01-13

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৬। মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ বামুনী জিলা পৰিষদৰ অন্তর্গত কাটনী আঞ্চলিক পঞ্চাতৰ ভোট গণনা কেতিয়া কিমান সময়ত আৰম্ভ হৈছিল আৰু কিমান সময়ত শেষ হৈছিল? (তাৰিখ, সময়, আৰু গণনাৰ স্থান জনাব)।

(খ) ভোট কেন্দ্র অনুসৰি প্রতিটো ভোট কেন্দ্রৰ গণনাৰ সময়ত প্রতিটো ৰাউণ্ডত টেবুল অনুসৰি প্রতিটো ৰাউণ্ডৰ গণনাৰ অন্তত কোন ৰাজনৈতিক দলৰ কোন মনোনীত প্রার্থীয়ে কিমান ভোট পাইছিল জনাবনে?

(গ) ভোটকেন্দ্র সমূহৰ বিপৰীতে ব্যৱহৃত বেলট বাকচৰ নম্বৰ আৰু ফ'ৰম (form) অনুসৰি কিমান ভোট দান হৈছিল জনাবনে? ২২ নং ফ'ৰম Presiding Officer য়ে Polling Agent সকলক দিছিল নে? যদি দিয়া নাছিল কিয় দিয়া নাছিল জনাবনে?

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ জিলাৰ বামুনী জিলা পৰিষদৰ অন্তর্গত কাটনী নামৰ কোনো আঞ্চলিক পঞ্চায়ত নাই। গতিকে তাত কোনো নির্বাচন অনুষ্ঠিত হোৱা নাই।

(খ) প্রযোজ্য নহয়।

(গ) প্রযোজ্য নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী উৎপল দত্তই সুধিছে ঃ

২৭। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধৰমপাল-সত্যপাল গ্রুপ (D. S. Group)ক অসম চৰকাৰে কেতিয়া অনুজ্ঞা পত্র প্রদান কৰিছিল? এই অনুজ্ঞাপত্র কিহৰ ওপৰত আৰোপ আছিল আৰু কি কি সামগ্রী পেকেজিঙৰ অনুমতি দিয়া হৈছিল?

(খ) ধৰমপাল-সত্যপাল গ্ৰুপে চৰকাৰৰ পৰা ৰাজ সাহায্য (অসমত) পায়নে? ২০১৩ চনৰ পর্যন্ত কিমান ৰাজসাহায্য দিয়া হ'ল ? সবিশেষ তথ্য আগবঢ়াব।

(গ) জনস্বাস্থ্যৰ প্ৰতি গুৰুতৰ ভাবুকি সৃষ্টি কৰা গুট্‌খাৰ ব্যৱসায়েৰেও ধৰমপাল-সত্যপাল গ্ৰুপ জড়িত নেকি? যদি জড়িত, ইয়াক বন্ধ কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে নেকি?

(ঘ) গুট্‌খাৰ বাবে অসম চৰকাৰে বছৰি কিমান টকা ৰাজহ লাভ কৰে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ধৰমপাল-সত্যপাল গ্ৰুপৰ অধীনস্থ উদ্যোগসমূহ প্ৰথমতে কেন্দ্ৰীয় চৰকাৰৰ অধীনত IEM পঞ্জীয়ন ভুক্ত আছিল। এম এছ এম ই (ডেভেলপমেণ্ট) এক্ট, ২০০৬ কার্য্যকৰী হোৱাৰ পিছত এই উদ্যোগসমূহে অসম চৰকাৰৰ উদ্যোগ ও বাণিজ্য বিভাগৰ অধীনত তলত দেখুওৱা ধৰণে পুনৰায় পঞ্জীয়নভুক্ত কৰা হয়।

List of Eligibility Certificate Issued to Industrial Units of D.S. Group till March, 2013

Sl.No.	Unit Name:	E.C. No	Dated	Under Industrial Policy
	M/S Dharampal	Satyapal Ltd.		
1	Unit -VI	AIDC/US/EC/248/99/22	02/04/2004	1997
2	Unit-VII	AIDC/US/EC/248/99/23	02/04/2004	1997
3	Unit-VIII	AIDC/US/EC/248/99/24	07/09/2004	1997
4	Unit-IX	AIDC/US/EC/248/99/25	07/09/2004	1997
5	Unit-X	AIDC/US/EC/248/99/26	07/09/2004	1997
6	Unit-XI	AIDC/US/EC/248/99/27	07/09/2004	1997
7	Unit-XII	AIDC/US/EC/248/99/28	07/09/2004	1997
8	Unit-XIV	AIDC/US/EC/388/05/53	21/07/2004	2003

এই উদ্যোগ গোট সমূহৰ উৎপাদনৰ অনুজ্ঞাপত্ৰ সামগ্ৰীৰ নাম তলত উল্লেখ কৰা হ'ল।

		উৎপাদিত সামগ্ৰী
১)	মে.ধৰমপাল সত্যপাল ইউনিট VI, বামুনীমৈদাম	পানমছলা, গুটখা
২)	মে.ধৰমপাল সত্যপাল ইউনিট VII, বামুনীমৈদাম	পানমছলা
৩)	মে.ধৰমপাল সত্যপাল ইউনিট VIII, বামুনীমৈদাম	পানমছলা
৪)	মে.ধৰমপাল সত্যপাল ইউনিট IX , বামুনীমৈদাম	পানমছলা
৫)	মে.ধৰমপাল সত্যপাল ইউনিট X, বামুনীমৈদাম	জৰ্দ্দা

৬) মে.ধৰমপাল সত্যপাল ইউনিট XI , পানমছলা
বামুনীমৈদাম

৭) মে.ধৰমপাল সত্যপাল ইউনিট XII, মিঠা চুপাৰী
বামুনীমৈদাম

(খ) ধৰমপাল-সত্যপাল গ্ৰুপৰ অধীনস্থ উদ্যোগসমূহে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগনীতিৰ অধীনত বিভিন্ন ৰাজ-সাহায্য লাভ কৰিছে। এই সম্পৰ্কত বিতং তথ্য তলত দিয়া হ'ল।

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগনীতি

NEIP ১৯৯৭ ৰ অধীনত প্ৰাপ্ত ৰাজসাহায্য

১) মূলধন বিনিয়োগ ৰাজসাহায্য-৫০.৯৫ লাখ টকা

২) পৰিবহন ৰাজসাহায্য-৯২.০০ লাখ টকা

ৰাজ্য চৰকাৰৰ উদ্যোগনীতি আৰু ২০০৩ ৰ অধীনত প্ৰাপ্ত ৰাজসাহায্য

১) বিদ্যুতৰ খৰচৰ ৰাজসাহায্য-৬২.৬১ লাখ টকা

২) বিদ্যুত উৎপাদক যন্ত্ৰৰ ৰাজসাহায্য-০৪.৬৩ লাখ টকা

(গ) গুট্‌খা, জর্দ্দা, ধপাত, পানমছলা আদি সকলো ব্যৱসায়েৰে ধৰমপাল সত্যপাল গ্ৰুপ জড়িত। বর্তমান গোটখাৰ বিক্রীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

(ঘ) অসম চৰকাৰৰ বিত্ত (কৰ ৰোপন) বিভাগত Value Added Tax, 2003 আৰু Central Sales Tax Act, 1956 ৰ অধীনত থকা নিয়ম অনুসৰি গুট্‌খাৰ বাবে সংগৃহীত ৰাজহৰ হিচাপ পৃথকে ৰখা নহয়। গুট্‌খা Schedule-4 Sl.27 ৰ Tobacco & Tabacco Products ৰ অন্তর্ভূক্ত।

উক্ত Tobacco & Tabacco Products ৰ পৰা অসম চৰকাৰে বছৰি প্রায় ২০ (বিশ) কোটি টকা লাভ কৰে। Tobacco & Tabacco Products ৰ ভিতৰত Smokeless and Smoking Tabacco products অন্তর্ভক্ত হৈ আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাচুমাৰী ৰাজ্যিক চিকিৎসালয় (State Dispensary) খনত কোনো ডাক্তৰ, ফাৰ্মাচিষ্ট, নাৰ্চ আদিৰ লগতে ঔষধ পাতি নথকাৰ বাহিৰেও প্ৰায় ১ বছৰ ধৰি বন্ধ থকাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইয়াৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) উক্ত ৰাজ্যিক চিকিৎসালয়খনত অনতি পলমে নিয়মিত ভাবে ডাক্তৰ, নাৰ্চ, ঔষধ পাতি আদি যোগান ধৰাৰ ব্যৱস্থা কৰিব নে?

(ঘ) উক্ত সমষ্টিৰ খোলা বন্ধাচৰৰ PHC খন নতুনকৈ সম্পূৰ্ণ কৰা হৈছে, তাত অনতি পলমে ডাক্তৰ, ফাৰ্মাচিষ্ট, নাৰ্চৰ

নিযুক্তিৰ লগতে ঔষধ পাতি আদিৰ যোগানৰ ব্যৱস্থা কৰিবনে?

(ঙ) বৰপেটা সমষ্টিৰ দাৱালীয়া পাৰা উপস্বাস্থ্য কেন্দ্রটোত ফার্মাচিষ্ট, পদ নথকাটো চৰকাৰ অৱগত নে?

(চ) যদি অৱগত, জনস্বার্থৰ খাতিৰত বৃহৎ এলেকাৰ উপ-স্বাস্থ্য কেন্দ্রটোত এজন স্থায়ী ফার্মাচিষ্ট নিয়োগৰ ব্যৱস্থা কৰিবনে?

(ছ) যদি কৰে, কেতিয়া কৰিব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাচুমাৰী ৰাজ্যিক চিকিৎসালয় (State Dispensary) খন বন্ধ হৈ থকা নাই। চিকিৎসালয় খনত এজন MO(Ayur), এজন ফার্মাচিষ্ট আৰু এজন চতুর্থ শ্রেণীৰ কর্মচাৰী কার্য্যনিবাহ কৰি আছে আৰু নিয়মিত ঔষধ-পাতি যোগান ধৰি থকা হৈছে।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্নোত্তৰ 'ক' দ্রষ্টব্য।

(ঘ) খোলা বন্ধ চৰৰ PHC খনৰ বাবে প্রয়োজনীয় কর্মচাৰীৰ পদ সৃষ্টি হোৱা নাই যদিও খোলা বন্ধা উপ স্বাস্থ্য কেন্দ্রৰ বিপৰীতে নিয়োজিত দুগৰাকী ANM এ কাম কৰি আছে।

(ঙ) অৱগত। দাৱালীয়াপাৰা উপ-স্বাস্থ্য কেন্দ্রটোত এজন ফার্মাচিষ্টে (Attachment) কাম কৰি আছে।

(চ)
(ছ) } পদ সৃষ্টি হ'লে ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ PRC.

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৯। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিগত কিমান বছৰৰ পৰা PRC দিয়া বন্ধ কৰি ৰখা হৈছে?

(খ) কি কাৰণত আৰু কিহৰ ভিত্তিত PRCবন্ধ কৰি ৰখা হৈছে?

(গ) যিহেতু PRC দিয়া চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন চাকৰি বাকৰি আৰু অন্যান্য বিভিন্ন ক্ষেত্ৰত PRC বিচৰাৰ কাৰণ কি?

(ঘ) যিহেতু ৰাজ্যৰ ভিতৰে বাহিৰে চাকৰি আৰু স্থায়ী বাসিন্দাৰ বাবে বিভিন্ন ক্ষেত্ৰত PRC বিচাৰে আৰু প্ৰয়োজন সেয়ে এই ক্ষেত্ৰত বন্ধ হৈ থকা PRC দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঙ) যদি কৰে, কেতিয়া কৰিব?

(চ) যদি নকৰে তেন্তে বহুত যুৱক-যুৱতী প্ৰাপ্য চাকৰি পৰা PRC ৰ অভাৱত বঞ্চিত নহ'বনে?

(ছ) যদি বঞ্চিত হৈছে আৰু হৈ থাকে তেন্তে নিবনুৱা যুৱক-যুৱতী সকলক ক্ষতি কৰাৰ লগতে অধিকাৰ খৰ্ব কৰা হোৱা নাইনে?

(জ) যদি ক্ষতি আৰু বঞ্চিত হৈছে, তেওঁলোকৰ বিষয়ে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঝ) ছাত্র-ছাত্রীয়ে উচ্চ শিক্ষাৰ কাৰণে বিভাগত বাৰে বাৰে PRC ৰ বাবে আবেদন কৰি PRC লবলগীয়া হোৱাটো হাৰাশাস্তি হৈ থকা নাইনে?

(ঞ) যদি হৈছে, চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ক) উচ্চ শিক্ষানুষ্ঠানত নাম ভর্ত্তি কৰণৰ ব্যতিৰেকে ১৯৮৬ চনৰ পৰা PRC দিয়া বন্ধ কৰি ৰখা হৈছে।

(খ) চৰকাৰী নির্দ্দেশনা নং পি এল বি ৩৩৫/৮৫ তাৰিখ ০৭-০৬-১৯৮৬- ৰ মতে PRC বন্ধ কৰা হৈছিল যদিও পৰৱর্ত্তী চৰকাৰী নির্দ্দেশনা নং পি এল বি ৩৩৫/৮২/১৭৩ তাৰিখ ১৬-০৭-১৯৮৬ ক্রমে উচ্চ শিক্ষা অনুষ্ঠানত নাম ভর্ত্তিৰ বাবে প্রয়োজনীয় সাপেক্ষে PRC প্রদান কৰা হয়।

(গ) চাকৰিত মকৰলৰ বাবে PRC -ৰ আৱশ্যক নহয় যদিও ভাৰতীয় সৈন্য বাহিনী, অৰ্দ্ধ সামৰিক বাহিনী তথা কেন্দ্রীয় চৰকাৰৰ অধীনত বিভাগ আৰু অনুষ্ঠান সমূহত য'ত স্থায়ী বাসিন্দাৰ প্রমাণ পত্রৰ বাবে গুৰুত্ব প্রদান কৰে তেনে সংস্থা/ অনুষ্ঠান সমূহৰ পৰা মকৰলৰ বাবে মনোনীত হোৱা সংশ্লিষ্ট ব্যক্তিৰ তালিকা সৰ্ম্পকত তদন্ত সাপেক্ষে স্থায়ী বাসিন্দাৰ প্রমাণ পত্র প্রদানৰ ব্যৱস্থা আছে। য'ত "সামৰিক বাহিনী, অৰ্দ্ধ সামৰিক বাহিনী তথা কেন্দ্রীয় চৰকাৰৰ অধীনত বিভাগ আৰু বিভিন্ন অনুষ্ঠানত মকৰলৰ বাবে বুলি উল্লেখ কৰি প্রমাণ প্রদান কৰা হয়"।

(ঘ) দ্রষ্টব্য-গ।

(ঙ) দ্রষ্টব্য-গ।

(চ) প্রশ্ন নুঠে।

(ছ) এই ক্ষেত্রত চৰকাৰৰ দৃষ্টি গোচৰ কৰিলে যাৱতীয় ব্যৱস্থা লোৱা হয়।

(জ) প্রশ্ন নুঠে।

(ঝ) উচ্চ শিক্ষা গ্রহণৰ বাবে একাধিক প্রমাণ পত্র সংগ্রহ কৰাৰ আৱশ্যক নহয় সেয়ে হাৰাশাস্তিৰ প্রশ্ন নুঠে।

(ঞ) প্রশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী উৎপল দত্তই সুধিছে ঃ

৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) স্কুল পৰিচালনা সমিতিৰ সভাপতি, উপসভাপতিজন কর্মৰত চৰকাৰী কর্মচাৰী হব পাৰে নে? (নির্দেশনাৰ কপি দিব)

(খ) কামৰূপ জিলাৰ (মহানগৰ) সিজুবাৰী প্রাথমিক বিদ্যালয়, নটবমা আৰু ৰাজধানী প্রাথমিক বিদ্যালয়ত ছাত্র-ছাত্রী

অনুপাতে শিক্ষক-শিক্ষয়ত্রী অতিৰিক্তভাৱে নিয়োজিত হৈ আছে নেকি?

(গ) যদি আছে, অতিৰিক্ত শিক্ষক-শিক্ষয়ত্রীৰ নাম আৰু চাকৰীত যোগদান কৰা চন, তাৰিখ উল্লেখ কৰিবনে? (ওপৰোক্ত বিদ্যালয়ৰ বিপৰীতে)

(ঘ) ৰাজধানী প্ৰাথমিক বিদ্যালয় চৌহদত "অধিকাৰী ষ্টোৰ্চ" নামৰ এখন গেলামালৰ দোকান থকাৰ বিষয়ে চৰকাৰ জ্ঞাত নে?

(ঙ) যদি জ্ঞাত নহয়, বিভাগে উচ্চ পৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা চৰজমিন তদন্ত কৰি বিধিগত ভাৱে বিহিত ব্যৱস্থা লোৱাৰ বাবে অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব নে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পাৰে। অৱশ্যে উক্ত ব্যক্তিজনৰ ল'ৰা বা ছোৱালী সেই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী হব লাগিব। (নির্দেশনাৰ কপি পৰিশিষ্ঠ "ক" ত দিয়া হ'ল)।

(খ) আছে।

(গ) ছাত্র-ছাত্রী অনুপাতে সিজুবাৰী প্ৰাথমিক বিদ্যালয়ত ৪ গৰাকী আৰু ৰাজধানী প্ৰাথমিক বিদ্যালয়ত ১০ গৰাকী অতিৰিক্ত শিক্ষক শিক্ষয়িত্ৰীআছে, (প্ৰতিলিপি "খ" সংলগ্ন কৰা হ'ল)।

(ঘ) ৰাজধানী প্ৰাথমিক বিদ্যালয় চৌহদত "অধিকাৰী ষ্টোৰ্চ" নামৰ গেলামালৰ দোকান থকাটো চৰকাৰ জ্ঞাত নহয়।

(ঙ) হয়, কৰা হব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৩১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিগত পঞ্চায়ত নিৰ্বাচনত গোৱালপাৰা আৰু কামৰূপ গ্ৰাম্য জিলাত নিৰ্বাচন কেন্দ্ৰিক সংঘাত আৰু গোষ্ঠীগত সংঘৰ্ষত কিমান সংখ্যক মানুহৰ মৃত্যু হৈছিল ? (নাম ঠিকনাৰ সৈতে তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত মৃত ব্যক্তিৰ কিমান সংখ্যক আৰক্ষীৰ দ্বাৰা আৰু কিমান সংখ্যক গোষ্ঠীগত সংঘৰ্ষৰ জৰিয়তে মৃত্যু হৈছে ? (নাম ঠিকনাৰে সৈতে পৃথকে পৃথকে তালিকা সদনত দাখিল কৰিব)

(গ) উক্ত নিৰ্বাচন কেন্দ্ৰীক আৰু গোষ্ঠীগত সংঘৰ্ষত কিমান সংখ্যক পৰিয়ালৰ গৃহ জাহ গ'ল আৰু গৃহহীন হ'ল ? (নাম ঠিকনাৰ সৈতে তালিকা সদনত দাখিল কৰিব)

(ঘ) উক্ত সময় ছোৱাত এনেকুৱা সংঘৰ্ষ হব বুলি গৃহ বিভাগে আগতীয়াকৈ কোনো তথ্য লাভ কৰিছিল নে ?

(ঙ) যদি লাভ কৰিছিল, সেই তথ্য শুদ্ধ আছিল নে ভুল আছিল?

(চ) যদি শুদ্ধ আছিল, এই তথ্য কোন সংশ্লিষ্ঠ কতৃপক্ষৰ দ্বাৰা প্ৰাপ্ত হৈছিল ?

(ছ) ভুল তথ্য দিয়া সংশ্লিষ্ঠ বিষয়া কৰ্মচাৰীৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? বিতং তথ্য সদনত জনাব।

শ্রীযুত ৰকিবুল হুছেইন (পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বিগত পঞ্চায়ত নিৰ্বাচনত গোৱালপাৰা আৰু কামৰূপ জিলাত নিৰ্বাচন কেন্দ্ৰিক সংঘাত আৰু গোষ্ঠীগত সংঘৰ্ষত মূঠ ২১ জন লোকৰ মৃত্যু হৈছিল। "খ" প্ৰশ্নৰ উত্তৰৰ লগত তালিকা সন্নিৱিষ্ট কৰা হ'ল।

(খ) উক্ত মৃত ব্যক্তিৰ ১৪ জন আৰক্ষীৰ গুলীচালনাত আৰু ৭ জন গোষ্ঠীগত সংঘৰ্ষত মৃত্যু হৈছিল নাম আৰু ঠিকনাৰ সৈতে পৃথকে পৃথকে তালিকা "ক" ত সংলগ্ন কৰি দিয়া হ'ল।

(গ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য মতে ৭৭৩ টা পৰিয়ালৰ গৃহ জাহ যায় আৰু গৃহহীন হয়।

(ঘ) হয়, ৰাভা হাচং এলেকাৰ কিছুমান ঠাইত পঞ্চায়ত নিৰ্বাচন হ'লে হিংসাত্মক ঘটনা হ'ব পাৰে বুলি অসম চৰকাৰ অৱগত

আছিল যদিও ইয়াৰ ভয়াবহতা আৰু পৰিধি সম্পৰ্কে সঠিকভাবে পূৰ্বানুমান কৰিব পৰা নাছিল।

(ঙ) গোৱালপাৰাৰ হিংসাত্মক ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত তথ্য সমূহ শুদ্ধ বুলি প্ৰমাণিত হৈছে।

(চ) প্ৰশ্ন নুঠে।

(ছ) প্ৰশ্ন নুঠে।

Sub : Short Notice Question.

SHRI SHERMAN ALI AHMED ASKED :

32. Will the Minister of Education be pleased to State:

(a) Is it true that Md. Jelhajuddin, BEEO, Mandia had been transferred and Sri Hara Kanta Deka, BEEO, Central Golaghat (Dhekil) had been posted in his place vide Govt. notification no.

AEE.175/2004/149 and AEE.175/2004/149(a) dtd. 20-10-2012 ?

(b) It is also true that Hon'ble Minister, Education etc. had ordered the Commissioner & Secretary, Education on 13/12/2012 on the body of D.O. Letter no. 45/D-2(i)/2012-13 dtd. 9/12/2012 of the local MLA for releasing the officer, viz Sri Jelhajuddin, BEEO ?

(c) If answer to Q. no. (a) and (b) above are yes, why the officer, viz Sri Jelhajuddin, BEEO has not been released as yet ?

(d) Will the Govt. be pleased to release the said officer early ? If yes, please specify the definite time-frame.

Dr. Himanta Biswa Sarmah (Minister Education) replied :

(a) Yes

(b) Yes

(c) The Endorsement of the Hon'ble Minister was received in the department on 24-12-12. In the meantime, as representation had been received to stay the transfer order in view of the fact that he had completed only one and half years service at Mandia block and due to his various illness, the file had been processed again. At the same time in view of Panchayat election had been declared and therefore, the transfer order had not been effected. However, now the Education (Elementary) Deptt. has issued an order vide., A(I)E. 175/2004/Pt/4

dated 18-3-13 directing Md. Jelhajuddin B.E.E.O., Mandia to hand over the charge of B.E.E.O., Mandia immediately. Accordingly Md. Jelhajuddin, B.E.E.O, Mandia has handed over the charge of B.E.E.O, Mandia vide Charge report No. BEEM/25/12-13-/01-13 dated 1-4-13 (copy ay Annexure "A").

(d) As stated at point (c).

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৩৩। মাননীয় কর্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাত প্রশাসনিক সহ প্রতিটো বিভাগত কর্মৰত মূঠ বিষয়া কর্মচাৰীৰ সংখ্যা কিমান ?

(খ) প্রতিজন বিষয়া কর্মচাৰীৰ নাম, পদবীসহ সদনত দাখিল কৰিবনে ?

(গ) প্রতিজন কর্মচাৰীৰ সংশ্লিষ্ট কার্য্যালয়ত যোগদানৰ তাৰিখ উল্লেখ কৰি সদনত দাখিল কৰিবনে ?

শ্রী পৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ব্যৱস্থাপনা, শ্ৰম আৰু নিয়োগ তথা চাহ জনজাতি কল্যাণ, অসম, বিভাগৰ মন্ত্রী) য়ে কৰ্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা বৰ্ত্তমানলৈকে পোৱা তথ্য অনুসৰি ধুবুৰী জিলাত ৩৪ টা বিভাগত কৰ্মৰত মূঠ বিষয়া কৰ্মচাৰীৰ সংখ্যা ৬৩১৫ জন।

(খ) ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা বৰ্ত্তমানলৈকে পোৱা তথ্য অনুসৰি প্ৰতিজন বিষয়া, কৰ্মচাৰীৰ নাম আৰু পদবীৰ তালিকা **অনুবদ্ধ-(ক)** ত উল্লেখ কৰা হ'ল।

(গ) ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা বৰ্ত্তমানলৈকে পোৱা তথ্য অনুসৰি প্ৰতিজন কৰ্মচাৰীৰ সংশ্লিষ্ট কাৰ্য্যালয়ত যোগদানৰ তাৰিখ **অনুবদ্ধ-(ক)** ত উল্লেখ কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্রী দিলীপ মৰাণে সুধিছে ঃ

৩৪। মাননীয় কর্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লখিমপুৰ জিলাৰ বৰ্তমানৰ উপায়ুক্ত জনৰ ইতিমধ্যে দুবাৰকৈ বদলিৰ নিৰ্দেশ জাৰি হোৱাৰ কথাটো সত্য নেকি?

(খ) যদি সত্য তেন্তে তাৰ পাছতো তেওঁ কেনেকৈ একে পদতে নিৰ্বাহ কৰি আছে ?

(গ) উপায়ুক্তজনৰ বদলিৰ নিৰ্দেশ দুয়োবাৰে স্থগিত ৰখা হৈছে নেকি ? যদি হৈছে তেন্তে কি কাৰণে স্থগিত ৰখা হৈছে?

(ঘ) এই ক্ষেত্ৰত ৰাজনৈতি হস্তক্ষেপ হৈছে নেকি ?

শ্ৰী পৃথিৰী মাঝিয়ে (ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ব্যৱস্থাপনা, শ্ৰম আৰু নিয়োগ তথা চাহ জনজাতি কল্যাণ, অসম, বিভাগৰ মন্ত্ৰী) য়ে কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) কথাটো সত্য।

(খ) প্ৰথমবাৰৰ বদলিকৰণৰ নিৰ্দেশ মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিতৰ আদেশ দিয়ে। দ্বিতীয় বাৰৰ বদলি

কৰণৰ নির্দেশ বাহাল আছে।

(গ) দ্বিতীয়বাৰৰ বদলিকৰণ নির্দেশ এতিয়াও বাহাল আছে।

(ঘ) এনে তথ্য কর্মচাৰী বিভাগৰ হাতত নাই।

Sub : Short Notice Question.

SHRI PRAFULLA KUMAR MAHANTA ASKED :

35. Will the Minister of Home be pleased to state-

(a) Is it a fact that Mr. Joel Gorlosa erstwhile the chairman of DHD(J) and Mr. Niranjan Hojai the then Self Style c-in-c of DHD(J) were granted interim bail by the Gauhati High Court against the National Investigation Agency (NIA) case No. 01/09 and NIA cas No. 02/09 in the year 2011 and it has been extended from time to time till now after the affidavit filed by the Govt. of Assam stating that the State Govt. did not opposed the bail petitions

of the above mentioned alleged accused persons. If yes, what steps has been taken for releasing other alleged co-accused persons ? Please give in detail.

(b) Whether the members of the banned DHD(J) organization had been recruited in the Assam Police Forces during the year 2010 and 2011. If yes, please furnish all the names of such appointees.

(c) Whether the withdrawal from the prosecution against all the alleged accused persons of National Invastigation Agency (NIA) case No. 01/09 and NIA case No. 02/09, New Delhi shall be considered as per the clause of the Memorandum of Settlement (MoS) signed

between the Govt of India, Govt. of Assam and both groups of DHD. If yes, what steps has been taken so far the same ?

(d) Is it a fact that State Govt. of Assam has taken its stand in respect of Mr. Joel Gorlosa the then chairman of DHD(J) and Mr. Niranjan Hojai the c-in-c of the DHD(J) other than alleged civilian co-accused persons to invoke the powers under article 161 and 162 of the constitution and its corresponding provisions of the C.R.P.C. in the matter of National Invastigation Agency (NIA) case No. 01/09 and NIA case No. 02/09. If yes, please furnish in detail.

(e) Whether the AssamPolice can arrest the Chief Executive Member (CEM) of the

Autonomous Council under the sixth schedule area without the prior written permission from His Excellency, the Governor of Assam. If yes, please furnish in detail.

Shri Rakibul Hussain (Minister of Environment and Forest and Panchayat & Rural Development etc) replied on behalf of the Home Minister :

(a) It is a fact that Jeol Garlosa, the chairman of DHD(J) and Niranjan Hojai, the then self styled C-in-C of DHD(J) have been granted interim bail by the Hon"ble Gauhati High Court, Guwahati in National Investigation Agency (NIA) case No. 01/09 and NIA case No. 02/09 in 2011 on conditions laid own by the NIA. The state Govt. also recommended

granting of the bail of the above mentioned accused persons in view of the peace process. The interim bail has been extended periodically in the interest of signing of the Memorandum of Settlement (MoS) which has been signed between the representative of the Govt. of India, the Govt. of Assam and the DHD(N)/ DHD(J) on 08/10/2012 at New Delhi.

No such steps has been taken for releasing other alleged co-accused as they didn't have any role in the peace process.

(b) 110 DHD(J) cadres selected by the Recruitment Board were recruited as constables in Assam Police Battalion. Their names are enclosed at **Annexure 'A'**. (See Annexure -L.- I)

(c) Criminal cases registered against members of the DHD(N) and DHD(J) groups for non-heinous crime may be withdrawn by the State Government as per procedure established by law. Criminal cases registered against members of the DHD(N) and DHD(J) groups for heinous crimes shall be reviewed case by case according to the existing policy on the subject and, wherever feasible, steps for withdrawal of such cases will be initiated by State Government. Withdrawal of cases against such persons and those related to over-ground DHD(N) and DHD(J) groups movement since their inception shall be considered according to the existing policy of the State of Assam. However, it is not

possible to withdraw a case without permission from Hon'ble Courts.

(d) As mentioned in SL. No. (a).

(e) There is no provision in Criminal Procedure Code, 1973 that prior permission, whether written or verbal, should be obtained before arresting a person, involved in any criminal case. So, the prior permission from His Excellency, the Governor of Assam is not necessary to arrest the CEM of the Autonomous Council under Sixth Schedule areas of the Constitution of India, if wanted in a criminal case.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী নৱ কুমাৰ দলেই সুধিছে ঃ

৩৬। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০১১ চনৰ ১ জানুৱাৰীৰ পৰা ২০১৩ চনৰ ২০ মার্চলৈকে তথ্য আৰু জনসংযোগ বিভাগে কোনখন বাতৰি কাকতত কিমান পৰিমানৰ, বিজ্ঞাপন দিলে ? বাতৰি কাকতৰ নাম-ঠিকনা, প্ৰতিখন কাকতৰ বিপৰীতে দিয়া বিজ্ঞাপনৰ পৰিমানৰ কলমৰ ছেন্টিমিটাৰ হিচাপ আৰু ইয়াৰে কিমান ৰঙীন আৰু কিমান কলা-বগা ? (বিতং তথ্য দিব)। অনুগ্ৰহ কৰি তথ্যখিনি মাহ অনুযায়ী দিব।

শ্ৰী বসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)) য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ ১ জানুৱাৰীৰ পৰা ২০১৩ চনৰ ২০ মার্চ লৈকে তথ্য আৰু জনসংযোগ বিভাগে বাতৰি কাকত সমূহত দিয়া বিজ্ঞাপনৰ পৰিমান বাতৰি কাকত সমূহৰ নাম-ঠিকনা, প্ৰতিখন বাতৰি কাকতৰ বিপৰীতে দিয়া বিজ্ঞাপনৰ পৰিমানৰ কলম চেন্টিমিটাৰ হিচাপ আৰু কিমানটা ৰঙীন আৰু কিমানটা ক'লা-বগা দিয়া হৈছে তাৰ হিচাপ সংলগ্ন ক, খ, গ, ঘ, ঙ, চ ত দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী মজিবুৰ ৰহমানে সুধিছে ঃ

৩৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৮৫ নং ৰূপহীহাট সমষ্টিৰ লাওঁখোৱা প্ৰথমিক শিক্ষা খণ্ডৰ

অৰ্ন্তগত "হাজী আব্দুল জব্বৰ মোক্তাব বিদ্যালয়" খনৰ সম্পৰ্কে ২০১১ চনৰ ডিচেম্বৰ অধিবেশনত ৭৭ নং তৰাযুক্ত প্ৰশ্নৰ যোগেদি বিভাগীয় মন্ত্ৰীলৈ সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে তদন্ত অব্যাহত থকা বুলি জনাইছিল, উক্ত তদন্ত সম্পূৰ্ণ হ'লনে ? যদি হৈছে তেন্তে তদন্তৰ কপি সদনত দাখিল কৰিব নে ?

(খ) উক্ত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা বৰ্ত্তমানলৈকে কিমানজন শিক্ষক শিক্ষয়ত্ৰীয়ে শিক্ষকতা কৰিলে জনাবনে ?

(গ) এই বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষকজন কোন ? তেওঁৰ নাম ওঁ ঠিকনাৰ লগতে তেখেতে কেতিয়ালৈকে উক্ত

বিদ্যালয় খনত শিক্ষকতা কৰিছিল, তথ্য সহ সদনত জনাবনে?

(ঘ) প্ৰতিষ্ঠাৰ সময়ত এই বিদ্যালয়খন ক'ত স্থাপন কৰা হৈছিল আৰু বৰ্ত্তমান এই বিদ্যালয়খন ক'ত অৱস্থিত ?

(ঙ) উক্ত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা ২০১২ চনলৈকে কোনে কোনে এই বিদ্যালয়খন পৰিদৰ্শন কৰিছিল ? পৰিদৰ্শক সকলৰ নাম ওঁ পৰিদৰ্শনৰ প্ৰতিবেদনৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে ?

(চ) উক্ত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা ২০১২ চনলৈকে কিমান ছাত্ৰ-ছাত্ৰীয়ে এই বিদ্যালয়খনত নাম ভৰ্তি কৰিছিল? বছৰ ভিত্তিত তালিকা দিব। আনহাতে কোন বছৰত কিমানজন ছাত্ৰ-ছাত্ৰী এই বিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণ হোৱা Certificate ৰ Counter foil ৰ কপি বছৰ ভিত্তিত পৃথকে পৃথকে সদনৰ মজিয়াত দাখিল কৰিবনে ?

(ছ) উক্ত বিদ্যালয়খনৰ ২০০৫ চনৰ পৰা ২০১২ চনলৈ DISE ৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিবনে ?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, তদন্ত সম্পূর্ণ হৈছে। জিলা প্রাথমিক শিক্ষা বিষয়া নগাওঁৰ তদন্তৰ প্রতিবেদন Annexure – I ত দাখিল কৰা হ'ল।

(খ) উক্ত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা বর্ত্তমানলৈকে ৩ জন শিক্ষক শিক্ষয়িত্রীয়ে কাম কৰি আছে।

(গ) বিদ্যালয়খনৰ প্রতিষ্ঠাপক শিক্ষক মোঃ নুৰুল ইছলাম, পিতা- মোঃ আবুবক্কৰ ছিদ্দিক, গাওঁ- কোচঁগাও, জিলা -নগাওঁ, অসম। তেখেতে ১৯৮৭ চনলৈকে এই বিদ্যালয়খনত শিক্ষকতা কৰিছিল।

(ঘ) প্রতিষ্ঠাৰ সময়ত বিদ্যালয়খন কোচঁগাওত স্থাপন কৰা হৈছিল আৰু বর্ত্তমান কোচঁগাও কিচমত ১০০ নং পট্টা ৫/৬ নং দাগত অৱস্থিত।

(ঙ) সহ পৰিদৰ্শক, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সকলে পৰিদৰ্শন কৰা পৰিদৰ্শন টোকাৰ ফটো কপি **Annexure – II** ত দাখিল কৰা হ'ল।

(চ) বিদ্যালয়খন স্থাপনৰ পৰা ২০০৫ চনলৈ তথ্যসমূহ হেৰুৱা বাবে দিব পৰা নগ'ল। এই সম্পৰ্কত ৰূপহী থানাত এজাহাৰ দাখিল কৰা হৈছিল। ২০০৬ চনৰ পৰা ২০০৯ চনলৈ ছাত্ৰ-ছাত্ৰীৰ ভৰ্ত্তি তালিকা আৰু উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ Certificate ৰ Counterfoil ৰ কপি **Annexure – III** দাখিল কৰা হ'ল। ২০০৯ চনৰ পৰা ২০১২ চনলৈ তথ্য বিচৰা হৈছে।

(ছ) ২০০৮-০৯ বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈকে DISE ৰ ফটো কপি **Annexure – III** ত দেখুওৱা হ'ল। ২০০৫ চনৰ পৰা ২০০৭ চনলৈ তথ্য বিচৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৩৮। মাননীয় সচিবালয় প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম সচিবালয়ত বৰ্ত্তমান কোন পর্যায়ৰ কিমান বিষয়া কর্মচাৰী আছে ? বৰ্ত্তমান কোন কোন পর্যায়ৰ কিমান পদ খালী হৈ আছে। এই পদ সমূহ কেতিয়া পূৰণ কৰা হ'ব।

(খ) অৱসৰ গ্রহণৰ পিছত অসম সচিবালয়ত পূনৰ কোন কোন বিষয়া কর্মচাৰীক পুনৰ নিযুক্তি (Re-mployed) দিয়া হৈছে ? বিষয়া কর্মচাৰী সকলক কেতিয়াৰ পৰা পুনৰ নিযুক্তি দিয়া হৈছে ? কি কাৰণত এই বিষয়া সকলক পুনৰ নিযুক্তি দিয়া হৈছে। প্রতিজন বিষয়া কর্মচাৰীৰ বিপৰীতে কাৰণবোৰ জনাব।

মাননীয় সচিবালয় প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে উত্তৰ দিব ঃ

(ক) অসম সচিবালয়ত বৰ্ত্তমান কর্মৰত অৱস্থাত তলত উল্লেখ কৰা ধৰণৰ বিষয়া কর্মচাৰী আছে ঃ

১। ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া ৬১ জন
২। অসম অসামৰিক সেৱা বিষয়া ১৮৬ জন

(See Annexure –L - II)

পদবী বিশেষে অনুবদ্ধ 'ক'ত দিয়া হ'ল

৩। ৰাজপত্ৰিত কোষৰ অধীনত ২৬৬ জন
৪। তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা ১৩২৫ জন
৫। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা ৭৫০ জন

(See Annexure –L - III)

পদবী বিশেষে অনুবদ্ধ 'গ 'ত দিয়া হ'ল

অসম সচিবালয়ত বৰ্ত্তমানে বিভিন্ন পৰ্যায়ত খালী হৈ থকা পদৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

১। ৰাজপত্ৰিত কোষৰ অধীনত ৮৯ জন
২। তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ ৫০৪ জন
৩। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ১৯৫ জন

(See Annexure –L - IV)

পদবী বিশেষে অনুবদ্ধ 'খ 'ত দিয়া হ'ল

২। অসম সচিবালয়ৰ ৰাজপত্রিত কোষৰ অধীনত অৱসৰ গ্রহণৰ পিছত পুনৰ নিযুক্তি পোৱা ও পুনৰ নিযুক্তিৰ কাৰণ তালিকা সহ অনুবদ্ধ 'ঙ' ত দিয়া হ'ল। (See Annexure – L-VI)

৩। কর্মচাৰী (ক) বিভাগৰ অনুমোদনৰ চর্ত্ত সাপেক্ষে সচিবালয় প্রশাসন-বিভাগে যোৱা ইং ৩১-০১-২০১৩ তাৰিখে অৱসৰ গ্রহণ কৰা যুটীয়া সচিব শ্রী ৰাজেন চন্দ্র দাসক বিশেষ কর্ত্তব্যৰত বিষয়া হিচাবে ইং ২২-০২-২০১৩ তাৰিখৰ পৰা কার্যকৰী হোৱাকৈ পুনৰ নিযুক্তি প্রদান কৰা হৈছে।

বর্ত্তমানে তেখেতক সচিবালয় সংস্থাপন বিভাগত প্রয়োজনীয় সংখ্যাতকৈ বিষয় কম হোৱা বাবে বিভাগৰ কর্ট কেছ / বিভাগীয় বিচাৰ আদিৰ দৰে বিষয় সমূহ পৰীক্ষা কৰিবলৈ দিয়া হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৩৯। মাননীয় খনি ও খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন -কোন ঠাইত কি কি খনিজ আৰু খনিজাত সামগ্ৰী পোৱা যায়। এই সামগ্ৰীবোৰ অসমৰ ভুখণ্ডত আৰু কিমান আছে। এই বিষয়ত বিভাগে কিবা অধ্যয়ন কৰিছেনে ? সদনত প্ৰতিলিপি দাখিল কৰিব।

(খ) অসমৰ কোনোবা স্থানত আৰু কিবা খনিজ বা খনিজাত সামগ্ৰীৰ সন্ধান পোৱা গৈছে নেকি ? যদি গৈছে, ক'ত কি কি সামগ্ৰী আছে ?

(গ) অসম চৰকাৰে কি কি খনিজ বা খনিজাত সামগ্ৰীৰ পৰা কি হাৰত ৰয়েল্টি লাভ কৰে। ২০০৬-২০০৭ বিত্তীয় বৰ্ষৰ পৰা এতিয়ালৈ প্ৰতিবিধ সামগ্ৰীৰ বাবদ ৰাজ্য চৰকাৰে

কিমানকৈ টকা ৰয়েলিটি লাভ কৰিছে। বিত্তীয় বর্ষ অনুযায়ী সদনত পৃথকে পৃথকে তথ্য দিব।

(ঘ) ৰয়েলিটি বঢ়াবৰ বাবে ৰাজ্য চৰকাৰে কিবা পদক্ষেপ হাতত লৈছে নেকি ? যদি লৈছে, [পদক্ষেপ হাতত লৈছে। এই ক্ষেত্রত কেন্দ্রলৈ লিখা পত্রৰ প্রতিলিপি সদনত দাখিল কৰিব।

(ঙ) বর্ত্তমান বিভাগটোত কোনো নতুন আঁচনি বা ভিছন আছে নেকি ? যদি আছে কি ? সদনত বিস্তৃত ভাৱে জনাব।

শ্রী খৰছিং ইংতি (খনি ও খনিজাত দ্রব্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

ক) অসমৰ ভুখণ্ডত খনি আৰু খনিজাত সামগ্রী পোৱা ঠাইবোৰৰ নাম তলত উল্লেখ কৰা হ'ল ঃ

খনিজাত সামগ্রী	ঠাই
খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ	১। তিনিচুকীয়া জিলাৰ তিনিচুকীয়া, ডিগবৈ, ডুমডুমা, মেচাকী, বাঘজান, বৰহাপজান, হুগ্ৰীজান, টিংৰাই , চান্দমাৰী আদি।
	২। ডিব্ৰুগড় জিলাৰ মৰাণ, নাহৰকটিয়া, চাবুৱা, ধলিয়া, ডিকাম, টেঙাখাত, আদি।
	৩। শিৱসাগৰ জিলাৰ চাৰিআলি, চাংমাই গাওঁ, গেলেকী, লাইপুলিগাওঁ, দিচাংমুখ, ৰিদ্ৰসাগৰ, সাগৰ, লাকুৱা, বনমালী, নামতি, চৰাইদেউ আদি।
	৪। যোৰহাট জিলাৰ বৰহোলা, মেকেৰং।
	৫। গোলাঘাট জিলাৰ খোৱাঘাট, উৰিয়াম ঘাট।
	৬। কাছাৰ জিলাৰ ভুন্দৰ, বাচকান্দী, বদৰপুৰ।
	৭। কৰিমগঞ্জ জিলাৰ আদমটিলা।

খনিজাত সামগ্রী	ঠাই
কয়লা	১। তিনিচুকীয়া জিলাৰ লিডু, ববগোলাই, লেখাপানী, নামদাং, টিকক আদি। ২। ডিব্রুগড় জিলাৰ দিল্লী আৰু জয়পুৰ। ৩। ডিমাহাচাও জিলাৰ গৰমপানী, খোটাআৰ্দা ৪। কার্বি আংলং জিলাৰ কয়লাজান, শিলভেটা, ক্লুডুং আদি।
চুণশিল	১। ডিমাহাচাও জিলাৰ উমাৰংচু, জুইপাহাৰ। ২। কার্বি আংলং জিলাৰ ডিলাই পর্বত, কয়লাজান, শিলভেটা আদি
চীনামাটি	কার্বি আংলং জিলাৰ আপাৰ দেওপানী, শিলভেটা আদি।
আকৰিকলো	১। ধুবুৰী জিলাৰ চান্দডিঙা। ২। গোৱালপাৰা জিলাৰ লেংগুৰপাৰ, কুমাৰী।

* Speech not corrected

খনিজাত সামগ্রী	ঠাই
গ্লাছচেণ্ড	নগাওঁ জিলাৰ জিয়াজুৰী
চিলিমেনাইট	কার্বি আংলং জিলাৰ ছিপ্পিলাংছ।
গ্রেনাইট	১। কার্বি আংলং জিলাৰ মহামায়া, চেণ্টাৰবজাৰ, বেল্লুঘাট, চিলনীজান, বৰজুৰী। ২। কামৰূপ জিলাৰ দুধকুৰী পাহাৰ, আগচিয়া পাহাৰ। ৩। গোৱালপাৰা জিলাৰ কাকিৰ দামাল-চাপলেংকাটা, খুটামাৰী, পাগলাটেক।
ফুলার্চ আর্থ	বাকচা জিলাৰ সুবনখাটা, ভুটানখুটি।

অসমৰ থকা এই খনিজাত সামগ্রীবোৰৰ আনুমানিক পৰিমাণ এনে ধৰণৰ ঃ

ক্রমিক নং	খনিজাত সামগ্রীৰ নাম	আনুমানিক পৰিমাণ
১	খাৰুৱা তেল	২১৯.০০ মিলিয়ন টন।
২	প্রকৃতিক গেছ	১০২৮০৯.০০ মিলিয়ন ঘন মিটাৰ।
৩	কয়লা	৩৭৩.০০ মিলিয়ন টন।
৪	চুণশিল	৬৫২.০০ মিলিয়ন টন।
৫	চীনামাটি	১.০০ মিলিয়ন টন।
৬	আকৰিকলো	১০.০০ মিলিয়ন টন।
৭	গ্লাছচেণ্ড	১৫০.০০ মিলিয়ন টন।
৮	চিলিমেনাইট	০.৮০ মিলিয়ন টন।
৯	গ্রেনাইট	৩৪৬.৫০ মিলিয়ন ঘন মিটাৰ।

খনি ও খনিজাত দ্রব্য বিভাগে খাৰুৱাতেল আৰু প্রাকৃতিক গেছ বাদদি বাকী খনিজাত সামগ্রীৰ বিষয়ে অনুসন্ধান ও জৰীপ চলাইছিল। ইয়াৰ পৰিমানৰ বিৱৰণ লগত সংলগ্ন

কৰা হ'ল। এই বিভাগে পূৰ্বতে কৰা জৰীপ অনুসৰি গ্লাছচেণ্ডৰ পৰিমাণ আছিল ১০.০০ মিলিয়ন টন। পিছত ভাৰত চৰকাৰৰ অধীনৰ বিস্তৃত ও পুঙ্খানুপুঙ্খভাৱে কৰা অনুসন্ধান ও জৰীপৰ ফলস্বৰূপে আহৰণ কৰিব পৰা গ্লাছচেণ্ডৰ পৰিমাণ ১৫০.০০ মিলিয়ন টন।

(খ) বৰ্তমান অসমৰ কোনো স্থানত আৰু কিবা খনিজাত সামগ্ৰীৰ নতুনকৈ সন্ধান পোৱা নাই।

(গ) অসম চৰকাৰে বৰ্তমান খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা আৰু চুণশিলৰ পৰা ৰয়েল্টি লাভ কৰি আছে। চুণশিলৰ বাদে বাকীবোৰৰ ৰয়েল্টিৰ হাৰ বিক্ৰী মুল্যৰ ওপৰত নিৰ্ভৰ কৰে ৰাবে স্থিৰ নহয়। ২০১২-১৩ বৰ্ষত বৰ্তমান এই খনিজাত সামগ্ৰীবোৰৰ ৰয়েল্টিৰ হাৰ এনে ধৰণৰ ঃ-

ক্রমিক নং	খনিজাত সামগ্রীৰ নাম	ৰয়েল্টিৰ হাৰ
১	চুণশিল	প্রতি টনত ৬৩ টকা
২	কয়লা	প্রতি টনত ৬৬৭ টকা (গড় হিচাপত)
৩	খাৰুৱা তেল	প্রতি কিলোলিটাৰত ২৮৭৭ টকা (গড় হিচাপত)
৪	প্রকৃতিক গেছ	প্রতি হেজাৰ ঘন মিটাৰত ৬২৬ টকাৰ পৰা ১১২৯ টকালৈ।

২০০৬-০৭ বিত্তীয় বর্ষৰ পৰা অসম চৰকাৰে লাভ কৰা ৰয়েল্টিৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল

(কৌটি টকাত)

ক্রমিক নং	বর্ষ	খাৰুৱা তেল	প্রাকৃতিক গেছ	কয়লা	চুণশিল	মুঠ
১	২০০৬-০৭	১৩৫১.৭১	৩২.৮৫	১৯.৫০	০.৫৩	১৪০৪.৫৯
২	২০০৭-০৮	১৫১১.৮২	৩৫.১৪	২১.১৮	০.৭৫	১৫৬৮.৮৯
৩	২০০৮-০৯	১৫৪০.৮০	২৯.৪৯	১৯.১৫	০.৬৩	১৫৯০.০৭
৪	২০০৯-১০	১৪০৮.৪১	৩২.৬০	৩৪.২১	০.৯৪	১৪৭৬.১৬
৫	২০১০-১১	১০৬৫.৪৬	১০১.২৩	২৯.০৫	০.৭২	১৬৯৬.৪৬
৬	২০১১-১২	১৮৩০.৮৩	১৩৬.৩৭	২৫.৮৯	০.৭৩	১৯৯৩.৮২
৭	২০১২-১৩ (ফেব্রুৱাৰী, ২০১৩ পর্য্যন্ত)	১২৮৬.৬৪	১৪০.২৫	৪৩.৩৩	১.৫১	১৪৭১.৭৩

(ঘ) অসম চৰকাৰে অনুভব কৰে যে খাৰুৱা তেলৰ উৎপাদনৰ ওপৰত পাবলগীয়া হিচাপত ৰয়েল্টি পোৱা নাই। কেন্দ্রীয় চৰকাৰৰ ৰয়েল্টিৰ নতুন ফৰ্মুলা অনুসৰি তেল খাদ মূল্যৰ ২০% ৰ সলনি ১৬.৬৬% ৰয়েল্টি হিচাপে অসমে পাই আছে। তাৰোপৰি, কেন্দ্রীয় চৰকাৰে ২০০৮ চনৰ নির্দেশনাৰ জৰিয়তে নির্ধাৰিত খাৰুৱা তেলৰ ৰেহাই বিক্রী মূল্যত (discount sale price) ৰয়েল্টি দিয়াৰ বাবদ অসমে বুজন পৰিমাণৰ ৰয়েল্টিৰ লোকচান ভৰিবলগীয়া হৈছে। সেইবাবে খাৰুৱা তেলৰ ৰয়েল্টি বৃদ্ধি কৰিবৰ বাবে বিস্তৃত কাৰণ দর্শাই অসম চৰকাৰে ২০১১ চনৰ চেপ্তেম্বৰ মাহত কেন্দ্রীয় পেট্রোলিয়াম মন্ত্রী মহোদয়লৈ পত্র প্রেৰণ কৰিছিল।

এই পত্রৰ প্রতিলিপি সংলগ্ন কৰা হ'ল।

(ঙ) বর্তমান বিভাগটোত কোনো নতুন আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪০। মাননীয় কর্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বর্তমান অসমত কিমান জন আই এ এছ বিষয়া আছে। ইয়াৰে কিমান জন অসমৰ আৰু কিমানজন অসমৰ বাহিৰৰ। তেওঁলোকৰ নাম জেষ্ঠতাৰ ভিত্তিত জনাব।

(খ) বর্তমান অসমত কোন কোন আই এ এছ বিষয়াৰ বিৰুদ্ধে কি কি গোচৰ চলি আছে। এই গোচৰবোৰ বর্তমান কি পর্য্যায়ত আছে।

(গ) বর্তমান অসমত কিমান জন আই এ এছ আৰু এ চি এছ বিষয়াই IPR দাখিল কৰা নাই। তেওঁলোকৰ নাম, তেওঁলোকৰ কাৰ কাৰ বিৰুদ্ধে কি ব্যৱস্থা হাতত লোৱা হৈছে, সবিশেষ তথ্য সদনত জনাব।

(ঘ) বর্তমান অসমত কিমানটা আই এ এছ আৰু এ চি এছৰ পদ খালী হৈ আছে ?

শ্রী পৃথিৱী মাঝি (ৰাজহ আৰু দুর্যোগ প্রশমন ব্যৱস্থাপনা, শ্রম আৰু নিয়োগ তথা চাহ জনজাতি কল্যাণ, অসম, বিভাগৰ মন্ত্রী) য়ে কর্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বর্তমান অসমত ১০৯ জন আই এ এছ বিষয়া আছে। ইয়াৰে ৫০ জন অসমৰ আৰু বাকীসকল অসমৰ বাহিৰৰ। জেষ্ঠতাৰ ভিত্তিত তেওঁলোকৰ নামৰ তালিকা অনুবদ্ধ "ক" ত দিয়া হ'ল। (See Annexure –L - VII)

(খ) বর্তমান অসমত যিসকল আই এ এছ বিষয়াৰ বিৰুদ্ধে গোচৰ চলি আছে আৰু এই গোচৰ বোৰ বর্তমান কি পর্যায়ত আছে তাৰ বিতং তথ্য অনুবদ্ধ "খ" ত দিয়া হৈছে। (See Annexure –L - VIII)

(গ) বর্তমান (২০১২ বর্ষত) অসমত ২ জন আই এ এছ বিষয়া আৰু ২৬৪ জন এ চি এছ বিষয়াই (৩১-০৩-২০১৩ পর্য্যন্ত) IPR দাখিল কৰা নাই। তেওঁলোকৰ

নামৰ তালিকা অনুবদ্ধ "গ" দিয়া হৈছে। এই বিষয়া সকলক পত্ৰ যোগে কাৰণ দৰ্শোৱাৰ জাননী দিয়া হৈছে। (See Annexure –L -IX)

(ঘ) বৰ্তমান অসমত ১০ টা আই এ এছ আৰু ৩৮০ টা এচি এছৰ পদ খালী হৈ আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪১। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এন. আৰ. চি. উন্নীতকৰনকলৈ ২০১১ চনৰ পৰা বৰ্ত্তমানলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত কি কি চিঠি পত্ৰ (মন্ত্ৰী গোট বা কেবিনেট উপ সমিতিৰ প্ৰতিবেদন সহ) আদান প্ৰদান কৰা হৈছিল ? (সেই সকলোৰে প্ৰতিলিপি দাখিল কৰিব)।

(খ) অসমত সম্পূৰ্ণ কৈ এন. আৰ. চি. কেতিয়া উন্নীত হব। এন. আৰ. চি. লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত যি

বৈঠক বহিছিল, সেই বৈঠক বোৰৰ মাইনুটছৰ প্ৰতিলিপি ও সদনত দাখিল কৰিব।

(গ) এন. আৰ. চি. উন্নীতকৰনৰ প্ৰস্তুতি হিচাপে ৰাজ্য চৰকাৰে এতিয়ালৈকে কি কি কৰিলে ?

(ঘ) এন. আৰ. চি. ৰ বাবে বৰ্ত্তমানলৈ অসমৰ কিমান টকা খৰচ হ'ল ? এইটকা কেন্দ্ৰৰ নেকি?

শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে ৰাজনৈতি বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ পৰা বৰ্ত্তমানলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত আদান প্ৰদান হোৱা চিঠি-পত্ৰৰ প্ৰতিলিপি **পৰিশিষ্ট "ক"** তসংলগ্ন কৰা হ'ল।

(খ) এন. আৰ. চি. উন্নীতকৰণ সংক্ৰান্তত গঠিত কেবিনেট উপ সমিতিৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে।অনুমোদন পালে কাম আৰম্ভ কৰিব পৰা হব। এন.

আৰ. চি. লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বহা বৈঠকৰ মজুত থকা মাইনুটছৰ প্ৰতিলিপি **পৰিশিষ্ট "খ"** ত সংলগ্ন কৰা হ'ল।

(গ) এন. আৰ. চি. উন্নীতকৰণৰ প্ৰস্তুতি হিচাবে উপলব্ধ হোৱা ১৯৫১ চনৰ এন. আৰ. চি. আৰু ১৯৭১ চনৰ ২৪ মাৰ্চলৈ ভোটাৰ তালিকাসমূহৰ Scan তথাdata entry কৰা হৈছে। প্ৰতিখন জিলাতে NRC Cell গঠন কৰিবলৈ উপায়ুক্ত সকলক নিৰ্দেশ দিয়া হৈছে আৰু ইতিমধ্যে Cell সমূহ গঠন কৰা হৈছে। কেবিনেট উপ-সমিতিৰ প্ৰতিবেদন মতে প্ৰথম পৰ্য্যায়ত এন. আৰ. চি. উন্নীতকৰণৰ কাম আৰম্ভ কৰিবলৈ প্ৰস্তাৱ কৰা জিলা ৭ খনৰ উপায়ুক্তসকলক যাবতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিদেৰ্শ দিয়া হৈছে।

(ঘ) এন. আৰ. চি. ৰ বাবে বৰ্ত্তমানলৈ অসমৰ ৩,২০,০৬,৩২১.০০ টকা খৰচ হৈছে। এই টকা কেন্দ্ৰীয় চৰকাৰে দিয়ে।

(ঙ) কেবিনেট উপ-সমিতিৰ অনুমোদন অনুসৰি প্ৰথম পৰ্য্যায়ত ৭ খন জিলা ক্ৰমে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, শোনিতপুৰ, নগাওঁ, আৰু গোলাঘাটত এন. আৰ. চি. উন্নীতকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হব। এই প্ৰক্ৰিয়াত কিমান টকা ব্যয় হব তাৰ হিচাব সঠিককৈ দিয়াটো কঠিন। এই টকা কেন্দ্ৰৰ হব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত জুনিয়ৰ কলেজ সমূহে Subject Concurrence লাভ কৰিবলৈ বিভাগীয় ভাৱে কি কি নীতি নিয়মাৱলীৰ প্ৰয়োজন? (নীতি নিয়মাৱলীৰ প্ৰতিলিপি সদনত দাখিল কৰিব)।

(খ) কলেজৰ অধ্যক্ষই Subject Concurrence ৰ কাৰণে

বিভাগীয় কর্ত্তৃপক্ষৰ ওচৰত ভূল তথ্য দাখিল কৰিলে তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লবনে ?

(গ) বৰপেটা জিলাৰ H.K. Jr. College ত ২০০৩ চনৰ পৰা লৈ 31Dec. 2011 Govt. concurrence লাভ কৰা Subject সমূহৰ কোনটো subject ত কিমানজন ছাত্র-ছাত্রী H.S. প্রথম বর্ষ আৰু H.S. চূড়ান্ত বর্ষৰ পৰীক্ষাত অৱত্তীর্ণ হৈছে ? (বিত্তীয় বর্ষ অনুযায়ী subject-wise ছাত্র-ছাত্রী সংখ্যা উল্লেখ কৰি শুদ্ধ তথ্য সদনত দাখিল কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কনিষ্ঠ মহাবিদ্যালয়ৰ ক্ষেত্রত Subject concurrence লাভ কৰিবলৈ হলে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সিদ্ধান্তৰ ওপৰত চৰকাৰে H.S. প্রথম বর্ষৰ Concurrence দিয়ে। H.S. প্রথম বর্ষৰ concurrence লাভ কৰাৰ পাছত অসম উচ্চতৰ

মাধ্যমিক শিক্ষা সংসদে অনুমতি দিব লাগে। কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা পোৱা আবেদন মর্মে H.S. প্রথম বর্ষৰ concurrence লাভ কৰা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে Temporary Recognition প্রদান কৰে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ Recognition ৰ ওপৰত চৰকাৰে H.S. চূড়ান্ত বর্ষৰ concurrence দিয়ে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ নিয়মাৱলী **পৰিশিষ্ট "ক"** ত দিয়া হ'ল।

(খ) কোনো চৰকাৰী বিষয়া বা কর্মচাৰীয়ে ভূল তথ্য বা নীতিৰ বাহিৰত কাম কৰিলে তেনে বিষয়া বা কর্মচাৰীৰ ওপৰত বিভাগীয় শাস্তিমূলক ব্যৱস্থা আছে ও ব্যৱস্থা লোৱা হয়।

(গ) বৰপেটা জিলাৰ H.K. জুনিয়ৰ কলেজত ২০০৮-০৯ বর্ষৰ পৰা ২০১২-১৩ চনলৈ Govt. concurrence লাভ কৰা Subject সমূহৰ H.S. প্রথম বর্ষ আৰু H.S. চূড়ান্ত বর্ষৰ পৰীক্ষাত অৱতীর্ণ হোৱা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা পোৱা ছাত্র-ছাত্রীৰ তালিকা

পৰিশিষ্ট "খ" ত দিয়া হ'ল। কলেজৰ অধ্যক্ষই জনোৱা মতে ২০০৩ চনৰ পৰা ২০০৭ চনলৈ কার্য্যালয়ৰ বস্তু চুৰি হোৱা বাবে কলেজত তথ্য নাই। ২২-০১-২০১২ তাৰিখৰ কার্য্যকৰী সভাৰ কার্য্যসূচী আৰু অধ্যক্ষই জনোৱা তথ্যটো পৰিশিষ্ট "গ" দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত কিমান সংখ্যক টেট শিক্ষক (এল পি আৰু এম ই স্কুলত) নিযুক্ত হৈ আছে ? জিলা ভিত্তিত তথ্য জনাবনে ? কিমান পদ খালী হৈ আছে ? জিলাভিত্তিত সবিশেষ তথ্য জনাবনে ?

(খ) টেট শিক্ষক সকলৰ দৰমহা বৃদ্ধিৰ বিবেচনা কৰা হৈছে নেকি ? সবিশেষ জনাবনে ?

(গ) টেট শিক্ষক সকলক চিকিৎসা ভাট্টা আৰু চিকিৎসাজনিত ছুটীৰ আৰু আর্জিত ছুটীৰ সুবিধা দিয়া হৈছেনে ? যদি হোৱা নাই, কিয় জনাবনে ?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ নিম্ন আৰু উচ্চ প্রথমিক বিদ্যালয়ত সর্বশিক্ষা অভিযানৰ অধীনত ৪০,৭৫৬ জন শিক্ষকক নিযুক্তি দিয়া হৈছিল। বর্তমান ৰাজ্যখনত নিম্ন প্রথমিক পর্যায়ত ২৫,৩০৪ জন টেট উত্তীর্ণ শিক্ষক আৰু উচ্চ প্রাথমিক পর্যায়ত ৭,৩০৯ জন টেট উত্তীর্ণ শিক্ষক (সর্বমুঠ ৩২,৬১৩ জন) কর্মৰত হৈ আছে। আনহাতে নিম্ন প্রাথমিক পর্যায়ত ১৪,৫০৮ টা আৰু উচ্চ প্রাথমিক পর্যায়ত ১,১১৮ টা পদ খালী হৈ আছে। (জিলা ভিত্তিক তথ্য (See Annexure – I ত দিয়া হ'ল।) (See Annexure –L -X)

(খ) টেট উত্তীর্ণ সর্বশিক্ষা অভিযানৰ অধীনত কর্মৰত

শিক্ষকসকলৰ দৰমহা ১ এপ্রিলৰ পৰা ৰাজ্য চৰকাৰৰ কর্মৰত শিক্ষকৰ লগত সমান্তৰাল কৰা হৈছে আৰু fixed pay ৰ ব্যৱস্থা বন্ধ কৰা হৈছে।

(গ) টেট উত্তীর্ণ সর্বশিক্ষা অভিযানৰ কর্মৰত শিক্ষকসকলৰ দৰমহা অসম চৰকাৰৰ দৰমহা গাঁঠনিৰ আধাৰত কৰা হৈছে। সেয়েহে চিকিৎসা ভাট্টা দৰমহা গাঁঠনিৰ অন্তর্ভূক্ত।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৪। মাননীয় ৰাজহ্ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ্ কৰি জনাবনেঃ

(ক) অসমত বর্ত্তমান কোন জিলাত কিমান মাটিৰ খাজানা অনাদায় হৈ আছে ? এই খাজানা অনাদায়ৰ কাৰন কি ? (অনাদায় খাজানাৰ পৰিমান জিলা ভিত্তিত প্রকাশ কৰিব)।

(খ) অসমত বর্ত্তমান কিমান বাটোৰাৰা গোচৰ এতিয়াও নিষ্পত্তি নোহোৰাকৈ আছে ? দিশপুৰ ৰাজহ চক্র আৰু গুৱাহাটী

ৰাজহ চক্রত বর্ত্তমান কিমানটা বাটোৱাৰা গোচৰৰ আবেদন বিবেচনাধীন হৈ আছে ? এই আবেদনবোৰ কিমান দিনৰ পুৰণি। কিয় এই আবেদনবোৰ দীর্ঘদিন ধৰি কার্য্যালয় দুটাত নিষ্পত্তি নোহোৱাকৈ কেৱল ফাইলতেই আবদ্ধ হৈ আছে। গোচৰ সমূহ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰু দর্যোগ ব্যৱস্থাপনা বিভাৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে ১৪ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য অনুসৰি অসমৰ সংশ্লিষ্ট জিলাত বর্তমান অনাদায় হৈ থকা মাটিৰ খাজানাৰ পৰিমাণ সম্বলিত জিলা ভিত্তিত তথ্য **"পৰিশিষ্ট - ক"** ত দাখিল কৰা হৈছে। (See Annexure –LX - I)

এই খাজানা অনাদায় হৈ থকাৰ কাৰন সমূহ এনেধৰণৰ –

১। প্রাকৃতিক দুর্যোগ, যেনে- বানপানী, গড়াখহনীয়া, খৰাং বতৰ ইত্যাদি।

২। একেখন পট্টাত এজনতকৈ অধিক পট্টাদাৰৰ নাম অন্তর্ভুক্ত হৈ থকা।

৩। উপায়ুক্ত, মহকুমাধিপতি আৰু চক্র বিষয়া সকল প্রকৃততে ৰাজহ বিষয়া আৰু তেওঁলোকে ৰাজহ বিভাগৰ কাম, বিশেষকৈ খাজানা আদায়, মৌজা পৰিদর্শন, ৰাজহ আদালত ইত্যাদি কামৰ প্রতি দায়বদ্ধ। কিন্তু দেখা যায় যে বছৰটোৰ প্রায় বেছিভাগ সময় এই বিষয়া সকল অন্য বিভাগৰ বিভিন্ন আঁচনি ৰূপায়নৰ কামত ব্যস্ত থাকিবলগীয়া হোৱাত ৰাজহ বিভাগৰ কাম বিশেষকৈ খাজানা আদায়ৰ কাম যথেষ্ট ক্ষতিগ্রস্ত হৈছে।

(খ) ১০ খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য মর্মে ৫৩৩৫ টা বাটোৱাৰা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে।

ইয়াৰ ভিতৰত দিশপুৰ ৰাজহ চক্রত ৩৩৬০ টা আৰু গুৱাহাটী ৰাজহ চক্রত ৬৯২ টা বাটোৱাৰা গোচৰৰ আবেদন বিবেচনাধীন হৈ আছে।

উক্ত আবেদনবোৰ প্ৰয়োজনীয় তথি-পত্ৰৰ অভাৱ, সহ পট্টাদাৰৰ আপত্তি, আবেদনকাৰী সময়মতে উপস্থিত নথকা, পুৰনি দাগ-পট্টাৰ মিল নথকা আৰু উচ্চ আদালতত গোচৰ চলি থকা আদি কাৰণত নিষ্পত্তি কৰিব পৰা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৫। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত আধাৰ কার্ড প্ৰদানৰ বিষটো কি পর্য্যায়ত আছে। কি কাৰণত অসমৰ আধাৰ কার্ড প্ৰদানৰ কাম-কাজবোৰ এতিয়ালৈ আৰম্ভ হোৱা নাই?

(খ) ইয়াৰ কাম কাজবোৰ কেতিয়া আৰম্ভ হব আৰু কেতিয়া শেষ হব ? আধাৰ কার্ডক লৈ অসম চৰকাৰৰ ভিতৰত আৰু অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ / আৰ পি আই প্ৰতিনিধি সকলৰ মাজত হোৱা বৈঠক সমূহৰ মাইনুটছবোৰ দাখিল কৰিব।

(গ) Unique Identification Authority of India লগত অসমৰ যি চুক্তি হৈছিল, সেই চুক্তিৰ প্ৰতিলিপিও দাখিল কৰিব।

(ঘ) আধাৰ কার্ডৰ বাবে অসমত কিমান টকা ব্যয় হব। এই ধন কোনে বহন কৰিব ?

শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়েৰাজনৈতি বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসমত আধাৰ কার্ড প্ৰদানৰ প্ৰচেষ্টা চলাই থকা হৈছে। ভাৰত চৰকাৰৰ মহাপঞ্জীয়কে সম্প্ৰতি আধাৰ কার্ড প্ৰদানৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

(খ) ইয়াৰ কাম কাজবোৰ অতি সোনকালে আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। এই সংক্ৰান্তত বৰ্ত্তমানলৈ কোনো চৰকাৰী নির্দেশনা জাৰি হোৱা নাই। বৈঠক সমূহৰ মাইনুটছবোৰ **পৰিশিষ্ট "ক"** ত সংলগ্ন কৰা হ'ল। (See Annexure –LX - II)

(গ) Unique Identification Authority of India আৰু অসম চৰকাৰৰ মাজত হোৱা চক্তিৰ প্ৰতিলিপি পৰিশিষ্ট "খ" ত সংলগ্ন কৰা হ'ল। (See Annexure–LX- III)

(ঘ) আধাৰ কার্ডৰ কাম অসমত আৰ জি আইৰ দ্বাৰা কৰা হব। গতিকে কিমান টকা ব্যয় হ'ব সেই তথ্য আৰ জি আইয়েহে দিব পাৰিব। এই ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাৰ শিঙাৰী ছিনিয়ৰ মাদ্ৰাছাৰ অধীক্ষকৰ বিৰুদ্ধে ব্যাপক অনিয়মৰ কিবা অভিযোগ চৰকাৰে পাইছেনে ?

(খ) যদি পাইছে, এই সংক্ৰান্তত চৰকাৰে কি কার্য্য ব্যৱস্থা গ্ৰহণ কৰিছে ? (সবিশেষ তথ্য দিব)

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পাইছে।

(খ) এই সংক্রান্তত মাদ্রাছা শিক্ষা সঞ্চালকৰ তৰফৰ পৰা ভাৰপ্রাপ্ত অধীক্ষক জনক কাৰণ দর্শোৱা জাননী দিয়াহৈছিল আৰু চিঠি নং DME/SSM/215/2008/185, Dt. 13/03/13 মর্মে নগাঁও জিলাৰ স্কুল পৰিদর্শকক অধীক্ষকৰ দায়িত্ব ভাৰ দিয়া হৈছে (প্রতিলিপি গাঠি দিয়া হৈছে)। (See Annexure –LX - IV)

Sub : Short Notice Question.

SHRI AMINUL ISLAM ASKED :

47. Will the Minister Health & Family Welfare be pleased to stste-

(a) What are the medicines available in G.M.C.H. suplied by the Govt:?

(b) What are the medicines suplied in Dagaon P.H.C. Moirabari F.R.U. Dhing F.R.U. Bechamari Mini P.H.C. & Balikatia State

Dispensary in the year 2012 ? (Please furnish the list with quantity).

(c) What is the progress of Construction work for Ulubari, Kandhulimari and Jengoni-Kaladuba Riverine P.H.C. ? (Please submit the detailed report with photograph).

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare, Assam) replied :-

(a) The details of medicines available in G.M.C.H suplied by the Govt. is at **Annexure -I** (copy placed in the Table of the House)

(b) The details of medicines suplied in Dagaon P.H.C. Moirabari F.R.U. Dhing F.R.U Bechamari Mini P.H.C. & Balikatia State Dispensary in the year 2012 is at Annexure

-II (copy placed in the Table of the House)

(c) The details of progress of Construction work for Ulubari, Kandhulimari and Jengoni-Kaladuba Riverine P.H.C. alongwith their photographs is at **Annexure -III** (copy placed in the Table of the House)

Sub : Short Notice Question.

SHRI AMINUL ISLAM ASKED :

48. **Will the Minister Education be pleased to stste -**

(a) How many venture and Recognized schools are there in Dhing L.A.C. under Nagaon and Morigaon District?

(b) How many schools in Dhing L.A.C. have been provincialised this year? The list of schools

alongwith the teachers may kindly be furnished.

(c) What are the Venture Schools/Colleges in Dhing L.A.C. to be Provincialised yet? (Reply with year of Recognition)

(d) How many schools in Dhing L.A.C. has single teacher? (Please furnish the list).

Dr. Himanta Biswa Sarma (Minister, Education) replied :-

(a) (i) There are 7 nos. of Venture/Recognized High Schools in Dhing L.A.C. of Nagaon District and 5 nos. of High School, 1 no. of H.S. School and 1 no. of Jr.College in Dhing L.A.C. of Morigaon District.

(ii) There are 102 nos. of Lower Primary

Venture Schools and 74 nos. of recognised Upper Primary Schools in Dhing L.A.C. of Nagaon and Morigaon District.

(a) (i) As per particulars received from the District Scrutiny Committee, in this year 7 nos. of High Schools/High Madrassa will be Provincialosed in Dhing L.A.C. The list of Schools enclosed at Annexure-A. (See Annexure –LX- IV)

(ii) There are 63 nos. of Lower Primari Schools and 20 nos. of Upper Primary Schools of Dhing L.A.C. recommended for provincialisation. The list of Schools enclosed at Annexure-B and C. (See Annexure–LX-V)

(b) The venture institution to be povincialised in latter date :

(i) T.M.K High Madrassa in Dging L.A.C of Morigaon District shall be provincialised in the year 2014 as recognized by SEBA on 1-1-04.

(ii) Borthal Doloigaon H.S. School and H.A.M Jr. Girls Jr. College shall be provincialised in the year 2015 as recognized on 1-1-05.

(iii) Haji Altafa High Madrassa in Dhing L.A.C. of Morigaon District recognized on 1-1-94, but the enrolment appeared in HSLC examination and passed percentage is less as per norms. So the school is not illegible provincialisation.

(iv) Barbheti HS and Abhayapuri BD HS in

Dhing L.A.C. of Nagaon District are not illegible for provincialisation as less student appeared and pass percentage in HSLC examination. Alitanganj Adul H.Girls HS in Dhing L.A.C. of Nagaon District will be provincialised in the year 2014 as recognized on 1-1-04 by SEBA.

(v) There are 12 nos. of L.P. Schools and 1 no. of Upper Primary School in Dhing L.A.C. to be recommended for provincialisation. The date of recognition enclosed at Annexure - D and E. (See Annexure –LX- VI)

(c) There are 6 (six) Schools havinf single teacher in Dhing L.A.C. The Schools are as mentioned below :-

(i) Paschim Mukunda Ali L.P. School.

(ii) Jorabat New L.P. School.

(iii) Pub Madarguri Char New L.P. School.

(iv) Syndicate Basti New L.P. School.

(v) Paschim Baluguri New L.P. School.

(vi) Pachim Hahcharabori New L.P. School

বষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাৰ হাতী পুখুৰী প্ৰি. ছিনিয়ৰ মাদ্ৰাছাত এতিয়ালৈকে কিমান টকাৰ Financial Aid লাভ কৰিছে ? (মাহ হিচাপে পৃথক হিচাপ দিব) আৰু কিমান টকা Financial Aid পাবলৈ বাকী আছে?

(খ) আজিৰ তাৰিখলৈকে উক্ত মাদ্ৰাছাৰ কোনো শিক্ষকে পদ ত্যাগ কৰিছে নেকি ? যদি কৰিছে, তেওঁৰ নাম আৰু পদত্যাগ পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(গ) মাদ্ৰাছাখন কেতিয়া স্বীকৃতি প্ৰাপ্ত হৈছিল আৰু কেতিয়া প্ৰাদেশীকৰণ হ'ব ? (বৰ্তমান কৰ্মৰত শিক্ষকৰ তালিকা দিব আৰু শিক্ষকৰ উপস্থিতিৰ বহীৰ প্ৰতিলিপি সদনত দিব)।

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তলত দিয়া ধৰণে হাতী পুখুৰী প্ৰি. ছিনিয়ৰ মাদ্ৰাছা বিত্ত সাহায্য পায় -

২০০৯-১০	=	Rs. ১৬৮,০০০/-
২০১০-১১	=	Rs. ৩৬৫০০০/-
২০১১-১২	=	Nil
২০১২-১৩	=	Rs. ২,৬৯,১০০/-
	সৰ্বমুঠ=	৮,০২,১০০/-

(খ) যিহেতু মাদ্রাছাখন ভেঞ্চাৰ শিক্ষানুষ্ঠন ইয়াৰ শিক্ষক নিযুক্তি, অপসাৰণ বা পদত্যাগ মাদ্রাছাকতৃপক্ষৰ অধিনস্থ।

(গ) স্বীকৃতি প্রাপ্ত হৈছিল ইং ০১-০১-২০০৭ তাৰিখে। প্রাদেশী কৰণৰ বিধিখনৰ সংশোধন এতিয়াও চুড়ান্ত হোৱা নাই। শিক্ষকৰ তালিকা লগত গাঠি দিয়া হ'ল আৰু শিক্ষকৰ উপস্থিতিৰ প্রতিলিপি মাদ্রাছা সঞ্চালকালয়ত বা চৰকাৰৰ হাতত নাথাকে। গতিকে হেড্ মুদাৰিছৰ আওঁ তাত পৰে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নতুনকৈ প্রাদেশীকৰণ কৰিবলগীয়া উচ্চ প্রাথমিক বিদ্যালয সমূহৰ প্রধান শিক্ষকসকল স্নাতক হোৱাটো বাধ্যতামূলক নেকি?

(খ) নগাওঁ জিলাৰ জুৰীয়া ব্লকৰ বলিকটিয়া ছোৱালী এম ই মাদ্রাছাৰ বর্ত্তমান কর্মৰত প্রধান শিক্ষকজন স্নাতক হয়নে?

(গ) উক্ত বিদ্যালয়ত মাহমুদুল হক নামৰ এজন স্নাতক শিক্ষক থকাটো চৰকাৰ অৱগত নে? তেওঁক বঞ্চিত কৰিবলৈ (SMC) য়ে ষড়যন্ত্ৰ কৰি থকাটো সত্য নে ? (শিক্ষক নিযুক্তিৰ তথ্য প্ৰছিডিং বহীৰ প্ৰতিলিপি সহ যাৱতীয় তথ্য দাখিল কৰিব)।

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (চাকৰি প্ৰাদেশীকৃতকৰণ) ২০১১ চনৰ আইন যিখন ২০১২ চনত সংশোধিত হৈছে, সেই আইনৰ ৪(৩) ধাৰামতে উচ্চ প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত শিক্ষকৰ চাকৰি সমূহ প্ৰাদেশীকৰণৰ বাবে-বিবেচনা কৰা হ'ব যদিহে সংশ্লিষ্ট নিয়ম অনুসাৰে শিক্ষাগত আৰু বৃত্তিগত অৰ্হতা সম্পন্ন হয়। তাৰোপৰি সেই সময়ত প্ৰযোজ্য নিয়মৰ আধাৰত নিযুক্তিকালীন অধিনিয়ম মানিচলা হ'ব।

অসম প্ৰাদেশীকৃত প্ৰাথমিক শিক্ষা অধিনিয়ম, ১৯৭৭ (২০০৫ চনত সংশোধিত) মতে উচ্চ প্ৰথমিক বিদ্যালয়ৰ শিক্ষকৰ নিম্নতম অৰ্হতা উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৪৫%

নম্বৰসহ উত্তিৰ্ণ হ'ব লাগিব। যি কি নহওক, সংশোধিত প্ৰাথমিক শিক্ষা প্ৰাদেশিকৃত আইন ২০১২ ৰ অধিনিয়ম ৩ (iii) ৰ মতে প্ৰথমিক বিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ বাবে নিম্নতম অৰ্হতা NCTE ৰ নিয়মৰ আধাৰত হ'ব লাগিব। NCTE ৰ জাননী নং F. No.61-03/20/2010/NCTE (N&S) তাৰিখ ২৩/০৮/২০১০ আৰু ইয়াৰ সংশেধনী চিঠি নম্বৰ F. No.61-I/2011/NCTE (N&S) তাৰিখ ২৯/০৭/২০১১ ৰ মতে উচ্চ প্ৰাথমিক শিক্ষকৰ নূন্যতম অৰ্হতা স্নাতক ডিগ্ৰী হোৱাৰ লগতে দুবছৰীয়া শিক্ষাৰ ডিপ্লমা / বি, এড / বিশেষ শিক্ষাৰ বি, এড নতুবা মাধ্যমিকত ন্যূনতম ৫০% নম্বৰ সৈতে চাৰি বছৰীয়া প্ৰথমিক শিক্ষৰ স্নাতক বা চাৰি বছৰীয়া কলা / বিজ্ঞান শিক্ষাৰ স্নাতক হ'ব লাগিব।

কিন্তু অসম ৰাজ্যৰ ক্ষেত্ৰত, কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে উল্লেখিত বৃত্তিগত শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত শিক্ষাৰ আইন ২০০৯ ৰ ২৩ নং ধাৰা, উপধাৰা - ১ ৰ

আধাৰত ২০১৫ চনৰ ৩১ মার্চ তাৰিখলৈকে ৰেহাইৰ ব্যৱস্থা কৰিছে। (চিঠি নং F. No. 1-17/2010-E.E.4 তাৰিখ 26/7/2011 আৰু F. No. 1- 17/2010-E.E.4 তাৰিখ 10/10/2011)। ২০১২ চনত সংশোধিত প্ৰাদেশিকৃত আইনমতে, উচ্চ প্ৰথমিক বিদ্যালয়ত (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ) ভবিষ্যতে নিযুক্ত হ'ব লগীয়া শিক্ষকৰ ক্ষেত্ৰত ন্যূনতম অৰ্হতা বাধ্যতামূলকভাবে স্নাতক ডিগ্ৰী ধাৰী হ'ব লাগে (NCTE ৰ নিয়ম মতে)

আনহাতে প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াত, শিক্ষক হিচাপে নিযুক্তি পাবলৈ ন্যূনতম শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত নিযুক্তিকালিন সময়ত প্ৰযোজ্য থকা আইনৰ অধিনিয়ম মতে হ'ব। প্ৰধান শিক্ষকৰ বাবে বেলেগ কোনো নিয়মাৱলী নাথাকে।

(খ) নগাওঁ জিলাৰ জুৰীয়া ব্লকৰ বলিকটিয়া ছোৱালী এম, ই, মাদ্ৰাছাৰ বৰ্ত্তমান কৰ্মৰত প্ৰধান শিক্ষকজন স্নাতক নহয়।

(গ) চৰকাৰ অৱগত নহয়। ষড়যন্ত্ৰৰ সত্যাসত্য অনুসন্ধান কৰা হ'ব। (শিক্ষক নিযুক্তিৰ তথ্য সমূহৰ প্ৰতিলিপি পৰিশিষ্ট - 'খ', 'গ', 'ঘ', 'ঙ' আৰু 'চ' যোগে সংলগ্ন কৰা হ'ল)।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৫১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন থানাত কিমান গোচৰ পঞ্জীয়নভূক্ত হৈ আছে ?

(খ) তাৰ ভিতৰত কিমান গোচৰ নিষ্পত্তি হৈছে আৰু কিমান গোচৰ নিষ্পত্তি হ'বলৈ বাকী আছে ?

(গ) নিষ্পত্তি নোহোৱা গোচৰবোৰৰ ভিতৰত কোন কোন চনত কিমান গোচৰ ৰুজু হৈছিল ? বৰ্ষ ভিত্তিকতথ্য সদনত দাখিল কৰিব।

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন আদি বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) থানা ভিত্তিক পঞ্জীয়নভূক্ত হৈ থকা গোচৰসমূহৰ তথ্য দিবলৈ যথেষ্ট সময়ৰ প্রয়োজন। সেয়েহে যোৱা ৫ বছৰত জিলা ভিত্তিক পঞ্জীয়নভূক্ত গোচৰৰ তথ্য **পৰিশিষ্ট 'ক'** ত উল্লেখ কৰা হ'ল। (See Annexure –LX - VII)

(খ) ওপৰৰ 'ক'-ত উল্লেখ কৰা ৫ বছৰৰ নিষ্পত্তি হোৱা আৰু নিষ্পত্তি হ'বলৈ বাকী থকা গোচৰৰ তথ্য **পৰিশিষ্ট 'ক'**-ত একেলগে উল্লেখ কৰা হ'ল। (See Annexure –LX - VII)

(গ) নিষ্পত্তি নোহোৱা গোচৰৰ বর্ষ ভিত্তিক আৰু জিলা ভিত্তিক তথ্য শিতান অনুযায়ী **পৰিশিষ্ট 'খ'**-ত উল্লেখ কৰা হ'ল। (See Annexure –LX - VIII)

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৫২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিশ্ব হিন্দু পৰিষদৰ নেতা প্ৰবীন ভাই তোগড়িয়া যোৱা ২০ মাৰ্চ তাৰিখে অসমৰ বিভিন্ন স্থানত উগ্ৰ সাম্প্ৰদায়িক ভাষণ প্ৰদান কৰা সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) তেওঁ উগ্ৰ মুছলিম বিৰোধী ভাষণ দিয়াৰ পিছতো চৰকাৰে তেওঁক গ্ৰেপ্তাৰ নৰকাৰ কাৰণ কি?

শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বিশ্ব হিন্দু পৰিষদৰ নেতা ডঃ প্ৰবীন ভাই তোগাড়িয়াই যোৱা ২০ মাৰ্চ / ২০১৩ তাৰিখে অসমৰ কোনো ঠাইত সাম্প্ৰদায়িক ভাষণ প্ৰদান কৰা নাই।

কিন্তু যোৱা ১৮ মাৰ্চ / ২০১৩ তাৰিখে যোৰহাটৰ প্ৰেছ ক্লাৱত অনুস্থিত সংবাদ মেলত ভাষণ ৰাখে আৰু যোৱা ১৯ মাৰ্চ / ২০১৩ তাৰিখে গোলাঘাট জিলাৰ মেৰাপানী

থানাৰ অন্তর্গত পুলিবাগান বৰ নামঘৰ প্রাংগনত হোৱা ৰাজহুৱা সভাত ভাষণ প্রদান কৰে।

(খ) যিহেতু উক্ত দুয়োখন সভাত ডঃ প্রবীন ভাই তোগাড়িয়াই উগ্র সাম্প্রদায়িক ভাষণ দিয়াৰ কোনো অভিযোগ পোৱা নাই, গতিকে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৫৩। মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গোৱালপাৰা জিলাৰ ৰাক্ষসিনী বনাঞ্চলত দুস্কৃতিকাৰীয়ে যোৱা ২০ মার্চ তাৰিখে কিমান জোপা ৰবৰ গছ কাটি পেলায়?

(খ) অপৰাধী সকলক চিনাক্তকৰণ কৰা হৈছেনে? তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰা হয়?

(গ) বিনষ্ট হোৱা ৰবৰ গছৰ সৰ্বমুঠ মূল্য কিমান বা মুঠ কিমান টকাৰ ক্ষয়-ক্ষতি হয়?

শ্রী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাক্ষসিনী প্রস্তাবিত সংৰক্ষিত বনাঞ্চলত মাটি বেদখল কৰি অবৈধভাবে ৰোপন কৰা ৰবৰ গছ সমূহ-দুস্কৃতিকাৰীয়ে কটা সম্পর্কত জিল্লা আৰক্ষী প্রশাসনে তদন্ত কৰি আছে। ১৯৮০ চনৰ বন সংৰক্ষণ আইন ২ (ক)ধাৰা মতে বনাঞ্চলত ৰবৰ খেতি কৰাটো নীতি বিৰুদ্ধ। উল্লেখ থাকে যে গোৱালপাৰা আৰক্ষী থানাই ১২০০ জোপা ৰবৰ গছ কটা সম্পর্কত পুলিচ কেচ নং ১১৬/১৩ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

(খ) আৰক্ষীৰ তদন্তত চিনাক্তকৰণ হোৱা অপৰাধী সকলৰ বিৰুদ্ধে ১৮৯১ চনৰ অসম বন অধিনিয়মৰ আধাৰত বন গোচৰ ৰুজু কৰি ব্যৱস্থা লোৱা হব।

(গ) বর্ত্তমান ধার্য্য কৰা হোৱা নাই যেহেতু উক্ত ৰবৰ গছ বনজাত গছ হিচাবে স্বীকৃত নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জনাবনেঃ

(ক) শিক্ষা বিভাগৰ বিভাগীয় নীতি নিয়ম অমান্য কৰা বা মানি নচলা ভেঞ্চাৰ শিক্ষানুষ্ঠান সমূহলৈ চৰকাৰে Financial Assistance প্ৰদান আৰু প্ৰাদেশীকৰণ কৰিবনে?

(খ) যোৱা ১৪-১২-২০১২ ইং তাৰিখৰ বিধানসভাৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২৫, ক্ৰঃ নং (ক) আৰু (ঘ) উত্তৰ সমূহ DSE. letter dated 10th Dec/12 আৰু ফোন যোগে কলেজৰ অধ্যক্ষৰ পৰা বিচৰা হৈছে বুলি বিধান সভাতজনাইছিল। সেই মৰ্মে যোৱা ৬-৩-১৩ ইং তাৰিখৰ তৰা বিহীন প্ৰশ্ন নং ৮১ নং 'চ' প্ৰশ্নৰ তথ্য বিচৰা ধৰণে উত্তৰ নিদি বিধান সভাক পুনৰাই বিপথে পৰিচালিত কৰা হোৱা নাইনে ? (বিতং তথ্য সদনত দাখিল কৰিব)

(গ) উক্ত ১৪-১২-১২ ইং তাৰিখৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২৬ ৰ ক্ৰঃ নং (ক) ৰ উত্তৰ H.K. Jr. College খন ভেঞ্চাৰ শিক্ষানুষ্ঠান হোৱা হেতুকে G.B. ৰ কাৰ্য্য বিৱৰণী (Proceeding Book) বিভাগীয় ভাৱে মজুত নাথাকে বুলি কোৱা হৈছে। এই তথ্য সমূহ কলেজৰ অধ্যক্ষৰ পৰা সংগ্ৰহ কৰি বিধান সভাত দাখিল কৰা ক্ষেত্ৰত চৰকাৰৰ বাধা আছে নেকি?

(ঘ) যদি নাই, ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈকে পৃষ্ঠা নং Serial অনুযায়ী সম্পূৰ্ণ Proceeding Book ৰ ফটো কপি সদনত দাখিল কৰিব ?

(ঙ) H.K. Jr. College খন যিহেতু FA, 2005 চনৰ Concurrence প্ৰাপ্ত আৰু provincialisation ৰ কাৰণেও ইতিমধ্যেই scrutiny প্ৰক্ৰিয়াত আবেদন কৰিছে। গতিকে যোৱা ১৪-১২-১২ ইং ৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫৬ ক্ৰঃ নং (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰ বিভাগীয় ভাৱে মজুত নাই বুলি কোৱাৰ কৰণ কি ?

(চ) যদি বিভাগীয় ভাৱে মজুত নাই, কলেজৰ অধ্যক্ষৰ পৰা সংগ্রহ কৰি শুদ্ধ তথ্য সদনত দাখিল কৰিবনে ?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) চৰকাৰী নীতি-নিয়ম উলংঘা কৰা যিকোনো অনুষ্ঠান প্রতিষ্ঠানৰ ক্ষেত্রত চৰকাৰী শাস্তিমূলক ব্যৱস্থা আছে।

(খ) যোৱা ১৪-১২-২০১২ ইং তাৰিখৰ বিধান সভাৰ তাকৰীয়া সময়ৰ প্রশ্ন নং ২৬ ক্রঃ (ক) আৰু (ঘ) উত্তৰ সমূহ কলেজৰ অধ্যক্ষৰ পৰা পোৱা তথ্য অনুযায়ী সদনত দাখিল কৰা হৈছিল। পুনৰ উক্ত কলেজৰ পৰা পোৱা তথ্য সমূহ সংগ্রহ কৰা হৈছে। কলেজৰ সমূহ তথ্য কোনোবাই চুৰি কৰি নিছে। (অধ্যক্ষই জনোৱা তথ্যটো **পৰিশিষ্ট 'ক'** ত দিয়া হ'ল। ২০০৭ চনৰ পিছৰ পৰা তথ্য সমূহ অধ্যক্ষই জমা দিছে। ৭-৮-২০০৭ ৰ পৰা ৭-১০-২০১২ লৈ Proceeding Book ৰ তথ্য সমূহ **পৰিশিষ্ট 'খ'** ত ও কলেজৰ অধ্যক্ষই দাখিল কৰা Teaching & Non

Teaching Staff ৰ Appointment letter ও Joining letter সমূহ পৰিশিষ্ট 'গ' ত দিয়া হ'ল। ২০০৮ চনৰ পাৰ ২০১২ চনলৈ পৰীক্ষাত অৱত্তীর্ণ হোৱা ছাত্র-ছাত্রীৰ তালিকা **পৰিশিষ্ট 'ঘ'** ত দিয়া হ'ল।

(গ) 'খ' মতে।

(ঘ) 'খ' মতে।

(ঙ) ১৪-১২-২০১২ ইং ৰ তাকৰীয়া সময়ৰ প্রশ্ন নং ৫৬ ক্রঃ নং (ক) আৰু (খ) প্রশ্নৰ উত্তৰ মর্মে কলেজৰ অধ্যক্ষই দাখিল কৰা Audit Report ১-৪-২০০৮ চনৰ পৰা ৩১-৩-২০১১ চনলৈ **পৰিশিষ্ট 'ঙ'** ত দিয়া হ'ল।

(চ) প্রশ্ন নুঠে।

বিষয় ঃ ওখ ভেটি নির্মাণ।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৫৫। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰ অঞ্চলৰ জনসাধাৰনৰ কল্যাণার্থে অর্থাৎ বানপানীৰ কবলৰ পৰা ৰক্ষা পাবলৈ MGNREGA ৰ অধীনত ওখ ভেটি নির্মাণ কৰিব পাৰিনে ? যদি পাৰি এতিয়ালৈকে চৰ অঞ্চলত কিমানটা ওখ ভেটি নির্মাণ কৰা হৈছে ?

(খ) প্রতিটো চৰত জনসংখ্যাৰ প্রতি লক্ষ্য ৰাখি দুই বা তাতোধিক ওখ ভেটি নির্মাণ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিৱনে ?

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক)চৰ অঞ্চলৰ তথা অন্যান্য বানপিড়িত জনসাধাৰণক বানপানীৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ MGNREGA ৰ অধীনত ওখ ভেটি (Raised Platform) নির্মাণ কৰাৰ ব্যৱস্থা আছে। কিন্তু চৰ অঞ্চলত কিমান ওখ ভেটি নির্মাণ কৰা হৈছে তাৰ তথ্য জিলা সমূহৰ পৰা সংগ্রহ কৰি থকা হৈছে।

(খ) গ্রাম সভাৰ অনুমোদন সাপেক্ষে তথা Priority List অনুসৰি দুই বা ততোধিক ওখ ভেটি নির্মাণ কৰাৰ ব্যৱস্থা আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ঃ

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অপ্ৰাদেশীকৃত বিদ্যালয় সমূহ প্ৰাদেশীকৰণ আইন (সংশোধনী) ২০১২ প্ৰথমিক বিদ্যালয় ডাইচ ২০০৯-১০ ৰ পৰিবৰ্তে ২০১০-১১ লৈ বিবেচনা কৰিব পাৰে নে?

(খ) ১-১-২০০৬ চনৰ আগত স্থাপিত আৰু ১-১-১১ লৈ অনুমতি ও স্বীকৃতি প্ৰাপ্ত বিদ্যালয় সমূহলৈ চৰকাৰে F.A continue কৰাৰ লগতে পৰ্য্যায়ক্ৰমে প্ৰদেশীকৰণ কৰাৰ কাৰণে বিবেচনা কৰিব পাৰে নে ?

(গ) উক্ত বিদ্যালয় সমূহ লৈ বিনামূল্যে পাঠ্যপুথি, মধ্যাহ্ন ভোজন আৰু সাচ-পোচাক যোগান ধৰাৰ বাবে চৰকাৰে বিবেচনা কৰিবনে ?

(ঘ) ১-১-২০০৬ চনৰ আগতেই স্বীকৃতি প্ৰাপ্ত বিদ্যালয় সমূহৰ পৰা দীৰ্ঘ দিন ধৰি কাম কৰি বিনা বেতনে অৱসৰ হোৱা শিক্ষক কৰ্মচাৰী সকলক মানবীয় দৃষ্টিৰে এক কালি ভাট্টা / সাহায্য দিয়াৰ বিবেচনা কৰিবনে ?

(ঙ) ১-১-২০০৬ চনৰ আগত concurrence লাভ কৰা বৰপেটা জিলাৰ উত্তৰ বৰপেটা মহাবিদ্যালয় খনত বিধান সভাত ৫ চেপ্তেম্বৰ/২০০১ ত বিল উত্থাপন হোৱাৰ আগত নিযুক্তি প্ৰাপ্ত কৰ্মৰত প্ৰবক্তা (শিক্ষা) ফাৰুক হুছেইন ছিদ্দিকী, আৰু মাৰ্জিনা খাতুন, প্ৰবক্তা (অসমীয়া) ৰ চাকৰি প্ৰদেশীকৰণ কৰাৰ কাৰণে চৰকাৰে বিবেচনা কৰিব নে ?

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নোৱাৰি। প্ৰাদেশীকৰণ আইন মৰ্মে ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা প্ৰথমিক বিদ্যালয় আৰু ২০০৬ চনৰ আগতে স্বীকৃতিপ্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয় সমূহকে প্ৰাদেশীকৰণৰ আওতাত অনা হৈছে। সেই মৰ্মে ২০০৫ চনৰ DISE

জৰুৰী কিন্তু মানবীয়তাৰ খাতিৰত DISE ৰ ভিত্তি বর্ষ ২০০৯-২০১০ কৰা হৈছে।

(খ) ইতিমধ্যে Financial Incentive লাভ কৰা আৰু ২০০৯-২০১০ লৈকে DISE থকা বিদ্যালয় সমূহলৈ পূজি সাপেক্ষে Financial Incentive দিয়াৰ ব্যৱস্থা কৰা হ'ব। Financial Incentive লাভ কৰা নকৰাটো প্রাদেশীকৰণ কৰাৰ চর্ত নহয়।

(গ) ইতিমধ্যে বিত্তীয় সাহায্য লাভ কৰা সকলো বিদ্যালয়লৈ বিনামূলীয়া পাঠ্যপুথি দি থকা হৈছে। সাজ-পোচাক কেৱল প্রাদেশীকৃত চৰকাৰী বিদ্যালয় সমূহলৈ যোগান ধৰা হৈছে।

(ঘ) বর্ত্তমানলৈ তেনে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(ঙ) অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (চাকৰী প্রাদেশীকৰণ) আইন ২০১১ ৰ ধাৰা 2(h) অনুসৰি ইং ০১-০১-২০১১ তাৰিখৰ আগত ভেঞ্চাৰ মহাবিদ্যালয় সমূহে নিযুক্তি দিয়া শিক্ষক-কর্মচাৰী সকলৰ চাকৰি প্রাদেশীকৰণ কৰা হ'ব। যিহেতু

বৰপেটা জিলাৰ উত্তৰ বৰপেটা মহাবিদ্যালয়ত নিযুক্তি লাভ কৰা প্ৰৱক্তা ফাৰুক ছিদ্দিকী আৰু প্ৰৱক্তা মার্জিনা খাতুনে যথাক্ৰমে মহাবিদ্যালয়ত যোৱা ১৪-২-২০১১ আৰু ১৯-২-২০১১ চনত যোগদান কৰিছিল, তেখেত সকলৰ চাকৰি প্ৰাদেশীকৰণ কৰিব পৰা নাযাব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৫৭। মাননীয় পাচপোৰ্ট বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পাছপোৰ্টৰ কাৰনে আবেদন কৰা চৰকাৰী চাকৰিয়াল সকলে বিভাগীয় আপত্তি বিহীন প্ৰমাণ পত্ৰ এখন উপায়ুক্তৰ কাউণ্টাৰ চহীসহ জমা দিয়াটো বাধ্যতা মূলক হয়নে?

(খ) জিলা উপায়ুক্তজনে এটা কাউণ্টাৰ চহী দিবলৈ কিমান দিনৰ প্ৰয়োজন হয়?

(গ) জুৰীয়া ব্লকৰ অধীনস্ত শালমাৰা এম.ই. মাদ্ৰাছাৰ সহকাৰী শিক্ষক জামাল উদ্দিনে নগাওঁ জিলা উপায়ুক্তৰ কাউণ্টাৰ

চহীৰ বাবে কেতিয়া আবেদন কৰিছিল? আজিলৈকে চহীটো নোহোৱাৰ কাৰণ কি জনাবনে?

শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে পাৰপত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বাধ্যতা মূলক হয়।

(খ) আবেদন সহ প্ৰয়োজনীয় সকলো নথি পত্ৰ সমূহ যথা-যথ ভাবে কাৰ্য্যালয়ত জমা দিলে যথা সময়ত আপত্তি বিহীন প্ৰমান পত্ৰত উপায়ুক্তৰ প্ৰতি স্বাক্ষৰ সহ প্ৰদান কৰা হয়। ইয়াৰ বাবে কোনো নিৰ্দ্ধাৰিত সময়ৰ উল্লেখ নাই।

(গ) জুৰীয়া ব্লকৰ অধীনস্থ শালমাৰা এম.ই. মাদ্ৰাছাৰ সহকাৰী শিক্ষক জামাল উদ্দিনে যোৱা ইংৰাজী ২৮-০৫-২০১২ তাৰিখে উপায়ুক্ত কাৰ্য্যালয়, নগাওঁত কেৱল এখন আবেদন

যোগে আপত্তি বিহীন প্রমান পত্রৰ বাবে আবেদন জনাইছিল। আবেদনখন নথিত পেছকৰাৰ অন্তত উপায়ুক্তৰ হুকুম মর্মে আপত্তি বিহীন প্রমান পত্রৰ বাবে প্রয়োজনীয় নথি পত্র সমূহ জমা দিবলৈ কোৱা হয়। কিন্তু আজিকোপতি উক্ত প্রয়োজনীয় নথি পত্র সমূহ জমা নিদিয়াত তেখেতেক আপত্তি বিহীন প্রমান পত্র দিব পৰা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী উৎপল দত্তই সুধিছে ঃ

৫৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতেলত ৰোগীৰ খোৱা-বোৱাৰ বাবদ ২০১১-২০১২-২০১৩ বর্ষত কিান টকা খৰচ হ'ল আৰু খোৱা-বোৱাৰ ঠিকা কোন কোন ঠিকাদাৰক দিয়া হৈছে?

(খ) উক্ত চিকিৎসা মহাবিদ্যালয় চৌহদত কিমানখন ফার্মাচী

আছে আৰু এই ফার্মাচী সমূহৰ মালিকৰ নামৰ সৈতে অনুজ্ঞাপত্ৰৰ নং আৰু ঠিকনা উল্লেখ কৰিব নে?

(গ) যোৱা ২৪ মার্চ ২০১৩ চনৰ অগ্রদূত কাকতত প্রকাশ পোৱা "প্রেছক্রিপচনত ফার্মাচীৰ নাম লিখে ডাক্তৰে" শীর্ষক বাতৰিটোৰ প্রতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে?

(ঘ) যদি হৈছে, চৰকাৰে কি বিহিত ব্যৱস্থা লব? জনাব নে ?

(ঙ) দৈনিক এজন ৰোগীৰ খোৱাৰ বাবদ কিমান টকা ধার্য্য কৰিছে আৰু কি কি খাদ্য কিমান পৰিমাণৰ দিয়া হয়। বিতং ভাৱে জনাব নে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-২০১২ চনত ৩,০০,৯৯,৪৯৬.০০ টকা আৰু ২০১২-২০১৩ চনত ২,৯৯,৩৭,০৯৮.০০ টকা মুঠ ৬,০০,৩৬,৫৯৪.০০ টকা ৰোগীৰ খোৱাৰ বাৱদ খৰছ কৰা

হৈছে। খোৱা-বোৱাৰ ঠিকা পৰাগ শর্মা আৰু Axis Contractor & Engineering Pvt. Ltd. ক দিয়া হৈছে।

(খ) উক্ত চিকিৎসা মহাবিদ্যালয় চৌহদত কোনো ব্যক্তিগত ফার্মচী নাই। চৌহদৰ বাহিৰতহে আছে।

(গ) হোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

(ঙ) দৈনিক এজন ৰোগীৰ খোৱাৰ বাবদ ৪০.০০ (চল্লিশ) টকাকৈ ধার্য্য কৰা হৈছে। ৰোগীক দিয়া খাদ্যৰ তালিকা প্র-পত্র 'ক' ত দেখুওৱা হৈছে। (See Annexure –LX - IX)

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী কেশৰ মহন্তই সুধিছে ঃ

৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) সদ্যহতে প্রাদেশীকৰণৰ অন্তর্ভূক্ত হোৱা শিক্ষানুষ্ঠান সমূহ জিলাৰ বাচনি সমিতিয়ে দিয়া প্রতিবেদনৰ ভিত্তিত বাচনি কৰা হৈছে নে? ইয়াৰ উপৰিও চৰকাৰৰ পর্য্যায়ত পূনৰ নিৰিক্ষণ কৰি সাল-সলনি কৰা হৈছে এই সম্পকীয় নীতি নির্দেশনা অনুগ্রহ কৰি সদনৰ মজিয়াত ৰাখিব।

(খ) প্রাদেশীকৃত শিক্ষা অনুষ্ঠান সমূহ বা প্রাদেশীকৰনত নাম নথকা শিক্ষা অনুষ্ঠান সমূহৰ আপত্তি থাকিলে আপত্তি জনাবৰ বাবে কেনে নীতি-নির্দেশনা আছে অনুগ্রহ কৰি সদনৰ মজিয়াত ৰাখিব।

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) District Scrutiny Committee য়ে অনুমোদন কৰি পঠিওৱা বিদ্যালয় সমূহৰ তথ্য সমূহ প্রাদেশীকৰণ মূল আইনৰ ১০ ধাৰা অনুযায়ী পূনঃ নিৰীক্ষন কৰি সঠিক বিদ্যালয়ৰ তালিকা চৰকাৰলৈ ব্যৱস্থাৰ বাবে প্রেৰণ কৰে আৰু চর্ত পূৰন নকৰা বিদ্যালয় সমূহৰ সূকীয়া তালিকা

আবেদন কাৰীৰ জ্ঞাতার্থে Web-site যোগে প্রকাশ কৰা হয়।

(খ) এই সন্দর্ভত প্রাথমিক শিক্ষা সঞ্চালকৰ 12-3-2013 তাৰিখৰ নির্দ্দেশনা নং EE(Plan)/Prov/VLP&Recogup/Pt/50/2013/11 আৰু ১৩-৩-২০১৩ তাৰিখৰ The Assam Tribune কাকত যোগে প্রচাৰিত আৰু প্রকাশিত বিজ্ঞাপন দ্রষ্টব্য। প্রতিলিপি ক আৰু খ ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ অন্তর্গত জামুগুৰি কে. এন. ছোৱালী হাই স্কুলখন প্রাদেশীকৰণৰ আওঁতাত পৰিছেনে ? বিদ্যালয়খনৰ কর্মৰত শিক্ষক সকলৰ নাম কি ?

(খ) কর্মৰত শিক্ষক সকলৰ ভিতৰত কোন কেইজনৰ পদ প্রাদেশীকৰণ হব? প্রাদেশীকৰণৰ আওঁতাত নপৰা শিক্ষক সকলৰ নাম, যোগদানৰ তাৰিখ, বয়স আৰু যোগ্যতাৰ তথ্য সদনত দাখিল কৰিবনে?

(গ) বিদ্যালয়খনত কোন শ্রেণীত কেইটা শাখা খুলিবলৈ চৰকাৰে অনুমোদন জনাইছিল? শাখা শ্রেণীসমূহৰ বিপৰীতে কাক কাক নিযুক্তি দিয়া হৈছিল? তেওঁলোকৰ পদ প্রাদেশীকৰণ হ'বনে? এই ক্ষেত্রত প্রয়োজন সাপেক্ষে আইন সংশোধনৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ অন্তর্গত কে.এন. ছোৱালী হাইস্কুলখন প্রাদেশীকৰণৰ আওঁতাত পৰিছে। বিদ্যালয়খনৰ কর্মৰত শিক্ষক সকলৰ নাম তলত দিয়া হ'ল -

১) আব্দুল আলি - প্রধান শিক্ষক

২) ৰুহুল আমিন - সহ-শিক্ষক

৩) মকবুল হুছেইন চৌধুৰী - সহ-শিক্ষক

৪) ফাটিমা বেগম - সহ-শিক্ষক

৫) লুটফান নাহৰ - সহ-শিক্ষক

৬) আৰফান আলি - সহ-শিক্ষক

৭) কিতাবজান বেগম - সহ-শিক্ষক

৮) আব্দুচ চামাদ - সহ-শিক্ষক (বিজ্ঞান)

৯) চাহজাহান আলম - সহ-শিক্ষক (বিজ্ঞান)

১০) জুবেদা জাহান - সহ-শিক্ষক (হিন্দী)

১১) মিনাৰা খাটুন - সহ-শিক্ষক (আৰবিক)

১২) জয়নাল আবেদিন খান - সহ-শিক্ষক (কাৰিকৰী)

১৩) নাচিৰ উদ্দিন আহমেদ - কার্য্যালয় সহায়ক

১৪) গিয়াচ উদ্দিন পাঠান - চতুর্থ শ্রেণী

(খ) কর্মৰত শিক্ষক সকলৰ ভিতৰত প্রাদেশীকৰণ কৰিবলগীয়া সকলৰ নাম তলত দিয়া হ'ল

১) আব্দুল আলি - প্রধান শিক্ষক

২) ৰুহুল আমিন - সহ-শিক্ষক

৩) মকবুল হুছেইন চৌধুৰী - সহ-শিক্ষক

৪) ফাটিমা বেগম - সহ-শিক্ষক

৫) আব্দুচ চামাদ - সহ-শিক্ষক (বিজ্ঞান)

৬) চাহজাহান আলম - সহ-শিক্ষক (বিজ্ঞান)

৭) জুবেদা জাহান - সহ-শিক্ষক (হিন্দী)

৮) মিনাৰা খাটুন - সহ-শিক্ষক (আৰবিক)

৯) নাচিৰ উদ্দিন আহমেদ - কার্য্যালয় সহায়ক

১০) গিয়াচ উদ্দিন পাঠান - চতুর্থ শ্রেণী

প্রাদেশীকৰণ আওতাত নপৰা শিক্ষক সকলৰ নাম, যোগদানৰ তাৰিখ আদি তলত দিয়া হ'ল -

শিক্ষক সকলৰ নাম	যোগদানৰ তাং	বয়স	যোগ্যতা
১) লুটফান নাহৰ - সহ-শিক্ষক	৩-৩-৯২	৪৬ বছৰ	বি. এ
২) আৰফান আলি - সহ-শিক্ষক	২৪-৪-৯৬	৩৯ বছৰ	বি. এ
৩) কিতাবজান বেগম - সহ-শিক্ষক	৯-৫-৯৬	৪১ বছৰ	বি. এ
৪) জয়নাল আবেদিন খান - সহ-শিক্ষক	১০-৮-৯৪	৪৪ বছৰ	মেট্রিক আৰু আই টি আই

সহ-শিক্ষক (কাৰীকৰি)

(গ) নগাওঁ জিলাৰ বিদ্যালয় পৰিদর্শকে নৱম শ্রেণীত ১ টা আৰু অষ্টম শ্রেণীত ২ টা শাখা খুলিবলৈ অনুমতি দিছিল। নৱম শ্রেণীৰ 'খ' শাখাত লুটফান নাহৰ আৰু অষ্টম শ্রেণীৰ 'খ', 'গ' শাখাত পৰিদর্শকৰ পৰা পোৱা তথ্য মতে কোনো শিক্ষক নিযুক্তি দিয়া দেখা নাযায়, দশম শ্রেণীৰ 'খ' শাখাত কিতবজান বেগমক নিযুক্তি দিছে The Assam Venture Educational Institutions (Provincialisation of Service) Act, 2011 (Amendment 2012) schedule ত থকা Staff pattern মতে প্রাদেশীকৰণ কৰা হব। আইন সংশোধনৰ বিষয়টো বর্ত্তমান লোৱা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰী মহাবিদ্যালয়ৰ আন্তঃগাঁথনি

উন্নয়নৰ বাবে আৰু কি কি কাম কৰাৰ প্ৰয়োজনীয়তা আছে? তাৰ বাবে কিমান টকাৰ প্ৰয়োজন হব?

(খ) চৰকাৰে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰিবনে?

(গ) কি আঁচনিৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়নৰ কি কি কাম কৰিব পৰা যায়? মহাবিদ্যালয় খনত বিজ্ঞান আৰু বানিজ্য শাখা খোলাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মৈৰাবাৰী মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে মুঠ ৬,৪৫,২৯,০০০ টকাৰ প্ৰস্তাৱ লোৱা হৈছিল আৰু উক্ত প্ৰস্তাৱ Minority Welfare and Development Department ৰ বিহিত ব্যৱস্থাৰ বাবে প্ৰেৰণ কৰা হৈছিল যদিও উপৰোক্ত প্ৰস্তাৱ উপায়ুক্তৰ অধীনত গঠিত জিলা সমিতিৰ অনুমোদনৰ আৱশ্যক হোৱাত প্ৰস্তাৱটো জিলা সমিতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

(খ) বিবেচনাধীন হৈ আছে।

(গ) প্রস্তাৱিত ৬,৪৫,২৯,০০০ টকাৰ দ্বাৰা মহাবিদ্যালয়খনৰ প্রসাশনিয় গৃহ, শ্রেণীকোঠা, Lab. Room, Conference Hall, Boys' and Girls' Common Room আৰু Library building বনোৱাৰ বাবে প্রস্তাৱ কৰা হৈছে। ইয়াৰ উপৰিও মহাবিদ্যালয়খনত এটা Indoor Stadium, Cycle Stand বনোৱাৰ লগতে অন্যান্য প্রয়োজনীয় সা-সজুলি যেনে Computer, Photostate machine, Still Almirah আদি ক্রয় কৰিবৰ বাবেও মহাবিদ্যালয়ৰ কত্তৃপক্ষই প্রস্তাৱ দিছে। অসমৰ সকলো মহাবিদ্যালয়তে প্রয়োজন সাপেক্ষে পর্য্যায়ক্রমে বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ প্রস্তাৱ চৰকাৰে লৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে
শ্রী ৰফিকুল ইছলামে } **সুধিছে ঃ**

৬২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) যিবিলাক ভেঞ্চাৰ স্কুলত বিভাগীয় অনুমতি সাপেক্ষে প্রচলিত আইন অনুযায়ী শাখা শিক্ষক, বিষয় শিক্ষক তথা সহকাৰী শিক্ষক হিচাপে লোৱা হৈছিল সেই পর্য্যায়ৰ একাংশ শিক্ষক প্রাদেশীকৰণৰ দ্বাৰা বাদ পৰিছে নেকি? যদি পৰিছে, তেওঁলোকৰ পদসমূহ পর্যায়ক্রমে প্রাদেশীকৰণ কৰা হ'ব নেকি?

(খ) যদি এই পদ সমূহ প্রাদেশীকৰণৰ ক্ষেত্রত কিবা আইনী বাধা থাকে তেনেহলে মানবীয়তাৰ দৃষ্টিত এই পদসমূহ প্রাদেশীকৰণ কৰিবলৈ প্রয়োজন সাপেক্ষে আইন সংশোধন কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) প্রাদেশীকৰণ আইনৰ schedule ত উল্লেখিত সংখ্যাতকৈ বেছি থাকিলে বাদ পৰিব। আইন খনত বাদ পৰা শিক্ষকৰ পদ প্রাদেশীকৰণৰ কোনো ব্যৱস্থা নাই।

(খ) এই সম্পর্কত এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী কেশৰ মহন্তই সুধিছে ঃ

৬৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত কিমান বিষয় শিক্ষকৰ পদ খালী আছে? (জিলা ভিত্তিত আৰু বছৰ ভিত্তিত কিমান দিন ধৰি পদ সমূহ খালী হৈ আছে বিতং তথ্য দিব)।

(খ) অৱসৰ প্ৰাপ্ত বিষয় শিক্ষকৰ পদত নিযুক্তি নোহোৱা পৰ্য্যন্ত সেই বিদ্যালয় সমূহত কেনে ধৰনে পাঠদান হৈছে অনুগ্ৰহ কৰি জনাব।

(গ) পাঠ দানৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় পৰিচালনা সমিতি সমূহে বহু বিদ্যালয়ত সাময়িকভাৱে বিষয় শিক্ষক

নিযুক্তি দিয়া পৰিলক্ষিত হৈছে। এনে ধৰনে পাঠ দান কৰি থকা শিক্ষক সকলকক কেনে ধৰনে নিযুক্তি দিয়া হব অনুগ্রহ কৰি জনাব।

ডঃ হিমন্ত বিশ্ব শর্ম (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মাধ্যমিক শিক্ষা সঞ্চালকালয়ত থকা তথ্য অনুসৰি প্রাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা বিভিন্ন বিষয় শিক্ষকৰ পদৰ সংখ্যা প্রায় ৯২১ টা আৰু চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা বিষয় শিক্ষকৰ সংখ্যা ৯১ টা। কার্য্যালয়ত থকা তথ্য অনুসৰি জিলা ভিত্তিত উক্ত খালী পদৰ তালিকা সংলগ্ন কৰা হ'ল।

(খ) স্নাতকোত্তৰ ডিগ্রীধাৰী স্নাতক পদত অধিস্থিত শিক্ষকৰ দ্বাৰা তেনেবোৰ শ্রেণী লোৱাৰ ব্যৱস্থা আছে।

(গ) বিদ্যালয় পৰিচালনা সমিতিয়ে সাময়িক ভাবে নিযুক্তি দিয়া শিক্ষকক নিয়মীয়াকৰণৰ কোনো আইন নাই। এনে ক্ষেত্রত এনে শিক্ষকক সংশ্লিষ্ট কত্তৃপক্ষই নিযুক্তি দিয়াৰ প্রশ্ন নুঠে।

ইয়াৰোপৰি ইতিমধ্যে মহামান্য আদালতৰ পৰা ২৫৪ জন বিষয় শিক্ষকৰ নিযুক্তিৰ বিষয়টোত এটা সিদ্ধান্ত পোৱাত উক্ত পদ সমূহত নিযুক্তিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৬৪। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ একাংশ সংবাদ মাধ্যমে প্ৰায়েই সাম্প্ৰদায়িক উচটনিমূলক আৰু সত্য বিকৃত কৰি উদ্দেশ্যধৰ্মী বাতৰি পৰিবেশনেৰে সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ অপচেষ্টা চলোৱাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে?

(খ) অসত্য আৰু উদ্দেশ্যধৰ্মী বাতৰি পৰিৱেশন কৰি সমাজত ভুল বুজা-বুজি সৃষ্টি ৰোধ কৰাৰ কোনো আইনী ব্যৱস্থা নাই নেকি?

(গ) যদি আছে, কি আৰু কেনেধৰণৰ ?

(ঘ) সাম্প্রদায়িক বিষবাষ্প বিয়পাই দিবলৈ অসত্য আৰু অৰ্ধসত্য বাতৰি পৰিৱেশন কৰা সংবাদ মাধ্যমৰ বিৰুদ্ধে চৰকাৰে কেনেধৰণৰ ব্যৱস্থা গ্রহণ কৰিব ?

শ্রী বসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী(স্বতন্ত্র)) য়ে উত্তৰ দিছে ঃ

(ক) উক্ত বিষয়টো সম্পর্কত তথ্য আৰু জনসংযোগ বিভাগ জড়িত নহয়।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৬৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তৃতীয় পর্য্যায়ত অনুষ্ঠিত বিগত পঞ্চায়ত নির্বচনৰ সময়ত মৰিগাওঁ জিলাৰ মৈৰাবাৰী ব্লকৰ অন্তর্গত লেংৰিবড়ি গাওঁ পঞ্চায়তৰ সভাপতি পদৰ AIUDF দলৰ প্রার্থী মঞ্জুৰাৰা বেগমক একাংশ দুস্কৃতিকাৰীয়ে আক্রমণ কৰি অপদস্ত কৰা সন্দর্ভত কিবা গোচৰ ৰুজু হৈছে নেকি?

(খ) যদি হৈছে, গোচৰটোৰ পঞ্চীয়ন নম্বৰ কিমান আৰু আচামী কোন কোন?

(গ) প্রার্থীগৰাকীক আক্রমণ কৰা অপৰাধীসকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰা হৈছে।

শ্রী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) তৃতীয় পর্য্যায়ত অনুষ্ঠিত বিগত পঞ্চায়ত নির্বাচনৰ সময়ত মৰিগাওঁ জিলাৰ মৈৰাবাৰী ব্লকৰ অন্তর্গত লেংৰিবড়ি গাওঁ পঞ্চায়তৰ সভাপতি পদৰ AIUDF দলৰ প্ৰাৰ্থী মঞ্জুৰাৰা বেগমৰ অভিযোগৰ ভিত্তিত মৈৰা বাৰী থানাত এটা গোচৰ ৰুজু কৰা হৈছে।

(খ) গোচৰটোৰ পঞ্জিয়ন নং মৈৰাবাৰী থানাৰ ১১/১৩ ভাঃ দঃ বিঃ আইনৰ ১৭১ (এফ) ১৪৭ / ১৪৮ / ১৪৯ / ৩২৫ / ৩৫৪ ধাৰা আৰু উক্ত ঘটনাৰ আচামী সকল হ'ল (১) মঃ আব্দুল লটিফ, (২) মঃ চইফুদ্দিন, (৩) মঃ য়াজুদ্দিন, (৪) মঃ চৰিফুদ্দিন, (৫) মঃ চাহাবুদ্দিন, (৬) মঃ চাবিৰুল ইছলাম, (৭) মঃ খাইৰুল ইছলাম, (৮) মঃ আব্দুল ৰহিম, (৯) মঃ কমৰুল কবিৰ, (১০) মঃ নাজিমুদ্দিন আৰু (১১) মঃ ইনামুল।

(গ) তদন্ত কালত এজাহাৰত উল্লেখ কৰা ওপৰোক্ত সকলো কেইজন অপৰাধীক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হৈছিল যদিও অপৰাধী সকলৰ বিৰুদ্ধে যথেষ্ট সাক্ষী

প্রমাণৰ অভাৱ হেতুকে গোচৰটোৰ চুড়ান্ত প্ৰতিবেদন (নং ১৭/১৩ তাং ৩০/ ০৩/ ২০১৩) আদালতত দাখিল কৰা হৈছে আৰু আদালতৰ ৰায়ৰ বাবে অপেক্ষা কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৬৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধিং, মৈৰাবাৰী, জুৰীয়া, চামগুৰি আৰু লাহৰীঘাট থানাৰ অন্তৰ্গত এলেকাত চলিত বছৰত মহযুঁজ, যাত্ৰাগান আদি ক'ত ক'ত অনুষ্ঠিত হয়? মহযুঁজ, যাত্ৰাগান, ৰংমেলা আদিৰ নামত প্ৰশাসনিক অনুমতি লৈ আয়োজন কৰা অনুষ্ঠানত অবৈধ জুৱাৰ মেলা আৰু অন্যান্য সমাজবিৰোধী কৰ্ম সংঘটিত হোৱাৰ কথাটো চৰকাৰৰ অৱগতনে?

(খ) এনে ধৰণৰ অনুষ্ঠানৰ অনুমতি প্ৰদান কৰাটো বন্ধ কৰিবনে? ধিং থানাৰ অন্তৰ্গত মাগুৰমাৰিত সদ্যহতে জুৱাৰ মেলা হৈছিল নেকি? (বিভাগীয় অনুমতিৰ প্ৰতিলিপি দিব)

শ্রী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ অন্তর্গত ধিং, জুৰীয়া, চামগুৰী থানাৰ অধীনৰ এলেকা সমূহত মহযুঁজ অনুষ্ঠিত হোৱা সম্পর্কে চৰকাৰ জ্ঞাত নহয়। ১ নং বিলতীয়া চৰকাৰী ৰিজার্ভত সোণশৰী ডাইমণ্ড আত্ম সহায়ক গোটৰ সৌজন্যত ইং ০৪/০৩/২০১৩ তাৰিখৰ পৰা ১০/০৩/২০১৩ তাৰিখলৈ ৰৌমাৰী নৱজ্যোতি অপেৰা থিয়েটাৰ নগাওঁ জিলাৰ অতিৰিক্ত দণ্ডাধীশ মহোদয়ৰ স্মাৰক নং এন. এম. এম. ৫৪/২০১১/ক, তাং ০৫/০৩/২০১৩ চিঠি সাপেক্ষে অনুষ্ঠিত হৈছিল। তাত জুৱা বা আন সমাজ বিৰোধী কার্য্য কলাপ সংঘটিত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাত নহয়। উক্ত থানাৰ অন্তর্গত মহঁযুজ আৰু ৰংমেলাৰ প্রশাসনিক অনুমতিৰ বিষয়ে চৰকাৰ অৱগত নহয়।

চলিত বছৰত মৈৰাবাৰী আৰু লাহৰীঘাট থানা এলেকাত

কোনো ধৰণৰ মহঁযুজ, ৰংমেলা অনুষ্ঠিত হোৱা নাই। কিন্তু লাহৰীঘাট থানাৰ অন্তৰ্গত লাহৰীঘাট বজাৰত মার্চ মাহৰ ২০ তাৰিখৰ পৰা ৩১ মার্চলৈ প্ৰশাসনৰ অনুমতি সাপেক্ষে ৰংমেলা অনুষ্ঠিত হৈছিল। কিন্তু তাত জুৱা বা অবৈধ কার্যকলাপ সংঘটিত হোৱা নাই। এই থানা এলেকাৰ কিছু লোকে প্ৰশাসনৰ অনুমতি নোলোৱাকৈ ষাঁড় গৰুৰ যুঁজ আৰু জুৱা খেল অনুষ্ঠিত কৰিবলৈ লৈছিল যদিও মৰিগাওঁ আৰক্ষীয়ে ততালিকে জুৱা খেলৰ সামগ্ৰীসহ ৪ (চাৰি) জন লোকক আটক কৰি আদালতলৈ প্ৰেৰণ কৰে। এই সংক্ৰান্তত লাহৰীঘাট থানাৰ গোছৰ নং. ২১/১৩ (AGB Act ৰ ১৩/১৪ ধাৰাৰ অধীনত) মতে ৰুজু কৰি তদন্ত অব্যাহত ৰখা হৈছে।

মৈৰাবাৰী থানাৰ এলেকাধীন মিলন জ্যোতি আত্ম সহায়ক গোটৰ সাহার্য্যার্থে "ভাই ভাই মিলনজ্যোতি অপেৰা" নামৰ যাত্ৰা প্ৰদর্শন প্ৰশাসনৰ অনুমতি সাপেক্ষে বেলগুৰিৰ লোচনাবাৰীত অনুষ্ঠিত হোৱাত, উক্ত যাত্ৰা প্ৰদর্শনৰ

সময়ছোৱাত কিছুলোকে জুৱা খেল অনুষ্ঠিত কৰাৰ খবৰ পাই মৰিগাওঁ আৰক্ষীয়ে জুৱা খেলৰ সামগ্ৰীসহ ২ (দুই) জন লোকক হাতে লোটে ধৰি গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰে। এই সংক্ৰান্তত মৈৰাবাৰী থানাৰ গোচৰ নং ৩৪/২৩ (AGB Act ৰ ১৪ ধাৰাৰ অধীনত) মতে ৰুজু কৰি তদন্ত অব্যাহত ৰখা হৈছে।

(খ) জুৱা খেলৰ দৰে সমাজবিৰোধী কাৰ্য্যকলাপ বন্ধ কৰিবলৈ জিলা উপায়ুক্ত সমূহক কতৃত্ব প্ৰদান কৰা আছে। জিলা উপায়ুক্ত সকলে এনে সমাজবিৰোধী কাৰ্য্যকলাপ বন্ধ কৰিবলৈ সময়ে সময়ে নিৰ্দেশনা জাৰি কৰে।

ধিং থানাৰ অন্তৰ্গত মাগুৰমাৰীত জুৱা খেল অনুষ্ঠিত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাত নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৬৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত লেংৰিবিড়ি গাওঁ পঞ্চায়তৰ অন্তৰ্গত কেইজনমান কৃষি শ্ৰমিক কিছু দিন পূৰ্বে গোলাঘাট জিলাৰ এলেকাত বাংলাদেশীৰ নামত আছু কৰ্মীৰ দ্বাৰা শাৰীৰিক আৰু মানসিক নিৰ্য্যাতনৰ বলি হোৱা কথাটো চৰকাৰৰ অৱগত নে? এই সম্পৰ্কত কিবা গোচৰ ৰুজু হৈছে নেকি? যদি হৈছে ক'ত আৰু পঞ্জীয়ত নম্বৰ কিমান? এই গোচৰ সংক্ৰান্তত কিবা তদন্ত হৈছে নেকি? (তদন্তৰ প্ৰতিবেদন কপি, অপৰাধীসকলৰ নাম ঠিকনা আৰু অপৰাধীৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাৰ সবিশেষ তথ্য দিব।)।

শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয় অবগত। বিষয়টো গোলাঘাটজিলা আৰক্ষীৰ অবগত হৈছে। এই সম্পৰ্কত এজাহাৰৰ ভিত্তিত গোলাঘাট থানাৰ গোচৰ নং ৭৭০/১২ ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৭/১৪৮/১৪৯/৪৪৭/৩২৩ ধাৰাত আৰু গোচৰ নং ৭৯০/১২

ভাৰতীয় দণ্ডবিধি আইনৰ ৩৪১/৩২৩/৩৯২/৩৪ ধাৰাত পঞ্জীয়ন কৰি তদন্ত কৰি থকা হৈছে। গোচৰ দুটাৰ তদন্তৰ প্ৰতিবেদন বৰ্ত্তমানে দাখিল কৰা হোৱা নাই। গোচৰ নং ৭৭০/১২ সংক্ৰান্তে নিম্ন উল্লেখিত অপৰাধীসকলক গ্ৰেপ্তাৰ কৰা হৈছে। তদন্তৰ প্ৰক্ৰিয়া সমাপ্ত হ'লে আদালতলৈ তদন্তৰ প্ৰতিবেদন দাখিল কৰা হ'ব।

<u>পদকীয়ৰ নাম ও ঠিকনা ঃ-</u>

(১) শ্ৰী দীপক গগৈ, পিতা - বলোৰাম গগৈ, সাং - কছাৰীহাট গাওঁ, থানা - গোলাঘাট।

(২) শ্ৰী নিপন গগৈ, পিতা - শ্ৰী অম্বিকা গগৈ, সাং - কছাৰীহাট গাওঁ, থানা - গোলাঘাট।

(৩) শ্ৰী মিন্টু গগৈ, পিতা - নৰেন্দ্ৰ গগৈ, সাং - কছাৰীহাট গাওঁ, থানা - গোলাঘাট।

(৪) শ্ৰী মাধুৰ্য্য গোস্বামী, পিতা - শ্ৰী অচ্যুত গোস্বামী, সাং - নতুন আমলাপট্টি, থানা - গোলাঘাট।

(৫) শ্রী মঃ চুৰক আলি, পিতা - মঃ ৰোকিব আলি, সাং - তৰাফাত আহোম গাওঁ।

(৬) শ্রী মামুদ আলি, পিতা - মঃ হাইদৰ আলি, সাং - তৰাফাত আহোম গাওঁ।

(৭) শ্রী দেহীৰাম দাস, পিতা - শ্রী নাথুৰাম দাস, সাং - তৰাফাত আহোম গাওঁ।

(৮) শ্রী বসন্ত বৰা, পিতা - শ্রী সৰুপোনা বৰা, সাং - ১ নং শিয়ালঘাটী।

(৯) শ্রী মোহন বৰা, পিতা - শ্রী নোমল বৰা, সাং - কাবৰু গাওঁ।

(১০) শ্রী পার্থ প্রতীম ফুকন, পিতা - শ্রী অমূল্য ফুকন, সাং - নতুন আমোলা পট্টি।

(১১) শ্রী অংশুমান বৰুৱা, পিতা - বলিন্দ্র নাথ বৰুৱা, সাং - জগত গোস্বামী পথ, থানা- গোলাঘাট।

(১২) শ্রী সঞ্জীৱ কলিতা, পিতা - শ্রী প্রমোদ কলিতা, সাং - কছাৰী হাট, বনগাওঁ।

(১৩) শ্রী অনুৰাগ ফুকন, পিতা - ৰত্নেশ্বৰ ফুকন, সাং - চান্দমা, থানা - গোলাঘাট

(১৪) শ্রী অভিজিথ দাস, পিতা - শ্রী ভদ্রেশ্বৰ দাস, সাং - তৰাফট আহোম গাওঁ।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৬৮। মাননীয় ৰাজহ ও দূর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০১২ চনত ধিং আৰু লাহৰীঘাট ৰাজহ চক্র এলেকাত ভয়াবহ ধুমুহাই বহু লোকৰ ঘৰ-বাৰী আৰু সা-সম্পত্তি ক্ষতিগ্রস্ত কৰাটো চৰকাৰৰ জ্ঞাত নে? (উক্ত ধুমুহাত ক্ষতিগ্রস্ত লোকৰ নাম, ঠিকনা, ক্ষতিৰ পৰিমাণ আৰু চৰকাৰে যোগান ধৰা সাহার্য্যৰ তথ্য সদনত দাখিল কৰিব।

শ্রী পৃথিবী মাঝি (ৰাজহ ও দূর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

নগাওঁ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্যমতে যোৱা ২০১২ চনত হোৱা ধুমুহাত ধিং ৰাজহ চক্র এলেকাত ৰৰ গাওঁৰ প্রায় ৫৬২ টা পৰিয়াল ক্ষতিগ্রস্ত হৈছিল। উক্ত ধুমুহাত ক্ষতিগ্রস্ত লোক সকলৰ নাম, ঠিকনা, ক্ষতিৰ পৰিমাণ আদিৰ বিতং তথ্য **পৰিশিষ্ট "ক"** ত দিয়া হ'ল। ক্ষতি গ্রস্ত লোক সকলৰ পুনৰ সংস্থাপন অনুদানৰ প্রস্তাৱসমূহ জিলা উপায়ুক্তৰ কার্য্যালয়ত বিবেচনাধীন হৈ আছে বুলি উপায়ুক্তই জনাইছে।

আনহাতে মৰিগাওঁ জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য মতে লাহৰীঘাট ৰাজহ চক্র এলেকাত যোৱা ২০১২ চনত হোৱা ধুমুহাত কোনো পৰিয়ালৰ ঘৰ-বাৰী আৰু সা-সম্পত্তি ক্ষতিগ্রস্ত হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী কেশৱ মহন্তই সুধিছে ঃ

৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কলিয়াবৰ ৰাজহ চক্ৰৰ পূৱখৰীয়া মৌজাৰ কামাখ্যা কিচামত আৰু শিলিখাজৰী কিচামত OZONE PHARMACEUTICALS LTD বিভিন্ন লোকৰ পৰা কিমান মাটি ক্ৰয় কৰিলে অনুগ্ৰহ কৰি জনাব। ইয়াৰ লগতে তেখেত সকলে ১৮ বিঘা ২ কঠা ৬ লেচা মাটি বেদখল কৰিছে নেকি?

(খ) যদি কৰিছে, ৰাইজে দাবী কৰি থকা সত্বেও কিয় এই বেদখল মুক্ত কৰা নাই অনুগ্ৰহ কৰি জনাব।

(গ) ইয়াৰ উপৰিও পূৰ্বতে ৰাইজে ব্যৱহাৰ কৰা গৰু বাটকে ধৰি ৰাজহুৱা বাট-পথ পুখুৰী আদি তেখেত সকলৰ পকী চৌহদত অৰ্ন্তভূক্ত হৈছে নেকি বিতং তথ্য দিব।

শ্রী পৃথিবী মাঝি (ৰাজহ ও দূর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ উপায়ুক্তই জনোৱা মতে কলিযাবৰ ৰাজহ চক্রৰ কামাখ্যা আৰু শিলিখাগুৰী কিচামতৰ ভিতৰত ১৫৪ বিঘা ২ লেচা ম্যাদী পট্টাৰ মাটি বিভিন্ন পট্টাদাৰৰ পৰা OZONE PHARMACEUTICALS LTD য়ে খৰিদ কৰি লোৱা দেখা যায়। উক্ত খৰিদ কৰি লোৱা মাটিৰ মাজত চৰকাৰী দাগৰ পৰা মুঠ ২৭ বিঘা ৪ কঠা চৰকাৰী মাটি উক্ত প্রতিষ্ঠানটোৱে বেদখল কৰি আছে।

(খ) উক্ত মাটি প্রতিষ্ঠানটোৱে খৰিদ কৰি লোৱা ম্যাদী মাটিৰ মাজৰ যদিও উচ্ছেদ কৰিবৰ বাবে ব্যৱস্থা কৰি থকা হৈছে।

(গ) নথিভূক্ত চৰকাৰী গো-বাট, ৰাজহুৱা বাট ও পুখুৰী আদি উক্ত প্রতিষ্ঠাটোৱে স্থাপন কৰা পকা বেৰাৰ ভিতৰতসোমোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত কিমান খন চাহ বাগিছা আছে ?

(খ) প্ৰতিখন চাহ বাগিছাক কিমান মাটি আৱন্টন দিয়া হেছে, কেতিয়া দিয়া হৈছে আৰু কিমান দিনৰ বাবে দিয়া হৈছে? এই ক্ষেত্ৰত চাহ বাগিছাসমূহৰ লগত অসম চৰকাৰে Lease agreement ৰ কপি সদনত দাখিল কৰিব।

(গ) বিলাসীপাৰা পূৱসমষ্টিত খাচমাটি কিমান আছে ? চক্ৰ হিচাপে তথ্য দিব।

(ঘ) ২০০৩ চনৰ পৰা বৰ্তমানলৈ কোন কোন অনুষ্ঠানৰ নামত কিমান মাটি কেতিয়া আবণ্টন দিয়া হৈছে? বিতং তথ্য দাখিল কৰিব।

(ক) অসমত সৰু-ডাঙৰ মিলি মুঠ ৪৩,২১৩ খন চাহ বাগিছা আছে। সংগঠিত খণ্ডৰ অন্তর্গত বাগিছাৰ সংখ্যা হ'ল ৭৯৩ খন।

(খ) স্বাধীনতাৰ আগতে বৃটিছ চৰকাৰৰ দিনত বিভিন্ন লীজ ৰুলত চাহ খেতিৰ কাৰণে বিভিন্ন ম্যাদৰ বাবে মাটি লীজত দিয়া প্রথা আছিল। বর্ত্তমান চাহ বাগিছাৰ ও গ্রান্টৰ ম্যাদ আন ম্যাদী মাটিৰ ম্যাদৰে একে কৰা হৈছে। বিতং তথ্য বিচৰা হৈছে।

(গ) মহকুমাধিপতিৰ তথ্য মতে বিলাসীপাৰা পূব সমষ্টিত মুঠ ১,১৮,৩০৫ বিঘা ০ কঠা ১৮ লেচা আৰু বিলাসীপাৰা ৰাজহ চক্রত ৩০,৭৮৬ বিঘা ৪ কঠা ১৩ লেচা খাচ মাটি আছে।

(ঘ) বিভাগীয় তথ্য মতে ১৬ খন জিলাৰ অনুষ্ঠান/ প্রতিষ্ঠানৰ নামত আৱণ্টন দিয়া মাটিৰ তথ্য পৰিশিষ্ট-'ক' যোগে দাখিল কৰা হ'ল। বাকী জিলাৰ পৰা বিতং তথ্য বিচৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী কেশৱ মহন্তই সুধিছে ঃ

৭১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিৰ থানা কেইখনত ২০১১ চনৰ ১ জানুৱাৰীৰ পৰা বৰ্তমানলৈ কিমান দূৰ্ঘটনা সংঘটিত হৈছে থানা ভিত্তিত সুকীয়া সুকীয়াকৈ বছৰ ভিত্তিত দাঙি ধৰিব।

(খ) এই বৃদ্ধি পোৱা দূৰ্ঘটনা সমূহ ৰোধ কৰিবৰ বাবে গৃহ বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাব।

শ্ৰী ৰকিবুল হুছেইন (পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিৰ থানা কেইখনত ২০১১ চনৰ ১ জানুৱাৰীৰ পৰা ২০১৩ চনৰ ৩১ মাৰ্চলৈ মুঠ ২১৯ টা পথ দূৰ্ঘটনা সংঘটিত হয়।

থানা আৰুবছৰ ভিত্তিত দূর্ঘটনা, মৃত তথা আহতৰ সংখ্যা তলত দেখুওৱা হ'ল ঃ-

কলিয়বৰ থানা	দূর্ঘটনাৰ সংখ্যা	মৃত্যু হোৱো ব্যক্তৰ সংখ্যা	আহত হোৱাৰ সংঘ্যা
২০১১	৪৬	২৪	২৪
২০১২	৫১	২৫	২৯
২০১৩ (৩১-৩-২০১৩)	১৪	৮	১২
মুঠ	১১১	৫৭	৬৫

জখলা বন্ধা থানা

২০১১	৩৭	২২	৪৬
২০১২	২৭	২২	২৪
২০১৩ (৩১-৩-২০১৩)	১০	৫	২
মুঠ	৭৪	৪৯	৭২

উলুৱনী থানা

২০১১	৩৭	২২	৪৬
২০১২	২৭	২২	২৪
২০১৩ (৩১-৩-২০১৩)	১০	৫	২
মুঠ	৭৪	৪৯	৭২

চলনা পিপিৰ অধীনত (চামগুৰী থানা)

২০১১	৩	২	১
২০১২	৫	৩	২
২০১৩ (৩১-৩-২০১৩)	নাই	নাই	নাই
মুঠ	৮	৫	৩

(খ) পৰিবহন বিভাগৰ জৰিয়তে জিলা পৰিবহন বিষয়াৰ সহযোগত মাজে সময়ে সাধাৰণ ৰাইজ NGO, VDP আদিৰ সৈতে সজাগতা সভা অনুষ্ঠিত কৰি যানবাহন দূৰ্ঘটনা ৰোধ কৰাৰ বাবে বিভিন্ন উপদেশ দি থকা হয়। তদুপৰি চালক সকলক যানবাহন চলোৱাৰ সাংকেতিক চিহ্ন তথা কৰ্ত্তব্যত থকা যানবাহন নিয়ন্ত্রন শাখাৰ আৰক্ষীৰ নিৰ্দ্দেশ মানি চলিবলৈ নিৰ্দ্দেশনা দিয়া হয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৭২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমান আই পি এচ আৰু এ পি এচ বিষয়া আছে। তেওঁলোকৰ নাম জেষ্ঠতাৰ ভিত্তিত প্ৰকাশ কৰিব। আই পি এচ আৰু এ পি এচ বিষয়াৰ কিমান পদ খালী হৈ আছে?

(খ) বৰ্তমান অসমৰ কোন কোন আই পি এচ আৰু এ পি এচ বিষয়াৰ বিৰুদ্ধে বিভিন্ন গোচৰ আছে? (এই গোচৰৰ অভিযোগ আৰু বৰ্তমান গোচৰবোৰ কি অৱস্থাত আছে স্পষ্টকৈ উল্লেখ কৰিব)

(গ) অসম আৰক্ষীৰ বিষয়া কৰ্মচাৰীসকলৰ নিৰাপত্তাৰ বাবে আৰক্ষীৰ কিমানজন লোক নিয়োগ হৈ আছে। আৰক্ষী বিষয়া কৰ্মচাৰীৰ নাম আৰু তেওঁলোকৰ বিপৰীতে থকা নিৰাপত্তা ৰক্ষীৰ সংখ্যা সদনত জনাব।

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন আদি বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বর্তমান অসম আৰক্ষীত ১০৪ জন আই পি এছ বিষয়া আছে। তাৰ ভিতৰত ১৯ জন কেন্দ্রীয় ডেপুটেচনত আৰু ২ জন আন্তঃৰাজ্যিক ডেপুটেচনত আছে। তে ওঁলোকৰ নাম জ্যেষ্ঠতাৰ ভিত্তিত **পৰিশিষ্ট 'ক'** ত উল্লেখ কৰা হ'ল। (See Annexure –LXX)

অসমত বর্তমান মুঠ ৩৪৪ জন এ পি এছ বিষয়া আছে। তে ওঁলোকৰ নাম জেষ্টতাৰ ভিত্তিত **পৰিশিষ্ট 'খ '** ত উল্লেখ কৰা হ'ল। (See Annexure –LXX - I)

আই পি এছ আৰু এ পি এছ বিষয়াৰ খালী থকা পদৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

(ক - ১) ঃ আই পি এছ

Sl. No.	Rank	S/ Strenght	A/ Strenght	Vacancy
1	DGP	3	2	1
2	ADGP	15	15	0
3	IGP	15	5	10
4	DIGP	15	11	4
5	SP/Comdts/AIGP	37	35	2

(ক - ১) ঃ আই পি এছ

Sl. No.	Rank	S/ Strenght	A/ Strenght	Vacancy
1	DGP	3	2	1
2	ADGP	15	15	0
3	IGP	15	5	10
4	DIGP	15	11	4
5	SP/Comdts/AIGP	37	35	2

(খ) বর্তমান অসমত আৰক্ষীৰ ৮ জন আই পি এছ বিষয়া আৰু ২০ জন এ পি এছ বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছে। উক্ত বিষয়াসকলৰ নাম সহ বিতং তথ্য **পৰিশিষ্ট 'গ'** ত উল্লেখ কৰা হ'ল। (See Annexure –LXX - II)

(গ) অসম আৰক্ষীৰ বিষয়া-কর্মচাৰীসকলৰ নিৰাপত্তৰ বাবে মুঠ ১৪৫৯ নিৰাপত্তাৰক্ষী নিয়োজিত হৈ আছে। আৰক্ষী বিষয়া কর্মচাৰীসকলৰ নাম আৰু তেওঁলোকৰ বিপৰীতে থকা নিৰাপত্তৰক্ষীৰ সংখ্যা **পৰিশিষ্ট 'ঘ'** ত উল্লেখ কৰা হ'ল। (See Annexure –LXX - III)

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৭১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ভাৰত বাংলাদেশৰ অসম অংশৰ ফেঞ্চিঙৰ বাহিৰত বর্ত্তমান কোন জিলাত কিমান লোকে বসবাস কৰি আছে। কেতিয়াৰ

পৰা এই লোকসকল এই অঞ্চলত আছে। জিলা ভিত্তিত গাৱঁৰ নাম, জনসংখ্যা, পুৰুষ. মহিলা লগতে শিশুৰ জনসংখ্যা জনাবনে?

(খ) এই লোক সকলক ভাৰতৰ ফালে অনাৰ বাবে কোনো ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে কি ব্যৱস্থা লৈছে? বৰ্ত্তমানলৈ কোন জিলাই কিমান লোকক ভাৰতৰ ফাললৈ আনিছে। এই পৰিয়ালক ক্ষতিপূৰণ কিমানকৈ দিয়া হৈছে? পৰিয়ালৰ মূৰব্বীৰ নাম, ক্ষতিপূৰণৰ পৰিমান সদনত দাখিল কৰিব।

(গ) ফেঞ্চিঙৰ বাহিৰত পৰিয়াল সমূহে কিয় বসবাস কৰিব লগীয়া হৈছে?

শ্রী পৃথিৱী মাঝি (ৰাজহু আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য তলত দিয়া হ'ল।

জিলা	গাওঁৰ নাম	লোকৰ সংখ্যা	পুৰুষ	মহিলা	শিশু
ধুবুৰী	ভোগডাঙ্গা	৫৭৩	১৭১	১৬৭	২৩৫
কৰিমগঞ্জ	১) জবাইনপুৰ	৩	২	১	
	২) চান্দশ্রীকোনা	৯	৫	৪	
	৩) সদাৰাশি ১ম খণ্ড	৮	৫	৩	
	৪) লাফাছাইল ৩য় খণ্ড	৩৬৯	১৭৮	১৯১	
	৫) জৰাপাটা কিট্রে বালিঙ্গা	১১৩	৬৫	৪৮	
	৬) কুৰিখালা	২২০	১২৩	৯৭	
	৭) লাটু	৫৪	২৭	২৭	

	৮) টেচুবা	৩৬	১৫	২১	
	৯) কুর্তব দেওতলী	১১৮	৬৩	৫৫	
	১০) লামাজুৱাৰ	১৫	৯	৬	
কাছাৰ	১) নাইানপুৰ				
	২) নাইানপুৰমহাদেবপুৰ ১ম খণ্ড				
	৩) ৰংপুৰ				
	৪) নিজ জালালপুৰ ১ম খণ্ড		৫০০	৫৬৪	৬৫০
	৫) পীৰ নগৰ				
	৬) মহাদেবপুৰ ২য় খণ্ড				
	৭) নিজ লোবৰপুটা ১ম খণ্ড				

(ক) কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ উপায়ুক্তই ফেঞ্চিঙৰ ভিতৰলৈ অনাৰ বাবে এক প্ৰস্তাৱ পঠিয়াইছে। কিছু পৰিয়ালে নিজে নিজে ফেঞ্চিঙৰ ভিতৰলৈ আহিছে।

(গ) এই লোকসকল উক্ত অঞ্চলত ফেঞ্চিঙ দিয়াৰ আগৰে পৰা বসবাস কৰি আছে। কৰিমগঞ্জ জিলাৰ উপায়ুক্তৰ মতে পুৰুষানুক্ৰমে সেইলোক সকল নিজৰ পট্টাৰ মাটিত বাস কৰি আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৭৪। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পশুপালন, পশুচিকিৎসা বিভাগে ২০০৬-০৭ বিত্তীয়বৰ্ষৰ পৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ বাতৰি কাকতত বিজ্ঞাপন আৰু হৰডিঙৰ বিজ্ঞাপনৰ বাবে কিমান টকা ব্যয় কৰিছে?

বিত্তীয় বর্ষ অনুযায়ী ব্যয় হোৱা ধনৰ পৰিমাণ পৃথকে পৃথকে জনাব।

(খ) উক্ত বিভাগৰ কিমানটা বিজ্ঞাপন কোন কোন বাতৰি কাকতত কিমান তাৰিখে দিয়া হৈছিল। এই বিজ্ঞাপনবোৰ কোন বিজ্ঞাপন ওজেন্সিৰ জৰিয়তে বাতৰি কাকতত দিয়া হৈছিল। হৰডিঙৰ কামবোৰ কোঃ বিজ্ঞাপন এজেঞ্চীক দিয়া হৈছিল।

(গ) এখন হৰডিঙৰ বাবে বিভাগে কিমান টকা ব্যয় কৰিছে

(ঘ) এজেন্সিটোক কামবোৰ দিওঁতে বিভাগে কোন কোন বাতৰি কাকতত নিৰিদা প্রকাশ কৰিছিল? নিবিদাত কোন কোন এজেন্সিয়ে অংশ লৈছিল।?

(ঙ) বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ বাবদ বিজ্ঞাপন এজেন্সিটোৱে কি হাৰত কমিছন লাভ কৰে?

শ্রী খৰছিং ইংতি (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) পশুপালন আৰু পশুচিকিৎসা বিভাগে ২০০৬-০৭ চনৰ পৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ হৰডিঙৰ বিজ্ঞাপন দিয়া নাই। উক্ত সময়ছোৱাত বাতৰি কাকতৰ বিজ্ঞাপন প্ৰায়বোৰ দেয়কৰ ধন তথ্য আৰু জনসংযোগ বিভাগে আদায় দিছে। সেইবোৰ দেয়কৰ ব্যয়ৰ তথ্য বিভাগৰ হাতত নাই। উক্ত সময়ছোৱাত বিশ্ব বেংকৰ অর্থ সাহার্য্যত অসম কৃষি সামর্থ বর্ধক প্রকল্প (AACP), ৰাষ্টীয় কৃষি বিকাশ যোজনা (RKVY) আৰু অন্যান্য কেইখনমান আঁচনিৰ ধন পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা আদায় দিয়া হৈছিল। ইয়াৰ বিতং বিবৰণ সংযোজনা 'ক' আৰু সংযোজনা 'খ' ত গাঁঠি দিয়া হ'ল। (See Annexure –L XX - IV)

দুগ্ধ উন্নয়ন বিভাগৰ জৰিয়তে ২০০৬-০৭ বিত্তীয় বৰ্ষৰপৰা ২০১২-১৩ বিত্তীয় বৰ্ষলৈ বার্ষিক পৰিকল্পনা, ৰাষ্টীয় কৃষি বিকাশ যোজনা আৰু অসম কৃষি সামর্থ্য বর্দ্ধন প্রকল্প অধীনত হৰডিঙৰ বিজ্ঞাপনৰ বাবে নিম্ন লিখিত ধৰণে ব্যয় কৰা ধনৰ পৰিমাণ হ'ল ঃ-

বর্ষ	বাতৰি কাকত	হৰডিঙ
২০০৬-০৭	নাই	নাই
২০০৭-০৮	নাই	নাই
২০০৮-০৯	নাই	৩.২১ লাখ
২০০৯-১০	নাই	১১.০৯ লাখ
২০১০-১১	০.৬ লাখ	৪১.৬২৪ লাখ
২০১১-১২	২৯.৬৩ লাখ	১১৩.২৮ লাখ
২০১২-১৩	নাই	০.৮৮ লাখ
মুঠ	৩০.২৩ লাখ মুঠ	=১৭০.০৮৪ লাখ

(খ) পশুপালন আৰু পশুচিকিৎসা বিভাগৰ পৰা এই দীঘলীয়া সময়ৰ বিতং তথ্য অর্থাৎ বিজ্ঞাপনবোৰ কোন কোন বাতৰি কাকতত কি কি তাৰিখত দিয়া হৈছিল সময়ৰ অকূলন হোৱাত সংগ্রহ কৰি দিব পৰা নগ'ল। এমাহ সময় দিলে এইখিনি তথ্য তথ্যকেন্দ্র (Record Room) ৰ পৰা সংগ্রহ কৰি দিব পৰা যাব।

বিজ্ঞাপনবোৰৰ বাবে কোনো বিজ্ঞাপন এজেন্সিক নিয়োগ কৰা হোৱা নাছিল।

দুগ্ধ উন্নয়ন বিভাগৰ বিজ্ঞাপন সমূহ প্রকাশিত বাতৰি কাকত আৰু তাৰিখ সংযোজনা 'গ' ত সংলগ্ন কৰা হ'ল। (See Annexure –LXX - V) এই বিজ্ঞাপন সমূহ মেৰ্চাচ ৰা ফিল্ম ষ্টুডিও, গুৱাহাটীৰ দ্বাৰা প্রকাশৰ বাবে দিয়া হৈছিল। হৰডিঙৰ কামবোৰ নিম্নলিখিত বিজ্ঞাপন এজেন্সিক দিয়া হৈছিল ঃ -

বর্ষ	বাতৰি কাকত
২০০৬-০৭	নাই
২০০৭-০৮	নাই
২০০৮-০৯	চেণ্টাৰ ফৰ হিউমেনেৰ্ষ্টিক ডেভেলপমেণ্ট, গুৱাহাটী
২০০৯-১০	চেণ্টাৰ ফৰ হিউমেনেৰ্ষ্টিক ডেভেলপমেণ্ট, গুৱাহাটী
২০১০-১১	প্রডিজি কমিনিকেচন, গুৱাহাটী প্রদীপ এডভাৰটাইজিমেণ্ট, গুৱাহাটী
২০১১-১২	প্রডিজি কমিনিকেচন, গুৱাহাটী
২০১২-১৩	মৰ্চাচ শৰ্মা আৰ্ট কটেজ, গুৱাহাটী

(গ) পশুপালন আৰু পশুচিকিৎসা বিভাগৰ পৰা হৰডিঙৰ জৰিয়তে বিজ্ঞাপন দিয়া নাই।

আনহাতে, দুগ্ধ উন্নয়ন বিভাগে হৰডিঙৰ বিভিন্ন প্রকাৰ (আকাৰ) ৰ বাবে নিম্ন লিখিত টকা ব্যয় কৰিছিল ঃ-

২০০৬-০৭ বর্ষত	৮´ × ৬´ প্রতিথন	মুঠ ১৫,৯০০.০০ টকা
২০০৬-০৭ বর্ষত	৮´ × ৬´ প্রতিথন	মুঠ ১৬,০০০.০০ টকা
২০০৬-০৭ বর্ষত	২০´ × ১৬´ প্রতিথন	মুঠ ২৪,০০০.০০ টকা (ৰেল্চাইন)
২০০৬-০৭ বর্ষত	৮´ × ৬´ প্রতিথন	মুঠ ১৫,৬০০.০০ টকা
২০০৬-০৭ বর্ষত	৪০´ × ২০´ প্রতিথন	মুঠ ১৭,০০০.০০ টকা
২০০৬-০৭ বর্ষত	৪০´ × ২০´ প্রতিথন	মুঠ ২৮,০০০.০০ টকা (ৰেল্চাইন)
২০০৬-০৭ বর্ষত	৮´ × ৬´ প্রতিথন	মুঠ ১৬,০০০.০০ টকা
২০০৬-০৭ বর্ষত	৪০´ × ২০´ প্রতিথন	মুঠ ২৪,০০০.০০ টকা (ৰেল্চাইন)
২০০৬-০৭ বর্ষত	১০´ × ২০´ প্রতিথন	মুঠ ১১,৩৩৩.০০ টকা
২০০৬-০৭ বর্ষত	১০´ × ৫´ প্রতিথন	মুঠ ৮,৮০০.০০ টকা

(ঘ) উত্তৰ 'খ' ত দিয়াৰ দৰে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিজ্ঞাপন কোনো এজেন্সিক দিয়া হোৱা নাই।

দুগ্ধ উন্নয়ন বিভাগে তথ্য আৰু জনসংযোগ বিভাগৰ জৰিয়তে কিছুমান বাতৰি কাকতত যেনে - দ্যা আসাম ট্ৰিবিউন, নিয়মীয়া বার্তা, খবৰ এদিনৰ সংবাদ, ইষ্টার্ণ ক্ৰোনিকল বাতৰি কাকতত নিবিদা প্ৰকাশ কৰিছিল।

নিবিদাত অংশগ্ৰহণকাৰী এজেন্সিৰ নাম তাত উল্লেখ কৰা হ'ল -

১) চিলভাৰ লাইন, গুৱাহাটী - ৩৪

২) জ্যা ক্যমুনিকেচন, গুৱাহাটী - ৩২

৩) ওঁম প্ৰডাকচন

৪) প্ৰদীপ এডভাৰটাইজমেন্ট, গুৱাহাটী - ৩২

৫) ৰিজনেঞ্চ বেণ্ড ক্যমুনিকেচন, গুৱাহাটী - ৬

৬) চেন্টাৰ ফৰ হিউমেনিষ্টিক ডেভেলাপমেন্ট, গুৱাহাটী-৩

৭) এমপেনেল্ড এজেন্সিৰ তালিকা সংযোজনা - 'ঘ' সংলগ্ন কৰা হ'ল।

(ঙ) বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ বাবদ বিজ্ঞাপন এজেন্সিক কৰিছন দিয়া নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী কেশৰ মহন্তই সুধিছে ঃ

৭৫। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০১২-১৩ চনত পর্য্যটন বিভাগে কি কি আঁচনি গ্রহণ কৰিছে ধার্য্য কৰাধনৰ সৈতে বিতং বিৱৰণ দিব।

(খ) ২০১৩-১৪ বর্ষৰ বাবে গ্রহণ কৰা আঁচনি আৰু ধার্য্য কৰাধনৰ পৰিমাণ উল্লেখ কৰিব।

(গ) কলিয়াবৰ বিধান সভা সমষ্টিত উল্লেখিত দুটা বর্ষৰ বাবে আঁচনি গ্রহণ কৰিছেনে অনুগ্রহ কৰি জনোৱাৰ লগতে

সম্ভাৱনাপূর্ণ আঁচনি থাকিলে মন্ত্রী মহোদয়ে আগন্তুক বর্ষৰ বাবে বিবেচনা কৰিবনে?

শ্রী চন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০১২-১৩ বর্ষত পর্য্যটন বিভাগে গ্রহণ কৰা আচঁনি সমূহৰ নাম আৰুধার্য্য কৰা ধনৰ বিতং বিৱৰণ সংলগ্ন 'ক' ত গাঠি দিয়া হ'ল। (See Annexure –LXX -VIII)

(খ) ২০১৩-১৪ বর্ষৰ বাবে আচঁনি সমূহৰ নাম আৰুধনৰ পৰিমাণ বর্ত্তমানলৈ পোৱা নাই।

(গ) কলিয়াবৰ বিধান সভা সমষ্টিত উল্লেখিত বর্ষ দুটাত কোনো আঁচনি গ্রহণ কৰা নাছিল। সম্ভাৱনাপূর্ণ আঁচনি থাকিলে পুজি সাপেক্ষে চিন্তা কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৬। মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্য খনৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁপঞ্চয়ত সমূহত কেজুৱেল কৰ্মচাৰী সকলে কাম কৰি থকা চৰকাৰ অৱগত?

(খ) যদি অৱগত, বৰ্তমানলৈকে কিমানজন কেজুৱেল কৰ্মচাৰীয়ে কাম কৰি আছে? নাম ঠিকনাৰে জিলা ভিত্তিত তালিকা সদনত দাখিল কৰবি)

(গ) উক্ত কৰ্মচাৰী সকলক মাহিলী দৰমহা দিয়াৰ কিবা ব্যৱস্থা কৰিছেনে?

(ঘ) যদি কৰিছে, কিমান টকাকৈ দি আছে?

(ঙ) PRI ৰ প্ৰস্তাব ও সিদ্ধান্ত মৰ্মে বৰ্তমানলৈকে কিমানজন অবৈতনিক কৰ্মচাৰীয়ে উক্ত কাৰ্যালয় সমূহত কাম কৰি আছে? (নাম ঠিকনাত জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব?

(চ) উক্ত কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়াকৰণ চৰকাৰীকৰণৰ বাবে চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে নে?

(ছ) যদি কৰিছে, কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰী ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অবগত।

(খ) বৰ্ত্তমানলৈ ১৮১২ জন কেজুৱেল কৰ্মচাৰীয়ে কাম কৰি আছে। (জিলা ভিত্তিতালিকা **পৰিশিষ্ট 'ক'** গাঁঠি দিয়া হৈছে)।

(গ) হয়, কৰ্মচাৰী সকলক মাহিলী ৪৫০০/- টকাকৈ নিদ্ধাৰিত পাৰিতোষিত দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) মাহিলী ৪৫০০/- টকা হিচাবে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঙ) PRI ৰ প্ৰস্তাব ও সিদ্ধান্ত মৰ্মে ১৮১২ জনে অবৈতনিক (Casual) কৰ্মচাৰীয়ে উক্ত কাৰ্যালয় সমূহত কাম কৰি আছে।

(চ) বৰ্ত্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

(ছ) প্ৰশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৭। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰৰপেটা জিলাৰ D.T.O. Office স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ কাৰণে চৰকাৰ মুঠ কিমান পুজি আৱন্টন দিছিল?

(খ) উক্ত স্থায়ী কাৰ্য্যালয়ৰ নিৰ্মান কাৰ্য্য সম্পূৰ্ণ হৈছে নে? যদি

হৈছে, কিমান পুজি ব্যয় হ'ল? (ব্যয়ৰ তালিকা সদনত দাখিল কৰিব)

(গ) যদি D.T.O. Office ৰ স্থায়ী কার্য্যালয়ৰ কাম সম্পূর্ণ হৈছে, তেনেহ'লে বর্ত্তমানেও উক্ত কার্য্যালয় খন বৰপেটাৰ Residencial Kumarhati ত কিয় চলাই থকা হৈছে ?

শ্রী চন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ D.T.O. Office ৰ স্থায়ী কার্য্যালয় নির্মাণৰ বাবে অসম ৰাজ্যিক পৰিবহন নিগমক মুঠ ১০২.৩৪ লাখ টকা আবন্টন দিছিল।

(খ) হয়। নির্মাণ কার্য্য সম্পূর্ণ হৈছে। মুঠ ১০২.৮২ লাখ টকা ব্যয় হৈছে। ব্যয় তালিকা **পৰিশিষ্ট "ক"** ত দিয়া হ'ল। (See Annexure-LXX-VIII)

(গ) ইতিমধ্যে নতুন কার্য্যালয়লৈ স্থানান্তৰ কৰিবলৈ নির্দেশ দিয়া হৈছে। চলিত মাহতে নতুন কার্য্যালয়ৰ পৰা সকলো কাম কাজ কৰা হব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী কেশৰ মহন্তই সুধিছে ঃ

৭৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কলিয়াবৰ সমষ্টিৰ গাখিৰে খাতি, বিহদুবি অঞ্চলত কৰি থকা স্পাৰৰ কাম কেতিয়া আবন্টন দিয়া হৈছিল আৰু কেতিয়া সমাপ্ত হব। অহা বাৰিষাৰ আগত কাম সমাপ্ত নহলে গৰাখহনীয়াআৰু বানপানীৰ দ্বাৰা ৰাইজ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে অৰ্দ্ধ নিৰ্মিত কাৰ্য্য নদীয়ে উটুৱাই নিব। সেয়ে এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা লৈছে অনুগ্ৰহ কৰি জনাব।

(খ) কোন কোন ঠিকাদাৰে কামত হেমাহি কৰিছে অনুগ্ৰহ কৰি জনোৱাৰ লগতে বিভাগে তেখেত সকলক কেনে নীতি নিদেৰ্শনা দিছে প্ৰতিলিপি সদনৰ মজিয়াত ৰাখিব।

(গ) এই আচনি ৰুপায়ন কৰিবৰ বাবে বিভাগে কিমান মাটি কিমানজন কৃষকৰ পৰা অধিগ্ৰহণ কৰিলে। এই মাটিৰ মূল্য

জিলাৰ উপায়ুক্তৰ কার্য্যায়লত জমা দিয়া হ'ল নে? যদি নাই হোৱা, কিয় হোৱা নাই অনুগ্রহ কৰি জনাব।

শ্রী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিৰ অন্তর্গত গাখীৰেখাতী, বিহদুবি অঞ্চলত কৰি থকা স্পাৰৰ কামৰ আৱন্টন ২০১২ চনৰ ফেব্রুৱাৰী মাহত দিয়া হৈছিল। অহা বাৰিষাৰ আগতে কাম সমাপ্ত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। আঁচনিখনৰ কাম বর্ত্তমা ৮০ % সম্পূর্ণ হৈছে আৰু কাম পূর্ণগতিত চলি আছে। বাকী থকা ২০% কাম বাৰিষাৰ আগতে সম্পূর্ণ হ'ব বুলি দৃঢ় বিশ্বাস কৰা হৈছে।

(খ) উক্ত কামত হেমাহী কৰা ঠিকাদাৰ সকল হ'ল শ্রী মানক চান্দ নাহাতা, **M/S Ankur Enterprise,** মঃ ইমদাদ আৰু শ্রী ৰাম অবতাৰ আগৰৱালা। উক্ত ঠিকাদাৰ সকললৈ ৰিভাগীয় ভাবে বিভিন্ন নীতি নির্দেশনা জাৰি কৰা হৈছে।

Notice ৰ প্ৰতিলিপি **পৰিশিষ্ট ০১** ৰ পৰা ১০ লৈ সংলগ্ন কৰা হ'ল।

(গ) এই আঁচনিখন ৰূপায়ন কৰিবৰ বাবে মুঠ ৯৬ বিঘা ৪ কঠা ১৮ লেচা মাটি ৩৮ জন ব্যক্তিৰ পৰা অধিগ্ৰহণ কৰা হৈছিল। এই মাটিৰ ধন জিলা উপায়ুক্তৰ কার্য্যালয়ত জমা দিয়া হোৱা নাই। উপায়ুক্তৰ কার্য্যালয়ৰ ভূমি অধিগ্ৰহণ কৰি মাটিৰ নির্দ্ধাৰিত মূল্য নিৰূপন কৰি প্ৰাকৃকলন এতিয়াও নগাওঁ জলসম্পদ কার্য্যালয়ত দাখিল কৰা নাই। উপায়ুক্ত কার্য্যালয়ৰ পৰা প্ৰাকৃকলন পোৱাৰ পিছত পুঁজি আৱন্টনৰ বাবে চৰকাৰৰ ওচৰত দাখিল কৰা হ'ব আৰু যাবতীয় পুঁজি আৱন্টনৰ পিছত ভূমিৰ গৰাকী সকলক আদায় দিয়াৰ বাবে উপায়ুক্তৰ কার্য্যালয়ত জমা দিয়া হ'ব। এই সন্দর্ভত উপায়ুক্তৰ কার্য্যালয়ৰ লগত যোগাযোগ কৰা চিঠিৰ প্ৰতিলিপি পৰিশিষ্ট - '১১' ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দেশৰ সকলো ৰাজ্যৰ পৌৰ কৰ্মী সকলৰ চাকৰি চৰকাৰীকৰণ হৈছে, কিন্তু অসমৰ ক্ষেত্ৰত ব্যতিক্ৰম কিয়?

(খ) The Assam Gazette May, 8 1974 ত প্ৰকাশিত The Industrial Tribunal Guwahati ৰ ৰায় মৰ্মে ৰাজ্যিক কৰ্মচাৰীয়ে পোৱা সা-সুবিধা পৌৰকৰ্মীৰ প্ৰাপ্য। কিন্তু ২০০৯ চনত চৰকাৰী কৰ্মচাৰীয়ে পোৱা বাৰ্ষিক দৰমহা পৌৰ কৰ্মীৰ ক্ষেত্ৰত কিয় প্ৰযোজ্য হোৱা নাই?

(গ) পৌৰ কৰ্মী সকলৰ বৰ্দ্ধিত দৰমহাৰ ধন সংশিষ্ট জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত জমা থকা কথাটো সচাঁনে ?

(ঘ) যদি সচাঁ, সেই ধন পৌৰ কৰ্মীসকলক মোকলাই দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঙ) যদি কৰিব, কেতিয়া?

শ্রীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দেশৰ সকলো ৰাজ্যৰ পৌৰকর্মী সকলৰ চাকৰি চৰকাৰীকৰণ হোৱা তথ্য আমাৰ লগত নাই।

অসমৰ পৌৰ আইন ১৯৫৬ ৰ অধীনত পৌৰকর্মীৰ চাকৰি চৰকাৰীকৰণ কৰা সম্পর্কে কোনো ব্যৱস্থা নাই।

(খ) ২০০৯ চনৰ পৰা ৰাজ্যিক কর্মচাৰী সকলে বর্দ্ধিত নিৰিখত দৰমহা লাভ কৰি আহিছে। প্রকৃততে পৌৰ নিকায় সমূহৰ কর্মচাৰী সকলৰ ক্ষেত্রত এই বর্দ্ধিত দৰমহা পৌৰ নিকায় সমূহে তেওঁলোকৰ নিজৰ আয়ৰ উৎসৰ পৰাহে বহন কৰিব লাগে। অসম পৌৰ আইন ১৯৫৬ ধাৰা ৫০ পৌৰপতি সকলে পৌৰকর্মীক দৰমহা দিয়া দায়িত্ব ন্যস্ত কৰা আছে। কিন্তু পৌৰ কর্মীসকলক সঠিক ভাৱে দৰমহা দিব নোৱাৰা পৌৰ নিকায় সমূহৰ আর্থিক শোচনীয় অৱস্থাৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে ২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা তেওঁলোকৰ দৰমহাৰ নামত ৰাজ্যিক বিত্ত আয়োগৰ অনুদান আগবঢ়াই আহিছে।

আনকি এই অনুদান বর্দ্ধিত দৰমহাৰ নিৰিখত লব পৰাকৈও দিয়া হৈছে। একমাত্ৰ পৌৰ নিকায় সমূহৰ Staffing Pattern চূড়ান্ত নোহোৱালৈকে বৰ্দ্ধিত হাৰৰ দৰমহা খিনি DDO সকলৰ Account ত জমা ৰখা হৈছে। Staffing Pattern চূড়ান্ত হলে Account ত জমা ৰখা টকা মোকলাই দিয়াৰ ব্যৱস্থা কৰিব পৰাহ'ব।

(গ) সচাঁ।

(ঘ) হয়।

(ঙ) Staffing Pattern চূড়ান্ত হোৱাৰ পিছতেই মোকলাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৮০। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) The Assam Venture Educational Institution (Provincialisation of Servise ACT, 2011 (Amendment 2012) ৰ মতে ০১-০১-২০০৬ চনলৈ থকা অনুমতি / স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰিব। এই ক্ষেত্ৰত ২০১২ চনলৈ Concurrence লাভ কৰা মহাৰিদ্যালয় সমূহ প্ৰাদেশীকৰণ তালিকাত অৰ্ন্তভুক্ত হোৱাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ০১-০১-২০০৬ চনৰ পৰা ৩১-১২-২০১২ ইং তাৰিখৰ ভিতৰত স্বীকৃতি / অনুমতি / Concurrence লাভ কৰা কিমানখন মহাবিদ্যালয় প্ৰাদেশীকৰণ তালিকাত অন্তভুক্ত কৰা হ'ল? নাম ঠিকনাৰে Concurrence ৰ লাভ কৰা তাৰিখ উল্লেখ কৰি তালিকা সদনত দাখিল কৰিব)

(গ) মহাবিদ্যালয় সমূহৰ দৰে একেখন Act ৰ অধীনত ৰাজ্যখনৰ আন আন বিদ্যালয়সমূহৰ ক্ষেত্ৰত ০১-০১-২০০৬ চনৰ

আগতেই স্থাপিত আৰু ০১-০১-২০১১ চনলৈ থকা অনুমতি/স্বীকৃতিপ্ৰাপ্ত/Concurrence প্ৰাপ্ত শিক্ষানুষ্ঠান সমূহ প্ৰাদেশীকৰণৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে?

(ঘ) যদি নকৰে, তেনেহলে একেখন Act ৰ অধীনত বৈষম্যমূলক নীতি গ্ৰহণ কৰা নহবনে?

(ঙ) শিক্ষানুষ্ঠান সমূহত কৰ্মৰত বিভাগীয় অনুমোদন / স্বীকৃতি / Concurrence প্ৰাপ্ত শিক্ষক সকলক প্ৰাদেশীকৰণৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ০১-০১-২০০৬ ইং চনলৈ বিশ্ববিদ্যালয়ৰ পৰা Affiliation নাইবা Govt. Concurrence পোৱা মহাবিদ্যালয় সমূহকহে প্ৰাদেশীকৰণ কৰাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। বিশ্ববিদ্যালয়ে ২০০৬ চনৰ শিক্ষা বৰ্ষৰ আগলৈকে Affiliation ৰ স্বীকৃতি অনুমোদন জনাই ২০১২ চনত বা

মহাবিদ্যালয়কো প্রাদেশীকৰণ তালিকাত অন্তর্ভুক্ত কৰাটো সঁচা।

(খ) উক্ত মহাবিদ্যালয় সমূহৰ তালিকা সংলগ্ন কৰি নিচা 'ক' ত ৰখা হ'ল।

(গ) বিষয়টোৰ ওপৰত ৰাজ্য চৰকাৰৰ সিদ্ধান্ত মর্মে বিবেচিত হব, কিন্তু বৈষম্য কৰা নহব।

(ঘ) চৰকাৰে বৈষম্য নীতি গ্রহণ নকৰে।

(ঙ) The Assam Venture Educational Institution (Provincialisation of Service ACT, 2011 (Amendment 2012) সামৰি লোৱা সকলো অনুষ্ঠান আৰু শিক্ষক কর্মচাৰী সকলক প্রাদেশীকৰণৰ আওঁতালৈ অনা হব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৮১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ স্বাস্থ্য বিভাগত কিমান জন ঠিকাভিত্তিক কৰ্মচাৰী নিযুক্তি দিয়া হৈছে? (নাম ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত ঠিকাভিত্তিক কৰ্মচাৰী সকলক স্থায়ী ভাৱে নিযুক্তিৰ বাবে চৰকাৰে বিবেচনা কৰিবনে?

(গ) উক্ত কৰ্মচাৰী সকলক স্থায়ী ভাৱে নিযুক্তি নিদিয়া পৰ্য্যন্ত অন্যান্য কৰ্মচাৰীৰ দৰে চৰকাৰী সা-সুবিধা দিয়াৰ বিবেচনা চৰকাৰে কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ স্বাস্থ্য বিভাগত ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযানৰ তৰফৰ পৰা মুঠ ৬১২ জন ঠিকা ভিত্তিক কর্মচাৰী নিযুক্তি দিয়া হৈছে। (নাম ঠিকনাৰে তালিকাপ্র-পত্র 'ক' ত দিয়া হৈছে) (See Annexure –LXX - IX)

(খ) } বর্তমান বিবেচনা কৰা হোৱা নাই।

(গ) } বর্তমান বিবেচনা কৰা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী কেশৱ মহন্তই সুধিছে ঃ

৮২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কলিয়াবৰ সমষ্টিত যোৱা তিনিটা বর্ষত কি কি আঁচনি গ্রহণ কৰিছে আৰু তাৰ বিপৰীতে কিমান ধন ধার্য্য কৰা হৈছে অনুগ্রহ কৰি জনাব।

(খ) এই আঁচনি সমূহৰ কিমান কাম সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে বিতং বিৱৰণ দিব।

(গ) ১৯৮৮ চনত নগাওঁ জলসিঞ্চন সংমণ্ডলৰ অধীনত কলিয়াবৰ সোনাৰী গাঁৱত নিৰ্ম্মাণ কৰা পানী উত্তোলন কেন্দ্রটো (দিপ টিউবেল) বৰ্ত্তমান কোনো স্বাৰ্থ জৰিত মহলে ধ্বংস কৰিছে নেকি? যদি কৰিছে, বিভাগে এই ক্ষেত্রত থানাত গোচৰ দিয়াকে ধৰি কি ব্যৱস্থা গ্রহণ কৰিছে অনুগ্রহ কৰি জনাব।

(ঘ) কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনি আৰু কলং উত্তোলিত জলসিঞ্চন আঁচনিখন মাননীয় মন্ত্রী মহোদয়ে আধুনিকি কৰণ ব্যৱস্থা কৰা হব বুলি সদনৰ মজিয়াত ঘোষণা কৰিছিল। এই ক্ষেত্রত কামৰ অগ্রগতিৰ লগতে ধার্য্য কৰা ধনৰ পৰিমাণ অনুগ্রহ কৰি উল্লেখ কৰিব।

শ্রী অৰ্দ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা তিনিটা বৰ্ষত কলিযাবৰ বিধান সভা সমষ্টিত গ্রহণ

কৰা আঁচনি আৰু ধার্য্য কৰা ধনৰ পৰিমাণ অনুবদ্ধ -১ ত দাখিল কৰা হ'ল।

(খ) উক্ত আঁচনি সমূহৰ সম্পন্ন হোৱা কাম, বাকী থকা কাম আদিৰ বিৱৰণ অনুবদ্ধ -১ ত দাখিল কৰা হৈছে।

(গ) ১৯৮৮ চনত নগাওঁ জলসিঞ্চন সংমণ্ডলৰ অধীনত কলিয়াবৰ সোনাৰী গাওঁত "সোনাৰী গাঁও গভীৰ নলী-নাদ আঁচনি" নামেৰে এখন আঁচনি গ্ৰহণ কৰি নলী-নাদ বহুওৱাৰ কাম সম্পূৰ্ণ কৰা হৈছিল। কিছুদিনৰ পিচতে কোনো অজ্ঞাত দুস্কৃতিকাৰীয়ে নলী-নাদটোৰ ঢাকনি খুলি শিল বালিআদি সুমুৱাই দিয়াৰ বাবে আঁচনিখন মেৰামতি কৰিব নোৱাৰা কাৰণে অকামিলা হৈ পৰে। ফলত পাম্প ঘৰটোও অব্যৱহৃত হৈ আছে। এই ক্ষেত্ৰত থানাত কোনো গোচৰ দিয়া নাছিল যদিও বিভাগীয়ভাবে সোধ-পোচ কৰা হৈছিল কিন্তু কোনো শুং সুত্ৰ পোৱা নগ'ল। আঁচনিখনৰ জৰিয়তে উপকৃত হব পৰা কৃষিভূমিৰ অধিকাংশই অন্যকামত ব্যৱহাৰ হোৱা বাবে

Herbal Plantation (আদি) অৱশিষ্ট এলেকা নগণ্য আৰু সেয়েহে উক্ত স্থানত নতুন আঁচনিৰ পৰিকল্পনা গ্ৰহণ কৰা হোৱা নাই।

(ঘ) কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনি আৰু কলং উত্তোলিত জলসিঞ্চন আঁচনিৰ আধুনিকীকৰণৰ ব্যৱস্থা এতিয়ালৈকে কৰিব পৰা হোৱা নাই। অৱশ্যে বিশেষ মেৰামতিৰ শিতানত ধনৰ আৱণ্টনেৰে উক্ত আঁচনিৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হৈছে। বিতং তথ্য অনুবদ্ধ - ২ ত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) The Assam Venture Educational Institutions (Provincialisation of Service) Act '2011 (Amendment 2012) ৰ Schedule Sec -4(2) and

10(4) ৰ উচ্চমাধ্যমিক পর্য্যায়ৰ শিক্ষানুষ্ঠানত দুজন Classial teachers / Language Teacher (For Non-Assamese Medium School) শিক্ষকৰ পদ প্রাদেশীকৰণৰ পৰিবর্তে কর্মৰত দুজন Classical Teacher এগৰাকী Lady teacher ৰ লগতে Non Assamese Medium School ত এজন Assamese Language Teacher ৰ পদ প্রাদেশীকৰণৰ বাবে চৰকাৰে বিবেচনা কৰিবনে?

(খ) Act খনৰ উপৰোক্ত দফাত উল্লেখ থকা কর্মৰত Craft Teacher আৰু Music Teacher নিয়োগৰ তাৰিখ ১-১-২০০৬ ৰ আগৰ হোৱাৰ পৰিবর্তে ১-১-২০১১ তাৰিখলৈ বঢ়াই দিয়াৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে?

(গ) পাঁচ শ্রেণীযুক্ত হাই মাদ্রাছাত তিনি গৰাকী আৰবী শিক্ষকৰ পদ প্রাদেশীকৰণৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে?

(ঘ) যদি কৰিব, কেতিয়া?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিদ্যালয় প্রাদেশীকৰণৰ ক্ষেত্রত বৰাক উপত্যকাত দুজনকৈ Classical Teacher আৰু উক্ত উপত্যকাৰ Non-Assamese Medium School ৰ বাবে এজন Assamese Language Teacher staff pattern ত অন্তর্ভূক্তিৰ কথা চৰকাৰৰ বিবেচনাধীন।

(খ) Craft Teacher আৰু Music Teacher নিয়োগৰ তাৰিখ ১-১-২০০৬ তাৰিখৰ পৰিবর্তে ১-১-২০১১ ৰ কথা বিবেচনা কৰা হোৱা নাই।

(গ) পাঁচ শ্রেণীযুক্ত হাই মাদ্রাছাত তিনিগৰাকী আৰবী শিক্ষকৰ পদ প্রাদেশীকৰণৰ কাৰণে The Assam Venture Educational Institutions (Provincialisation of services) Act'2011 (Amendment 2012) সংশোধনৰ পৰীক্ষা কৰি ব্যৱস্থা গ্রহণ কৰা হ'ব।

(ঘ) - ঐ -

Sub : Short Notice Question.

SHERMAN ALI AHMED ASKED :

84. Will the Minister of Education be pleased to stste :

(a) Is it true that local MLA of Baghbar LAC apprised the hon'ble Minister, Education etc. Assam vide his D.O. letter nos.45/e/dn/2011-12 dtd. 16/08/2011 and 45/D2(i)/2011 dtd. 23/12/2011 about 1882 no. Islampur LP School and 1636 no. Dharmapur Sabed Ali Memorial Sishu Vidyalaya regarding long period of absence of the two teachers, namely,Mustem Khandakar and Golap Hussain Hazarika and yet drawing their monthly salary regularly and also regarding gross financial irregularities (nay, gross

financial misappropriations) in respect of mid-day-meal, Construction of ACR, infrastructure development etc.?

(b) If yes, why no action has been taken till date against the BEEO, Mandia who is responsible for release of monthly salary fraudulently to the absentee teachers and also against the respective S.I. of Schools who is responsible for regular inspection of the Schools?

(c) Why also no action has been taken against the Officers of "Sarba Shiksha Abhiyan (SSA)" for misappropriation of the fundmeant for mid-day-meal, infrastructure development & Construction of ACRs even after a lapse of one and a half year after the complaint has been lodged? Please narrate in details.

Dr. Himanta Biswa Sarma (Education Minister) replied :

(a) The Salary of Muslem Khandakar Asstt. Teacher of 1882 No. Islampur LPS and Golap Hussain Hazarika A.T. of 1636 No. Dharmapur Sabed Ali Memorial Sishu Vidyalaya have not been paid their salary for the absence period. Both the teachers are now under suspension and as per rule subsistence allowance have been allowed to them.

(b) Does not arise.

(c) The fund was placed under the disposal of SMC of the concerned Schools. During the inspection carried out by the technical person of SSA, it was found that the fund was

misappropriated by the SMCs. In the mean time FIR has been lodged against the President and Member Secretary of SMCs concerned.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৮৫। মাননীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ বালিকটিয়া ৰাজ্যিক চিকিৎসালয়ত বৰ্তমান কেইজন চিকিৎসক, নাৰ্চ আৰু কৰ্মচাৰী আছে?

(খ) চিকিৎসক আৰু ষ্টাফ চিকিৎসালয়খনত থকাৰ সুবিধা আছে নে? ইয়াত কোন কোন কৰ্মচাৰী স্থায়ীভাবে থাকে?

(গ) চিকিৎসালয় খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ বালিকটিয়া ৰাজ্যিক চিকিৎসালয়ত বর্তমান কর্মৰত চিকিৎসক, নার্চ আৰু কর্মচাৰীৰ সংখ্যা এনেধৰণৰঃ-

চিকিৎসক	-	২
ফার্মাচিষ্ট	-	১
নার্চ	-	১
অন্যান্য কর্মচাৰী	-	৭

(খ) নাই। কোনো কর্মচাৰী চৰকাৰী আৱাসত নাথাকে।

(গ) পূঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৮৬। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অনুসূচীত জাতি আৰু জনজাতিৰ বাবে অসম চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) ২০০৯-১০ চনৰ পৰা বৰ্ত্তমানলৈ অনুসূচীত জাতি আৰু জনজাতিৰ বাবে বিভিন্ন শিতানত ধাৰ্য্যৰ ধন আৰু কিমানখন আঁচনি ৰূপায়ন কৰা হয়? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(গ) উক্ত বৰ্ষকেইটাত অসমৰ কোন কোন সমষ্টিত ৰাস্তা-ঘাটৰ উন্নতিকল্পে কি কি আঁচনি লৈছে ৰাস্তাৰ নাম, আৱণ্টিত টকাৰ পৰিমাণ, কামৰ অগ্ৰগতিৰ বিতং তথ্য দাখিল কৰিব।

শ্রী ৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আঁচনিৰ তালিকা অনুবদ্ধ 'ক' ত দিয়া হ'ল। (See Annexure –LXX - X)

(খ) আঁচনিৰ ধন জিলাভিত্তিত ধার্য্য কৰা নহয়। সেয়েহে জিলাভিত্তিত তথ্য দাখিল কৰিব পৰা নহ'ল।

(গ) ২০০৯-১০ আৰু ২০১০-১১ বর্ষত অনুসূচীত জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত ৰাস্তা-ঘাটৰ আঁচনিসমূহ সমষ্টিভিত্তিত লোৱা হোৱা নাই। আনহাতে ২০১২-১৩ বর্ষত অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত এই আঁচনি কেইটামান সমষ্টিৰ বাবেহে লোৱা হয়, বাকী সৰহভাগ আঁচনি সমষ্টিভিত্তিত লোৱা হোৱা নাই।

সেয়েহে উক্ত বর্ষ কেইটাৰ বাবে সমষ্টিভিত্তি ত তথ্য দিব পৰা নহ'ল।

২০১১-১২ বর্ষত অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত মুঠ ৯৯ টা ৰাস্তাৰ আঁচনি সমষ্টিভিত্তিত লোৱা হয়। ইয়াৰ তথ্য অনুবদ্ধ 'খ' ত দিয়া হ'ল। (See Annexure –LXX - XI)

উক্ত বর্ষতে মুঠ ৩৬ টা ৰাস্তাৰ বাবে SCSP ৰ অধীনত আঁচনি লোৱা হৈছিল যদিও এই কেইটা সমষ্টিভিত্তিত লোৱা হোৱা নাই বাবে সমষ্টিভিত্তিত ইয়াৰো তথ্য দিব পৰা নহ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৮৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিলাসীপাৰা পূৰ্ব সমষ্টিৰ অন্তর্গত চিকিৎসালয় সমূহত কর্মৰত চিকিৎসক, নার্ছ আদিৰ সংখ্যা কিমান, নাম , যোগদানৰ তাৰিখ বিতং তথ্য দাখিল কৰিব।

(খ) জনসংখ্যা অনুপাতে উক্ত চিকিৎসালয় সমূহত ডাক্তৰৰ সংখ্যা যথেষ্ট কম নহয়নে?

(গ) ৰাইজৰ স্বার্থত উক্ত চিকিৎসালয় সমূহত অতি শীঘ্রে ডাক্তৰৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কেতিয়া কৰিব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিলাসীপাৰা পূৰ্ব সমষ্টিৰ অন্তর্গত চিকিৎসালয় সমূহত কর্মৰত চিকিৎসকৰ সংখ্যা = ৩৩ জন, নার্চৰ মুঠ সংখ্যা ৯২। কর্মৰত চিকিৎসক আৰু নার্চৰ নাম, যোগদানৰ তাৰিখৰ বিতং তথ্য প্র-পত্র 'ক' ত দিয়া হ'ল।

(খ) হয়।

(গ) উপলব্ধ হ'লে দিব পৰা যায়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৮৮। মাননীয় দূর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) যোৱা বছৰ বি, টি, এ, ডিৰ গোষ্ঠীগত সংঘর্ষত কিমান লোক আক্রান্ত হৈছিল, বর্ত্তমান কিমান লোক শৰনার্থী শিবিৰত আছে জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব।

(খ) এই সকল লোকক কেনেদৰে পুনৰ সংস্থাপিত কৰা হ'ব? এই ক্ষেত্রত চৰকাৰৰ নীতিৰ প্রতিলিপি সদনত দাখিল কৰিবনে? বর্ত্তমানলৈ কিমানটা পৰিয়ালক কোন কোন ঠাইত পুনৰ সংস্থাপন কৰা হ'ল জিলা ভিত্তিত তথ্য দিব।

(গ) সংর্ঘষত ক্ষতিগ্রস্ত হোৱা লোক সকলক সাহায্যৰ বাবে ৰাজ্য চৰকাৰে কিমান ধন ব্যয় কৰিছিল? এই ধনৰ কিমান ধন কেন্দ্রীয় চৰকাৰৰ অংশ আছিল? ক্ষতিগ্রস্ত পৰিয়াল

বোৰলৈ কি কি সাহার্য্য দিয়া হৈছে, কিমান দিয়া হৈছে আৰু কিমান বাকী আছে পৰিয়ালৰ নামৰ সৈতে বিতং তথ্য দাখিল কৰিব।

শ্রী পৃথিৱী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সংশ্লিষ্ট জিলা উপায়ুক্ত সমূহৰ পৰা পোৱা তথ্য মতে, যোৱা বছৰ বি. টি, এ, ডি, ৰ গোষ্ঠীগত সংর্ঘষত মুঠ ৫,২০,৬০৬ জন লোক আক্রান্ত হৈ শিবিৰত আছিল। বর্ত্তমান এজনো লোক শৰণার্থী শিবিৰত নাই। জিলা ভিত্তিত তথ্যৰ প্রশ্ন নুঠে।

(খ) যিহেতু ভূমি ও ভূমি ৰাজহ বিষয়টো বি, টি, চি, লৈ এটা হস্তান্তৰিত বিষয়, গতিকে ক্ষতিগ্রস্ত লোক সকলক পুনৰ সংস্থাপনৰ বাবে তেওঁলোকৰ যাৱতীয় নথি-পত্র সমূহে পৰীক্ষণৰ বাবে সংশ্লিষ্ট জিলা উপায়ুক্তৰ জৰিয়তে বি. টি.

চি. কত্তৃপক্ষ লৈ প্রেৰণ কৰা হয়। বি টি চি অনুমোদন লাভ কৰাৰ পাছত, জিলা উপায়ুক্তই পুনৰ সংস্থাপনৰ যাৱতীয় ব্যৱস্থা গ্রহণ কৰে।

জিলা উপায়ুক্ত সমূহৰ পৰা পোৱা তথ্য মতে বর্ত্তমানলৈকে মুঠ ১৫,৮৪১ টা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে। জিলা ভিত্তিত তথ্য এনে ধৰণৰ ঃ

কোকৰাঝাৰ	১৩,৮৫০
চিৰাং	১,৮২৫
ধুবুৰী	১৬৬
মুঠ	১৫,৮৪১

ঠাই ভিত্তিত পুনৰ সংস্থাপন দিয়া পৰিয়ালৰ তথ্য পৰিশিষ্ট "ক"ত দিয়া হ'ল।

(গ) সংঘর্ষত ক্ষতিগ্রস্ত হোৱা লোক সকলৰ সাহায্য বাবত ৰাজ্য চৰকাৰে বিভিন্ন শিতানত এতিয়ালৈকে মুঠ ১৭৬৮০.০০৭৫ লাখ টকা ব্যয় কৰিছে। এই ধনৰ ১০,০০০.০০ লাখ টকা কেন্দ্রীয় চৰকাৰৰ অংশ আছিল।

সম্পূর্ণভাৱে ক্ষতিগ্রস্ত হোৱা প্রতিটো পৰিয়ালক ২২,৭০০ টকা আর্থিক সাহায্য, ৩ বান্ডিল টিনপাত আৰু এমাহৰ ৰেচন (G/R) প্রদান কৰা হৈছে। আংশিক ভাৱে ক্ষতিগ্রস্তহোৱা প্রতিটো পৰিয়ালক ২০,০০০ টকাৰ আর্থিক সাহায্য আৰু এমাহৰ ৰেচন (G/R) প্রদান কৰা হৈছে। তাৰোপৰি, প্রধান মন্ত্রী ৰাষ্ট্রীয় সাহায্য পূঁজিৰ পৰা সম্পূর্ণ আৰু আংশিকভাৱে ক্ষতিগ্রস্ত প্রতিটো পৰিয়ালক ক্রমে ৩০,০০০ টকা আৰু ২০,০০০ টকাৰ আর্থিক সাহায্য প্রদান কৰি থকা হৈছে।

বর্ত্তমান সাহায্য (R/G) লাভ কৰা আৰু সাহায্য (R/G) পাবলৈ বাকী থকা পৰিয়ালৰ জিলা ভিত্তিত তথ্য তলত দিয়া হ'ল ঃ

জিলা	সাায্য লাভ কৰা পৰিয়ালৰ সংখ্যা	সাহায্য পাবলৈ থকা পৰিয়ালৰ সংখ্য
কোকৰাঝাৰ	১৩,৮৫০	নাই
চিৰাং	১,৮২৫	৮২৫
ধুবুৰী	১৬৬	নাই
মুঠ	১৫,৮৪১	২৫২

পৰিয়ালৰ নামৰ সৈতে বিতং তথ্য সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা বিচৰা হৈছে।

Sub : Short Notice Question.

SHRI SHERMAN ALI AHMED ASKED :

89. Will the Minister of Education be pleased to state :

(a) Would the Govt. be pleased to submit in

details the financial year - wise release of fund for infraststructure development w.e.f 2005-06 till date for 1078 no Paschim Ballikuri LP School and 1418 no. Jaurimari LP School? (School-wise separate list may please be submitted).

(b) Would the Govt. be pleassed to submit in details the financial year-wise release of money & materials for mid-day-meal foe the aforesaid two Schools w.e.f. 2005-06 till date? (School-wise separate list may please be submitted).

(c) Would the Govt. be pleased to submit in details the Salary Statement of Muslem Khandakar the then Head Teacher of 1832 no. Islampur and Golap Hussain Hazarika,

the then Head Teacher of 1636 no.Dharmapur Sabed Ali Memorial Sishu LP Schoolw.e.f. 2005-06 till June/ 2011? (Separate list for each teacher may please be submiotted).

Dr. Himanta Biswa Sarma (Education Minister) replied :-

(a) The list of fund for infrastructure development against 1078 no. Paschim Balikuri LP School and 1418 no. Jaurimari LP School is Enclosed Annexure - 'A' & 'B'. (See Annexure LXX - XIII)

(b) The year-wise release of money & material to the aforesaid school w.e.f

2005-06 till date is enclosed herewith at Annexure - 'C' (See Annexure LXX - XIV)

(c) Salary statement of Muslen Khandakar, Head Teacher of 1832 no. Islampur LP School and Golap Hussain Hazarika, the then Head Teacher of 1636 no. Dharmapur Sabed Ali memorial Sishu LP School w.e.f. 2005-06 till June 2011 is enclosed herewith at Annexure - 'D' & 'E' . (See Annexure LXX - XV)

Sub : Short Notice Question.

SHRI SHERMAN ALI AHMED ASKED :

90. Will the Minister of Education be pleased to state :

(a) Would the Govt. be pleased to submit in datails the financial year-wise release of money & materials for mid-day meal for 1832 no. Islampur LP School w.e.f. 2005-06 till June/2011?

(b) Would the Govt. be pleased to submit in details the financial year-wise release of fund under "Sarbk Siksha Abhiyan" to the said School w.e.f 2001-02 till date and details of the works done with the relesed fund?

Dr. Himanta Biswa Sarma (Education Minister) replied :-

The details financial year-wise release of money & materials for mid-day-meals for 1832 no. Islampur LP School w.e.f. 2005-.6 till June/2011 is as follows :-

Year	Cooking Cost (Rs)	Materials	Rice in qntl)
2005-06		-	-
2006-07	36570.00	-	18.285
2007-08	16908.00	Saucepen-1 Kerahi-1 Bulti-1 Spoon-2, Mug-1 Khanti-1	23.85
2008-09	47196.00	-	10.902
2009-10	29988.00	-	15.594
2010-11	44448.00	-	16.560
2011-12	50615.00	-	16.434

(b) No fund from SSA has been released to the school for the year 2001-2002 to 2012-2013 except in the Financial Year 2006-2007. During 2006-2007 the said school has got an amount of Rs. 8.00 lakh for construction of 4 nos. of ACR as per report received from SSA, Barpeta and the same have been constructed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী কেশৰ মহন্তই সুধিছে ঃ

৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) স্কুল মাতৃ সকলৰ চাকৰি বৰ্ত্তমান বি সৰ্যায়ত আছে?

(খ) স্কুল মাতৃ সকলৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাব।

(গ) ৰাজ্যখনত স্কুল মাতৃৰ সৰ্ব্বমুঠ কিমান পদ থাকিব আৰু এই পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰৰ নীতি নিৰ্দ্দেশনা সদনৰ মজিয়াত ৰাখিব।

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী ভাৱে মঞ্জুৰীকৃত পদত ১০২ গৰাকী স্কুল মাতৃয়ে মাহিলী ১০৫০ টকাকৈ দৰমহা লৈ কাম কৰি আছে।

(খ) তেনে কোনো নিয়মীয়াকৰণৰ নীতি গ্রহণ কৰা হোৱা নাই।

(ঘ) ৰাজ্যখনত বর্ত্তমান ১০২ টা পদৰ বাহিৰে আন কোনো স্কুল মাতৃৰ পদ নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী কেশৱ মহন্তই সুধিছে ঃ

৯২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্র চাহ খেতিয়ক সকলৰ মাটিৰ পট্টা নোপোৱা পর্যন্ত চাহ বর্ডকে ধৰি চৰকাৰী সা-সুবিধা পাবৰ বাবে চাহ খেতি কৰি থকা মাটিৰ Advance Possesion Certificate দিয়াৰ ব্যৱস্থা কৰা হৈছেনে? যদি হৈছে, নির্দ্দেশৰ এটা প্রতিলিপি সদনৰ মজিয়াত দিব।

(খ) ক্ষুদ্র চাহ খেতিয়কৰ ২০০ টকা প্রতিবিঘা খাজানাৰ (জৰিমনা) সংশোধন কৰাৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে অনুগ্রহ কৰি জনাব।

(গ) যি সকল ক্ষুদ্র চাহ খেতিয়কে দখলি প্রমাণ পত্র (Possetion Certificate) পাব সেই সকলে নিয়মীয়া খাজানা দিয়াৰ বাবে অনুমতি দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রী পৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যো ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ক্ষুদ্র চাহ খেতিয়ক সকলক মাটিৰ Possesion

Certificate দিয়াৰ বাবে উপায়ুক্ত সকলক ইতিমধ্যে নির্দ্দেশ দিয়া হৈছে। প্রতিলিপি পৰিশিষ্ট 'ক' যোগে দাখিল কৰা হ'ল।

(খ) ক্ষুদ্র খেতিয়কৰ ২.০০ টকা প্রতিবিঘা জৰিমনা সংশোধনৰ কাৰণে অসম চৰকাৰৰ বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

(গ) অসম চৰকাৰৰ বিত্ত বিভাগৰ পৰা অনুমোদন পালে বিধি অনুসৰি ব্যৱস্থা লোৱা হব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী কেশৱ মহন্তই সুধিছে ঃ

৯৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অপ্রাদেশীকৃত নিম্ন প্রাথমিক বিদ্যালয়ৰ কর্মৰত ২য় সহকাৰী শিক্ষকৰ পদটো প্রাদেশীকৰণৰ আওঁতালৈ অনাৰ বাবে কি ব্যৱস্থা লৈছে অনুগ্রহ কৰি জনাব।

(খ) RTE আইন ২০০৯ ৰ ভিত্তিত পঞ্চম শ্ৰেণীটো অন্তর্ভুক্ত হ'ল আৰু (৩০ঃ১)আনুপাত শিক্ষকৰ পদ নির্ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিবেচনা কৰিবনে?

(গ) DISE আৰু Inspection ত নাম থকা শিক্ষক সকলৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ অনুপাতিক ব্যৱস্থা আৰুশ্ৰেণী অনুপাতে শিক্ষকৰ পদ কেনেধৰণে নিৰূপন কৰিব অনুগ্ৰহ কৰি জনাব।

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institution (Provincialisation of Service) Act 2011 as amended 2012 অনুসৰি অ-প্ৰাদেশীকৃত নিম্ন প্ৰথমিক বিদ্যালয়ৰ দ্বিতীয় সহকাৰী পদটো প্ৰাদেশীকৰণৰ আওতালৈ অনাৰ কোনো ব্যৱস্থা নাই।

(খ) পদ প্ৰাদেশীকৰণৰ পৰিপেক্ষিতত উল্লেখ কৰা ধৰনে শিক্ষক ছাত্ৰৰ অনুপাত (PTR) ৰ কোনো ব্যৱস্থা প্ৰাদেশীকৰণ

আইনৰ অন্তর্ভূক্ত কৰা হোৱা নাই সেয়েহে ৰিষয়টো এই দিশৰ পৰা বিবেচনা কৰবি পৰা নাযায়।

(গ) — ঐ —

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ- মাননীয় সদস্য, শ্রী প্রশান্ত ফুকনৰ নামত এখন আৰু মাননীয় শ্রী আমিনুল ইছলাৰ নামত ৪ খন জাননীকে ধৰি সর্ব্বমুঠ ৫ খন শূন্যকালীন ঘণ্টাৰ জাননী আছে।

উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ২ খন শূন্যকালীন ঘণ্টাৰ জাননী উৎথাপন কৰিবলৈ অনুমতি প্রদান কৰিলো।

এতিয়া মই মাননীয় সদস্য, শ্রী প্রশান্ত ফুকনক ইং ৩১ মার্চ, ২০১৩ তাৰিখৰ "দৈনিক অগ্রদূত" বাতৰি কাকতত প্রকাশিত "স্পিৰিটৰ কাৰখানাক লৈ দিশপুৰত কোটি টকীয়া খেল" শীর্ষক বিষয়টো উৎথাপন কৰিবলৈ অনুৰোধ কৰিলো।

*শ্রী প্রশান্ত ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩১ মার্চ, ২০১৩ তাৰিখৰ "দৈনিক অগ্রদূত" বাতৰি কাকতত প্রকাশিত "স্পিৰিটৰ কাৰখানাক লৈ দিশপুৰত কোটিটকীয়া খেল" শীর্ষক বিষয়টো এই পবিত্র সদনত উৎথাপন কৰিবলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। আজি বহুত দিনৰ মুৰত ঁডঃ ভূপেন হাজৰিকাৰ গীত এটালৈ মনত পৰিছে - "জীয়াই থাকি এখনি সমাজ গঢ়িবলৈ মোৰ মন আছে, যত সোণতকৈয়ো মানুহৰ হে দাম বেছি আছে।' বর্ত্তমান সমাজত ডাঙৰ অসুবিধা হৈছে নিছা যুক্ত দ্রব্যৰ আসক্তি বাঢ়িছে। নিছাযুক্ত দ্রব্যৰ ড্রাগচ বাহিৰৰ পৰা অসমলৈ আহি আছে। এইটোৱে অসমৰ মানুক উদগনি বঢ়াইছে।

অধ্যক্ষ মহোদয়, আমি জানো যে মদ প্রস্তুত কৰিবৰ কাৰণে অসমৰ বাহিৰৰ পৰা স্পিৰিট অনা হয়। ইয়াৰ বাবে অসম চৰকাৰে ৰেভিনিউ পায়। কিন্তু এেই ৰেভিনিউ বাদ দিয়াৰ কাৰণে অসমত কেবাটাও স্পিৰিট কাৰখানা বনোৱা

* Speech not corrected

হৈছে। চয়গাও আৰু ৰামপুৰত দুটাকৈ স্পিৰিটৰ কাৰখানা বনোৱাৰ প্ৰস্তুতি চলোৱা হৈছে। আমি এই দিশটো চোৱা দৰ্কাৰ। এই সুৰা তৈয়াৰ কৰি সমাজক পঙ্গু কৰাহে হব। ড্ৰাগচ, গুডকাৰ ক্ষেত্ৰত যেনেকুৱাকৈ নিষেধাজ্ঞা জাৰি কৰা আছে, সুৰাৰ ক্ষেত্ৰতো শিথিলতা থাকিব নেলাগিব। অকল মদ বনোৱাৰ কাৰনে স্পিৰিট কাৰখানা বিলাক দিয়া হৈছে। এই বিলাক অসমৰ বাহিৰৰ বহুত ডাঙৰ কোম্পানীক দিয়া হৈছে। এই ক্ষেত্ৰত যথেষ্টখিনি ধন লেনদেন হৈছে। আজি কৃষি মন্ত্ৰী ডাঙৰীয়া আছে, বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দুয়োজনকে দৃষ্টিগোচৰ কৰিব খুজিছো। এই স্পিৰিট তৈয়াৰ কৰাৰ বাবে ৮ লাখ কেজি চাউল অনা হয়। এই চাউল কৰ পৰা অনা হব ইয়াৰ বাবে দায়িত্ব ৬০ / ৭০ জন এজেণ্টক দিয়া হৈছে। পি, ডি এচ, ৰ চাউল অনা হয়। অসমত কম মেটেৰিয়েলচ পোৱা যায়। সেই কাৰণে কলকতা বা বাহিৰৰ পৰা অনা হয়। পি, ডি, এচ, ৰ ২ লাখ কেজি চাউল ইয়াৰ পৰা ওলাই যায়। এই কথাটো আগন্তুক দিনত ভয়াবহ হব।

সেই বাবে ইয়াৰ বিহিত ব্যৱস্থা হাতত লৱ লাগে। এই বিষয়ে মই মন্ত্রী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

*শ্রী অজিত সিং (মন্ত্রী) ঃমাননীয় অধ্যক্ষ মহোদয়, ৩১ মর্চে ২০১৩ তাৰিখৰ দৈনিক অগ্রদূত কাকতত প্রকাশিত "স্পিৰিট কাৰখানা লৈ দিশপুৰত কোটিটকীয়া খেল" সন্দর্ভত আবকাৰী বিভাগৰ হাতত কোনো তথ্য নাই। এই বিষয়ে স্পষ্টীকৰণ সমূহ কৈ দিছো -

১। কার্বি আংলং জিলাৰ খটখটীতএটা স্পিৰিত নির্মাণৰ কাৰখানা বৈধ ভাবে স্থাপন কৰা হৈছে।

২। বর্ত্তমান আমদানি কৰা স্পিৰিটৰ ক্ষেত্রত ১ (এক) টকাকৈ প্রতি লিটাৰত আমদানী মাছুল (ইমপোর্ট ডিউটি) লৈ থকা হৈছে যদিও মাছুল পৰিবর্ত্তন কৰাৰ বাবে চৰকাৰী পর্য্যায়ত প্রস্তুতি চলি আছে।

* Speech not corrected

৩। ৰামপুৰত এটা স্পিৰিট উৎপাদন কৰাৰ কাৰখানাৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে যদিও ফাঙশ্বনিং হোৱা নাই। আৰু চয়গাওঁত অনুৰূপ কাৰখানাৰ অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই।

৪। আবকাৰী বিভাগৰ হাতত উক্ত সুৰা কাৰখানাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল সংগ্ৰহ কৰাৰ কোনো তথ্য নাই।

যদি এই সম্পৰ্কীয় কোনো অভিযোগ আহে, তেন্তে তদন্তৰ ভিত্তিত ড্ৰাষ্টিক ষ্টেপ লোৱা হব।

মাননীয় অধ্যক্ষ ঃ - এতিয়া মাননীয় শ্ৰী আমিনুল ইছলামে শূণ্যকালীন ঘণ্টাৰ জাননীৰ সময়চোৱাত, যোৱা ৪ এপ্ৰিল তাৰিখ, ২০১৩। প্ৰকাশ পোৱা "জাগীৰোডৰ পাট সূতা উদ্যোগৰ ছশ কৰ্মীৰ হাহাকাৰ " শীৰ্ষক বাতৰিতো উদ্যোগ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

*শ্রী আমিনুল ইছলাম ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০১৩ ইং ৪ এপ্রিল তাৰিখে দৈনিক অগ্রদূত কাকতত প্রকাশিত 'জাগীৰোড'ৰ পাট সূতা উদ্যোগৰ ছশ কর্মীৰ হাহাকাৰ' শীর্ষক বাতৰিৰ জৰিয়তে মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিবলৈ অনুমতি দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। ৰাজ্যখনৰ ভিতৰত প্রথম ৬০ দশকত জাগীৰোড চৰকাৰী খণ্ডত অসম স্পান চিল্ক মিল স্থাপন কৰা হৈছিল। এই বস্ত্র উদ্যোগটোৰ বাবে তদানীন্তন চৰকাৰে জাপানৰ পৰা ৰেচম সূতা কটা কল-কব্জা ক্রয় কৰি প্রত্যক্ষভাৰে ছয় শতাধিক কর্মচাৰী উদ্যোগীক নিযুক্তি দিছিল। অথচ সেই ৬০ দশকতে আৰম্ভ হোৱা মিলটো ১৯৯১-৯২ ত মৃত্যু মুখত পৰে। আৰু সেই উদ্যোগৰ কর্মচাৰী সকলৰ জীৰিকাৰ ক্ষেত্রত হাহাকাৰ পৰিস্থিতি হয়। তেওঁলোকৰ পানীত হাঁহ নচৰা অৱস্থা হয়। সেই সময়ত কলটোত হোৱা ৰোগৰ আবিস্কাৰ হ'ল কিন্তু ৰোগটো নিৰাময় কৰা নহ'ল। পৰবর্তী সময়ত অ. গ. প.

* Speech not corrected

কংগ্রেছ দুয়োখন চৰকাৰে উদ্যোগটোক ৰুগ্ন বুলি ঘোষণা কৰিছিল। ২০০৮ চনত ৰাজ্য চৰকাৰ খনে উদ্যোগটো সম্পূর্ণৰূপে বন্ধ কৰি কর্মচাৰী সকলৰ ভবিষ্যনিধি ধন বন্ধ কৰি পর্য্যায়ক্রমে কর্মচাৰী সকলক আদায় দিয়া বুলি ঘোষণ কৰে। তেনে অৱস্থাতে উদ্যোগটো শতাধিক কর্মচাৰীয়ে দিন হাজিৰা কৰি জীৱন নির্বাহ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। আনহাতেদি জিলাখনৰ আনটো বস্ত্র উদ্যোগ জাগীৰোড পলিটেক্স নিগম ১৯৮৩ চনত স্থাপন কৰা হৈছিল। এই উদ্যোগটোত চয় শতাধিক কর্মচাৰীয়ে সেৱা আগবঢ়াই আহিছিল। কিন্তু ১৯৯৮ চদত উক্ত উদ্যোগটোও চৰকাৰী ত্রুটিপূর্ণ পৰিচালনাৰ কাৰণে মৃতপ্রায় ৰূপ লয়। তেনে অৱস্থাত প্রফুল্ল মহন্ত নেতৃত্বাধীন অ. গ. প চৰকাৰে এই উদ্যোগটো মহাবীৰ নামৰ এজন ব্যৱসায়ীক চলাবলৈ লিজত দিলে। ফলত ব্যক্তিগত মালিকনাত বস্ত্র উদ্যোগটো ধ্বংসৰ মুখলৈ গতি কৰে। আনকি এই মৃতপ্রায় উদ্যোগটোৰ মূল্যবান যন্ত্রপাতিও ব্যৱসায়ী জনে বিক্রী কৰি দিয়ে। তেনে এটা

অৱস্থাতে উদ্যোগটোৰ ৭ জন কর্মচাৰীয়ে আত্মহত্যাৰ পথ বাচি লয়। আৰু কিছুসংখ্যক উদ্যোগী কর্মচাৰীয়ে দিনহাজিৰা কৰি জীৱন অতিবাহিত কৰিবলগীয়া হয়। দুখ লগা যে সম্প্রতি এই থলুৱা পলিষ্টাৰ উদ্যোগটোৰ পৰিত্যক্ত ঘৰ কার্য্যালয়, সেনাবাহিনীৰ শিবিৰলৈ ৰূপান্তৰিত হয়। এনেকৈয়ে বহু সম্ভৱনাময় উদ্যোগ দুটা মৃত অৱস্থলৈ গতি কৰে। গতিকে শোৱালকুছিৰ বস্ত্র উদ্যোগ বচাবলৈ ৰাজ্যজুৰি আন্দোলন চলি থকা সময়ত চৰকাৰে নিজে প্রতিষ্ঠা কৰা এই ঠলুৱা বস্ত্র উদ্যোগ দুটাৰ সহশ্রাধীক কর্মচাৰীৰ প্রতি চৰকাৰে কিবা ব্যৱস্থা লবনে বা ৰাইজে কিবা চিন্তা কৰিছেনে। আজি ভাৰতবর্ষৰ অন্যান্য ৰাজ্যবিলাকত সৰু, মজলীয়া বা বৃহৎ আকাৰৰ উদ্যোগ বিভিন্ন ঠাইত গঢ়ি উঠিছে অথচ তেনে এটা সময়ত আমাৰ ৰাজ্যত থকা সৰু বৰ উদ্যোগ সমূহ মৃতপ্রায় অৱস্থা হৈছে আৰু বন্ধ হৈ গৈছে। ই অসমক ভৱিষ্যতে অন্ধকাৰৰ ফালে ঠেলি দিছে। গতিকে এই ৰুগ্ন উদ্যোগ সমূহ পুণৰ কার্য্যক্ষম কৰি তুলি সহস্রাধীক উদ্যোগ

কর্মীক বচাবনে? এই সম্পর্কত মই বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো।

*শ্রী প্রদ্যুৎ বৰদলৈ (উদ্যোগ মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই আচৰিত হৈছো, এই যে যিটো সময়ত বিধায়ক ডাঙৰীয়াই এটা গুৰুত্বপূর্ণ বিষয় বিধান সভাত উত্থাপন কৰিছে অথচ এই বিষয়টো লৈ মই একো গম নাপালো। এই মুহূর্তত মই কথাখিনি জানিব পাৰিছো। এই বিষয়ে মোক কোনোৱে খবৰো দিয়া নাই। কোনো ধৰণৰ নটিচও মই পোৱা নাই। গতিকে তেনে অৱস্থাত মই মাননীয় বিধায়ক গৰাকীৰ প্রশ্নৰ উত্তৰ কেনেকৈ স্পষ্টভাৱে দিম।

মাননীয় অধ্যক্ষ ঃ- এই বিষয়টো মই বিচাৰ কৰি চাম।

*শ্রী প্রদ্যুৎ বৰদলৈ (উদ্যোগ মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, যি গৰাকী মাননীয় বিধায়কে এই প্রশ্নটো উত্থাপন কৰিছে তেখেতৰো দায়িত্ব আছে, এই ক্ষেত্রত সংশ্লিষ্ট মন্ত্রীজনে গম পাইছেনে নাই।

---

* Speech not corrected

*শ্রী আমিনুল ইছলাম ঃ- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ দিব নেলাগে জানিবৰ কাৰণেহে মই সদনত অৱগত কৰিলো।

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ ঃ- এতিয়া কার্য্যসূচী নং - ২। মাননীয় সদস্য শ্রী মনোৱাৰ হুছেইনে অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৩ চনৰ ২০ মার্চ তাৰিখৰ 'দি আসাম ট্রিবিউন' কাকতত প্রকাশিত "ভায়োলেন্স মার্চ গোৱালপাৰা বন্ধ"শীর্ষক বাতৰিটোৰ সম্পর্কত ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ (বি টি এ ডি অন্তর্ভূক্ত অঞ্চল সমূহ বাদ দি) বিভাগীয় মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব।

***Shri Monowar Hussain :-** Hon'ble Speaker Sir I extend my gratitude for allowing me in the Zero Hour

* Speech not corrected

today to draw attention of the Hon'ble Minister on this vital issue. Sir, in The Assam Tribune of 19th March, 2013 a new item published under the caption 'Violence Mars Gowalpara Bandh' that violence marred the first day of the 36 hour Goalparw district bandh called by the Non Rabha organisations demanding exclusion of non-tribal and Garo villages from Rabha Hasong autonomous Council areas and in protest against the recent incident where two persons were killed on the outskirts of Milonpara village, a tribal inhabited village by unknown miscreants. It may mentioned here that the non-Rabha Organisations demanding exclusion of 91 Son-tribal and 98 Garo villages of the district from the proposed Rabha Hasong Autonomous Council.

১৯৯৬ চনত সংশোধন হয়। তাতো গণ্ডোগোল হৈ থকাৰ কাৰণে পুণৰ সংশোধন হয়। পুণৰ গণ্ডোগোল হোৱাৰ পিচত ২০০১ চনত চতুর্থ বাৰৰ কাৰণে সংশোধন হয়। পুণৰ ২০০৫ চনত, আৰু ২০০৬ চনত ষষ্ঠ বাৰৰ কাৰণে সংশোধন হয়। এই ধৰণে ৰাভা হাছংৰ বিষয়ক লৈ বাৰ বাৰ সংশোধন হৈ আছে। ইমান সংশোধনীৰ পিচতো তেওঁলোকৰ আশা-আকাংখ্যা যি আছিল সেইবিলাক পূৰণ নহ'ল। ইয়াৰ পিচতো উভয় পক্ষৰ লগত আলোচনা বিলোচনা কৰি কোনো ধৰণৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা নকৰিলে। ফলত আজি পলাশবাৰীৰ পৰা আৰম্ভ কৰি গোৱালপাৰা জিলালৈকে এই বিস্তীর্ণ অঞ্চলত ১৫/১৬ বছৰ ধৰি চলি থকা বাদ-প্রতিবাদ লৈ গঢ়ি উঠা আন্দোলনৰ ফলত এটা ভোল্কেনিক অৱস্থাৰ সৃষ্টি হৈছে। যোৱা দুমাহ ধৰি পঞ্চায়ত নির্বাচনৰ আগে আগে ৰাভা হাছংৰ জনসাধাৰণে বিৰোধিতা কৰিছে। যাৰ ফলত এক ভয়াবহ অৱস্থাৰ সৃষ্টি হ'ল। য'ত নেকি ৪০ জনতকৈও বেছি মানুহৰ মৃত্যু হৈছে। আনকি পুলিচৰ

গুলিতো মানুহৰ মৃত্যু হ'ল। সহস্রাধিক আঘাটপ্রাপ্ত হ'ল। বে-চৰকাৰী হিচাপত বহুত বেচি মানুহৰ মৃত্যু হৈছে। বহু মানুহৰ জীৱন এই আন্দোলনত ভাঙি গ'ল। তাৰ মাজতো আকৌ ৰাভা হাছংৰ নির্বাচন ঘোষণা হৈছে। গোৱালপাৰাৰ উপায়ুক্ত আৰু কামৰূপ (গ্রামীন) ৰ উপায়ুক্তৰ লগত উভয় পক্ষৰ কেইবালানি বৈঠক বহিল। এই বৈঠকৰ পিচত ২০১০ চনত এই সমস্যা সমাধান কৰাৰ কাৰণে কেবিনেট চাব কমিটিও গঠন কৰাহ'ল। সেই সময়ত মাননীয় জ্যেষ্ঠ সদস্য ডাঃ ভূমিধৰ বর্মনৰ নেতৃত্বত এখন চাব কমিটি গঠন কৰা হ'ল। এই সমিতিৰ লগত উভয় পক্ষই আলোচনা কৰিলে। সকলো দলৰ সহমত লৈ সেই সমিতিয়ে ৰিপোর্ট দাখিল কৰিলে। এই বিলখন পাছ হৈ যোৱা হলে তেওঁলোকে যিটো মানি লৈছিল, প্রায় ৩৩৩ খন গাওঁৰ সমস্যাটো সমাধান হ'লহেতেন। সেই সময়ত যদি সেই ৰিপোর্টতো সহানুভূতিৰে মানি লোৱা হ'লহেতেন তেতিয়া হলে গোৱালপাৰা আৰু দক্ষিন কামৰূপ অঞ্চলত যি ভয়ংকৰ

অৱস্থাৰ সৃষ্টি হৈছে, সেই বহুপৰিমাণে উপশম হ'লহেতেন। গতিকে এই বিষয়টোৰ ওপৰত ইমিদিয়েত ব্যৱস্থা লব লাগে আৰু এই অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৱ লোক বা তেওঁলোকৰ প্রতিনিধিক মাতি আনি আলোচনা-বিলোচনা কৰিব লাগে আৰু যি কেইখন জিলাৰ যি বিলাক সমষ্টিয়ে এই গণ্ডোগোলটোক চুই গৈছে সেই সমষ্টি বিলাকৰ বিধায়ক সকলকো মাতি আনি আলোচনা-বিলোচনাৰ মাজেদি এটা সুনির্দ্দিষ্ট সমাধানৰ পথ উলিয়াব লাগে। নহলে অদুৰ ভবিষ্যতে এনেবোৰ ঘটনাৰাজিয়ে এক ভয়ানক সাম্প্রদায়িক সংঘর্ষৰ সৃষ্টি হোৱাৰ সম্ভৱনা নুই কৰিব নোৱাৰি। মাননীয় মন্ত্রী মহোদয়ৰ পৰা যথোচিত উত্তৰ বিচাৰি মোৰ বক্তব্য সামৰিলো।

***শ্রী ৰাজীৱ লোচন পেগু (অনুসুচিত জাতি আৰু জনজাতি কল্যাণ মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা উত্থাপন কৰিছে, সেইখিনি গুৰুত্বপূর্ণ বিষয়।

---

* Speech not corrected

তেখেতক ধন্যবাদ জনাই মই কব বিচাৰিছো, যে তেখেতে কোৱা মতে এই ক্ষেত্রত আমাৰ চৰকাৰৰ ফালৰ পৰা বিভিন্ন ধৰণৰ পদক্ষেপ লোৱা হৈছে- বিভিন্ন সংগঠনৰ লোকক আৰু প্রতিনিধিক মাতি আনি আলোচনা কৰা হৈছে। ৰাভা হাছং এলেকাত যিবিলাক গাওঁ সোমাব লাগে বা সোমাব নালাগে এই কথা বিলাক পুঙ্খানুপূঙ্খ ৰূপে আলোচনা কৰি তাক আন্তৰিকতাৰে সমাধান কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ইতিমধ্যে, মননীয় মন্ত্রী শ্রী পৃথিৰী মাঝিৰ নেতৃত্বত ৫ জনীয়া কমিটি এখন গঠন কৰি দিয়া হৈছে। এই আলোচনাৰ মাজতে যি ৯১ খন জনজাতীয় গাও আৰু ১৮ খন গাৱো গাওঁ বাদ দিয়া সম্পর্কত বিভিন্ন সংগঠনৰ লগত আলোচনা কৰি এই সম্পর্কত যি দিস্পিউট আছে সেইটো দূৰ কৰিবলৈ চেষ্টা কৰি থকা হৈছে।

মাননীয় অধ্যক্ষ ঃ- আইটেম নং ৩ এতিয়া মাননীয় সদস্য, শ্রী ৰঞ্জিত কুমাৰ দাসে অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১৩ চনৰ ১০ মার্চ তাৰিখৰ 'অসমীয়া খবৰ' কাকতত প্রকাশিত 'বিদ্যুৎ সংকটত বিধস্ত ৰাজ্যবাসী" শীর্ষক বাতৰিটো উত্থাপনৰ জৰিয়তে শক্তি বিভাগৰ মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰি বক্তব্য ৰাখিব।

শ্রী ৰঞ্জিত কুমাৰ দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্রথমে মই আপোনাক বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছোঁ। যোৱ ১০ মার্চ তাৰিখে 'অসমীয়া খবৰ' নামৰ কাকত খনত এই বাতৰিটো প্রকাশিত হৈছিল। বাতৰিটোত প্রকাশ হৈছিল যে বিদ্যুৎ যোগানক লৈ অনিশ্চয়তা, সমস্যাত শিক্ষার্থী, অসহায় বিদ্যুৎ বিতৰন কোম্পানী, বিদ্যুৎ সংকটত বিধস্ত ৰাজ্যবাসী। বাতৰিটোত আন কিছুমান কথাও আছে সেই খিনি কথাৰ মোৰ প্রয়োজন নাই মই সেয়ে আমাৰ প্রয়োজনীয় দুই এটা কথাহে কবলৈ লৈছো। ৰাজ্যত ভয়াবহ বিদ্যুৎ

সংকটে জৰুলা কৰি তুলিছে। যোৱা সময় ছোৱাত প্ৰতিদিনে ৮ ঘণ্টাতকৈ অধিক সময় বিদ্যুৎ নথকাৰ ফলত ৰাজ্যবাসীৰ জনজীৱন বিধ্বস্ত হৈ পৰাৰ লগতে উদ্যোগ আৰু ব্যৱসায় ক্ষেত্ৰতো মন্দা অৱস্থা নামি আহিছে। লক্ষ্যনীয় যে এনে বিদ্যুৎৰ সংকটৰ জোৰা মাৰিবলৈ কোনা ব্যৱস্থা গ্ৰহণ নকৰা বিদ্যুৎ বিভাগে মাত্ৰ বৰষুনৰ অভাৱৰ বাবেই বিদ্যুৎ সংকটৰ সৃষ্টি হৈছে বুলি কৈ সমগ্ৰ বিষয়টোৰ পৰা মূৰ পোলোকা মাৰিছে। মন্ত্ৰী মহোদয়ে ৰাজ্যখনত প্ৰতিদিনে ১১.৫০ মেগাৱট বিদ্যুৎৰ প্ৰয়োজন হয় বুলি কৈছিল যদিও এতিয়া মাত্ৰ ৮০০ ৰ পৰা ৮৫০ মেগাৱট বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম হৈছে অসম বিদ্যুৎ শক্তি বিতৰনকোম্পানী। আজি তেল নিগমৰ বিভিন্ন শমিক সংগঠনে শুক্ৰবাৰৰ পৰা আৰম্ভ কৰা অনিৰ্দ্দিষ্ট ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত উজনি অসমত গেছ উৎপাদন কমি যোৱাৰ ফলত লাকুৱা আৰু নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ উৎপাদন অস্বাভাৱিক ভাৱে হ্ৰাস পাইছে।লগতে কাৰ্বিলাংপি জলবিদ্যুৎ প্ৰকল্পইও প্ৰয়োজন

অনুসাৰে বিদ্যুৎ উৎপাদনত ব্যৰ্থ হোৱাত এক অভাৱনীয় বিদ্যুৎ সংকেটে জুমুৰি দি ধৰিছে সমগ্ৰ ৰাজ্যকে। দুদিন আগলৈ ৰাজ্যখনে ৮০০ মেগাৱট বিদ্যুৎ লাভ কৰি আহিছিল যদিও এই বিদ্যুৎ প্ৰকল্প কেইটাৰ উৎপাদন ক্ষমতা হ্ৰাস পোৱাৰ ফলত শুকুৰবাৰৰ পৰা ৰাজ্যত বিদ্যুৎৰ নাটনিৰ পৰিমান ৪৫০ লৈ হ্ৰাস পাইছে। ফলত দিনৰ আৰু নিশাৰ ভাগত একাধিকবাৰ বিদ্যুৎ কৰ্ত্তনৰ ফলত বিধস্ত হৈ পৰিছে জনজীৱন। একে সময়তে উদ্যোগ আৰু ব্যৱসায়ীক প্ৰতিষ্ঠান সমূহেও বিদ্যুৎ বাবেই ব্যাপক লোকচানৰ সন্মুখীন হব লগা হৈছে। ইফালে শক্তি বিতৰন কোম্পানীয়ে এনে সংকটৰ সময়ত দুখ প্ৰকাশ কৰিয়েই বিষয়টোক সামৰি থব খোজাক কেন্দ্ৰ কৰি তিব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি বিতৰন কোম্পানীয়ে ভাৰত চৰকাৰৰ নেশ্যনেল লোড ডেচপাচ চেণ্টাৰে উত্তৰ পূৰ্ব্বাঞ্চল সংলগ্ন পৰিবহনলাইনৰ প্ৰবহন ক্ষমতাৰ ওপৰত সীমাবদ্ধতা বান্ধি দিয়াৰ বাবে পৰ্য্যাপ্ত বিদ্যুৎ বাহিৰৰ পৰা ক্ৰয় কৰিব পৰা নাই বুলি

উল্লেখ কৰিয়ে সমগ্ৰ পৰিস্থিতিৰ পৰা আতৰি অহা পৰিলক্ষিত হৈছে। এই অভাৱনীয় বিদ্যুৎ সংকটৰ সৃষ্টি হোৱাৰ পিচতো পৰিস্থিতি চম্ভালিবলৈ বিতৰন কোম্পানীয়ে কোনোধৰণৰ ব্যৱস্থা বা পদক্ষেপ গ্ৰহণ নকৰাত ক্ষুদ্ধ হৈ পৰিছে গ্ৰাহক ৰাইজ। ক্ৰমাত গ্ৰীষ্মৰ পৰিৱেশ সমগ্ৰ ৰাজ্যক আগুৰি ধৰাৰ সময়তে বিদ্যুৎৰ এনে নাটনিয়ে এক ভয়াবহ অৱস্থাৰ সৃষ্টি কৰা সম্ভাৱনা প্ৰকট কৰি তুলিছে। পৰীক্ষাৰ সময়ছোৱাৰ প্ৰতি লক্ষ্য নকৰি এনেদৰে দিনটোৰ ৮ ৰ পৰা ১০ ঘণ্টালৈ বিদ্যুৎ কৰ্ত্তন কৰাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলেও ভীষণ সমস্যাৰ সন্মুখীন হৈছে। এইবোৰৰ পিচতো বিষয়টোৰ প্ৰতি কোনোধৰণৰ গুৰুত্ব নিদি ৰাজনৈতিক সমীকৰনত ব্যস্ত থকা চৰকাৰখনে জনস্বাৰ্থক আওকান কৰি থকা বুলিও অভিযোগ উঠিছে। এনে বোৰ কাৰনতে আজি বৰপেটাত বহু ৰাইচ মিল বন্ধ হৈ গৈছে, ধান মিল বন্ধ হৈছে, এনেধৰনৰ অভিযোগ বাতৰিটোত প্ৰকাশ পাইছে। আজি এই ধৰণৰ যদি অৱস্থা হৈ থাকে বিদ্যুৎৰ ক্ষেত্ৰত তেনেহলে আগন্তুক বছৰ বোৰত

আমাৰ কাৰনে যি বিলাক ক্ষুদ্র ক্ষুদ্র উদ্যোগ আদি আছে, কুটিৰ শিল্প আদি আছে সেই বিলাকো বন্ধ হৈ যাব। ফলত আমাৰ নিবনুৱা সমস্যা আৰু বাঢ়িব। সেয়ে মই কব বিচাৰিছোঁ আমি অকল সমস্যাৰ কথাই কৈ থাকিলেই নহব সমাধানৰ কথাও ভাবিব লাগিব, কব লাগিব। মই জনাত ত্রিপু�ৰাত অ' এন জি চিৰ দ্বাৰা চলাবলগীয়া পালাটেন প্রজেক্ট সোনকালে কমিশ্যন কৰিলে ভাল হয় কাৰন এইটোৱে সমগ্র উত্তৰপূর্ব্বাঞ্চল সামৰি বিদ্যুৎ উৎপাদন কৰি যোগান ধৰিব পাৰিব। মই সেয়ে ৰাজ্য চৰকাৰক অনুৰোধ জনাও ৰাজ্য চৰকাৰে যাতে কেন্দ্র চৰকাৰক আহ্বান জনায় যাতে ২০১১ চনতে সম্পূর্ণ হব লগা পালাটানা প্রজেক্ট সোনকালে সম্পূর্ণ কৰিব লাগে প্রয়োজন হলে তাৰ বাবে কেন্দ্রক হেচা প্রয়োগ কৰিব লাগে। যাতে এইটো সোনকালে সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰে। মোৰ দ্বিতীয় কথাটো হ'ল জেনেৰেশ্যন প্রজেক্ট এইটোও ২০১১ চনতে সম্পূর্ণ হোৱা কথা আছিল সেইটোও সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে এইটো ২৮০ মেগাৱট

বিদ্যুৎ উৎপাদন হব। তাৰোপৰি আমাৰ নামনি অসমৰ বি টি এডি এলেকাত এই চালাকাটি প্ৰজেক্টত বিভিন্ন সংগঠনৰ পৰা ধন দাবী, ভাবুকি আদি আহি থকা কাৰনে কাম সম্পূৰ্ণ কৰিব পৰা নাই গতিকে ৰাজ্য চৰকাৰে যাতে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লয়।

মাননীয় অধ্যক্ষ ঃ- আপুনি চমু কৰক। নহলে আমাৰ বিধানসভা আৰু এসপ্তাহ বঢ়াব লাগিব।

শ্ৰী ৰঞ্জিত দাস ঃ- নহয় চাৰ, মই শেষ কৰিম আৰু দুটা কথা কম মাত্ৰ। এই চালাকাটি প্ৰজেক্টৰ কাৰনে প্ৰশাসন, বি টি চি প্ৰসাশন আদি সকলোৱে লগহৈ এই দাবী, ভাবুকি বা বন্ধ আদিৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে। মোৰ তৃতীয় কথাটো হ'ল কয়লাৰ কথা । সমগ্ৰ অসমতে কয়লাৰ উৎপাদন যথেষ্ট আছে। কেন্দ্ৰীয় চৰকাৰে আমাক সেউজ সংকেট নিদিয়াৰ কাৰনেই আমি প্ৰজেক্ট কৰিব পৰা নাই। হয়তো তিনিওখন ৰাজ্যৰ হেমাহি বা বুজাপাৰাৰ অভাৱৰ কাৰনেই আমি মাৰ্ঘেৰিটাত

প্রজেক্ট কৰিব নোৱাৰিলোঁ। তাৰকাৰনে মই কেন্দ্রীয় চৰকাৰক অনুৰোধ কৰিবলৈ আহ্বান জনালোঁ। কাৰন মাৰ্ঘেৰিটাত তাপ বিদ্যুৎ প্রজেক্ট কৰিব পাৰিলে আমাৰ যথেষ্ট বিদ্যুৎ হব। তাৰ পিচত মই কব বিচাৰিছো এ পি ডি চিএলৰ কথা। এই কোম্পানীটোৰ কাম একো হোৱা নেদেখো। তেওলোকৰ দক্ষতাৰ অভাৰ নে কি বুজিব নোৱাৰিলোঁ। মই ভৱামতে এই কোম্পানীটোৰ দক্ষতাৰ অভাৱ। কাৰন অসম চৰকাৰৰ পৰা টকা লৈ লাংপি প্রজেক্টটো আজিকোপতি সম্পূর্ণ কৰিব নোৱাৰিলে। আজি সাত বছৰ হ'ল এই কোম্পানীয়ে প্রজেক্টৰ কাম কাজ শেষ কৰিব নোৱাৰিলে। গতিকে এই এ পি ডি চি এল ৰ পৰা কি কাম আশা কৰিব পাৰো? এইটোও এটা অপৰাধ নহয় জানো চৰকাৰৰ পৰা পূৰা টকা ললে কিন্তু কাম আজিলৈ শেষ নহ'ল। তাৰ পিচত মই কওঁ বিদ্যুৎ চুৰিৰ কথা। এই বিদ্যুৎ চুৰি অনতিপলমে ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে মই এইখিনিতে পৰামর্শ দিম ছাৰ আপোনালোকে কোনেও বেয়া নাপাব। আমাৰ যোৱা ৩

মার্চত বিধানসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ দিনাৰ পৰা আজিলৈকে এক মিনিটৰ কাৰণে আমাৰ বিধায়ক আবাসত বিদ্যুৎ কত্তন নহ'ল। মই নিজেই দেখি আছে। অধ্যক্ষ মহোদয়, আপোনাৰ ঘৰতো নিশ্চয় বিদ্যুৎ কর্ত্তন হোৱা নাই। এইটো কিয় হয়? আমাৰ বিধায়ক আবাসত কিয় বিদ্যুৎ কর্ত্তন কৰা নহ'ল? সমগ্র অসম অন্ধকাৰাচন্ন হৈ থকা সময়ত আমাৰ বিধায়ক আবাসত সম্পূর্ণ বিদ্যুৎ আছে। বিদ্যুৎ বিভাগে এই কথাবিলাক চাব লাগে। মন্ত্রী, বিধায়ক সকলৰ আবাসতো বিদ্যুৎ কর্ত্তন হব লাগে কাৰন তেতিয়াহে আমি সকলোৱে উপলব্ধি কৰিব পাৰিম এই অৱস্থাটোৰ কথা। গতিকে এইখিনিকে কৈ মই বিদ্যুৎ মন্ত্রী মহোদয়ক এই ক্ষেত্রত সকলো ব্যৱস্থা লব বুলি আশা কৰি মোৰ বক্তব্য সামৰণী মাৰিলো।

✱**শ্রীমতী প্রমিলা ৰানী ব্রহ্ম** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টিকৰণ আছে। মাননীয় সদস্যগৰাকীয়ে চালাকাতি পাৰাৰ

প্রজেক্টটো বিটিএডিত থকা কাৰণে তাত বন্ধ ধনদাবী বা অন্য ভাবুকিৰ কাৰণে কাম বন্ধ হৈ আছে কিন্তু কথাটো সচা নহয়। আচলতে নামনি অসমত যিবিলাক বন্ধ অন্য ঘটনা হৈ আছে তাৰ প্রভাৱ চালাকাতিতো পৰিছে ——

মাননীয় অধ্যক্ষ ঃ- আপুনি বি টি এ ডিৰ কথা ওলাইছে কাৰণে কবলৈ উঠিছে নেকি? আপুনি কোন ৰুলত কব?

***শ্রীমতী প্রমিলা ৰানী ব্রহ্ম ঃ-** তেখেতে ধনদাবী অন্য ভাবুকিৰ কথা কৈছে সেই কাৰণে মই কব খুজিছো।

মাননীয় অধ্যক্ষ ঃ- এনেকৈ হলে সদন চলোৱাতো অসুবিধা হব, নিয়ম নামানিলে কেনেকৈ হব নিয়মৰ মাজেদি আহক।

***শ্রী প্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ-** অধ্যক্ষ মহোদয়, মাননীয় শ্রী ৰঞ্জিত দাস ডাঙৰীয়াই যিটো বিষয় সদনত উত্থাপন কৰিছে এইগোটেই কথাটো মই কর্ত্তন প্রস্তাৱৰ আলোচনাত বিস্তৃত ভাবে বিদ্যুৎ নাটনিৰ কথাটো বহলাই কৈছো। বিজেপি

দলৰ মাননীয় সদস্য শ্রী ৰঞ্জিত দাস ডাঙৰীয়াকক মই ধন্যবাদ জনাইছো কাৰণ তেখেতে পৰম্পৰা ভঙ্গ কৰি অকল বিৰোধীতাই কৰা নাই তেখেতে বহুবিলাক ভাল পৰামর্শ দিছে তেখেতৰ পৰামর্শখিনি আমি গ্রহণ কৰিবলৈ চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ ঃ- এই সকলো বিলাক কথা আপুনি কর্ত্তন প্রস্তাৱৰ সময়ত কৈ গৈছে মাত্র মাননীয় সদস্য দাস ডাঙৰীয়াই এটা নতুন কথা কৈছে তেখেতৰ নিজৰ আৱাসত বা বিধান সভা আৱাসত আৰু মন্ত্রী সকলৰ বাসভৱনত এদিনো লোড শ্বেডিং হোৱা নাই তাৰ উত্তৰটো দিব।

শ্রী প্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ- কথাটো সচা নহয়, লোড শ্বেডিং মন্ত্রী সকলৰ আৱাস কলনীটো হৈছে সচিবালয়তো হৈছে। এ পি ডি চি এলে কাৰো প্রতি অহেতুক প্রীতি দেখুওৱা নাই। আনহাতে এটা কথা হৈছে বিদ্যুৎ উৎপাদন প্রকল্প সমূহ আমাৰ চৰকাৰ অহাৰ পিছত বেছিকৈ চলাবৰ চেষ্টা কৰা হৈছে। ৯ টা প্রকল্প বন্ধ হৈ আছিল কিন্তু তাক চলোৱাৰ কোনো ব্যৱস্থা কৰা নাছিল। চলাকাতিৰ যিটো প্রকল্প সেইটো

